















আলোকচিত্ৰ শিল্পী ঃ
ভাস্কৰ তামুলী,
অগ্নিভ মহন্ত,
ময়ুৰদ্বীপ চেতিয়া,
কুন্দন হাতীকাকতি

গড়গাঁও মহাবিদ্যালয় আলোচনী
২০১৮-১৯ বৰ্ষ

THE GARGAON COLLEGE
ESTD 1959



# গড়গঞা

গড়গাঁও মহাবিদ্যালয় আলোচনী

২০১৮-১৯ বৰ্ষ

সম্পাদক ঃ সাগৰিকা দিহিঙ্গীয়া

## মহাবিদ্যালয়ৰ ৬০ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ দৃশ্যাংশ






## অন্তৰঙ্গ অনুষ্ঠান



শিক্ষক-কৰ্মচাৰীসকলৰ সৈতে NAAC সদস্যৰ দল



ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে NAAC সদস্যৰ দল



## NSS গোটৰ উদ্যোগত অনুষ্ঠিত বিভিন্ন কাৰ্যসূচীৰ একাংশ
















চাও-চিঙ কুঁৱৰী ছাত্ৰী নিবাসৰ অধীক্ষকৰ সৈতে আৱাসীসকল





মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্ত




মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ৰীণা সন্দিকৈ










মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকলৰ একাংশ



IQAC ৰ সমন্বয়ক ড° কৃষ্ণজ্যোতি সন্দিকৈ




গ্ৰন্থাগাৰিক ড° পংকজ কুমাৰ নাথ





মহাবিদ্যালয়ৰ কৰ্মচাৰীসকলৰ আলোকচিত্ৰ

# সম্পাদনা সমিতি



ড° সব্যসাচী মহন্ত
সভাপতি



শ্যামলীমা শইকীয়া
তত্ত্বাৱধায়িকা



মনোৰমা ফুকন
উপদেষ্টা



দেৱযানী বকলীয়াল
উপদেষ্টা



সাগৰিকা দিহিঙ্গীয়া
সম্পাদক



হিমাংশু গগৈ
পদেন সদস্য



শব্দশ্ৰী গগৈ
সদস্য



ৰশ্মি বৰগোহাঁই
সদস্য

# ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল



ভাস্কৰজ্যোতি সন্দিকৈ
সভাপতি



স্নেহা চাৰু
উপ-সভাপতি



হিমাংশু গগৈ
সাধাৰণ সম্পাদক



হিমাংশু বৰা
সহকাৰী সাঃ সম্পাদক



অৰ্ণৱ বৰুৱা
গুৰু খেল বিভাগৰ সম্পাদক



প্ৰাচুৰ্য্য প্লাৱন গগৈ
লঘু খেল বিভাগৰ সম্পাদক



সাগৰিকা দিহিঙ্গীয়া
সাহিত্য আৰু আলোচনী সম্পাদক



বিদ্যুৎ বিকাশ বড়া
তৰ্ক আৰু আনুষংগিক বিভাগৰ সম্পাদক



বিদুৰ গগৈ
উৎসৱ আৰু সাংস্কৃতিক সম্পাদক



গায়ত্ৰী হাতীমুৰীয়া
সংগীত বিভাগৰ সম্পাদক



যুৱৰাজ দেউৰী
খেল বিভাগৰ সম্পাদক



দীপশিখা বেজবৰুৱা
সমাজসেৱা বিভাগৰ সম্পাদক



বিদ্যুৎ মাউট
ছাত্ৰ জিৰণী চ'ৰাৰ সম্পাদক



মাধুৰীমা খনিকৰ
ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকা



ৰূপম গগৈ
শৰীৰ চৰ্চা বিভাগৰ সম্পাদক

# ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ উদ্যোগত অনুষ্ঠিত বিভিন্ন কাৰ্যসূচীৰ একাংশ



















# মহাবিদ্যালয়ৰ বিশেষ মুহূৰ্তৰ কেইখনমান আলোকচিত্ৰ

















২০১৮-১৯ বৰ্ষৰ মহাবিদ্যালয়ৰ ফুটবল দল



২০১৯ বৰ্ষৰ যুৱ-মহোৎসৱৰ দল



# মহাবিদ্যালয়ৰ সম্পদ সমূহৰ একাংশ




শৈক্ষিক ভৱন


বেণুধৰ মহন সোঁৱৰণী প্ৰেক্ষাগৃহ



কেন্দ্ৰীয় পুথিভঁৰাল


অধ্যয়ন কক্ষ



কম্পিউটাৰ লেব



ইনড'ৰ ষ্টেডিয়াম


কেন্টিন


খেলপথাৰ

# গড়গঞাৰ শিল্পচৰ্চা...
























**শিল্পীসকল ঃ** দীপজ্যোতি গোৱালা, কুন্দন হাতীকাকতি, ৱাছিফা ৰহমান
হিমাংশু গগৈ, ধৰ্মেন্দ্ৰ গগৈ, অংকিতা বৰুৱা, শান্তি ফুকন

# গড়গঞা

## গড়গাঁও মহাবিদ্যালয় আলোচনী
## ২০১৮-১৯ বৰ্ষ

*সশ্ৰদ্ধ প্ৰীতি আৰু শুভেচ্ছাৰে*
*With reverence, love and best wishes*

প্ৰতি/ To


.............................................................................................

.............................................................................................

সম্পাদক ঃ
সাগৰিকা দিহিঙ্গীয়া

**‘GARGAYAN’**

Edited by Sagarika Dihingia and published by Gargaon College Publication Cell, Gargaon College, Simaluguri for the session 2018-19, printed at Rohman Printing Press, Simaluguri.


# সম্পাদনা সমিতি


| | | |
|---|---|---|
| সভাপতি | ঃ | ড° সব্যসাচী মহন্ত |
| তত্ত্বাৱধায়িকা | ঃ | শ্যামলীমা শইকীয়া |
| উপদেষ্টা | ঃ | মনোৰমা ফুকন<br>দেৱযানী বকলীয়াল |
| সম্পাদক | ঃ | সাগৰিকা দিহিঙ্গীয়া |
| পদেন সদস্য | ঃ | হিমাংশু গগৈ |
| সদস্য | ঃ | ৰশ্মি বৰগোহাঁই<br>শব্দশ্ৰী গগৈ |
| প্ৰকাশক | ঃ | গড়গাঁও মহাবিদ্যালয় প্ৰকাশন কোষ, ২০১৮-১৯ বৰ্ষ |
| বেটুপাত | ঃ | হিমাংশু গগৈ |
| স্কেচ্ অংকন | ঃ | দীপজ্যোতি গোৱালা<br>*উৎস – ইণ্টাৰনেট* |
| মুদ্ৰণ | ঃ | ৰহমান প্ৰিণ্টিং প্ৰেছ, শিমলুগুৰি |

# উচৰ্গা

*যিসকল চিৰনমস্য ব্যক্তিৰ অহোপুৰুষাৰ্থ অৱদানৰ ফলত তিনিকুৰি বসন্ত অতিক্ৰম কৰা গড়গাঁও মহাবিদ্যালয়ে আজি সগৌৰৱে জ্ঞানৰ অক্ষয় বটবৃক্ষ ৰূপে থিয় দি আছে, সেইসকল মহান মনীষীৰ লগতে অধ্যয়ন পিপাসু ছাত্ৰ-ছাত্ৰীক শিক্ষাদানৰ ক্ষেত্ৰত কোনোদিনে ত্ৰুটী নকৰা শ্ৰদ্ধা শিক্ষাগুৰুবৃন্দ, মহাবিদ্যালয়খনৰ গতিশীলতাত ইন্ধন যোগোৱা কৰ্মচাৰীসকল তথা মহাবিদ্যালয়খনৰ প্ৰতি অকৃত্ৰিম আন্তৰিকতা থকা ৰাইজ আৰু জ্ঞানৰ পোহৰ খেদি আগুৱাই অহা ছাত্ৰ-ছাত্ৰীৰ হাতত 'গড়গঞা'ৰ এই সংখ্যাটি উচৰ্গা কৰিলো।*

*সাগৰিকা দিহিঙ্গীয়া*

**সম্পাদক 'গড়গঞা'**

*Professor Ranjit Tamuli*
**Vice-Chancellor**
**DIBRUGARH UNIVERSITY**
Dibrugarh, PIN 786004, Assam

Phone : 0373-2370239 (O), 0373-2328557 (R)
Mobile : +91 94350 06038, Fax : 0373 -2370323
E-mail : vc@dibru.ac.in
rtamuli@rediffmail.com

Ref. No. ......................................                Date ..........................................

# Message

It gives me immense happiness to learn that Gargaon College is going to bring out the annual college magazine 'Gargayan' for the 2018-19 session. The publication of annual college magazine holds a pre-eminent role in the academic landscape of the institution. The inherent creative strength of the students and their delightful prolific glimpses can be showcased through this kind of annual publication. With the advent of digital technology, the students communities have become exceedingly empowered with lot of information and their creative genius have increased manifold. I am sure that the college fraternity shall successfully accomplish this intellectually stimulating assignment with all its vibrancy and dynamism.

Let me also take the opportunity to congratulate the members of the editorial team and all the stakeholders of the institution for their wonderful initiative to achieve intellectual distinction through the publication of the annual magazine. May their cognitive pursuit touches the pinnacle of creative zenith.

With warm wishes,

**(Prof. Ranjit Tamuli)**
Vice-Chancellor
Dibrugarh University
Dibrugarh

**ডাঃ লক্ষ্মণন এচ, ভা.প্ৰ.সে.**
**উপায়ুক্ত**
**শিৱসাগৰ জিলা (অসম)**

सत्यमेव जयते

**উপায়ুক্তৰ কাৰ্যালয়**
**শিৱসাগৰ জিলা, অসম (ভাৰত)**
ফোন নং ঃ ২২২১৩৭ (কা), ২২২১৩৮ (আ)
ফেক্স নং ঃ ২২২৬৫৫ (কা), ২২২১৩১ (আ)
ই-মেইল ঃ dc-sibsagar@nic.in
ভ্ৰাম্যভাষ ঃ ৯৪৩৫১-৩৭৮১৯

# শুভকামনা

মই জানিবলৈ পাই অতি আনন্দিত হৈছো যে শিৱসাগৰ জিলাৰ অন্যতম উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান গড়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই ২০১৮-১৯ বৰ্ষৰ বাৰ্ষিক আলোচনী "গড়গঞা" প্ৰকাশ কৰিবলৈ লৈছে । বিদ্যালয়-মহাবিদ্যালয় সমূহৰ এনে বাৰ্ষিক আলোচনী সমূহৰ যোগেদি বহু নতুন প্ৰতিভাবান লেখক-লেখিকাই আত্মপ্ৰকাশ কৰিবলৈ সুযোগ পায় য'ত তেখেত সকলৰ সৃজনীশীল চিন্তাৰ প্ৰতিফলন ঘটে । আশাকৰো "গড়গঞা" ও ইয়াৰ ব্যতিক্ৰম নহ'ব ।

আলোচনীখনৰ লেখনি সম্ভাৰে সমাজলৈ ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিবলৈ সক্ষম হ'ব বুলি আশা ৰাখিলো আৰু মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো ।

3/5/19
(ডা: লক্ষ্মণন এচ.,ভা:প্ৰ:সে:)
উপায়ুক্ত,
শিৱসাগৰ জিলা ।

# GARGAON COLLEGE

**ESTD: 1959**

Simaluguri - 785686, Assam

E-mail: gargaoncollege@rediffmail.com

**Reaccredited by NAAC with B Grade**

Tel & Fax: 03772-252251


Date: .........................

## শুভেচ্ছাবাণী

ছশ বছৰীয়া স্বৰ্ণোজ্জ্বল আহোম ৰাজত্বৰ পীঠস্থান গড়গাঁৱৰ বুকুত ১৯৫৯ চনৰ ৭ ছেপ্টেম্বৰত প্ৰতিষ্ঠা লাভ কৰা অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান গড়গাঁও মহাবিদ্যালয়ে ইতিমধ্যে ইয়াৰ প্ৰতিষ্ঠাৰ গৌৰৱময় ৬০ টা বৰ্ষ সম্পূৰ্ণ কৰিছে। প্ৰতিষ্ঠা কালৰে পৰাই অসমৰ শৈক্ষিক, সামাজিক, সাংস্কৃতিক, সাংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক তথা ক্ৰীড়া ক্ষেত্ৰলৈ নিৰৱচ্ছিন্ন অৱদান আগবঢ়াই অহা গড়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই প্ৰতিবছৰে 'গড়গঞা' শীৰ্ষক এখনি বাৰ্ষিক আলোচনী নিয়মীয়াকৈ প্ৰকাশ কৰি আহিছে। 'গড়গঞা' কেৱল গড়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীলতাৰ কঠীয়াতলী অথবা বৌদ্ধিক উৎকৰ্ষ সাধনৰ উৎকৃষ্ট আধাৰেই নহয়, প্ৰকৃতাৰ্থত এয়া হৈছে মহাবিদ্যালয়খনৰ এক ঐতিহাসিক দস্তাবেজ।

এইবাৰো প্ৰতিভাসম্পন্ন ছাত্ৰী সাগৰিকা দিহিঙ্গীয়াৰ সম্পাদনাত 'গড়গঞা' ২০১৮-১৯ সংখ্যাটি প্ৰকাশৰ দিহা কৰা হৈছে। আশা কৰোঁ এই সংখ্যাৰ 'গড়গঞা'ই আমাৰ মহাবিদ্যালয়খনৰ অবিৰত অগ্ৰগামী যাত্ৰাত অন্য এক মাত্ৰাৰ সংযোজন ঘটাব।

'গড়গঞা'লৈ আন্তৰিক শুভ কামনাৰে—

(ড° সব্যসাচী মহন্ত)
অধ্যক্ষ
গড়গাঁও মহাবিদ্যালয়

Phone : 2571130
2602890

# সদৌ অসম ছাত্ৰ সন্থা

# ALL ASSAM STUDENTS' UNION

মুখ্য কাৰ্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়

HEAD OFFICE : GAUHATI UNIVERSITY, GUWAHATI - 781014

প্ৰসঙ্গ নং .................................... দিনাংক ঃ ২১-০৯-২০১৯

## শুভেচ্ছা বাৰ্তা

ইতিহাস প্ৰসিদ্ধ শিৱসাগৰ জিলাৰ অন্যতম গুৰুত্বপূৰ্ণ অঞ্চল গড়গাঁওত অৱস্থিত উচ্চ শিক্ষাৰ অন্যতম বাটকটীয়া অনুষ্ঠান গড়গাঁও মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'গড়গঞা' প্ৰকাশ কৰিবলৈ প্ৰস্তুতি চলোৱা বুলি জানিবলৈ পাই আনন্দিত হৈছো। মহাবিদ্যালয় সমূহৰ বাৰ্ষিক আলোচনীখন হ'ল শিক্ষানুষ্ঠানখনৰ দাপোণ স্বৰূপ। ছশ বছৰীয়া আহোম ৰাজত্ব কালৰ গৌৰৱোজ্জ্বল ইতিহাসৰ সাক্ষৰ বহনকাৰী ৰাজকাৰেঙৰ বক্ষভূমিত প্ৰতিষ্ঠিত গড়গাঁও মহাবিদ্যালয়ে অসমৰ শৈক্ষিক মানচিত্ৰত সুকীয়া পৰিচয় সৃষ্টি কৰিবলৈ সক্ষম হৈছে। এইখন মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'গড়গঞা'ত ছাত্ৰ সমাজৰ লগতে মহাবিদ্যালয় পৰিয়ালৰ সদস্য আৰু অন্যান্যসকলৰ চিন্তা সমৃদ্ধ লেখনিৰ সমাহাৰ ঘটিব বুলি আমি আশাবাদী।

'গড়গঞা'ৰ জৰিয়তে গড়গাঁও মহাবিদ্যালয়ৰ সকলোলৈকে শ্ৰদ্ধা আৰু আন্তৰিক শুভ-ইচ্ছা জ্ঞাপন কৰাৰ লগতে যিসকল পুৰোধা ব্যক্তিৰ ত্যাগ আৰু প্ৰচেষ্টাৰ জৰিয়তে মহাবিদ্যালয়খনে প্ৰতিষ্ঠা কালৰ পৰা আজিৰ পৰ্যায়ত উপনীত হ'লহি তেওঁলোকলৈ এই আপাহতে সশ্ৰদ্ধ প্ৰণিপ্ৰাত যাঁচিলো।

শেষত সাম্প্ৰতিক সময়ৰ লগত খাপখোৱাকৈ যুগ সাপেক্ষ চিন্তা সমৃদ্ধ লেখনিৰ লগতে মহাবিদ্যালয়খনৰ অতীত,বৰ্তমান আৰু ভৱিষ্যতৰ পৰিকল্পনা সমৃদ্ধ লেখনিৰ সমাহাৰেৰে 'গড়গঞা'ই পাঠক সমাজৰ সন্মুখত আত্মপ্ৰকাশ কৰি মহাবিদ্যালয়খনৰ এক দলিল ৰূপে পৰিগণিত হ'ব বুলি আশাবাদী হৈ ৰ'লো।

পুনৰ শ্ৰদ্ধা আৰু অফুৰন্ত শুভ-ইচ্ছাৰে...

**(ড° সমুজ্জ্বল ভট্টাচাৰ্য)**
মুখ্য উপদেষ্টা
।। সদৌ অসম ছাত্ৰ সন্থা।।

মুক বাও লুক তাই আহোম তাং ম্যুং

# সদৌ তাই আহোম ছাত্ৰ সন্থা (আটাছু)

কেন্দ্ৰীয় সমিতি

# ALL TAI AHOM STUDENTS' UNION (ATASU)

CENTRAL COMMITTEE

Date : ২০-০৯-১৯



## শুভেচ্ছাবাণী

ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'গড়গঞা' - ২০১৮-১৯ সংস্কৰণটি প্ৰকাশৰ প্ৰস্তুতি চলোৱাৰ কথা জানিব পাৰি আনন্দিত হৈছো। ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক, বৌদ্ধিক, সাহিত্য, সংস্কৃতিৰ উৎকৰ্ষ সাধনত মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰখনে যথেষ্টখিনি অৰিহণা যোগায়। আশা কৰোঁ 'গড়গঞা'ই ছাত্ৰ-ছাত্ৰীৰ জ্ঞান বিকাশত সমল যোগোৱাৰ লগতে মহাবিদ্যালয়খনিৰ ঐতিহ্যক প্ৰতিফলিত কৰিব। সাম্প্ৰতিক সময়ৰ উপযোগী লেখনিৰ সমাহাৰে 'গড়গঞা'ৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ উপৰিও সাহিত্য ৰচনাৰ ক্ষেত্ৰত আলোচনীখন নৱ-প্ৰজন্মৰ বাবে প্ৰেৰণাৰ থল হৈ ৰওক।

'গড়গঞা' (২০১৮-১৯) সংস্কৰণটি সুন্দৰ ৰূপত প্ৰকাশ পাওক। সদৌ তাই আহোম ছাত্ৰ সন্থা (আটাছু)ৰ তৰফৰ পৰা 'গড়গঞা' সম্পাদনা সমিতিৰ লগতে মহাবিদ্যালয়খনিৰ সদৌটিলৈকে আন্তৰিক শুভাশিস জনোৱাৰ লগতে 'গড়গঞা'ৰ দীৰ্ঘায়ু কামনা কৰিলো।

ৰং বয় বয়

(চাও লিটুল বুঢ়াগোহাঁই)
সভাপতি
সদৌ তাই আহোম ছাত্ৰ সন্থা
কেন্দ্ৰীয় সমিতি

Office : Jayanagar, Sixmile, Guwahati-22, Assam (India), E-mail: atasu1988@gmail.com




# শ্ৰদ্ধাঞ্জলি

ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ৰ
প্ৰতিষ্ঠা কালৰে পৰা বৰ্তমানলৈকে
কালৰ বুকুত হেৰাই যোৱা
প্ৰতিজন গড়গঞাৰ পৱিত্ৰ স্মৃতিত
একাঁজলি অশ্ৰু-অঞ্জলি
নিবেদিলোঁ।

# মহাবিদ্যালয় সংগীত

নিবিড় তিমিৰ ভেদি
পোহৰৰে সীমা খেদি
আমি আগুৱাই যাওঁ ...
ৰণুৱা বনুৱাৰ দেশ গঢ়া সপোনৰ
আমি জয় গীত গাওঁ।
দীনতা,
হীনতা,
নীচতা ভীৰুতাৰ
হওক অৱসান
জ্ঞানৰ বন্তি জালি
প্ৰাণৰ জেউতি ঢালি
গাওঁ জীৱনৰ গান
আমি গাওঁ জীৱনৰ গান।
এই গানৰ সুৰত
সেই ত্যাগৰ বুকুত
এই দীপ্ত আলোকত আমি
জয়গীত গাওঁ
গড়গাঁৰে সাৰ পাব
লাচিত সেনানী হ'ব
জয়া-মূলা গাভৰুৰ
প্ৰাণৰ শকতি লৈ
আমি আগুৱাই যাওঁ।।




কথা ঃ ড° লীলা গগৈ
সুৰ ঃ ড° ললিত শ্যাম

# সম্পাদকীয়...



*“...গড়গাঁৱে সাৰ পাব*
*লাচিত সেনানী হ’ব*
*জয়া, মূলাগাভৰুৰ*
*প্ৰাণৰ শকতি লৈ*
*আমি আগুৱাই যাওঁ...।”*

— (মহাবিদ্যালয় সংগীত)

গড়গাঁও, অসমৰ ইতিহাসত সোণোৱালী আখৰেৰে লিখা এক অধ্যায়। ৬০০ বছৰীয়া গৌৰৱোজ্জ্বল আহোম ৰাজত্বৰ চানেকি বহন কৰা কাৰেঙৰ নগৰী গড়গাঁও। বৰ অসমৰ ভেঁটি সুদৃঢ় কৰা আৰু বাৰেৰহণীয়া অসমৰ কৃষ্টি-সংস্কৃতিৰ ঘাই শিপাডাল নিহিত হৈ আছে এই গড়গাঁৱৰ বুকুতে। বুৰঞ্জীৰ পাতত লিপিবদ্ধ এই গৰিমাক পুনৰ উজ্জীৱিত কৰাৰ স্বাৰ্থত ১৯৫৯ চনত প্ৰজ্জ্বলিত হয় এগচি জ্ঞানৰ বন্তি ‘গড়গাঁও মহাবিদ্যালয়’। জন্মলগ্নৰ পৰা (১৯৫৯-২০১৯) চলিত বৰ্ষলৈকে তিনিকুৰি বসন্ত গৰকা বৃন্দাবনৰ দেশ আজিও যেন চিৰ তৰুণ। প্ৰকৃতিৰ বিনন্দীয়া পৰিৱেশৰ মাজত সগৌৰৱে থিয় দি থকা এই জ্ঞানমন্দিৰৰ সুদীৰ্ঘ যাত্ৰা পথত আছে অগণন ঘাত-প্ৰতিঘাত; পাৰ কৰি আহিছে সফলতাৰ কণ্টকময় বাট। আমাৰ হেঁপাহৰ মহাবিদ্যালয়খন আজিৰ এই অৱস্থাত উপনীত হোৱাৰ মূলতে অজস্ৰজন ব্যক্তিৰ ত্যাগ, কষ্ট, মহানুভৱতা লুপ্ত হৈ আছে। এই মুহূৰ্তত সেইসকল ব্যক্তিলৈ সশ্ৰদ্ধ প্ৰণিপাত নজনালে হৈ ৰ’ম অক্ষমনীয় অপৰাধী। প্ৰতিষ্ঠা কালৰে এই মহাবিদ্যালয়ে মাতৃভূমিলৈ সকলো দিশতে আগবঢ়াই আহিছে সৰ্বোৎকৃষ্ট অৱদান।

*‘সাহিত্যৰ সোৱাদ জিভাৰে নাপায়, তাক মনেৰে চাকিব লাগে,*
*তেহে তাৰ ৰূপ বা সোৱাদ গম পোৱা যায়।’*

— সত্যনাথ বৰা

উক্ত কথাষাৰক সাৰোগত কৰিয়েই ক’ব খোজো সঁচাই সাহিত্য জিভাৰে পোৱা নাযায়। ইয়াক পাবলৈ হ’লে অন্তৰ্দৃষ্টিৰে চাব লাগিব। নন্দন কাননত দেৱতাসকলে অমৃত পান কৰি আত্মহাৰা হোৱাৰ দৰে সাহিত্যনুৰাগী লোকে সাহিত্যৰ মধু পান কৰি কাল নিয়ায়।

এই কথা নিৰ্ঘাত সত্য যে অসমৰ কলা-কৃষ্টি, জনগাঁথনি, আন্তঃগাঁথনি, ভাষা-সংস্কৃতিৰ সকলোবোৰ দিশক পৰিপক্ক ৰূপে গঢ়ি তোলাৰ যি আখৰা এইয়া গড়গাঁৱৰ বাকৰিৰ পৰাই আৰম্ভ হৈছিল আজিও তাৰ অন্ত পৰা নাই। ইয়াৰে উৎকৃষ্ট উদাহৰণ হৈছে ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ৰ আলোচনী অথবা মুখপত্ৰ ‘গড়গএগ্ৰা’। এই আলোচনীখনে কেৱল মহাবিদ্যালয়ৰ বিভিন্ন গৌৰৱ তথা একাংশ প্ৰতিভা প্ৰতিফলিত কৰিছে এনে নহয়। ‘গড়গএগ্ৰা’ আলোচনীখনে গড়গাঁও আৰু ইয়াৰ ওচৰ-পাজৰ বৃহত্তৰ অঞ্চল একোটাৰ বৌদ্ধিক মহলক প্ৰতিনিধিত্ব কৰিছে। ইয়াৰ দায়িত্ব বহন কৰি আহিছে প্ৰজন্মৰ পিছত প্ৰজন্ম হিচাপে প্ৰত্যেকজন নিষ্ঠাৱান গড়গএগ্ৰাই।

নক'লেও হ'ব যে এই যুগ অতি আধুনিক যুগ। এই যুগৰ বিশ্বায়নৰ পৃথিৱীত তথ্য প্ৰযুক্তিয়েই সৰ্বত্ৰ। Smartphone, Internet, Whats App, Facebook, Instagram, Google ৰ কৃপাত সকলোৰে হাতে হাতে এখন ভ্ৰাম্যমাণ পৃথিৱী।

সময়ৰ কোবাল সোঁতত প্ৰযুক্তিৰ এইসমূহ মাধ্যমৰ তুলনাত ছপা মাধ্যমৰ গুৰুত্ব যে কিছু পৰিমাণে হীনদেঢ়ি ঘটিছে সেয়া সৰ্বজনবিদিত। তথাপিও এই জটিল সন্ধিক্ষণত এখন আলোচনীৰ জৰিয়তে বৰ্ণিল পৰিক্ৰমাক বৰ্তাই ৰখাৰ বাবে 'গড়গঞা'ই আপ্ৰাণ চেষ্টা কৰিছে।

সোঁৱৰণীৰ সেঁওতা ফালি মহাবিদ্যালয়ৰ মুখপত্ৰ 'গড়গঞা'ই অবিৰতভাৱে সমাজৰ আগত পৰিচয় দি আহিছে বৰ্তমানৰ গৌৰৱ গাঁথা আৰু সম্ভাৱনাৰ চিৰসেউজ বসন্তৰ নতুন ঠিকনা। গড়গঞাসকল যে কেৱল মাত্ৰ ষান্মাসিক ব্যৱস্থাৰ টৌত উটি-ভাঁহি যোৱা নামমাত্ৰ ডিগ্ৰীধাৰী নহয়, তেওঁলোকে যে মনে বিচৰা আকাশখনত উৰিফুৰা মুক্ত পখী তাকে এই মুখপত্ৰৰ জৰিয়তে উপস্থাপন কৰিবলৈ চেষ্টা কৰা হৈছে। নিজৰ ভাষা-সংস্কৃতিৰ প্ৰতি গড়গঞাৰ যি দায়িত্ববোধ, যি প্ৰেম সেয়া বিগত ৬০ বছৰে সমগ্ৰ অসমে স্বীকাৰ কৰি আহিছে আৰু কৰি থাকিব।

বিগত বৰ্ষসমূহৰ দৰে এইবাৰো 'গড়গঞা' সাজি উঠিছে ন ৰূপেৰে, নব্য চিন্তা-চৰ্চাৰে, বুদ্ধিদীপ্ত আলোকেৰে। সাহিত্য-সংস্কৃতি, পৰ্যটন, পৰিৱেশ, প্ৰকৃতি, প্ৰেম, বুৰঞ্জী, সাম্প্ৰতিক ঘটনা, ৰাজনীতি, সমাজনীতি, অৰ্থনীতি, বিজ্ঞানকে ধৰি অন্যান্য বিভিন্ন বিষয়সমূহক সামৰি সঁচা অৰ্থত এখন সৰ্বাংগসুন্দৰ আলোচনী প্ৰস্তুত কৰি তুলিবলৈ বিচৰা হৈছে। এই আটাইবোৰ বিষয় সামৰি গল্প, উপন্যাসিকা, প্ৰবন্ধ, কবিতা, নাটক, ৰসৰচনা, অন্তৰংগ আলাপ-আলোচনা আদিৰ দৰে ভাৰ গধুৰ চিন্তাশিল্প ১৮-১৯ বৰ্ষৰ 'গড়গঞা'ৰ এই সংখ্যাটিত খোদিত কৰা হৈছে।

আপোনাসৱে যদি এই অভাজনৰ দৃষ্টিকোণেৰে প্ৰত্যক্ষ কৰে তেনেহ'লে দেখিব যে এই বৃন্দাবনৰ দেশতেই জী উঠে একো একোটা যৌৱন, লহপহকৈ বাঢ়ি আহে সম্ভাৱনাৰ এক উজ্জ্বল দীপ্ত। দেশ, মাটি আৰু স্বজাতিৰ হকে এই প্ৰচুৰ সম্ভাৱনাপূৰ্ণ যৌৱনক এক সঠিক দিশত আগবঢ়াই দিয়াত গড়গাঁও মহাবিদ্যালয়ে অহোপুৰুষাৰ্থ কৰি আহিছে। তাৰেই জীৱন্ত দলিল মহাবিদ্যালয়ৰ মুখপত্ৰ 'গড়গঞা'।

'গড়গঞা'ৰ ইপ্সিত লক্ষ্যত উপনীত হ'বলৈ এতিয়াও বহুদূৰ বাকী। 'গড়গঞা'ৰ এই প্ৰবাহমান ধাৰা অব্যাহত থাকক, হৈ ৰওক সৃষ্টিশীলতাৰ এক নৱ উন্মেষৰ চানেকি।

'গড়গাঁও মহাবিদ্যালয়' আৰু 'গড়গঞা' কেৱল অসমৰে নহয় সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বৌদ্ধিক ক্ষেত্ৰৰ গুৰি ধৰোঁতা হওক তাৰে কামনাৰে—

জয়তু গড়গাঁও মহাবিদ্যালয়
জয়তু গড়গঞা

*সাগৰিকা দিহিঙ্গীয়া*
সাহিত্য আৰু আলোচনী সম্পাদক

# কৃতজ্ঞ হ'লো জীৱনৰ বাবে,
# ঋণী হ'লো সকলো সময়ৰ বাবে...

**যিসকলৰ চিন্তা-কল্পনা-অনুভূতিৰে গড়গঞাৰ পৃষ্ঠা উৰ্বৰ হ'ল—**

◈ গড়গাঁও মহাবিদ্যালয়ৰ স্বাভিমান অবিচ্ছেদ্য অংগ মুখপত্ৰ 'গড়গঞা'ত শুভেচ্ছাবাণীৰে আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সন্মানীয় উপাচাৰ্য ড° ৰঞ্জিত তামুলীদেৱ, জিলা উপায়ুক্ত (শিৱসাগৰ) ড° লক্ষ্মণন এচ.দেৱ, সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা শ্ৰীযুত সমুজ্জল ভট্টাচাৰ্যদেৱ আৰু সদৌ তাই আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি শ্ৰীযুত লিটুল বুঢ়াগোহাঁইদেৱলৈ বিশেষ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।

◈ গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ তথা 'গড়গঞা' সম্পাদনা সমিতিৰ সভাপতি ড° সব্যসাচী মহন্তদেৱ আৰু প্ৰাক্তন অধ্যক্ষ ড° পুণ্যধৰ গগৈদেৱলৈ বিশেষ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ লগতে উপাধ্যক্ষ মহোদয়া ড° ৰীণা সন্দিকৈ বাইদেউ, প্ৰাক্তন উপাধ্যক্ষ ড° টুটুল বৰতামুলী বাইদেউ আৰু প্ৰাক্তন অতিৰিক্ত উপাধ্যক্ষ ড° যোগেশ বৰাদেৱলৈ বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

◈ গড়গঞা আলোচনীখনৰ তত্বাৱধায়ক তথা গড়গাঁও সম্পাদনা সমিতিৰ উপদেষ্টা শ্ৰীযুতা শ্যামলীমা শইকীয়া বাইদেউ, শ্ৰীযুতা মনোৰমা ফুকন বাইদেউ আৰু শ্ৰীমতী দেৱযানী বকলীয়াল বাইদেউলৈ অশেষ ধন্যবাদ জনালোঁ।

◈ চিৰকৃতজ্ঞ হৈ ৰ'ম শিক্ষাগুৰু শ্ৰীযুত প্ৰণৱ দুৱৰা ছাৰ, ড° আন্না গগৈ বাইদেউ, শ্ৰীযুতা প্ৰিয়মা দিহিঙ্গীয়া বাইদেউ আৰু শ্ৰীযুতা ৰুণজুন হাজৰিকা বাইদেউৰ ওচৰত যিসকলে 'গড়গঞা' আলোচনীখনৰ লেখাসমূহ নিৰীক্ষণ কৰি দিছিল। সকলো সময়তে দিহা-পৰামৰ্শ আগবঢ়োৱা ড° অঞ্জন কোঁৱৰ ছাৰ, শ্ৰীযুত বিতোপল বৰগোহাঞি ছাৰ, শ্ৰীযুত যুৱৰাজ গগৈ ছাৰ আৰু সমূহ শিক্ষাগুৰুৰ লগতে সমূহ কৰ্মচাৰীবৃন্দলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।

◈ 'গড়গঞা' আলোচনীখনৰ বেটুপাত নিৰ্মাণেৰে আলোচনীৰ সৌষ্ঠৱ বৃদ্ধি কৰাত সহায় কৰা ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক তথা বন্ধু হিমাংশু গগৈ আৰু স্কেচ্ছ অংকনত সহায় কৰা বন্ধু দ্বীপজ্যোতি গোৱালালৈ বিশেষ কৃতজ্ঞতা আগবঢ়ালোঁ লগতে প্ৰতিটো খোজতে মোক সহায়ৰ হাত আগবঢ়োৱা ভাৰ্গৱ লিগিৰা দাদালৈও আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

◈ কৃতজ্ঞতাৰ শৰাই আগবঢ়াব লাগিব আলোচনীখন পূৰ্ণাংগ ৰূপত প্ৰকাশ কৰাত মোক সহায় কৰা বান্ধৱী ৰশ্মি বৰগোহাঁই, ভণ্টী শব্দশ্ৰী গগৈ, সুৰক্ষণা গগৈ আৰু ভাইটি উদয়াদিত্য বৰগোহাঁইৰ লগতে সমূহ শুভাকাংক্ষীলৈ। এওঁলোকৰ অবিহনেও হয়তো 'গড়গঞা'ৰ প্ৰকাশ আধৰুৱা হ'লহেঁতেন।

অৱশেষত ৰহমান প্ৰিণ্টিং প্ৰেছৰ সমূহ কৰ্মচাৰীবৃন্দৰ প্ৰতি সকলো সময়ৰ বাবে ঋণী হৈ থাকিলোঁ।

ধন্যবাদেৰে—

সাগৰিকা দিহিঙ্গীয়া
সাহিত্য আৰু আলোচনী সম্পাদক

**মাননীয় লেখক-লেখিকাসকলৰ লেখনিৰ মৌলিকতা সম্পৰ্কত সম্পাদনা সমিতি দায়বদ্ধ নহয়।**
**— সম্পাদনা সমিতি**

# সূচীপত্ৰ

## চিন্তাশিল্প আৰু বিবিধা


*প্ৰকৃতি, মানৱ সভ্যতা আৰু বিজ্ঞান প্ৰযুক্তি*

- নদী বান্ধ ▪ **যতীন চন্দ্ৰ বৰগোহাঁই**/...১৯
- ত্ৰিবেণী সংগমৰ সৰস্বতী নদী ক'লৈ গ'ল? ▪ **মনোৰমা ফুকন**/...২১
- HUMANITY AND ITS FUTURE ▪ **Trinku Bora**/...২৩
- উন্নয়ন আৰু প্ৰকৃতিৰ বহনক্ষমতা ▪ **প্লাৰিতা ফুকন**/...২৫
- ভাৰতবৰ্ষৰ খাদ্যপ্ৰণালী আৰু কৃষিক্ষেত্ৰত আন্তৰ্জাতিক হেঁচা আৰু পৰিৱেশৰ সমস্যা ▪ **তামান্না হুছেইন**/...২৮
- অগ্নি - ৫ ▪ **অংকুৰ গগৈ**/...৩০

*সাহিত্য সংস্কৃতিৰ দুটামান কোঁহ*

- নাৰী মনৰ অনুপম সৃষ্টি 'বিয়ানাম' ▪ **দেৱযানী বকলীয়াল**/...৩১
- বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত কোচ-ৰাজবংশী জনগোষ্ঠীৰ ভূমিকা ▪ **ৰনোজ দত্ত**/...৩৬
- AJANTA CAVE PAINTINGS ▪ **Chayanika Devi**/...৪৩
- কিহেৰে সাজিলি পেঁপা ঐ পেঁপুৱা ▪ **জ্ঞানতৃষা ফুকন**/...৪৪

*পৰিৱৰ্তিত সমাজ, শিক্ষা আৰু কিছু প্ৰাসংগিক চিন্তা*

- সাম্প্ৰতিক যুৱ সমাজ আৰু আধ্যাত্মিক শিক্ষাৰ প্ৰয়োজনীয়তা ▪ **ড° সব্যসাচী মহন্ত**/...৪৭
- সাম্প্ৰদায়িকতা— এক অবৈজ্ঞানিক, বিষাক্ত চিন্তা ▪ **ড° ক্ষীৰোদ চন্দ্ৰ গগৈ**/...৪৯
- নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০১৯ ত এভুমুকি ▪ **ড° ৰঞ্জনা গগৈ**/...৫২
- শিশু মনোবিজ্ঞান অধ্যয়নৰ ইতিহাস আৰু বিকাশ ▪ **ড° পলী কোঁৱৰ**/...৫৫
- SOCIAL MEDIA AND OUR CHANGING SOCIAL REALITIES ▪ **Yuvaraj Gogoi**/...৫৮
- অসমীয়া চিনেমা, ভালদিন আৰু কিছু অকথ্য ▪ **ভাৰ্গৱ লিগিৰা**/...৬০
- সাংসদ পদটো বৰ্তমান এটা আকৰ্ষণীয় বৃত্তি ▪ **সুৰক্ষণা গগৈ**/...৬৩
- উচ্ছৃংখলতা আৰু মানৱ সমাজ ▪ **সংগীতা বৰগোহাঁই**/...৬৫
- নাগৰিকৰ সমতাৰ অধিকাৰ আৰু ইয়াৰ কিছুমান সমালোচনাত্মক দিশ ▪ **ৰাচিফা ৰহমান**/...৬৬
- Tiktok, PUBG... এক সামাজিক ব্যাধি ▪ **স্নিগ্ধা দেৱী**/...৬৯
- শিক্ষা আহৰণৰ উৎকৃষ্ট মাধ্যম মাতৃভাষা ▪ **স্নেহা চাৰু**/...৭১
- শিক্ষা আৰু বৰ্তমান যুগত ইয়াৰ প্ৰভাৱ ▪ **শ্যামল চৰাইমূৰীয়া**/...৭৩
- নাৰী জীৱনৰ সংগ্ৰাম... ▪ **প্ৰীতিস্মৃতা গগৈ**/...৭৫
- Future of Majuli ▪ **Dipjyoti Gowala**/...৭৮
- শিক্ষানুষ্ঠানত আলোচনীৰ প্ৰয়োজনীয়তা ▪ **গায়ত্ৰী চৰাইমূৰীয়া**/...৮১
- Communication Vs English ▪ **Deekshita Phukon**/...৮৩
- G.S.T. ▪ **Mayur Borah**/...৮৫

*ব্যক্তি, ব্যক্তিত্ব আৰু সৃষ্টি*

- কণ্ঠ শোণিতৰ ধাৰ ▪ **পুণ্য শইকীয়া**/...৮৭
- "মোৰো এটা সপোন আছে" এখন আত্মজীৱনীৰ ভিত্তিত —কিছু আত্ম বিশ্লেষণ ▪ **বিকাশজ্যোতি চাংমাই**/...৯১
- ঈশ্বৰৰ সৃষ্টিক প্ৰত্যাহ্বান জনোৱা ছোৱালীজনী ▪ **দিগন্ত দাস**/...৯৩

*গড়গঞাৰ মুক্তকণ্ঠ*/...৯৫

*অন্তৰংগ*

বিশিষ্ট সাহিত্যিক আৰু সাংবাদিক অনুৰাধা শৰ্মা পূজাৰীৰ সৈতে—/...৯৯

## অনুভৱৰ দলিচা

*অনুভৱ*


- TREASURES OF THE HEART: MEMORIES OF NATIONAL LEVEL NSS YOUTH FESTIVALS ▪ **Dr. Rimjim Borah**/...১০৭
- অনুভৱ ▪ **ঋত্বিক তামুলী**/...১১২
- 'জীৱন' —এক অনুভৱ ▪ **গীতাৱলী গগৈ**/...১১৪
- অনন্য এক যাত্ৰাঃ ২৬ জানুৱাৰী ২০১৯ চনৰ এক মিঠা অনুভৱ ▪ **পুঞ্চি কুমাৰ সিং**/...১১৫


*ভ্ৰমণ ঃ বৰ্ণিল স্মৃতিৰ সুবাস...*


- A EUROPEAN SOJOURN ▪ **Dr. Rashmi Rekha Saikia**/...১১৯
- OUR DAYS IN VIETNAM ▪ **Dishasmriti Mahanta, Jumi Baruah**/...১২৮


*নীলা খামৰ চিঠি*


▪ **ৰশ্মি বৰগোহাঁই**/...১৩০
▪ **শব্দশ্ৰী গগৈ**/...১৩১


## কথাশিল্প

*চুটিগল্প*


- মই চুইচাইড কৰা নাছিলোঁ ▪ **মণিমুগ্ধ ৰাজকোঁৱৰ**/...১৩৫
- তেজপিয়া ▪ **মৃদুপৱন লাহন**/...১৩৬
- পলাতক ▪ **মুৰ্চ্ছনা ফুকন**/...১৩৯
- মধ্যবিত্ত ▪ **উদয়াদিত্য বৰগোহাঁই**/...১৪২
- কৰ্কটৰ দলিচাত ▪ **বিভূতি বুঢ়াগোহাঁই**/...১৪৪
- সুৰৰ মূৰ্চ্ছনাত গুঞ্জৰিত কাব্য ▪ **জোনমণি গগৈ**/...১৪৭
- ৰঙীন পৃথিৱী ▪ **প্ৰণামী গগৈ**/...১৪৯
- যুদ্ধ অনিবাৰ্য ▪ **ৰনোজ দত্ত**/...১৫১


*নাট্যশিল্প*


- স্বাৰ্থপৰতা ▪ **অভিজিত চক্ৰৱৰ্তী**/...১৫৮
- জীৱনৰ অন্তিম সময় ▪ **পৰিস্মৃতা কাকতী**/...১৬১


*ৰস-ৰচনা*


- চেফ্‌টি পিনৰ আত্মকাহিনী ▪ **অংকিতা চন্দা**/...১৬৪

*বিভিন্ন ক্ষেত্ৰত অসমৰ প্ৰথম*/...১৬৬


## শব্দশিল্প


- আৱৰণ ▪ **বিতুপল বৰগোহাঞি**/...১৬৯
- আধা ডজন জীৱনৰ কবিতা ▪ **কাঞ্চন বৰুৱা**/...১৬৯
- প্ৰেমৰ দলিচাত গড়গাঁও মহাবিদ্যালয় ▪ **ভাৰ্গৱজ্যোতি গগৈ**/...১৭১
- বন্যাৰ্তৰ বেদনা ▪ **আশা দেৱী**/...১৭২
- মৰহা ফুল ▪ **সম্প্ৰীতি লাহন**/...১৭২
- সেউজ প্ৰেমিক মোৰ... ▪ **কংকণা বৰুৱা**/...১৭৩
- অনুভৱৰ লেখা ▪ **চিমি গগৈ**/...১৭৪
- সৰাপাত ▪ **দীপজ্যোতি গোৱালা**/...১৭৪
- শান্তিৰ সংবাদ ▪ **প্ৰীতিস্মৃতা গগৈ**/...১৭৫
- আহিবা এদিন নদীৰ পাৰলৈ ▪ **প্ৰিয়ম হাজৰিকা**/...১৭৫
- সপোনৰ ভাষা হেনো মানৱতা ▪ **ৰনোজ দত্ত**/...১৭৬
- মা ▪ **উদয়াদিত্য বৰগোহাঁই**/...১৭৭
- নদী আৰু আকাশৰ বাবে এটি পদ্য ▪ **ভাৰ্গৱ লিগিৰা**/...১৭৭
- মানৱতাৰ নিলৰ্জ্জ ছবি ▪ **পূৰবী বুঢ়াগোহাঁই**/...১৭৮
- Back to Nature ▪ **Plabita Phukon**/...১৭৯
- Evergreen Reminiscence ▪ **Angkrita Chetia**/...১৭৯
- The Moonlight I Desire ▪ **Rainy Borgohain**/...১৮০
- Love Supreme ▪ **Mustafiza Nasreen**/...১৮০
- Winter ▪ **Nilakshi Boruah**/...১৮০



## সম্পাদকীয় প্ৰতিবেদন

# চিন্তাশিল্প আৰু বিবিধা

"জাতীয় অন্তৰতম ভাৱ, চিন্তা, তেজ আৰু প্ৰতিভা বাজ ওলাবলৈ ভাষা আৰু সাহিত্যত বাজে সুগম বাট আন নাই।"

— পদ্মনাথ গোহাঞিঃ বৰুৱা







# নদী বান্ধ

❍ **যতীন চন্দ্ৰ বৰগোহাঁই**
মুৰব্বী অধ্যাপক, ভূ-তত্ত্ব বিভাগ

**নদী বান্ধ ঃ**

নদীবান্ধ হ'ল ভূ-প্ৰাকৃতিকভাৱে পাহাৰীয়া অঞ্চলত খৰস্ৰোতা নদীৰ প্ৰস্থভাৱে নিৰ্মাণ কৰা এবিধ বৃহৎ আকাৰৰ বান্ধ। নদীবান্ধ বিভিন্ন সামগ্ৰীৰে নিৰ্মাণ কৰা হয়। কিছুমান বান্ধ শিল, মাটি আদিৰে নিৰ্মাণ কৰা হয়। প্ৰায়বিলাক বান্ধ চিমেণ্ট, বালি, শিলগুটিৰ মিশ্ৰণ কংক্ৰিটৰ দ্বাৰা নিৰ্মাণ কৰা হয়। নিৰ্মাণ সামগ্ৰীৰ ওপৰত নিৰ্ভৰ কৰি বান্ধসমূহ বিভিন্ন প্ৰকাৰৰ হয়। যেনে— Arch Dam, Concrete Dam, Earth Dam ইত্যাদি। নদীবান্ধৰ দ্বাৰা উৎপাদন কৰা শক্তিক জলবিদ্যুৎ শক্তি বোলা হয়। কাৰণ পানীক ব্যৱহাৰ কৰি ইয়াক উৎপাদন কৰা হয়, সেইবাবে ইয়াক জলবিদ্যুৎ শক্তি প্ৰকল্প বোলা হয়।

**নদীবান্ধৰ উপকাৰিতা ঃ**

নদীবান্ধৰ উপকাৰিতা অনেক আছে, তাৰ ভিতৰত—

(ক) বিদ্যুৎ শক্তি উৎপাদন কৰা হয়। যি শক্তি দেশ এখনৰ প্ৰগতিৰ বাবে অতি প্ৰয়োজন।

(খ) বানপানী ৰোধ।

(গ) জলসিঞ্চনৰ যোগেদি শস্য উৎপাদন বৃদ্ধি কৰিব পাৰি।

(ঘ) জনবসতি এলেকাত পানী যোগান।

(ঙ) নানা উদ্যোগত পানী যোগান।

(চ) নদীবান্ধৰ লগত সংযুক্ত জলাশয়ত নানা বিভাগৰ পৰ্যটন উদ্যোগ গঢ়িব পাৰি।

(ছ) নদীবান্ধ নিজেও এটা পৰ্যটন উদ্যোগ।

**নদীবান্ধৰ অপকাৰিতা ঃ-**

নদীবান্ধৰ উপকাৰিতাৰ লগতে অপকাৰিতাও আছে—

(ক) নদীবান্ধৰ ফলত নদীবান্ধৰ উজনি অঞ্চলৰ বৃহৎ কৃষিভূমি, জনবসতি পানীত তল যায়। ফলত কৃষিভূমি, জনবসতিপূৰ্ণ অঞ্চলসমূহ নষ্ট হয়। কেতিয়াবা উপযুক্ত ক্ষতিপূৰণৰ পৰা জনসাধাৰণ বঞ্চিত হোৱাও দেখা যায়।

(খ) নদীবান্ধৰ ফলত নদীবান্ধৰ নামনি অঞ্চলৰ নদী শুকাই যোৱাৰ বাবে নদীৰ পাৰৰ ৰাইজৰ জীৱিকাৰ ওপৰত বৃহৎ প্ৰভাৱ পৰে। নদীৰ মাছ ধৰি জীৱিকা নিৰ্বাহ কৰা লোকৰ জীৱিকা চিৰকালৰ বাবে বন্ধ হয়। নদী পাৰৰ সাৰুৱা, উৰ্বৰ মাটিবোৰ খৰাং হোৱাৰ বাবে খেতিৰ উৎপাদন যথেষ্ট কম হয়। নদীৰ পানীৰ সহায়ত নিৰ্মাণ কৰা জলসিঞ্চন বন্ধ হয় ফলত খেতি-বাতিৰ ওপৰত বৃহৎ প্ৰভাৱ পৰে। জনবসতি অঞ্চললৈ পানী যোগান, বৃহৎ উদ্যোগলৈ পানী যোগান প্ৰায় বন্ধ হৈ পৰে।

(গ) সাধাৰণতে ভূমিকম্প প্ৰৱণ অঞ্চলত ভূমিকম্পৰ বাবে কেতিয়াবা এই বৃহৎ নদীবান্ধ ভাঙিলে তৎক্ষণাত বৃহৎ আকাৰৰ বানপানী হৈ মানুহ, জীৱ-জন্তুৰ মৃত্যু হোৱাৰ উপৰিও খেতি-পথাৰ, ঘৰ-দুৱাৰ বানপানীত নষ্ট হ'ব। নামনিত একোটা বৃহৎ অঞ্চলত বিস্তৰ ক্ষতি হ'ব। সেইবাবে ভূমিকম্প প্ৰৱণ অঞ্চলত এৰাব নোৱাৰা কাৰণত নদীবান্ধ সাজিবলৈ হ'লে উন্নত প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ কৰাটো অতি প্ৰয়োজন। পৰাপক্ষত এনে অঞ্চলত নদীবান্ধ নিৰ্মাণ এৰাই চলাই ভাল। আমাৰ উত্তৰ-পূৰ্বাঞ্চল ভূমিকম্প প্ৰৱণ অঞ্চল, সেইবাবে অসমত নদীবান্ধ বিৰোধী আন্দোলনে গা কৰি উঠিছে।

**নদীবান্ধ নিৰ্মাণৰ বাবে ঠাই নিৰ্বাচনত ভূ-বিজ্ঞানৰ প্ৰয়োজনীয়তা ঃ-**

নদীবান্ধৰ বাবে ঠাই নিৰ্বাচনৰ বাবে ভূ-বিজ্ঞানৰ আৱশ্যকতা এৰাব নোৱাৰাকৈ আছে। প্ৰায় চাৰিকুৰি মান বছৰৰ আগতে নদীবান্ধ বা আন তেনেজাতীয় বৃহৎ প্ৰকল্পবিলাক নিৰ্মাণ কৰোঁতে ভূ-বিজ্ঞানৰ সহায় লোৱা নহৈছিল, ফলত নদীবান্ধ আৰু আন কিছুমান প্ৰকল্প প্ৰাকৃতিক কাৰণত ধ্বংস হৈ চৰকাৰৰ হাজাৰ হাজাৰ কোটি টকা লোকচান হৈছিল নাইবা ধন-জনৰো ক্ষয়-ক্ষতি হৈছিল। বৰ্তমান অৱশ্যে অভিযন্তা আৰু ভূ-বিজ্ঞানী সকলো একেখন মঞ্চত বহি এনে ক্ষয়-ক্ষতিৰ পৰা পৰিত্ৰাণ পাব পৰা ব্যৱস্থা হৈছে। গতিকে বৰ্তমান ভূ-বিজ্ঞানীৰ সেউজ সংকেত পালেহে বান্ধ নিৰ্মাণৰ বাবে অভিযন্তাসকলে কামত অগ্ৰসৰ হয়। নদীবান্ধ নিৰ্মাণৰ বাবে প্ৰয়োজন হোৱা ভূ-বিজ্ঞানৰ কিছুমান চৰ্ত হ'ল —

(ক) নদীবান্ধসমূহ সদায় নদীৰ ঠেক (narrow) অঞ্চল নিৰ্বাচন কৰা হয়। ফলত নদীবান্ধসমূহ মজবুত হোৱাৰ উপৰিও নিৰ্মাণ ব্যয়ৰ পৰিমাণ যথেষ্ট কম হয়।

(খ) নদীবান্ধ এবিধ বৃহৎ আকাৰৰ আৰু যথেষ্ট ওজন থকা এটা বৃহৎ প্ৰকল্প, সেইবাবে নদীবান্ধ নিৰ্মাণৰ ঠাইত শিলসমূহ কঠিন আৰু বহুদিন স্থায়ী হোৱাটো প্ৰয়োজন। গতিকে অঞ্চলটো আগ্নেয়শিল নাইবা কঠিন গেদীয় শিলৰ হোৱাটো প্ৰয়োজন। শিলৰ অধ্যয়ন ভূ-তত্ত্ববিদসকলৰ দ্বাৰা কৰা হয়।

(গ) নদীবান্ধ নিৰ্মাণ কৰিবলগা অঞ্চলৰ শিলাসমূহ বিভিন্ন ধৰণৰ সংৰচনাৰ দ্বাৰা মুক্ত হ'ব লাগিব। কিছুমান সংৰচনাৰ বাবে শিলাসমূহ দুৰ্বল হয়।

(ঘ) নদীবান্ধ নিৰ্মাণ কৰিবলগা শিলাসমূহত ফাট (Fracture) মুক্ত হ'ব লাগে। কাৰণ শিলৰ মাজত ফাট থাকিলে ইয়াৰ মাজেৰে যথেষ্ট পানী ওলাই গ'লে বান্ধটোৰ কোনো মূল্য নাথাকিব।

(ঙ) নদীবান্ধ নিৰ্মাণ কৰিবলগা শিলাসমূহ non permeable শিলা হ'ব লাগিব। non permeable শিলা থাকিলে নদীবান্ধৰ জলাশয়ৰ পৰা পানী নিগৰি ওলাই যাব।

(চ) নদীবান্ধ ভূমিকম্প প্ৰৱণ অঞ্চলত নিৰ্মাণ কৰিব নালাগিব। কাৰণ ভূমিকম্প হ'লে নদীবান্ধ বিধস্ত হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে।

(ছ) নদীবান্ধ নিৰ্মাণ অঞ্চলত ভূ-জলৰ বিষয়ে অধ্যয়ন অতি প্ৰয়োজন। ভূ-জলৰ ওপৰৰ সীমা (Ground water table) গভীৰতাত থকাটো প্ৰয়োজন।

❑❑

# ত্ৰিবেণী সংগমৰ সৰস্বতী নদী ক'লৈ গ'ল?




❍ মনোৰমা ফুকন
সহকাৰী অধ্যাপিকা, ভূগোল বিজ্ঞান বিভাগ

প্ৰয়াগৰ ত্ৰিবেণী সংগমৰ, গংগা আৰু যমুনা এই দুখন নদীৰ বাহিৰে আৰু এখন নদী সৰস্বতী প্ৰকৃততেনো ক'লৈ গ'ল? হিন্দুত্ব দৰ্শনত বিশ্বাসী প্ৰতিজন ভাৰতীয়ই কিয় গংগা, যমুনা নদীৰ সংগমতেই স্নান কৰি সন্তোষ লাভ কৰে? ঠাইখনৰ নামেই যিহেতু "ত্ৰিবেণী সংগম", তাৰ অন্তৰালত থকা নদীকেইখন কোন কেইখন?

সঁচাকৈ ভাৰত ভূ-গৰ্ভৰ পৰা সৰস্বতী নদীখন হেৰাই গ'ল নেকি? নে বৰ্তমানেও ভূ-গৰ্ভেৰে বৈ আছে? বহু ভাৰতীয়ই ভবাৰ দৰে সৰস্বতী নদীয়ে দেৱীত্ব পালে নেকি? ভৌগোলিকভাৱে সৰস্বতী নদীৰ অস্তিত্ব আছেনে বা আছিলনে? বৈদিক যুগত ইমান গুৰুত্ব থকা নদীখননো কি কাৰণত নোহোৱা হ'ল? নে আন কিছুমানে ভবাৰ দৰে ই হিন্দুত্ববাদত বিশ্বাসী মানুহৰ এক ভ্ৰম!

ভৌগোলিক আৰু ভূ-তাত্ত্বিক দৃষ্টিৰে যদি চোৱা হয় তেন্তে প্ৰয়াগৰ সৰস্বতী নদী উত্তৰ ভাৰতৰ এখন বিখ্যাত নদী; যাৰ উৎপত্তি বন্দৰপুছ পঞ্চত সৃষ্টি হৈ আৰৱ সাগৰত মিলিত হৈছিল।

অন্য এক দৃষ্টিৰে তাতকৈয়ো যদি আগলৈ চোৱা যায় তেন্তে বৈদিক সভ্যতাৰ বহু আগতেই সৰস্বতী নদীৰ পাৰত এক উন্নত সভ্যতা গঢ় লৈ উঠিছিল। এইটো সত্য যে, বৰ্তমান সৰস্বতী নদীৰ অস্তিত্ব নাই; কিন্তু চাৰিওখন বেদতে সৰস্বতী নদীৰ বিষয়ে উল্লেখ আছে। ঋকবেদত সৰস্বতী নদীৰ স্তুতিৰ কাৰণে ৭৫ টা মন্ত্ৰ থকাৰ উপৰিও সৰস্বতী নদীক ভাৰতৰ সাতখন নদীৰ শ্ৰেষ্ঠ বুলিও উল্লেখ আছে। সেয়া হ'ল সৰস্বতী শটলুজ, ব্যাস, ৰাৱী, চিনাৱ, ঝিলাম আৰু সিন্দু। আকৌ বেদসমূহত সৰস্বতীক হিন্দু নদীৰ মাতৃ বুলিও কোৱা হৈছে। অথৰ্ব বেদত সৰস্বতীক পূৰ্ব-পুৰুষৰ উদ্ধাৰকৰ্তা, অন্নদাতা আৰু ঔষধ দিওঁতা বুলি বৰ্ণনা কৰিছে। মহাভাৰততো

সৰস্বতী নদীৰ কথা বহুবাৰ উল্লেখ আছে। পাণ্ডৱসকলে উত্তৰ-ভাৰতৰ সৰস্বতী তীৰৰ বহু ঠাই ভ্ৰমণ কৰাৰ কথাও উল্লেখ আছে। এনেবোৰ কাৰণত সৰস্বতী নদীক কাল্পনিক বুলি কোৱাৰ থল নাথাকে।

হেমকোযতো সৰস্বতী নদীখন দিল্লীৰ উত্তৰ-পূব দিশৰ পৰা বৈ অহাৰ কথা উল্লেখ আছে। ভূ-তাত্বিক গৱেষণাই এই নদীখন ভাৰতবৰ্ষৰ ভূ-অবয়ৱৰ উত্থানৰ বাবেই নোহোৱা হৈছে বুলি ক'ব বিচাৰে। কাৰণ ভূ-তত্ব বিজ্ঞান অনুসৰি ভাৰতৰ থৰ মৰুভূমিৰ বয়স মাত্ৰ তিনি হাজাৰ বছৰ বা তাতকৈ অলপহে বেছি। কিন্তু হিমালয় পৰ্বতৰ সৃষ্টি, হিন্দু-গংগা, ব্ৰহ্মপুত্ৰ উপত্যকা সৃষ্টিৰ বহু আগতেই হৈছিল। তথাপিও ৰাজস্থানৰ ভূমি উৎক্ষেপণৰ ফলতেই সেই সময়ৰ সৰস্বতীয়ে দিশ সলনি কৰিলে আৰু থৰ মৰুভূমিৰ সৃষ্টি হ'ল।

২০০৫ চনত, ONGC য়ে কৃত্ৰিম উপগ্ৰহৰ অধ্যয়ন আৰু ধৰাতলীয় অধ্যয়নৰ জৰিয়তে সৰস্বতী আজিও বহু কিঃমিঃ ধৰি ভূ-গৰ্ভৰে বৈ আছে বুলি কৈছে। অধ্যয়নটোত ইয়াকো কোৱা হৈছে যে, যমুনাৰ পূবত হেৰাই যোৱা নদীখন দিল্লী হৈ সটলুজৰ পশ্চিম দিশেদি আহি হিন্দু নদীত লগ হৈছিল। এই দুয়োখন নদী সৰস্বতীৰ লগত মিলি হাৰিয়ানা, ৰাজস্থান, গুজৰাটৰ মাজেৰে গৈ কচ্ছ উপসাগৰত মিলিত হৈছিল। গৱেষণাটোত ইয়াকো দেখা গৈছে যে— হাৰিয়ানাৰ যমুনা নগৰৰ মগলাকলা গাঁৱত ১০ ফুট দ' অংশত যি পানীৰ সুঁতি পোৱা হৈছে সেয়া ১০০ হাজাৰ বছৰৰ আগতে লুপ্ত হোৱা সৰস্বতী নদীৰ পানী বুলি কোৱা হৈছে। আৰু কোনো কোনোৱে সেয়া সৰস্বতীৰ পুনৰ জনম বুলিও ভাবিছে।

যি কি নহওক, হেৰাই যোৱা সৰস্বতী নদীৰ সন্ধানৰ বাবে কেন্দ্ৰীয় চৰকাৰেও বিভিন্ন কাম হাতত লৈছে। ৰাষ্ট্ৰপতি আব্দুল কালাম ডাঙৰীয়াও সৰস্বতী নদীৰ অনুসন্ধানৰ ওপৰত বৈজ্ঞানিক পৰীক্ষা কৰাত গুৰুত্ব দি গৈছে। ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰেও সৰস্বতী নদীৰ অস্তিত্বৰ বিষয়ে পশ্চিম ৰাজস্থানত অনুসন্ধানৰ কামত ব্ৰতী হৈছে। হাৰিয়ানাতো ONGC ৰ দ্বাৰা Saraswati Project লোৱা হৈছে। Department of Atomic energy, the Indian Space Research Organisation, Chennai Saraswati Research Centre-ৰে সমান্তৰালভাৱে গৱেষণা চলাই, সৰস্বতী নদীখন ৰাজস্থান আৰু হাৰিয়ানাত ১০,০০০ বছৰৰ আগতে থকা এখন বক্ৰ নদী (Meander River) বুলি ব্যক্ত কৰিছে। আৰু সম্পূৰ্ণভাৱে ভূ-তাত্বিক কাৰণত ভূ-পৃষ্ঠৰ পৰা নোহোৱা হৈ ভূ-গৰ্ভত পোৱা গৈছে বুলি প্ৰমাণ কৰিছে।

সেয়েহে ক'ব পাৰি, প্ৰকৃতিয়ে নিজৰ প্ৰতিটো কামৰে এটা চিন ৰাখি যায়। লাখ লাখ বছৰৰ পিছতো যি হেৰাই নাযায়। সৰস্বতী নদীও তাৰ এক জ্বলন্ত প্ৰমাণ।


**সহায়ক পুথি ঃ**

১) লুপ্ত নদী সৰস্বতী - মণিৰত্ন মখোপাধ্যায়
অনুবাদ - গোবিন্দ প্ৰসাদ ভূঞা

২) আনন্দৰাম বৰুৱা - প্ৰাচীন ভাৰতৰ ভূগোল
অনুবাদ - মহম্মজ তাহেৰ


❑❑

**"বিজ্ঞানৰ অবিহনে মানৰ জাতি এটি অবুজ বান্দৰৰ শিশু। যুঁজিবলৈ শিলৰ অস্ত্ৰ তৈয়াৰ কৰাটোও এটা বিজ্ঞান। এয়াই মানুহৰ বাবে বিজ্ঞান। আকৌ যিজন আছিল প্ৰথমবাৰৰ বাবে শিলে শিলে ঘঁহনি খুৱাই জুই জ্বলাইছিল তেওঁ বিজ্ঞানৰ বাবে এজন অজ্ঞাত অথচ গুৰুত্বপূৰ্ণ মানুহ; অন্য অৰ্থত বিজ্ঞান মানুহৰ পেটৰ পো, যি আজি হৈ পৰিছে কণাৰ লাখুটি।"**

উৎস ঃ ইণ্টাৰনেট

# HUMANITY AND ITS FUTURE

❍ **Trinku Bora**
Ex-student



Though people refer humanity in different ways, it can imply a moral face and is also cited as a source of international law. It also carries the notion of philanthropy and altruism. Humanity and science are inter-linked and the contributions of science for the progress of human civilization cannot be denied. Yet, in today's technology-driven world, one often wonders whether humanity is at stake. Technology, being a product of human civilization is a kind of advancement in science and what we need to harness are its positive powers only, such as solving energy issues, reducing global warming and possibly halting, or reversing climate change, ending diseases etc.

European Futurist and the author of Technology v/s Humanity, Gerd Leonhard specializes the clash between man and machine. He says that humanity will change more in the next 10/20 years than it did in the previous 300 years. The compound effect of exponential and combinational technological change will surpass the industrial revolution. Technology is going beyond being merely a tool, beaming its own purpose instead. Here, one can see how Linkedln used to be a great tool for facilitating business connection between professionals which now is becoming an increasingly self-serving engine for global HR/ work/ jobs analytics so that people can't even use its most useful features anymore without subscription. In the field of communication and transportation, people may see that Uber is just a software tool. They even don't own any cars but become the biggest taxi company in the world. In the US, young generation lawyers don't have any jobs just because of IBM Watson. Here, people get legal advice within seconds with 90% accuracy compared with 70% accuracy when done by human. Watson already occupies place in diagnosing cancer 4 times more accurately than human nurses. Moreover, Facebook now has a pattern known as Face recognition which recognizes face better than humans.

Interestingly, around 2020, people don't have to own a personal car or they don't have to park cars because people will hire a car over phone which will show up at their location and drive to their destination. One can predict that it will save a million lives each year from accidents. Moreover, by 2020, there will be apps that can tell or express by facial expression whether people are lying or something else. This could be very helpful for political debate or to find out whether politicians are speaking the truth or uttering a lie. There will be a $100 agricultural robot in the future. Farmers of 3rd world countries can become managers of their own field instead of working all days in their field. Electric cars will be on market latest by 2020. Cities will be less noisy because all new upcoming cars will run on electricity. Cars from Tesla are doing a revolutionary approach by creating computers on its wheels. Top class medical companies are going to build a medical device called "Tricoder" from Star Trek which will work with a mobile phone and take one's retina scan, blood sample, breath into it, identify any diseases etc.

For this kind of future, people need to safeguard and hedge the essential human idiosyncrasies so that they are not diminished or even eradicated by the tendency of technology to swiftly present itself as a solution to everything. Despite the onslaught of technology and its boons, humans need to keep alive their essential traits of compassion, benevolence and solidarity for each other and refrain from being a slave to technology itself.

❑❑

# উন্নয়ন আৰু প্ৰকৃতিৰ বহনক্ষমতা

❍ প্লাৰিতা ফুকন
পঞ্চম ষান্মাসিক, ইংৰাজী বিভাগ



মানৱ সভ্যতা আৰু উন্নয়ন, এই দুয়োটা যেন এটা মুদ্ৰাৰ ইপিঠি সিপিঠি। অৰণ্য আৰু গুহাত থকা দিনৰ পৰা উন্নয়নৰ জখলাৰে আগুৱাই আহি মানৱ সমাজে বৰ্তমানৰ পৰ্যায়ত উপনীত হৈছে। জুই আৰু চকাৰ আৱিষ্কাৰে মানৱ সভ্যতাৰ উন্নয়নৰ ধাৰাটোক জীৱনী শক্তিৰে উজ্জীৱিত কৰিছিল। ইয়াৰে আঁত ধৰি আদিম মানুহে এখোজ দুখোজকৈ আগবাঢ়িছিল জীৱশ্ৰেষ্ঠ হোৱাৰ প্ৰয়াসেৰে। উল্লেখযোগ্য যে, যোৱা দুই তিনিটা শতিকাত মানৱ সভ্যতাৰ যি উন্নয়ন ঘটিছে, সেয়া শ শ বছৰ ধৰিও সম্ভৱ হোৱা নাছিল। নতুন চিন্তা-চৰ্চা, ন ন আৱিষ্কাৰ আদিবিলাকে মানুহৰ জীৱন-ধাৰণ প্ৰণালীৰ আমূল পৰিৱৰ্তন সাধন কৰিছে।

মানৱ জীৱনৰ ওপৰত পৰিৱেশৰ প্ৰভাৱ অতি নিবিড়। পৰিৱেশৰ মাজতেই মানুহৰ জন্ম হয়, ডাঙৰ হয় আৰু জীয়াই থাকে। অতীজৰে পৰা পৃথিৱীৰ বিভিন্ন দেশৰ সভ্যতাসমূহ পৰিৱেশৰ ওপৰত বিশেষকৈ প্ৰাকৃতিক পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰি গঢ়ি উঠিছে। সেয়েহে ৰবলুইতৰ অবিহনে অসমৰ কথা ভাবিব নোৱাৰি, যিদৰে নীল নদীৰ অবিহনে ইজিপ্তৰ কথা ভাবিব নোৱাৰি।

যিদিনাই আদিম মানুহে শিলে শিলে ঘঁহনি খুৱাই জুইৰ আৱিষ্কাৰ কৰিছিল, সেইদিনাৰ পৰাই বতাহ প্ৰদূষিত হৈ আহিছে। সভ্যতাৰ অগ্ৰগতিৰ লগে লগে মানুহে উন্নয়নৰ নামত প্ৰকৃতিৰ ওপৰত চলাই আহিছে অবাধ অত্যাচাৰ। প্ৰদূষিত কৰিছে প্ৰকৃতিৰ দান— বায়ু, পানী, মাটি। যোগাযোগ আৰু যাতায়াত ব্যৱহাৰ উন্নতিৰ নামত কাটিছে শ শ গছ-গছনি। ভূ-গৰ্ভৰ পৰা সম্পদ আহৰণৰ নামত প্ৰদূষিত কৰিছে ভূ-গৰ্ভৰ পানী। কৃষিৰ উন্নতিৰ নামত ৰাসায়নিক সাৰ, কীটনাশক দ্ৰব্য প্ৰয়োগ কৰি প্ৰদূষিত কৰিছে মাটি। আজিৰ যান্ত্ৰিক যুগৰ মানুহৰ দিনটো চৰাইৰ কাকলিৰে আৰম্ভ নহয়। আৰম্ভ হয় ঘড়ীৰ এলাৰ্মৰ যান্ত্ৰিক শব্দৰে।

বৰ্তমান সময়ত মানুহৰ জীৱন-ধাৰণ প্ৰণালীৰ দ্ৰুত গতিত পৰিৱৰ্তন ঘটিছে। সেয়েহে আজিৰ পৰা দহ-পোন্ধৰ বছৰ আগৰ জীৱন-ধাৰণ প্ৰণালী আৰু বৰ্তমানৰ জীৱন-ধাৰণ প্ৰণালী যথেষ্ট পাৰ্থক্য পৰিলক্ষিত হয়। খুব বেছি ১৩-১৪ বছৰ আগতে ল'ৰালি কালত মা বা খুৰীদেৰে বাহী চোতালখন নাসাৰোতেই ৰমলিয়াই থকা কাউৰীজনীৰ মাত দেখোন আজিকালি প্ৰায়ে শুনা পোৱা নাযায়। সেই ল'ৰালি কালতে যিকেইটা শিয়ালৰ হোঁৱা শুনি ভয়ত পেঁপুৱা লাগিছিলো, সেই শিয়ালকেইটাৰ মাতো এতিয়া আৰু শুনিবলৈ পোৱা নাযায়। এতিয়া আৰু আইতাই ভাইটি-ভণ্টীহঁতক ভয় দেখুৱাই 'শিয়ালীয়ে নাহিবি ৰাতি' বুলি নিচুকনি গীত গাই সিহঁতৰ চকুলৈ টোপনি আনিব নোৱাৰে। সেই ল'ৰালিকালতে লগৰীয়াৰ সৈতে খেল পথাৰৰ পৰা ঘূৰি আহোঁতে আকাশত দেখা পোৱা নিজ নিজ বাসস্থানমুখী বিবিধ চৰাইৰ জাকবোৰৰ সংখ্যা আজিকালি কমি আহিছে। পৰিণত হৈছে এক নষ্টালজিয়াত মাথোঁ। কিন্তু ইমান কম সময়ৰ ভিতৰত ইমান আমূল পৰিৱৰ্তন কেনেকৈ সম্ভৱ হ'ল, সেয়া এক গুৰুত্বপূৰ্ণ বিষয়। এনেধৰণৰ পৰিৱৰ্তনসমূহে যেন মানুহে উন্নয়নৰ নামত প্ৰকৃতিৰ ওপৰত চলোৱা অত্যাচাৰকে প্ৰতিফলিত কৰি আহিছে।

উন্নয়ন বিষয়তো পৰিৱেশৰ লগত জড়িত। সভ্যতাৰ অগ্ৰগতিৰ লগে লগে বিভিন্ন ধৰণৰ উন্নয়ন প্ৰক্ৰিয়াই প্ৰাকৃতিক পৰিৱেশৰ ক্ষতি সাধন কৰিছে। অত্যাধিক প্ৰাকৃতিক সম্পদ আহৰণৰ ফলত ইয়াৰ পৰিমাণ কমি আহিছে। এই গতিৰেই উন্নয়ন চলি থাকিলে আমাৰ সভ্যতাৰ ধ্বংস অনিবাৰ্য।

বৰ্তমানৰ পৰিস্থিতিত উন্নয়নৰ নামত বিভিন্ন ৰাস্তা-ঘাত, উদ্যোগিক প্ৰতিষ্ঠান, অট্টালিকা আদি নিৰ্মাণৰ নামত শ শ গছ-গছনি নিৰ্বিচাৰে কটা হয়। কিন্তু পুনৰ ৰোপণৰ ক্ষেত্ৰত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নহয়। এই নীলকণ্ঠৰূপী গছ-গছনিবোৰ ধ্বংস কৰাৰ প্ৰভাৱ লাহে লাহে সমগ্ৰ পৃথিৱীতেই সু-স্পষ্ট হৈ পৰিছে। সমগ্ৰ পৃথিৱীৰ উষ্ণতাৰ তাৰতম্য ঘটাৰ লগে লগে জলবায়ুৰ পৰিৱৰ্তন ঘটিছে। সেয়েহে গোলকীয় উষ্ণতা বৃদ্ধি বিষয়টোৱে এক গুৰুতৰ ৰূপ ধাৰণ কৰিছে। গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলস্বৰূপে পৃথিৱীৰ হিমবাহ তথা এণ্টাৰ্কটিকাৰ বৰফসমূহ গলিবলৈ ধৰাৰ ফলত সমুদ্ৰপৃষ্ঠৰ উচ্চতা বৃদ্ধি পাইছে। লক্ষ্যণীয় বিষয় যে ভাৰতৰ এখন মুখ্য বাণিজ্যিক চহৰ মুম্বাই আৰু আমেৰিকাৰ নিউইয়ৰ্কত সমুদ্ৰপৃষ্ঠৰ উচ্চতা যথেষ্ট বৃদ্ধি পাইছে। তদুপৰি বিভিন্ন ঠাইৰ উষ্ণতা তথা জলবায়ু পৰিৱৰ্তনৰ ফলত বহুতো প্ৰাণী বিলুপ্ত হোৱাৰ সম্ভাৱনা বৃদ্ধি পাইছে। এইবিলাক পৃথিৱীলৈ ভৱিষ্যতে নামি আহিব পৰা দুৰ্যোগৰ অশনি সংকেত।

উন্নয়নে বহুক্ষেত্ৰত পৃথিৱীৰ প্ৰাকৃতিক দুৰ্যোগ সহন ক্ষমতা কমাই আনে। উন্নয়নৰ কাম-কাজবিলাকে বিভিন্নধৰণৰ দুৰ্যোগ সৃষ্টিত অৰিহণা যোগায়। লগৰীয়া উন্নয়নৰ ফলস্বৰূপে তুলনামূলকভাৱে এক নিম্ন উপাৰ্জনকাৰী গোটৰ জন্ম হয়। এনে গোটসমূহে তেওঁলোকৰ নিম্ন উপাৰ্জনেৰে নিম্ন মানদণ্ডৰ বস্তি অঞ্চলত বসবাস কৰে। তদুপৰি পাহাৰৰ গৰা আদিতো ঘৰ নিৰ্মাণ কৰা পৰিলক্ষিত হয়। ফলস্বৰূপে ভূমিস্খলন আদি দুৰ্যোগৰ সম্ভাৱনীয়তা বাঢ়ি যায়। সেয়েহে গুৱাহাটী মহানগৰীতো প্ৰায় ভূমিস্খলনৰ দৰে ঘটনা ঘটি থাকে। তদুপৰি উন্নয়নৰ বাবে কৰা জলসম্পদ পৰিচালনাৰ প্ৰকল্পবিলাক, যেনে— নদীবান্ধ, জলসিঞ্চন পদ্ধতি, আদিবিলাকে পতিত মাটিৰ সৃষ্টি কৰিব পাৰে। তদুপৰি বৃহৎ বৃহৎ নদীবান্ধসমূহে ইয়াৰ কাষৰীয়া অঞ্চলত বানপানীৰ সৃষ্টি কৰিব পাৰে।

বৰ্তমান নগৰীয়া উন্নয়নৰ আন এক কু-প্ৰভাৱ পৰিলক্ষিত হয় বিভিন্ন নদীবিলাকৰ ক্ষেত্ৰতো। যাৰ ফলত নদীসমূহৰ চৰিত্ৰৰ দ্ৰুতগতিত পৰিৱৰ্তন হোৱা পৰিলক্ষিত হৈছে। এইক্ষেত্ৰত গংগা নদীৰ কথা উল্লেখযোগ্য। নগৰীয়া আৱৰ্জনাৰে প্ৰদূষিত হৈ পৰিছে পৱিত্ৰ নদী গংগা। তদুপৰি অসমৰ ভৰলু, ভোগদৈ আদি নদী হৈ পৰিছে নিশ্চিহ্নপ্ৰায়।

এই নদীসমূহৰ নগৰীয়া জীৱনৰ আৱৰ্জনাৰ দমেৰে ভাৰাক্ৰান্ত। আনহাতে, আন কিছুমান নদীয়ে বাৰিষা ধাৰণ কৰে প্ৰলয়ংকাৰী ৰূপ। অৱশ্যে মানুহৰ অত্যাচাৰৰ প্ৰত্যুত্তৰ প্ৰকৃতিয়ে নিদিয়াকৈ থকা নাই। সেয়েহে প্ৰকৃতিয়ে ২০১৩ চনত উত্তৰাখণ্ডত ধাৰণ কৰিছিল প্ৰলয়ংকাৰী ৰূপ।

উন্নয়নে সৃষ্টি কৰা এনেসমূহ দুৰ্যোগ তথা সম্পদৰ অপব্যৱহাৰ বিষয়টোৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমান বহনক্ষম উন্নয়নৰ ধাৰণাটোৱে গুৰুত্ব লাভ কৰিছে। বহনক্ষম উন্নয়নে প্ৰাকৃতিক সম্পদৰ কোনো ক্ষতি নকৰাকৈ মানুহৰ বৰ্তমানৰ প্ৰয়োজন পূৰণ কৰে আৰু ভৱিষ্যতৰ প্ৰয়োজনীয়তাৰ বাবেও নিশ্চয়তা প্ৰদান কৰে। সেয়েহে পৰিৱেশৰ সম্পদসমূহৰ যথোচিত ব্যৱহাৰ কৰি, ভাৰসাম্য ৰক্ষা কৰি দেশ বা অঞ্চল একোটাই অৰ্থনৈতিক প্ৰগতি বা উন্নয়ন কৰি যাবলৈ বৰ্তমান প্ৰজন্ম সচেতন হ'ব লাগে।

বহনক্ষম উন্নয়নৰ বাবে আমি সকলোৱে পৰিৱেশৰ লগত এক বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি তুলিব লাগিব। বিশেষকৈ বিকাশ তথা উন্নয়নৰ আঁচনি প্ৰস্তুত কৰোঁতে এক সৰ্বজনমুখী, বিবেচনাপূৰ্ণ মনোভাৱ গ্ৰহণ কৰিব লাগে। যাতে ইয়াৰ দ্বাৰা বৰ্তমানৰ লগতে ভৱিষ্যত সমাজো উপকৃত হয়। বহনক্ষম উন্নয়নৰ বাবে সম্পূৰ্ণ বিচাৰ বিবেচনাৰে সম্পদসমূহ আহৰণ কৰিব লাগে।

উন্নয়নৰ জখলাত দোপতদোপে আগবাঢ়ি বৰ্তমান সমাজৰ প্ৰায় প্ৰতিটো পৰিয়ালৰ একো একোখন সুকীয়া বাহন দেখিবলৈ পোৱা যায়। স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰতো এয়া দেখিবলৈ পোৱা যায়। ইয়াৰ পৰিৱৰ্তে আমি সকলোৱে যাত্ৰীবাহী বাহনেৰে ভ্ৰমণ কৰিলে আমি কিমানখিনি ইন্ধন ভৱিষ্যত প্ৰজন্মৰ বাবে ৰাহি কৰিব পাৰিম তথা কিমানখিনি বিষাক্ত গেছ বায়ুমণ্ডলত এৰি দিয়াৰ পৰা দূৰত থাকিব পাৰিম সেয়া অনুধাৱন কৰিব পাৰিলে ভৱিষ্যত প্ৰজন্মক যথেষ্ট উপকৃত কৰা হ'ব। তদুপৰি বিভিন্ন বয়সত আমি বিজুলী বাতি তথা পানীৰো যথেষ্ট অপব্যয় কৰি আহিছোঁ। এইবিলাক কথাই প্ৰকাশ কৰে আমি আচলতে প্ৰকৃতিৰ দান তথা উপকাৰসমূহৰ প্ৰতি কিমান অকৃতজ্ঞ। এইক্ষেত্ৰত 'খাই পাত ফলা' বুলি আচলতে আমাকেই ক'ব পাৰি।

অৱশ্যে অ-বহনক্ষম উন্নয়নৰ পৰা বহনক্ষম উন্নয়নলৈ গতি কৰিবলৈ উপযুক্ত প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ কৰাৰ যথেষ্ট প্ৰয়োজনীয়তা আছে। স্থানীয়ভাৱে সম্ভৱ পৰিৱেশৰ লগত বন্ধুত্বপূৰ্ণ, সমৰ্থনযুক্ত প্ৰযুক্তিবিদ্যাৰ সহায়তহে সুস্থ বিকাশ সম্ভৱ, যাকআমি design with nature বুলিও ক'ব পাৰো। এইক্ষেত্ৰত 3R ৰ প্ৰয়োজনীয়তাৰ কথাও উল্লেখযোগ্য। অৰ্থাৎ Reduce, Reuse আৰু Recycling অৰ্থাৎ সম্পদৰ ব্যৱহাৰ সম্ভৱ অনুসৰি হ্ৰাস কৰিব লাগে, যিকোনো সম্পদ এবাৰ ব্যৱহাৰ কৰি পেলাই নিদি ব্যৱহাৰৰ উপযোগী কৰি তুলিব লাগে।

এনে বিভিন্ন দিশৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমান প্ৰজন্ম সচেতন হোৱা উচিত। এইক্ষেত্ৰত শৈশৱৰ পৰাই ছাত্ৰ-ছাত্ৰীসকলক পৰিৱেশ সম্পৰ্কীয় শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিব লাগে। অৱশ্যে, আমাৰ দেশত উচ্চতম ন্যায়ালয়ৰ ৰায়দানৰ পিছতহে পৰিৱেশ সম্পৰ্কীয় পাঠ্যক্ৰম স্কুল-কলেজৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছে। কিন্তু সততে শুনিবলৈ পোৱা ছাত্ৰ-ছাত্ৰীসকলৰ পৰীক্ষামুখী মনোভাৱৰ সত্যতা প্ৰমাণ কৰি ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশ সম্পৰ্কীয় সমস্যাসমূহৰ গুৰুত্ব অনুধাৱন কৰি সেইবিলাকৰ সমাধানৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়াস কৰা দেখা নাযায় তথা সচেতন নহয়। যেন পাঠ্যপুথিৰ জ্ঞানতে সীমাবদ্ধ আমাৰ জীৱন।

উন্নয়নে সৃষ্টি কৰা বিভিন্ন দুৰ্যোগ তথা বহনক্ষম উন্নয়নৰ বাবে পৃথিৱীৰ দেশবিলাকৰ মাজত আন্তঃসম্পৰ্ক তথা সহযোগিতাৰ প্ৰয়োজন। সমগ্ৰ বিশ্বৰ উমৈহতীয়া প্ৰচেষ্টাতহে এনে সমস্যাসমূহ সমাধান কৰাটো সম্ভৱ। এইক্ষেত্ৰত মেধা পাটেকাৰ, সুন্দৰমল বহুগুণা আদি ব্যক্তিৰ উদাহৰণ আমাৰ অনুকৰণীয়। তদুপৰি যাদৱ পায়েঙৰ দৰে ব্যক্তিৰ আদৰ্শ সঁচাকৈয়ে উৎসাহজনক। সেয়েহে আমি "Act locally, think globally" —এই আদৰ্শ অনুধাৱন কৰি এনে সমস্যাসমূহৰ সমাধানৰ প্ৰয়াস চলাই যাব লাগে।

❑❑

# ভাৰতবৰ্ষৰ খাদ্যপ্ৰণালী আৰু কৃষিক্ষেত্ৰত আন্তৰ্জাতিক হেঁচা আৰু পৰিৱেশৰ সমস্যা



❍ তামান্না হুছেইন
প্ৰথম যান্মাসিক, অৰ্থনীতি বিভাগ

পৃথিৱীৰ দ্বিতীয় জনবহুল দেশ ভাৰতবৰ্ষ এখন উন্নয়নশীল ৰাষ্ট্ৰ। এই দেশ প্ৰাকৃতিক সম্পদত প্ৰচুৰভাৱে চহকী। ইয়াৰ চাৰিওফালে প্ৰকৃতিৰ মনোমোহা দৃশ্যই সকলোকে আপ্লুত কৰে। ইয়াত থকা প্ৰাকৃতিক সম্পদসমূহৰ উপযুক্ত তথা সঠিক ব্যৱহাৰ কৰি দেশখনক অৰ্থনৈতিকভাৱে উন্নতিৰ পথত আগুৱাই নিব পাৰি। প্ৰচুৰ সম্ভাৱনাপূৰ্ণ দেশ ভাৰতবৰ্ষত দিনক দিনে জনসংখ্যা বৃদ্ধি পাই আহিছে যদিও তাৰ তুলনাত দেশৰ উৎপাদন ক্ষমতা বিভিন্ন বাহ্যিক আৰু আভ্যন্তৰীণ কাৰণত বৃদ্ধি পোৱা নাই।

আমাৰ দেশ প্ৰায় শতকৰা চল্লিশ ভাগ মানুহ দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে। দেশখনত প্ৰয়োজনীয় মূলধন পুঁজিৰ অভাৱত উৎপাদনী ব্যৱস্থাটো উন্নত হৈ উঠিব পৰা নাই। এতিয়াও দেশৰ বহুকেইখন ৰাজ্যত উপযুক্ত নিয়োগ তথা কৰ্মসংস্থাপনৰ অভাৱত নিবনুৱা সমস্যাই দেখা দিছে আৰু দুৰ্ভিক্ষৰ লগতে দৰিদ্ৰতাৰো সৃষ্টি হৈছে। ১৯৩০ চনত ভাৰতবৰ্ষত মহামন্দা অৱস্থাই দেখা দিছিল। ইয়াৰ ফলত ঔদ্যোগিক ব্যৱস্থা, কৃষি প্ৰণালী, সেৱাকাৰ্য আদি সকলোতে সংকটময় অৱস্থাৰ সৃষ্টি হোৱাৰ লগতে দেশখনৰ অৰ্থনৈতিক গাঁথনিটো সম্পূৰ্ণৰূপে ভাগি পৰিছিল। এই মন্দাৱস্থা দূৰ কৰিবলৈ আৰু অৰ্থনৈতিক গাঁথনিটো সবল কৰিবলৈ দেশখনে আমেৰিকা, জাপান আদি উন্নত দেশসমূহৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছিল। দেশৰ দুৰ্ভিক্ষ, দৰিদ্ৰতাৰ দৰে সংকটময় অৱস্থা আঁতৰাবৰ বাবে ভাৰতে উন্নত দেশসমূহৰ পৰা বহু পৰিমাণে খাদ্য সামগ্ৰী, প্ৰযুক্তিবিদ্যা আদি আমদানি কৰি দেশৰ দুৰৱস্থা দূৰ কৰিবলৈ যত্ন কৰিছিল।

প্ৰখ্যাত ভাৰতীয় কৃষি বিজ্ঞানী প্ৰ. এছ. কে. সিন্‌হাই

প্ৰযুক্তি পৰিকল্পনা খাদ্য আৰু কৃষি পেনেলৰ নেতৃত্ব দিছিল। ১৯৬৫-৬৬ আৰু ১৯৬৬-৬৭ চনৰ পুনৰ ভাৰতত খাদ্য প্ৰণালীৰ ক্ষেত্ৰত সংকটময় অৱস্থাই দেখা দিয়ে। সেই সময়ত চি. সুব্ৰমণিয়ম কেন্দ্ৰীয় কৃষি মন্ত্ৰী আছিল। এই দুটা বছৰত প্ৰায় ১০ মিলিয়ন টন আৰু ১১ মিলিয়ন টন খাদ্যসামগ্ৰী আমদানি কৰিবলগীয়া হৈছিল। দ্বিতীয় বছৰত দেশখনত বৰষুণ নোহোৱাৰ বাবে খৰাং অৱস্থাই দেখা দিছিল। কৃষিপ্ৰধান ৰাজ্যবোৰত উপযুক্ত জলসিঞ্চনৰ সুবিধা নথকাৰ বাবে সেই বছৰত উৎপাদিত খাদ্যই দেশখনৰ সকলো লোকৰে চাহিদা পূৰণ কৰিব পৰা নাছিল যাৰ ফলত দুৰ্ভিক্ষত ভুগি বহু লোক মৃত্যু মুখত পৰিছিল আৰু পুনৰ দেশৰ আৰ্থ গাঁথনিটো ভাগি পৰিল। এই সংকটে দেশৰ নেতৃত্বক খাদ্য শস্যৰ এটা সুযোগ দিলে। সুযোগবশতঃ এই সময়খিনিয়ে চাউল আৰু ঘেহুঁৰ সঁচ বা বিধানৰ বিকাশ সাধন কৰা আন্তৰ্জাতিক কেন্দ্ৰবোৰত প্ৰযুক্তিৰ ক্ষেত্ৰত এটা চমকপ্ৰদ সাফল্য আনিছিল। ভাৰতবৰ্ষই এই প্ৰযুক্তিৰ সুযোগ লৈ এইবোৰৰ ওপৰত পৰীক্ষা-নিৰীক্ষা কৰিলে আৰু পিছত ব্যাপক হাৰত কৃষি সম্প্ৰসাৰণ ধাৰা আৰম্ভ কৰিলে। ফলত তিনি বছৰৰ ভিতৰতে গমৰ উৎপাদন দুগুণ বাঢ়িল। ১৯৭০ চনত মানুহৰ পছন্দ অনুসৰি বিবিধ কিছিমৰ চাউল আৰু গমৰ বিকাশ সাধন হৈ দেশখনৰ খাদ্যৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হৈ উঠিল। এই শতিকাটোতে ১৯৭৯ আৰু ১৯৮৭ চনত পুনৰ দুটা প্ৰবল খৰাং আৰু দুৰ্ভিক্ষই দেখা দিছিল। এনে অৱস্থাত ভাৰতবৰ্ষই আন দেশৰ পৰা খাদ্য-সামগ্ৰী আৰু প্ৰযুক্তি আমদানি কৰিবলগা হোৱা নাছিল। কিয়নো দেশত প্ৰায় ৩০ মিলিয়ন টন খাদ্যশস্যৰ ভাণ্ডাৰ মজুত আছিল। এই মজুতকৃত খাদ্যশস্যই দেশৰ এনে সংকটময় অৱস্থা দূৰ কৰিবলৈ সক্ষম হৈছিল। ৯০ দশকত কৃষি ক্ষেত্ৰত কিছু বৈচিত্ৰ্যই দেখা দিছিল। তেতিয়া দেশখনে বহু পৰিমাণৰ চাউল আৰু ঘেহুঁ ৰপ্তানি কৰি দেশৰ অৰ্থনৈতিক ভেঁটিটো উন্নত কৰি তুলিছিল। ইয়েই দেশখনৰ জাতীয় আয় বৃদ্ধিত অৰিহণা যোগাইছিল। পৰৱৰ্তী সময়ছোৱাত দেশত সেউজ বিপ্লৱৰ বিকাশ সাধন কৰিছিল। কৃষি ক্ষেত্ৰত নতুন প্ৰযুক্তি কৌশল প্ৰয়োগ কৰি উৎপাদন বৃদ্ধিত গুৰুত্ব দিছিল লগতে কৃষি নিৰ্ভৰ প্ৰচেছিং উদ্যোগৰো বিকাশ সাধন কৰিছিল।

পৰৱৰ্তী সময়ছোৱাত দেশখনে কৃষিক্ষেত্ৰত কিছু পৰিমাণে আত্মনিৰ্ভৰশীল হৈ দেশৰ আন্তঃগাঁথনিটো সবল কৰি তোলাৰ অনেক প্ৰচেষ্টা আৰু পৰিকল্পনা হাতত লৈছিল। কিন্তু, দেশৰ জনসংখ্য বৃদ্ধিৰ পৰিমাণ নিৰ্দিষ্ট হাৰতকৈ বহুগুণে বেছি আছিল। জনসংখ্যা বৃদ্ধিৰ বাবে দেশখনত উৎপাদিত দ্ৰব্য সামগ্ৰীয়ে সকলো লোকৰে চাহিদা পূৰণ কৰিব পৰা নাছিল, ফলত ২০১০ চনলৈকে ভাৰতে প্ৰায় ১৪ মিলিয়ন টন খাদ্য শস্যৰ আমদানি কৰিবলগীয়া হৈছিল।

খাদ্যশস্য, শাক-পাচলি, গাখীৰ, ফল-মূল, হাঁহ-কুকুৰা, গৰু-ছাগলীৰ বৰ্দ্ধিত চাহিদাই ভাৰতীয় কৃষিৰস্থা আৰু উৎপাদনৰ ক্ষেত্ৰত নতুন নতুন বৃহৎ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছিল। উপযুক্ত জলসিঞ্চনৰ ব্যৱস্থা উন্নত সাৰ, কীটনাশক দ্ৰব্য, উন্নত প্ৰযুক্তি কৌশল আদি উৎপাদন ক্ষেত্ৰত প্ৰয়োগ কৰি দেশৰ কৃষি শস্য উৎপাদন বৃদ্ধি কৰিব পাৰি। অত্যাধিক উৎপাদিত খাদ্যশস্যই দেশৰ সকলোৰে চাহিদা পূৰণ কৰাৰ লগতে আন আন দেশলৈও ৰপ্তানি কৰি উপযুক্ত আয় আহৰণ কৰিব পাৰি। কৃষিক্ষেত্ৰত উপাদানসমূহ আমদানি-ৰপ্তানি দুয়োটাই গুৰুত্বপূৰ্ণ ভূমিকা আছে। ভাৰতে খাদ্যসামগ্ৰী আন আন দেশলৈ ৰপ্তানি কৰি আৰু আন দেশৰ পৰা প্ৰযুক্তি আমদানি কৰি দেশ দুখনৰ মাজত আন্তৰ্জাতিক সম্পৰ্ক গঢ়ি তোলে। বিদেশৰ পৰা আহৰণ কৰা প্ৰযুক্তি কৃষিক্ষেত্ৰত প্ৰয়োগ কৰি কৃষি উপযোগী ৰাসায়ন আৰু উৰ্বৰক বিলাকক আন্তঃৰাষ্ট্ৰীয় মানদণ্ডৰ কৰি তুলিব লাগিব। আনহাতে বিশ্ব বাণিজ্য সংস্থাৰ অধীনত থকা সমান ৰাষ্ট্ৰীয় ব্যৱহাৰৰ চৰ্তসমূহো মানি চলিব লাগিব।

কৃষিক্ষেত্ৰত ব্যৱহাৰ কৰা কীটনাশক দ্ৰব্য, ৰাসায়নিক সাৰ, উন্নত প্ৰযুক্তিবিদ্যাই কম সময়তে উৎপাদনৰ পৰিমাণ বৃদ্ধি কৰিছে যদিও পৰিৱেশৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছে। মিথেনৰ দৰে সেউজগৃহ গেছ নিৰ্গত হোৱাৰ ফলত মাটিৰ স্বাভাৱিক গুণাগুণ নাইকিয়া কৰি তুলিছে লগতে সঘনে বতৰৰ পৰিৱৰ্তনৰ ফলত কৃষিক্ষেত্ৰত যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগা হৈছে। এনে ভৌগোলিকভাৱে প্ৰণোদিত হেঁচাক প্ৰতিহত কৰি কৃষিক্ষেত্ৰৰ বিকাশ সাধনৰ ওপৰত গুৰুত্ব দিব লাগিব।

মুঠৰ ওপৰত ক'ব পাৰি যে, খাদ্যপ্ৰণালী আৰু কৃষিক্ষেত্ৰত আন্তৰ্জাতিক হেঁচাই যথেষ্ট পৰিৱৰ্তন সাধন কৰিছে। বৃহৎ জনসংখ্যাৰ দেশ ভাৰতবৰ্ষৰ প্ৰতিকূল বতৰ আৰু অন্যান্য প্ৰাকৃতিক দুৰ্যোগ হোৱাৰ পিছতো ইয়াৰ সমুদায় মানুহে বিভিন্ন সুস্থিৰ সঙ্গতিপূৰ্ণ ফলপ্ৰসূত বিভিন্ন আঁচনি, পৰিকল্পনা আদিৰ জৰিয়তে নিৰন্তৰভাৱে দেশৰ খাদ্যযোগান অব্যাহত ৰখাৰ লগতে দেশৰ কৃষি ব্যৱস্থাক এখোজ আগুৱাই লৈ গৈছে।

❑❑



# অগ্নি - ৫

❍ অংকুৰ গগৈ
তৃতীয় ষান্মাসিক, গণিত বিভাগ

২০১২ চনৰ ১৯ এপ্ৰিল। ভাৰতৰ ইতিহাসৰ এক যুগান্তকাৰী দিন। সেইদিনা ভাৰতবৰ্ষই পাৰমাণৱিক অস্ত্ৰ কঢ়িয়াব পৰা দেশীয় প্ৰযুক্তিবিদ্যাৰে নিৰ্মিত 'অগ্নি-৫' মিছাইল যাক ৫০০০ কিলোমিটাৰ দূৰত্বলৈ নিক্ষেপ কৰি ইতিহাস সৃষ্টি কৰিলে। ইয়াৰ দ্বাৰা ভাৰতে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য পাঁচখন ৰাষ্ট্ৰৰ দৰে আন্তঃমহাদেশীয় বেলিষ্টিক ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰিব পৰা সামৰ্থ থকা দেশত পৰিগণিত হ'ল। লগতে চীন, ৰাছিয়া, ফ্ৰান্স, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু গ্ৰেট ব্ৰিটেইনকে ধৰি গঠিত এলিট নিউক্লিয়াৰ ক্লাৱত অন্তৰ্ভুক্ত হ'ল।

উৰিষ্যাৰ উপকুলৰ কাষৰ হুইলাৰ দ্বীপৰ পৰা পুৱা ৮-০৭ বজাত এই ক্ষেপণাস্ত্ৰ উৎক্ষেপণ কৰা হৈছিল। লগত নিয়া হৈছিল এক ভুৱা যুদ্ধাস্ত্ৰ। প্ৰায় ২০ মিনিট সময় ধৰি অধিবৃত্তীয় উৰণ পথেৰে গৈ ই নিৰ্দ্ধাৰিত লক্ষ্যত আঘাত কৰিছিল। এই ক্ষেপণাস্ত্ৰবিধৰ ওজন প্ৰায় ৫০,০০০ কিলোগ্ৰাম আৰু দৈৰ্ঘ্য ১৭.৫ মিটাৰ। অগ্নি-৫ য়েই হ'ল ভাৰতৰ প্ৰথমটো ইণ্টাৰকণ্টিনেণ্টেল বেলেষ্টিক মিছাইল। ইয়াৰ পূৰ্বে ভাৰতে চাৰিটা অগ্নিৰ সফল উৎক্ষেপণ কৰি বিশ্বক চমকৃত কৰিছিল।

অগ্নি ক্ষেপণাস্ত্ৰ কেৱল ভাৰতৰ প্ৰধানমন্ত্ৰীৰ নিৰ্দেশতহে ব্যৱহাৰ কৰিব পৰা যায়। অগ্নি-৫ ৰ সফলতাৰ আঁৰত আছে ড° টেছী থমাছৰ লগতে দেশৰ বিভিন্ন স্থানত থকা DRDO (Defence Research and Development Organisation)ৰ গৱেষণাগাৰৰ ৮০০ বিজ্ঞানী। পৃথিৱীৰ সকলো দেশক সামৰিব পৰা ক্ষেপণাস্ত্ৰ নিৰ্মাণৰ সামৰ্থ অৱশ্যে এতিয়াও ভাৰতৰ হোৱা নাই। তথাপিও অগ্নি-৫ ৰ উৎক্ষেপণে দেখুৱালে যে ভাৰতে এই ক্ষেপণাস্ত্ৰৰ সহায়ত চীন দেশৰ সকলো ঠাই আৰু আফ্ৰিকাৰ সকলো ঠাইতে আঘাত সানিব পাৰিব। লগতে শত্ৰুদেশৰ উপগ্ৰহ আদি ধ্বংস কৰিব পাৰিব। এই সামৰ্থ লাভৰ যোগেদি ভাৰতবৰ্ষই প্ৰতিৰক্ষাৰ দিশত আৰু এখোজ আগুৱাই যাবলৈ সক্ষম হ'ল।

❑❑

# নাৰী মনৰ অনুপম সৃষ্টি ‘বিয়ানাম’

❍ **দেৱযানী বকলীয়াল**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ





লোকসাহিত্য হৈছে লোকজীৱনৰ অভিব্যক্তি প্ৰকাশক সাহিত্য; যিয়ে ধাৰণ কৰে লোকজীৱনৰ ইতিহাস আৰু লোক মানসৰ উজ্জ্বল প্ৰতিকৃতি। অসমীয়া লোকজীৱনক প্ৰতিফলিত কৰা অসমীয়া লোকসাহিত্যৰ পৰিসৰ অতি বিস্তৃত। অসমীয়া লোকসাহিত্যৰ অন্যতম প্ৰধান বিভাগ হৈছে লোকগীতসমূহ। এই লোকগীতসমূহে লোকসাহিত্যৰ এটি বিশাল অংশ আগুৰি ৰাখিছে। লোকমনৰ অকৃত্ৰিম প্ৰকাশ ঘটা ছন্দময় গীতসমূহেই হৈছে লোকগীত। ‘মানৱ জীৱনৰ শাশ্বত মনোভাৱসমূহে লোকগীতৰ যোগেদি প্ৰকাশ লাভ কৰে’।[১] ‘অসমীয়া লোকজীৱন এই লোকগীতসমূহেই সংগীতমুখৰ কৰি ৰাখিছে। ‘মৰ্যাদাৰ মিছা মোহ তথা অভিমানৰ সীমা অতিক্ৰম কৰি অসমৰ স্ত্ৰী-পুৰুষ-শিশুৰ মনোভূমি

আৰু চিৰন্তন ভাবনাসমূহক এই গীতসমূহে অভিব্যক্তি দিছে'।[২] লোকসাহিত্য সৃষ্টিৰ ক্ষেত্ৰখনত নাৰীয়ে যথেষ্ট অগ্ৰণী ভূমিকা গ্ৰহণ কৰা পৰিলক্ষিত হয়। অসমীয়া লোকগীতসমূহৰ ভিতৰত স্ত্ৰীগীত বা নাৰীকেন্দ্ৰিক লোকগীতসমূহ সংখ্যাত অধিক। নাৰীৰ দ্বাৰা সৃষ্ট, নাৰী অংশগ্ৰহণকাৰী, নাৰীৰ কোমলানুভূতি, মনোজগত আদিৰ প্ৰকাশক যিসমূহ লোকগীতত নাৰীয়ে প্ৰধান ভূমিকা গ্ৰহণ কৰে, সেইসমূহকে 'নাৰীকেন্দ্ৰিক অসমীয়া লোকগীত' বুলি কোৱা হৈছে। এনে বহুতো লোকগীত আছে যিবোৰ কেৱল নাৰীমনৰ সৃষ্টি; য'ত নাৰীৰ আৱেগ-অনুভূতি, আশা-আকাংক্ষা আদিৰ প্ৰকাশ ঘটিছে। তদুপৰি কেৱল নাৰীয়েহে অংশগ্ৰহণ কৰিব পৰা বহুতো লোকগীত পোৱা যায়। নাৰীকেন্দ্ৰিক উৎসৱ-অনুষ্ঠানৰ লগত জড়িত লোকগীতসমূহৰ উপৰি বিভিন্ন উৎসৱ-অনুষ্টান যেনে— বাঁশ পূজা, পচতি উৎসৱ, চূড়াকৰণ, উপনয়ন আদিৰ লগত জড়িত লোকগীত পৰিৱেশনৰ ক্ষেত্ৰতো নাৰীয়ে প্ৰধান ভূমিকা গ্ৰহণ কৰে। বিয়ানাম, ধাইনাম, আইনাম, লখিমী সবাহৰ নাম, অপেচৰা নাম, কাঙুৰী আইৰ নাম, হুদুম পূজাৰ নাম, আইলা পূজাৰ নাম, কাপোৰপুৰী দেৱীৰ নাম, চৰা বা চৰেই বৰতৰ গীত, সাথা বৰতৰ গীত আদি লোকগীত হৈছে নাৰীৰ সৃষ্টিশীল প্ৰতিভাৰ একচেতীয়া নিদৰ্শন। কোমল-কঠোৰ, সুখ-দুখ, আশা-নিৰাশা আদিৰ সংমিশ্ৰিত নাৰী জীৱনক প্ৰতিফলিত কৰা লোকগীতবিলাকত নাৰীৰ এক বিশিষ্ট আৰু বিস্তৃত মানসিক জগতৰ প্ৰকাশ ঘটিছে। এইসমূহ পুৰুষগীতৰ তুলনাত যথেষ্ট শালীন আৰু ভাবৰ প্ৰকাশো তুলনামূলকভাৱে কলাসুলভ। সুৰৰ ক্ষেত্ৰতো দেখা যায় যে পুৰুষ গীতৰ দৰে নাৰীকেন্দ্ৰিক লোকগীতত উগ্ৰতা নাই। গতিকে নাৰীকেন্দ্ৰিক লোকগীতসমূহ স্বকীয় বিশেষত্বৰে সমৃদ্ধ বুলি ক'ব পাৰি।

সম্পূৰ্ণ নাৰীমনৰ সৃষ্টি, নাৰী অংশগ্ৰহণকাৰী লোকগীতৰ ভিতৰত বিয়ানাম অতি উল্লেখযোগ্য। অসমীয়া সমাজৰ বিয়া অনুষ্ঠান বুলি ক'লে কন্যা পুষ্পিতা বা ঋতুমতী হওঁতে পালন কৰা 'নোৱাই তুলনী বিয়া', যুগ্ম জীৱনৰ পাতনি মেলিব খোজা 'বৰ-কন্যাৰ বিয়া', ইন্দ্ৰদেৱতাক বৰষুণৰ বাবে কাকুতি কৰি পালন কৰা 'ভেকুলী বিয়া'ৰ লগতে প্ৰথম গৰ্ভৱতী হোৱাৰ প্ৰসংগত অনুষ্ঠিত 'পোহুন বিয়া' অনুষ্ঠানৰ কথা ক'ব পাৰি।

'বৰ-কন্যাৰ বিয়া' হৈছে অসমীয়া সমাজৰ অন্যতম লোকানুষ্ঠান, যাৰ যোগেদি যুগ্ম জীৱনৰ পাতনি মেলা হয়। সেইবাৰে এফালে আনন্দময় পৰিৱেশ আৰু আনফালে পিতৃগৃহৰ পৰা পতিগৃহলৈ উলিয়াই দিয়া ছোৱালীজনীৰ বিচ্ছেদৰ বেদনাময় পৰিৱেশত সৃষ্টি হয় 'বিয়ানাম'ৰ। তদুপৰি এই বিয়াৰ অন্তৰ্গতভাৱে বহুকেইটা অনুষ্ঠান পালন কৰা হয়। যেনে— জোৰণ, পানী তোলা, সুৱাগ তোলা, মূৰত চাউল দিয়া, মৰলত বহা, দৰা-কইনা সজোৱা, দৈয়ন দিয়া, দৰা ওলাই যোৱা, দৰা আদৰা ইত্যাদি। বিয়াৰ এনে সৰু-বৰ প্ৰতিটো অনুষ্ঠান উপলক্ষে ভিন্ন ধৰণৰ বিয়ানাম আয়তীসকলে গায়। এই 'বৰ কন্যাৰ বিয়া' অনুষ্ঠানৰ লগত জড়িত বিয়ানামসমূহ সামৰি প্ৰবন্ধটি প্ৰস্তুত কৰা হৈছে।

বৰ বা দৰা আৰু কইনাই হৈছে বিবাহ অনুষ্ঠানৰ মুখ্য লোক। সেয়ে দৰা-কইনাই বিয়ানামসমূহত মুখ্য স্থান অধিকাৰ কৰিছে। দৰা-কইনাৰ ৰূপ-গুণ, সাজ-পাৰ, আ-অলংকাৰ, মানসিক অৱস্থা, তেওঁলোকৰ দায়িত্ব, কৰণীয় ইত্যাদি বিয়ানামৰ মূল বিষয়বস্তু হৈ পৰিছে।

*'আইদেউৰ চোতালত কি চৰাই চৰিলে*
*মজিয়াত মচিলে ঠোঁট,*
*একেই বগীতৰা সোণৰ গিলিপ মৰা*
*দাপোণ চাই লৈছিল ফোঁট।'*

ৰাম-সীতা, শিৱ-পাৰ্বতী, ঊষা-অনিৰুদ্ধ, কৃষ্ণ-ৰুক্মিণী আদি পৌৰাণিক তথা মহাকাব্যিক চৰিত্ৰৰ বিবাহৰ কাহিনী জড়িত বিয়ানাম গোৱাৰ লগতে দৰা-কইনাক তেওঁলোকৰ সৈতে ৰিজনী দি গোৱা অনেক বিয়ানাম পোৱা যায়।

*'পাটীত বহি ৰুক্মিণীয়ে মাটিত মঙ্গল চাই*
*কেতিয়া আহিব কৃষ্ণ সোণৰ বংশী বাই।'*

কইনাজনীৰ পিতৃগৃহৰ পৰা বিচ্ছেদৰ বেদনা, পিতৃ-মাতৃ, ভাতৃ-ভগ্নীৰ শোক, বিয়া যে সংসাৰৰ নিয়ম, ইয়াক পালিবই লাগিব এনেধৰণৰ কথা বিয়ানামসমূহত বৰ্ণিত হয়। যেনে—

*'লোকৰ ঘৰ এখনি কেনেকৈ চলাম,*
*মা-দেউতাক এৰি থৈ কেনেকৈ যাম।*
*যাবই যে লাগিব দেশৰে নিয়ম,*
*নগ'লে নচলে নাৰীৰে জীৱন।'*

মাকৰ ঘৰত আলসুৱা জী হৈ জীৱন কটোৱা কইনাগৰাকীয়ে শাহুৱেকৰ পৰাও যেন এক মৰমেই পাই, তাৰেই কামনাৰে আয়তীসকলে গাই—

*'চাৰি ভাইৰ মাজৰে নুমলী আইদেউ*
*খায় দোৱা ভজা চিৰা,*
*টান বন নিদিবা লঘোণে নথবা*
*চেচুকৰ ডামে ডেউকা।'*

বিয়াৰ ভিন ভিন অনুষ্ঠান অনুসৰি বিয়ানামৰ

বিষয়বস্তুৰ ভিন্নতা দেখা যায়। পানী তোলা নাম, নোৱনী নাম, দৰা-কইনা সজোৱা নাম, সজাওঁতাক জোকাই গোৱা নাম, গাঁঠিয়ন খুন্দা নাম, কইনাৰ কাষত বহি শিকনি-বুজনি দিয়া নাম আদি বিয়ানামৰ বিষয়বস্তু, সুৰ, লয় ভিন্ন ধৰণৰ হয়। পৰিৱেশৰ লগত ৰজিতা খুৱাই থাউকতে নাম ৰচি, সুৰাৰোপ কৰি গাব পৰাকৈ অসমীয়া নাৰী সৃষ্টিশীল প্ৰতিভাৰ অধিকাৰী। এই বিয়ানামসমূহৰ মাজেৰেই অসমীয়া সমাজৰ বিবাহ অনুষ্ঠানৰ পৰম্পৰাগত লোকাচাৰসমূহৰ লগতে কেতবোৰ লোকবিশ্বাসৰ পৰিচয় পাব পাৰি।

*'চালত পানী দিবা নিয়মকৈ সোমাবা*
*মড়ল চাই টেকেলি থবা হে।'*

দৰাঘৰীয়াই কইনাঘৰীয়াক, কইনাঘৰীয়াই দৰাঘৰীয়াক, নামতীয়ে ঘৰৰ গিৰিহঁত আদিক জোকাই গোৱা বিয়ানামসমূহক জোৰানাম বুলি কোৱা হয়। এইসমূহৰ বিষয়বস্তু হাস্যৰসাত্মক। দৰাঘৰীয়া আহি পোৱাৰ পাছত কইনাৰ লগতে কইনাৰ আত্মীয়-স্বজনৰ হৃদয় বিচ্ছেদৰ বিষাদে আৱৰি ধৰে। এনে বিষাদময় পৰিৱেশ কিছু লাঘৱ কৰিবলৈকে হয়তো ধেমেলীয়া, ৰসিক আয়তীয়ে জোৰানাম জোৰে। এই জোৰানামে দৰাপক্ষ আৰু কইনাপক্ষৰ লোকৰ মাজত বন্ধুত্বসুলভ পৰিৱেশ গঢ়ি তোলাৰ লগতে আত্মীয়তা বৃদ্ধি কৰে।

*'তামোলৰ ঢকুৱা দৰাটো খকুৱা*
*পিঠা খাওঁ পিঠা খাওঁ কৰে,*
*সাতোটা ঢেঁকীৰে পিঠা খুন্দি দিলে*
*দৰা চেৰেলিয়াই মৰে।'*

সমসাময়িক সমাজৰ বিভিন্ন দিশে বিয়ানামৰ বিষয়বস্তু, ভাৱ-ভাষা, শব্দ গ্ৰহণ আদিত প্ৰভাৱ পেলায়। যেনে— 'অ' মন যঁতৰ পানী তুলিবলৈ নানিলা মটৰ।'

বিয়ানামসমূহ হৈছে নাৰীসুলভ আলসুৱা প্ৰকাশভংগীসম্পন্ন। বিয়ানামৰ প্ৰকাশভংগীৰ সৰলতা, আকুলতা ইত্যাদিয়ে ইয়াক স্বকীয় বিশেষত্ব প্ৰদান কৰিছে। এইক্ষেত্ৰত বিয়ানামৰ ভাষা শব্দ প্ৰয়োগৰ দিশটো মন কৰিবলগীয়া। বিয়ানামৰ ভাষা সহজ-সৰল, অকৃত্ৰিম আৰু অনাড়ম্বৰ। তদুপৰি উপমা হিচাপে বা ছন্দৰ সংগতি ৰক্ষা কৰিবলৈ প্ৰকৃতিৰ বিভিন্ন চিত্ৰ, লোক জীৱনৰ ছবি, পৌৰাণিক কাহিনীৰ পৰা তুলি অনা চিত্ৰসমূহে বিয়ানামৰ ভাষা সুন্দৰ আৰু বৈচিত্ৰ্যময় কৰি তুলিছে। চিৰ পৰিচিত, সূক্ষ্ম আৱেগানুভূতি প্ৰকাশক কোমল শব্দৰ প্ৰয়োগে বিয়ানামৰ প্ৰকাশভংগী সাৱলীল কৰি তুলিছে। তদুপৰি উৰুলিৰ মাংগলিক ধ্বনিয়ে বিয়ানামসমূহক অধিক সজীৱ কৰি তোলে। বিয়ানামত প্ৰয়োগ হোৱা সংখ্যাবাচক শব্দসমূহে প্ৰায় ক্ষেত্ৰতে কোনো গাণিতিক অৰ্থ বহন কৰাৰ সলনি প্ৰভূতা, সম্পন্নতা আদি ভাৱ ব্যক্ত কৰা দেখা যায়। উদাহৰণস্বৰূপে— দৰা-কইনা বহিবলৈ এক লাখ টকাৰে তুলি দলিচা, দুই লাখ টকাৰে গাৰু ৰখা বিয়ানাম ফাঁকিৰ কথা ক'ব পাৰি। এইক্ষেত্ৰত অতিশয় কথনৰ প্ৰৱণতা দেখা যায়। তেনেদৰে জোৰা নামত 'দৰাৰ পকা দাড়িত এশ মিছা মাছ লাগি আছে' বুলি জোৰা বিয়ানাম ফাঁকিৰ কথা ক'ব পাৰি। বিয়ানামৰ আন এটা লক্ষণ হৈছে অনন্ত সংযোজন। কইনা বিদায়ৰ মুহূৰ্তত বিভিন্ন আত্মীয়ৰ পৰা একেধৰণে বিদায় লোৱাৰ বৰ্ণনাৰ কথা ক'ব পাৰি। তদুপৰি বিয়ানামসমূহত চুটি-দীঘল বিভিন্ন জাতৰ প্ৰয়োগে এইসমূহ প্ৰাণস্পৰ্শী আৰু শুৱলা কৰি তোলে। যেনে— ৰাম ৰাম, ৰাম কৃষ্ণ, অ' মন তৰা, অ' মন তগৰ ইত্যাদি।

*'ৰাম ৰাম আগবাৰীৰ শুৱনি*
*ৰাম ৰাম কাকিনী তামোলে*
*ৰাম ৰাম পিছবাৰীৰ শুৱনি পাণ হে,*
*ৰাম ৰাম বৰঘৰৰ শুৱনি*
*ৰাম ৰাম ঘৰৰে জীয়ৰী*
*ৰাম ৰাম উলিয়াই দিবলৈ টান হে।'*

বিয়ানামৰ সুৰ আৰু লয়ৰ মাজত ইয়াৰ স্বকীয়তা বিৰাজমান। কাৰুণ্যমিশ্ৰিত কোমল সুৰে ইয়াৰ মাধুৰ্য বৃদ্ধি কৰিছে। তদুপৰি দৰা-কইনাক ভৱিষ্যৎ জীৱনৰ দায়িত্ব, কৰ্তব্য আদি সম্পৰ্কে বিয়ানামৰ গাম্ভীৰ্যপূৰ্ণ সুৰে হৃদয় চুই যোৱাকৈ বুজনি দিয়ে। কৰুণ ৰস সিক্ত বিয়ানামৰ সুৰ লেনিয়া ধৰণৰ হয়। যিমানেই লাহে লাহে গোৱা হয় সিমানেই শ্ৰুতিমধুৰ হৈ উঠে। কৌতুকপূৰ্ণ জোৰানামসমূহ হৈছে দ্ৰুত লয়ৰ।

বিয়ানামসমূহৰ কাব্যিক সৌন্দৰ্য অতি মনোৰম। সুৰৰ মাধুৰ্য সমান্তৰালভাৱে কাব্যিক সৌন্দৰ্যই বিয়ানামক লোকসাহিত্যৰ অমূল্য সম্পদ কৰি তুলিছে। লোকমানসৰ স্বতঃস্ফূৰ্ত ৰচনা যদিও কাব্যশাস্ত্ৰীয় নিয়মৰ অধীনত বিয়ানামৰ মূল্যায়ন কৰিলে বহুতো উৎকৃষ্ট নিদৰ্শন পৰিলক্ষিত হয়।

বিয়ানামত বিভিন্ন ছন্দৰ প্ৰয়োগ দেখা যায়। ছন্দ মিলাবৰ কাৰণে শব্দৰ অন্ত একে স্বৰ বা একে ব্যঞ্জনৰ প্ৰয়োগত বিশেষ গুৰুত্ব দিয়া পৰিলক্ষিত হয়। কেতিয়াবা শাৰীৰ অন্তত একে শব্দাৱলীৰ প্ৰয়োগেৰেও ছন্দ মিলোৱা হয়। উদাহৰণস্বৰূপে—

*'মাৰাই দেউতাৰাই অ' শকুন্তলা*
*জীয়াৰী তুলিলে অ' শকুন্তলা*
*লোকৰ ঘৰ শুৱনি কৰি শকুন্তলা*

*শিৰত সেন্দুৰ ল'লা*
*কইনা সাজে সাজি নৱবধু হ'লা।'*

কেতিয়াবা ছন্দ মিলাবৰ বাবে মূল বিষয়ৰ লগত অৰ্থৰ সংগতি নথকা শব্দ বা বাক্যাংশৰো সংযোজন কৰা হয়। যেনে-

*পদুলি মূৰতে গধূলি গোপাল*
*বাইদেউৰে কান্দিছে কিনো মোৰ কপাল।*

বিয়ানামৰ অধিকাংশ ছন্দই পদ আৰু দুলড়ী আৰ্হিৰ। যেনে—

পদ ছন্দ- *ওলাই আহা কৌশল্যা ৰজাৰ মহাদৈ*
*শুভক্ষণে যাত্রা কৰি যোৱা জোৰণ লৈ।*

দুলড়ী ছন্দ- *কোনে বই দিলে ফুলাম কাপোৰখনি*
*তাঁতী বই দিলে তাৰি,*
*ছটিয়াই লৈছে ওলমি পৰিছে*
*এতোলা সোণৰে গাঁৰি।*

বিয়ানামসমূহত অলংকাৰৰ প্ৰয়োগে ইয়াৰ কাব্যিক সৌন্দৰ্য বৃদ্ধি কৰিছে। ঘাইকৈ উপমা, ৰূপক আদিৰ প্ৰয়োগ প্ৰচুৰ পৰিমাণে পোৱা যায়। দৰা-কইনাক ৰাম-সীতা, কৃষ্ণ-ৰুক্মিণী, দৰা-কইনাৰ মাকক কৌশল্যা, যশোদা আদিৰ সৈতে ৰিজনি দি বিয়ানামবোৰ গোৱা হয়। তদুপৰি দৰা-কইনাৰ ৰূপ-গুণৰ বৰ্ণনা দিওঁতে প্ৰকৃতি জগতৰ বিভিন্ন বস্তুৰ সৈতে তুলনা কৰা হয়। এনে কৰোঁতে কোনো ক্ষেত্ৰত উপমেয়ক উপমানৰ অভেদ কল্পনাও কৰা হয়। যেনে—

*আম মলে থোপা-থুপি, কদম মলে হালি*
*বেইৰ তলত পদ্ম জ্বলে, সেয়ে ঢালে পানী।*

জোৰানামবোৰতো হাস্যৰস সৃষ্টি কৰিবলৈ বিভিন্ন হাস্যত্মক বস্তুৰ সৈতে ৰিজনি দি উপমা অলংকাৰৰ সৃষ্টি কৰিছে। লোকজীৱনৰ সুপৰিচিত উপমানৰ প্ৰাচুৰ্যই বিয়ানামৰ প্ৰকাশভংগী মনোৰম কৰি তুলিছে। তদুপৰি ব্যাজস্তুতি, উৎপ্ৰেক্ষা, দীপক, অপ্ৰস্তুত প্ৰশংসা, শ্লেষ, অনুপ্ৰাস, পৰ্যায়োক্তি আদি অলংকাৰৰ প্ৰয়োগ যথেষ্ট পৰিমাণে পোৱা যায়। যেনে—

উৎপ্ৰেক্ষা ঃ *আইদেউৰ মুখলৈ চাবকে নোৱাৰি*
*যেন পূৰ্ণিমাৰে জোন।*
*সমাজৰ মাজতে আইদেউ বহিছে*
*নাচাই বা পাৰিব কোন।*

বিয়ানামবোৰ সাধাৰণতে কৰুণ আৰু হাস্যৰসেৰে সমৃদ্ধ হোৱা দেখা যায়। হাস্যৰস কেৱল জোৰানামসমূহত স্পষ্টভাৱে অনুভূত হয়। কইনাৰ বিদায় সম্পৰ্কীয় বিয়ানামসমূহত কৰুণ ৰসৰ সমাৱেশ ঘটিছে। দুই এঠাইত শৃংগাৰ ৰসৰ ছিটিকণিও পৰিলক্ষিত হয়।

বিয়ানামত প্ৰতীক আৰু চিত্ৰকল্পৰ প্ৰাচুৰ্য মন কৰিবলগীয়া। অধিকাংশ প্ৰতীক লোকজীৱন আৰু প্ৰকৃতিৰ পৰা আহৰণ কৰা। দৰা-কইনা, দৰা-কইনাৰ মাক-দেউতাকৰ প্ৰতীকৰ ৰূপত প্ৰয়োগ কৰা পৌৰাণিক চৰিত্ৰৰ কথা পূৰ্বতে উল্লেখ কৰা হৈছে। পানী তুলিবলৈ যোৱা জলৰাশিক যমুনা প্ৰতীক প্ৰদান কৰা হৈছে। দৰা-কইনাৰ ৰূপ-সৌন্দৰ্যৰ প্ৰতীক হিচাপে প্ৰকৃতিৰ বিভিন্ন চিত্ৰৰ প্ৰয়োগ কৰিছে। যেনে— পদুমৰ চকা, কলাপাতৰ থুৰি, তিয়ঁহৰ জালি, সোণৰ চেকুৰা, কেতেকীৰ পাহি আদি। তদুপৰি বেইত খোপনি ধৰি পাভ মাছ যেন কঁপনি, লাও ফুল ছিঙোতে লাওকলি ছিগা, ঢাপত জবা ফুলা আদি প্ৰকৃতিৰ পৰা বুটলি অনা ভিন্ন চিত্ৰই বিয়ানামৰ সৌন্দৰ্য বৃদ্ধি কৰিছে।

*'চোৱা মূৰ দাঙি আমাৰ ৰামচন্দ্ৰ*
*শহুৰৰ দেখিবা বাৰী,*
*পদুলি মুখতে বকুল ফুল ফুলিছে*
*তাৰ মাজে বেলৰে শাৰী।'*

০ ০ ০ ০ ০

*'আগলি পাততে ৰাঙলী হালধি*
*ঘঁহে মৰা চালি ধৰি,*
*কেলেই ঘঁহিছা কেতুৰি হালধি*
*আপুনি কেতেকীৰ পাহি।'*

বিয়ানামত প্ৰতিফলিত অসমৰ সমাজ জীৱনৰ ছবিও অতি মনোৰম। লোকজীৱনৰ ভিন্ন চিত্ৰ বিয়ানামসমূহত ৰক্ষিত হৈছে।

*সোণৰ নাঙলখনি ৰূপৰে ফাল*
*জনক ৰজাই জুৰিলে হাল,*
*বালে মৈয়ালে চাহ হ'ল মাটি*
*তাতে মাৰি গ'লে সৰিয়হৰ ছাটি।*

০ ০ ০ ০ ০

*দীঘলকৈ ওৰণি নল'বা আইদেউ*
*আগৰ আসৈ পোৱা দৰা*

০ ০ ০ ০ ০

*শুকান পিঠাগুৰি চালিব নোৱাৰে*
*হাতত উঠে পানী জোলা*

নাৰী মনৰ চিৰন্তন ভাৱনাৰ কাব্যিক তথা সাংগীতিক প্ৰকাশ বিয়ানামসমূহৰ চৰ্চা সম্প্ৰতি বিবাহ অনুষ্ঠানৰ লগত

জড়িতভাৱে এৰা-ধৰাকৈহে ৰক্ষিত হোৱা দেখা যায়। ইয়াৰ কাৰণ হিচাপে চিন্তা মানসিকতাৰ পৰিৱৰ্তন, বিবাহ পদ্ধতিৰ পৰিৱৰ্তন, বিবাহ সম্পৰ্কীয় ধাৰণাৰ পৰিৱৰ্তন, বিশ্বায়নৰ প্ৰভাৱ ইত্যাদিৰ কথা ক'ব পাৰি। আইনগত বিবাহ পঞ্জীয়ন, বিবাহভৱনত বিবাহকাৰ্য সম্পন্ন কৰা আদিৰ জনপ্ৰিয়তাক সম্প্ৰতি যুগসাপেক্ষ হিচাপেই গ্ৰহণ কৰিব লাগিব। কিন্তু লোকসাহিত্য, লোকসংস্কৃতি ৰক্ষাৰ স্বাৰ্থত আয়তীৰ উৰুলি আৰু বিয়ানামৰ গুঞ্জনেৰে পূৰ্ণ ৰভাতলীৰ চিনাকি পৰিৱেশ এটাৰে পূৰ্ব পৰম্পৰা বজাই ৰাখিবলৈ অসমীয়াসকলেই যদি আগবাঢ়ি নাহে, তেন্তে কোন আহিব। অৱশ্যে যুগৰ এনে পৰিৱৰ্তনে বিয়ানামৰ দৰে অন্যান্য লোকগীত বা লোকসাহিত্যৰ প্ৰতি সংকটৰ সৃষ্টি কৰিছে বুলিও ক'ব নোৱাৰি। কাৰণ লোকসাহিত্য তথা লোকসংস্কৃতি অধ্যয়নৰ দিশটোৰ প্ৰতি সম্প্ৰতি সচেতনতা, আগ্ৰহ বৃদ্ধি পাইছে। গ্ৰাম্য সমাজৰ বিবাহানুষ্ঠান, বিভিন্ন ঠাইত প্ৰতিযোগিতামূলকভাৱে বিয়ানামৰ চৰ্চাৰ লগতে গণসংযোগৰ নৱ মাধ্যম ৰেডিঅ', টেলিভিচন আদিয়েও বিয়ানাম, বিহুনাম আদি লোকগীত চৰ্চাৰ বাবে একোখন সুন্দৰ ক্ষেত্ৰ গঢ়ি তোলাত অগ্ৰণী ভূমিকা লোৱা দেখা যায়। নাৰীৰ সৃষ্টিশীল প্ৰতিভাৰ পৰিচায়ক বিয়ানামসমূহৰ সামাজিক, সাংস্কৃতিক, সাংগীতিক, নৃতাত্বিক আদি বিভিন্ন দিশৰ সূক্ষ্মাদিসূক্ষ্ম অধ্যয়নে ন ন দিশ পোহৰলৈ অনাৰ সম্ভাৱনা আছে। বিয়ানামকে ধৰি অন্যান্য লোকগীতৰ সংগ্ৰহ, সংকলন, সাহিত্যিক আলোচনা, চৰ্চা আদিৰ সমান্তৰালভাৱে এইসমূহক প্ৰকৃত অৱস্থাত ধৰি ৰাখিবলৈ প্ৰতিজন অসমীয়া সচেতন হোৱা উচিত।

**প্ৰসংগসূত্ৰ**

১। নীৰাজনা মহন্ত বেজবৰা, লোকতত্ত্ব জিজ্ঞাসা, পৃঃ ৭২
২। নীৰাজনা মহন্ত বেজবৰা, লোকতত্ত্ব জিজ্ঞাসা, পৃঃ ৭২

**গ্ৰন্থপঞ্জী**


১। গগৈ, লীলা — অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা, বনলতা, প্ৰথম প্ৰকাশঃ জানুৱাৰী, ২০০৭
২। নেওগ, মহেশ্বৰ — অসমীয়া সাহিত্যৰ ৰূপৰেখা, চন্দ্ৰ প্ৰকাশ, ১৯৮৭
৩। মহন্ত বেজবৰা, নীৰাজনা — লোকতত্ত্ব জিজ্ঞাসা, বনলতা, ২০০৪
৪। শৰ্মা, সত্যেন্দ্ৰ নাথ — অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, ১৯৯৯
৫। শৰ্মা, নবীনচন্দ্ৰ — অসমৰ লোক সাহিত্য, জ্যোতি প্ৰকাশ, প্ৰথম প্ৰকাশ, মে' ২০১৪


❑❑

**"সাহিত্য হয়তো পানীৰ দৰে। পানীয়ে যিদৰে যি পাত্ৰত থয় তাৰেই ৰূপ লয়। তেনেদৰে সাহিত্যৰ বিভিন্ন উপাদানসমূহে সংবেদনশীল পাঠকৰ হৃদয়ৰ নিভৃততম কোণত লিপিট খাই থকা অনুভৱৰ একান্ত নিজৰ পৃথিৱীখনত ভিন্ন ৰূপ লয়।"**

— ময়ূৰ বৰা

# বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত কোচ-ৰাজবংশী জনগোষ্ঠীৰ ভূমিকা

❍ **ৰনোজ দত্ত**
প্ৰথম ষান্মাসিক, ভূতত্ত্ব বিভাগ



গতিশীল জগতখনত সৃষ্টি হোৱা সকলোটিয়েই এটি বিশেষ অৱস্থাৰ ভিতৰেদি হোৱা কিছু পৰিণতিহে। এই বিশিষ্টতা সৃষ্টিকৰ্তাৰ ঐহিক ইচ্ছা। এই বিশেষত্ব বা বৈশিষ্ট্য প্ৰত্যেক বস্তু আৰু জীৱসত্তাৰ বাবেই বিদ্যমান। গুণক বাদ দি পদাৰ্থ, বৈশিষ্ট্যক বাদ দি ব্যক্তিৰ অস্তিত্ব নস্যাৎ। দাহিকা শক্তিৰ অবিহনে অগ্নিৰ অস্তিত্ব অকল্পনীয়, কাৰণ প্ৰত্যেক উত্থান-পতনৰ ই মূল চালিকা শক্তি। প্ৰাণী জগততো জন্মগত সংস্কাৰৰ যোগেদি এনে স্ব-বৈশিষ্ট্যৰে ধাৰা প্ৰৱাহিত হয়। কৰ্মৰ যোগেদি কৰ্তাৰ বাবে কৰ্মানুসৰি সংস্কাৰৰ বিশেষ ধাৰা ঠন ধৰি উঠে। এনে জাতীয় সংস্কাৰৰ গুণবোৰৰ সমষ্টিয়েই হয় উচ্চ আৰু সৰল অৰ্থত গোষ্ঠী। হয়তো কোনো বস্তু, দ্ৰব্য বা জীৱ যাৰ যাৰ কোনো বৈশিষ্ট্য অবিহনে বৰ্তি আছে। পৰিচয়বিহীন গোষ্ঠীৰ ঐতিহ্য লুপ্ত, বৈশিষ্ট্য বিকৃত আৰু কৃষ্টি-অপকৃষ্টিত নিমজ্জিত। এটা সুপ্ত বংশধাৰাক অনুকূল পৰিৱেশৰ দ্বাৰা

পৰিপোষণ আৰু পৰিবৰ্দ্ধন কৰিব পাৰিলে যিবোৰ মহৎ গুণাৱলীৰ বলত তেওঁলোকৰ পূৰ্বপুৰুষসকলে দূৰন্ত কালৰ নিৰ্মম ঘাত-প্ৰতিঘাতত আজিও নিচিহ্ন নোহোৱাকৈ থাকি ইতিহাসৰ সমল হৈ ৰৈছে। সেই শুভ দায়িনী শক্তিক পুনৰায় জাগৃত কৰি তুলিবৰ বাবে প্ৰবল সম্ভাৱনা প্ৰকট হৈ উঠে।

ইতিহাসে আমাক বহুতো সম্ভেদ দিয়ে। প্ৰাচীন কালৰ ঐতিহ্য সংলগ্ন যিকোনো সম্পদ বা সংস্কৃতি, গড়খাৰৈ, শিলালিপি, তাম্ৰপত্ৰ, স্থাপত্য-ভাস্কৰ্য, মুদ্ৰা, মঠ-মন্দিৰ, সত্ৰ, দেৱ-দেৱতাৰ মূৰ্তি আদিৰ ধ্বংসাৱশেষ আৰু নিদৰ্শন থকা চিন-চাব, ভ্ৰমণ টোকা, পৌৰাণিক পুথি ইত্যাদিয়ে বহুতো সমলৰ যোগান ধৰে। উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰাচীন ইতিহাস বা ঐতিহাসিক ভূগোল পাবলৈ বৰ টান। সংৰক্ষণৰ অভাৱত সমলসমূহ আৰু পুংখানুপুংখ অধ্যয়নৰ অভাৱত ইতিহাসসমূহ কালৰ গৰাহত নাইকিয়া হৈ ক্ৰমশঃ বিলুপ্ত হোৱাৰ পথত। ভৌগোলিক সমীক্ষা মতে প্ৰাগজ্যোতিষ, কামৰূপ, অসম বা উত্তৰ-পূৰ্বাঞ্চল Tertiary যুগত প্ৰায় আজিৰ পৰা ১৪০ নিযুত বছৰৰ আগতে টেথিচ সাগৰৰ পৰা হিমালয় পৰ্বতসহ উঠি অহা বুলি ধৰা হয়। ড° বাণীকান্ত কাকতিৰ মতে 'প্ৰাগজ্যোতিষ' অষ্ট্ৰিক শব্দ আৰু এই অঞ্চললৈ প্ৰথম অষ্ট্ৰিকসকলৰ দলবদ্ধ প্ৰব্ৰজন হৈছিল। দুই মহাকাব্য ৰামায়ণ আৰু মহাভাৰতত প্ৰাগজ্যোতিষ শব্দৰ উল্লেখ আছে। ৰজা মহীৰংগ দানৱৰ পৰা আৰম্ভ কৰি সমসাময়িক বুলি ধৰিলে কামৰূপ মহাতীৰ্থ (কালিকা পুৰাণৰ ব্যাখ্যানুসৰি মহাদেৱৰ ক্ৰোধত ছাই হৈ যোৱা কামদেৱৰ পৰা)ই ভুটান, ৰংপুৰ, ব্ৰহ্মপুত্ৰ উপত্যকা আৰু কোচবিহাৰ সামৰি আছিল। ৰত্নপীঠ, কামপীঠ, স্বৰ্ণপীঠ, সৌমাৰপীঠ এই চাৰিটা ভাগত বিভক্ত পুৰণি কামৰূপ আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অখণ্ড ৰাজ্যসমূহ মিলাই কেইবাটাও ৰাজবংশই ৰাজত্ব কৰিছিল। খ্ৰীষ্টীয় সপ্তম শতিকাত বৰ্মন বংশ, অষ্টমৰ পৰা দশম শতিকালৈ শালস্তম্ভ বংশৰ, দশমৰ পৰা দ্বাদশ শতিকালৈ পাল বংশৰ, ১২০০ শতিকাৰ পৰা ১৫০০ শতিকাৰ ভিতৰত প্ৰাচীন কামৰূপৰ পশ্চিমাংশত কমতাপুৰ, মধ্যভাগত বাৰভূঞাসকলৰ, সৌমাৰ খণ্ডত আহোমসকলৰ, উত্তৰ-পূব খণ্ডত চুতীয়া ৰজাৰ ৰাজত্ব চলিছিল। ১২২৩ খ্ৰীঃৰ পৰা ১৫২৩ খ্ৰীঃলৈ পূব অংশত চুতীয়াসকলে ৰাজত্ব কৰিছিল যদিও পাটকাই পৰ্বত পাৰ হৈ ১২২৮ খ্ৰীঃত সৌমাৰ খণ্ডইদি অসমত প্ৰৱেশ কৰা আহোমসকলৰ আক্ৰমণত ১৫২৩ খ্ৰীঃত চুতীয়া ৰাজ্য বিলোপ হয়। তাৰ পাছত ক্ৰমে কোচ আৰু আহোমসকলৰ মাজত কেইবালানিও যুদ্ধৰ শেষত, মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণৰ পাছত ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিমতে ইংৰাজে অসম, টেনাচেৰিম আৰু আৰাকান লাভ কৰে। ইংৰাজে অধিগ্ৰহণ কৰাৰ সময়ত অসম চাৰিভাগত বিভক্ত আছিল— খামটি আৰু চিংফৌ ৰাজ্য, মটক ৰাজ্য, উজনি আৰু নামনি অসম। ১৮৩৪ খ্ৰীঃত বৰ অসমক চাৰি জিলাত— দৰং, নগাঁও, কামৰূপ আৰু গোৱালপাৰাত ভাগ কৰিছিল জেনেৰেল জেনকিন্স চাহাবে। চিপাহী বিদ্ৰোহৰ পাছত ১৮৭৪ খ্ৰীঃত অসমক বংগৰ পৰা পৃথক কৰি চীফ কমিচনাৰৰ অধীন কৰা আৰু ১৯১২ খ্ৰীঃত অসম এক প্ৰদেশ হিচাপে কমিচনাৰ আৰ্চডেল আলক শাসনভাৰ দিয়া এই সকলোবোৰ ইংৰাজৰ মূলতেই সম্পন্ন হৈছিল। গান্ধীজীৰ নেতৃত্বত বিভিন্ন স্তৰৰ আন্দোলনৰ পাছত ১৯৪৭ চনৰ ১৫ আগষ্টত দেশে স্বাধীনতা লাভ কৰাৰ পাছত ১৯৫২ চনৰ প্ৰথম নিৰ্বাচনত বিষ্ণুৰাম মেধি মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত হয়। কিন্তু ভূ-তাত্ত্বিকভাৱে বৰ অসম বৰ বেছি দিনলৈ টিকি থকা নাছিল। স্বাধীনতাৰ পাছতে NEFA আৰু নগাভূমিয়ে পৃথক হোৱাৰ প্ৰথম উক-মুকনি উঠাই প্ৰথম ৰাজনৈতিকভাৱে নেফাই আৰু নগাভূমি জিলা হিচাপে আৰু তাৰ পিছত ক্ৰমান্বয়ে লুচাই, গাৰো, খাচি আৰু জয়ন্তীয়াসকলে মিজোৰাম আৰু মেঘালয়ৰ দাবী উত্থাপন হয়। ১৯৬৩ চনৰ ৰ ডিচেম্বৰত নগালেণ্ড, ১৯৭০ চনৰ ২ এপ্ৰিলত জিলা আৰু ১৯৭২ চনৰ ২০ জানুৱাৰীত মেঘালয় ৰাজ্য, মণিপুৰ, ত্ৰিপুৰা, অৰুণাচল, মিজোৰাম প্ৰথম কেন্দ্ৰীয় শাসিত অঞ্চল আৰু পাছলৈ পূৰ্ণাংগ ৰাজ্য হিচাপে অসমৰ পৰা আঁতৰলৈ (সম্পৰ্কত) গুচি যায়। কিন্তু তাৰ পাছত বৰ্তমানেও স্বাধীন ৰাষ্ট্ৰ বা ৰাজ্যৰে হওক চিন্তা-ধাৰাৰ সম্পূৰ্ণভাৱে নুই কৰিব নোৱাৰি। সেয়া যি কি নহ'লেও ১৯১২ চনত প্ৰথম প্ৰদেশ হিচাপে স্বীকৃতি পোৱা অসম আৰু শেষ ১৯৮৭ চনত গঠন হোৱা অৰুণাচল আৰু মিজোৰামক আদি কৰি যিমান জাতি-জনগোষ্ঠীৰ ৰাজ্য বা আগৰ যিমান সংখ্যক ক্ষুদ্ৰ বৃহৎ শাসকগোষ্ঠী আছিল সেই সকলোবোৰেই বৰ অসম বা বৰ্তমানৰ অসম বা অসমীয়া জাতিটোৰ হকে প্ৰচুৰ অৱদান আগবঢ়াই গৈছে।

নৃ-তাত্ত্বিক বিভিন্ন দিশসমূহৰ পৰ্যালোচনা কৰি ক'ৰ পৰা যায় যে বিভিন্ন উত্থান-পতনৰ মাজেৰে আগবঢ়া অসমৰ অসমীয়াসকল বা জাতিটোৰ বিভিন্ন প্ৰজাতীয় প্ৰকাৰৰ লক্ষণ বিদ্যমান আৰু তাৰ গুৰিতে নানান প্ৰক্ৰিয়া, যাৰ দ্বাৰা অসমীয়া জাতি গঠন হৈছে। জাতি গঠনৰ দুটা প্ৰধান প্ৰক্ৰিয়া হ'ল জৈৱিক আৰু সামাজিক-সাংস্কৃতিক। জৈৱিক লক্ষণসমূহেই একমাত্ৰ পৰিচয় নহয়, বিভিন্ন জনগোষ্ঠীয় সাংস্কৃতিক সমলবোৰ যিবোৰেও জৈৱিক চৰিত্ৰৰে পৰিপুষ্ট হৈ জাতিটোক চহকী

কৰিছে। কিন্তু যদি অসমীয়া কোন বুলি উত্থাপন হোৱা প্ৰশ্নটোৰ উত্তৰ দিবলৈ ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ অভিব্যক্তিকে উত্থাপন কৰাটো উল্লেখযোগ্য হ'ব; বৰুৱাদেৱৰ মতে— যি জনসমষ্টিয়ে অসমীয়াক মাতৃভাষা স্বৰূপে গ্ৰহণ কৰিছে, তেওঁলোকৰ দ্বাৰাই অসমীয়া জাতি আৰু সংস্কৃতিৰ সৃষ্টি হৈছে। এতিয়া বিভিন্ন জাতি-জনগোষ্ঠীক এই বিশ্লেষণৰ আওতালৈ আনি অতি সহজে মন্তব্য কৰাটো সমীচিন নহয়, যিহেতু সকলোবোৰেই কিছু নহয় কিছু পৰিমাণে অৱদান আগবঢ়াই থৈ গৈছিল। কিন্তু তাৰ ভিতৰতে অনবদ্য আৰু অন্যতম আৰু মাইলৰ খুঁটি হিচাপে আছিল ভাৰত বিখ্যাত কোচ ৰাজবংশ। অনবদ্য আৰু অন্যতম আছিল এই কাৰণেই যে কোচ ৰাজবংশৰ ৰাজ্য বিস্তাৰ, গাঁথনি, প্ৰতিষ্ঠা আৰু শাসন আদিতে ৰাজনৈতিক কাৰণ আৰু সমীকৰণ আছিল ন্যূনতম। অৱশ্যে এটা কথা ঠিক যে জাতিগঠন প্ৰক্ৰিয়া গতিশীল, স্থবিৰ নহয়।

অসমৰ বিভিন্ন জাতি-উপজাতিৰ লগত সন্মিলিতভাৱে অসমীয়া জাতি গঠনত তথা অসমীয়া সংস্কৃতিৰ ভেঁটি নিৰ্মাণত অসমত বসবাস কৰা কোচ ৰাজবংশীসকলৰ অৱদান এক উল্লেখযোগ্য দিশ। কোচ ৰাজবংশী নামেই যাৰ পৰিচয়, অসমৰ মুঠ জনসংখ্যাৰ এক বুজন সংখ্যক অধিবাসী হ'ল কোচ ৰাজবংশী সম্প্ৰদায়ৰ। অতীতৰ কামৰূপী সংস্কৃতিৰ ধ্বজাবাহী আছিল এই কোচ ৰাজবংশীসকল। ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক বিশ্বায়নৰ পাছতো প্ৰাচীন কামৰূপী সংস্কৃতিৰ ঐতিহ্য বৰ্তমানেও বহন কৰি থকাটো এই জাতিটোৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ। জাতিৰ অন্যতম সাংস্কৃতিক উপাদান হ'ল ভাষা। চৰ্যাগীতৰ পৰা ক্ৰমোন্নতি লাভ কৰা ভাষাটোৰ সাহিত্য সম্ভাৰৰ চানেকি আছিল ৰাজবংশৰ সাহিত্য সম্ভাৰ। কমতা-কোচবিহাৰৰ ৰাজদৰবাৰৰ সাহিত্য ভাষাৰ লগত ৰংপুৰ, কোচবিহাৰ, জলপাইগুৰি, গোৱালপাৰা আদি অঞ্চলৰ সমৰূপতা হ'ল মন কৰিবলগা দিশ। ভাষাবিদ গ্ৰীয়াৰ্ছন চাহাবে ৰাজবংশী ভাষাৰ ক্ষেত্ৰত উল্লেখ কৰিছিল, 'When we cross river Brahmaputra cowing from Decca, we meet a well marked form of speech in Rangpur and in the districts of to its North and East. It is called Rajbonshi...' (LSI, Vol. 1). এই অভিমতক সন্মতি জনাই ড° বাণীকান্ত কাকতিয়ে Assamese its formation and development নামৰ গ্ৰন্থত লিখিছিল— 'The Rajbonshi dialect the dialect that was... under the domination of the Koch King of Koch Behar..'. অসমীয়া ভাষাৰ ক্ৰমোন্নতিৰ উক্ত ইতিহাসে বাৰে প্ৰতি ক'ব বিচাৰে যেন ৰাজবংশী ভাষাৰ পৰাই আধুনিক অসমীয়া ভাষাই গঢ় লৈ উঠিছে। ইয়াৰ বাবে এক উল্লেখনীয় সমল আছিল চৰ্যাগীত যিবোৰ মাত্ৰ ৰাজবংশীয় ভাষাৰ যোগেদি বিচাৰ কৰাহে সম্ভৱ। যেনে—

| <u>চৰ্যাগীত</u> | <u>ৰাজবংশী</u> | <u>আধুনিক অসমীয়া</u> |
|---|---|---|
| চৰ্যা-২৮ ছাৰিঅ ভয়মিন | ছাৰিলুং ভয়মিন | ভয়মিন এৰিলো |
| চৰ্যা-১৫ দো বাটা চ্ছাড়ী | দো বাটা ছাড়ি | দুটা বাট এৰি |

এনে অসংখ্য উদাহৰণ আছে। ৰাজবংশী ভাষাৰ লগত অবিকল সম্পৰ্ক থকা উদ্ধৃত চৰ্যাগীতাংশৰ কিছু শব্দ আধুনিক অসমীয়া শব্দৰ পৰা বহু নিলগত যেনে—

| <u>চৰ্যা</u> | <u>ৰাজবংশী</u> | <u>আধুনিক অসমীয়া</u> |
|---|---|---|
| টাঁলত | টিলাত | ওখ ঠাইত |
| হাড়ীত | হাড়ীত | কেৰাহীত |

হেমসৰস্বতীৰ লেখনিত প্ৰাচীন সাহিত্যৰ ভাষাৰ লগত ৰাজবংশী ভাষাৰ সম্পৰ্ক যে নিকটৱৰ্তী সেয়া অনুমান হয়।

*নৌকাত চৰিয়া ব্ৰহ্মপুত্ৰ উজাইলন্ত।*
*কতোদিনে আপোনাৰ ৰাজ্যক পাইলন্ত।।*

.........................................................

কবিতাটিত ধাতু প্ৰত্যয়ৰ কৃত্ৰিম সম্প্ৰসাৰিত ৰূপ লন্ত বাদ দিলে প্ৰত্যক্ষ হয় হুবহু আধুনিক ৰাজবংশী ভাষাৰ ৰূপ।

লোককৃষ্টিৰ প্ৰাচুৰ্য্যতাৰ ভাণ্ডাৰ কোচ-ৰাজবংশীসকলৰ বাবে সংস্কৃতিৰ অন্যতম হাথিয়াৰ। অসমীয়া কৃষ্টি-সংস্কৃতিৰ যি প্ৰাণময় মেটমৰা সম্ভাৰ তাত অন্যতম বহন সানিছে মূলতঃ কোচ ৰাজবংশীয় সমাজত ব্যুৎপত্তি লাভ কৰা বিষহৰি বা মনসা পূজা, কাতি পূজা, হুদুম পূজা, চণ্ডী পূজা, বাঁশ পূজা, মদন কাম, পুষণা, বিষুৱা, কুশান, ভাওগান ইত্যাদিয়ে। এই কৃষ্টি-সংস্কৃতিক উৎসৱ-পাৰ্বণসমূহ মাত্ৰ মনোৰঞ্জনৰ আহিলা তথা মাধ্যমেই নহয়, অসমৰে লোককৃষ্টিৰ জগতখনত চৰ্চা, অধ্যয়ন আৰু সম্পদৰ উত্তৰাধিকাৰ। ৰাজবংশী সমাজত ব্যুৎপত্তি লাভ কৰা লোকগীতসমূহ হয়তো অসম তথা সেইসময়ৰ অখণ্ড অসমৰ আটাইতকৈ স্বকীয় বৈশিষ্ট্যপূৰ্ণ সম্পদ আছিল। জনগোষ্ঠীটোৰ পৰিচায়ক দাপোণ হিচাপে সমাজ জীৱনৰ প্ৰতিটো উৎসৱ-পাৰ্বণ, পূজা-অৰ্চনা, বিবাহ-ধৰ্মানুষ্ঠান আদিত লোকগীতসমূহৰ এক বিশেষ প্ৰাধান্য থকা দেখা যায়। আধ্যাত্মিক, প্ৰেম-প্ৰীতি, আখ্যানমূলক তথা পূজা-পানী সংক্ৰান্তীয় এই লোকগীতসমূহৰ প্ৰচলন কেতিয়াৰ পৰা হৈছে সেয়া সঠিককৈ ক'ব পৰা নগ'লেও জাতিটোৰ নিজস্বতা

যে লোকগীতৰ আব্দাৰতে দাবী কৰিব পাৰে সেয়া সহজে অনুমেয়। 'কাতিগাছা' উৎসৱ অৰ্থাৎ কাতি বিহুৰ দিনা লক্ষ্মী দেৱীক উদ্দেশ্যি মহিলাসকলে পথাৰত গাইছিল—

*মাও লক্ষ্মী দিব বৰ*
*ঐ ভৰে ভাণ্ডাৰ ভৰ।*

গোহালি ঘৰত—

*ডোল ডোল ডোল*
*আমাৰ গৰু হাতী হেনা*
*মানাষিৰ গৰু হাড়া মেটেকা*
......................................

খেতিয়কৰ বাবে গৰু আৰু ধান হৈছে ভগৱান আৰু আৰ্থিক দণ্ডস্বৰূপে বিশেষকৈ কৃষিজীৱি অসমীয়া সমাজত। সেয়ে তেওঁলোকে গাইছে—

*ডোল ডোল ডোল*
*যাৰ নাই গৰু, তাৰ নাই সেৰু*
*যাৰ নাই ধান, তাৰ নাই মান।*

জ্যেষ্ঠজনৰ কনিষ্ঠজনে সন্মান জনাই গায়—

*কাতিগাছা, লোহাৰ ডাং*
*ছোট বৰ এক সমান।*

শালি খেতি চপোৱাৰ পাছতে নতুন ধানৰ মৰণা মাৰি ডেকাসকলে ঔৰি বা এওৰি মাথা বা ম'হহ গীত গায়—

*ঔৰি।। ঔৰি।।*
*লাউৰ পাত ঝালাউ লাউ,*
*তাক মায়া জিন গালাউ*
*নিন খিনি হাসেৰে*
*চকু চিপা নাচেৰে।*

'মাহুত বন্ধু' আৰু 'মৈয়ালে বন্ধু' ৰাজবংশীয় লোকগীতৰ এক বৈশিষ্ট্যপূৰ্ণ চৰিত্ৰ। হাতী ফন্দি, মাহুত, পত্নী তথা প্ৰেমিকা এই গীতৰ কেন্দ্ৰিয় চৰিত্ৰ। অকল লোকগীতৰ জৰিয়তে বিভিন্ন অনুষ্ঠানৰ আৰম্ভণি বা সমাপ্তিয়েই যে ঘটায় তেনে নহয়, মনৰ আৱেগ-অনুভূতি ও প্ৰকাশৰ বাবে ই উত্তৰ মাধ্যম। ডেকা-গাভৰুৰ প্ৰেমৰ মিলন, বিৰহ, সুখ-দুখ অনাকাংক্ষিত ভৱিষ্যত আদি সকলোবোৰে ঠাই পায়। নদীপৰীয়া ৰাজবংশী জনজীৱনৰ স্বতঃস্ফূৰ্ত প্ৰতিফলন ঘটে ভাওয়াইয়া গীতত।

*বনে কান্দে বন হৰিণী*
*গাছে কান্দে টিয়া...*
*ভৰ যুৱতী নাৰী কান্দে*
*পৰাৰ মুখে চায়া ৰে...*

ঠিক সেইদৰে হোলীৰ গান, মইনামতীৰ গান, পাগুৰি মৰা গীত, তেল চৰা গীত, বিবাহ গীত ইত্যাদিকে ধৰি প্ৰায় বিশটা মান ভিন্ন ধৰণৰ লোকগীত প্ৰচলিত হৈ আছে।

ৰাজবংশীয় লোকৰ বিবাহ অনুষ্ঠান দুই বা তিনিদিনীয়াকৈ অনুষ্ঠিত হয়। মূল বিয়াৰ আগদিন তেল চৰা প্ৰথা সম্পন্ন হয়, য'ত দৰা বা কইনাক গা ধোৱাৰ আগতে শৰীৰত তেল সানি গীত জোৰে। মূল বিয়া দিনা চাৰিটা কল পুলি, কলপটুৱাৰে বেৰা দিয়া ঘৰৰ বোৱতী নদীৰ পানীৰে দৰা বা কইনাক গা ধোৱাই বিয়া নাম গায়। সেইদৰে দৰা-কইনাৰ আখৈ মৰা গীত, কইনা বিদায় গীত আদিও প্ৰচলিত। ৰাজবংশীয় সাহিত্যৰ অন্য এক স্তম্ভ হ'ল শিশু সাহিত্যৰ লোকগীত। বৰ্তমানেও ভিতৰুৱা ৰাজবংশী বসতি অঞ্চলত ঠায়ে ঠায়ে বিশেষকৈ ৰত্নপীঠ অঞ্চলত শিশুসকলৰ মনোৰঞ্জনৰ তথা অৱসৰ বিনোদনৰ হেতু আঙ্গিকৰ মাধ্যমেৰে এনে গীতৰ প্ৰচলন আছে—

*ইছন বিছন ধাৰণা বিছন,*
*মৌ পৰে চিল্লা পৰে;*
*ৰাজাৰ বেটী চাউল চুকে।*
*চাউল চুকিতে চাউল চুকিতে*
*বুইল বেলা।*

অসমীয়া ভাষা ভাৰতীয় আৰ্য ভাষাৰ অন্তৰ্গত। আৰ্য ভাষাৰ সোঁত পশ্চিমৰ পৰা পূবলৈ বিয়পিছিল, ইয়াৰ যি মগধী অপভ্ৰংশ সেয়া প্ৰথম কামৰূপ কমতাৰ মাজেদি আহি বিভিন্ন স্তৰেদি পূব প্ৰান্তলৈ সম্প্ৰসাৰিত হয়। বৰ্তমান বিৱৰ্তন আৰু বিশ্বায়নৰ গতিৰ সোঁতত অসমৰ পূব প্ৰান্তৰ ভাষাৰ ৰূপ শুদ্ধ বুলি পশ্চিমৰ ভাষাক উপহাস কৰাৰ যি প্ৰৱণতা সেয়া দৰাচলতে হেমসৰস্বতী, দুৰ্গাবৰ, মনকৰ আদি প্ৰাচীন কবি-সাহিত্যিকসকল জীয়াই থকা হ'লে বিশ্লেষণৰ যোগেদি প্ৰমাণ কৰি দিলেহেঁতেন যে অসমীয়া ভাষাৰ ব্যুৎপত্তিৰ কেন্দ্ৰবিন্দু শিৱসাগৰ নহয় কমতা-বেহাৰহে। ধৰ্মীয় ক্ষেত্ৰখনতো উদাৰতাৰ মনোভাৱ স্পষ্ট হয়; মূলত শৈৱ-সংস্কৃতিৰ আৰু উপাসনা-পৰম্পৰাত বিশ্বাসী আৰু মনোভাৱী ৰাজবংশীসকলে কমতাপুৰত বৈদিক বৰ্ণবাদী সংস্কৃতিৰ লগতে একেশ্বৰবাদী বৈষ্ণৱ সংস্কৃতিৰ ধাৰাও সমৰ্থন কৰিছিল। কমতাধিপতি দুৰ্লভ নাৰায়ণৰ পৃষ্ঠপোষকতাত চতুৰ্দশ শতিকাত হেমসৰস্বতীয়ে ৰচনা কৰা প্ৰহ্লাদচৰিত আৰু বড়ু চণ্ডীদাসে ৰচনা কৰা শ্ৰীকৃষ্ণ কীৰ্তন এই অঞ্চলৰ প্ৰথম বৈষ্ণৱ আদৰ্শৰ গ্ৰন্থ।

মাত্ৰ বল-পৰাক্ৰমেৰে নহয় সাহিত্য-সংস্কৃতিৰ উৎকৰ্ষ সাধনেৰে প্ৰজা-জনগণৰ মাজত আস্থা আৰু সান্নিধ্য লাভ

কৰাটো যে বাঞ্চনীয় সেয়া প্ৰত্যেক বংশৰ শাসকসকলে ঠিকেই উপলব্ধি কৰিছিল, কিন্তু কাৰ্যত খুউব বেছি খৰতকীয়া আৰু উদ্যমী কাৰ্যপন্থা চতুৰালিৰে লৈছিল কোচবিহাৰৰ শাসকসকলে। কোচৰজা চন্দনসিংহৰ পৰা আৰম্ভ কৰি মহাৰজা বিশ্বসিংহকে আদি কৰি প্ৰায়ে সকলোবোৰ শাসকেই আছিল ভাষা-সাহিত্যৰ জনক বা জননী। মহাৰাজ বিশ্বসিংহৰ সময়ছোৱা ইতিহাসৰ সোণালী অধ্যায়। ৰাজোপাখ্যানৰ বৰ্ণনাৰ উদ্ধৃতিৰে ক'বলৈ গ'লে জল্পীশ মহাদেৱৰ উপাসনাৰ জৰিয়তে লাভ কৰা বিশুই যথাসময়ত বিশ্বসিংহ নাম লৈ কালৰ সোঁতত থৰক-বৰক হ'ব খোজা জাতিটোক নিকপকপীয়াকৈ পুনৰ একত্ৰ কৰিবলৈ সক্ষম হৈছিল। ১৫৩৩ চনত (...১৫৪০) ত পৰলোকগামী হোৱা বিশ্বসিংহৰ পাছত নৰনাৰায়ণ আৰু চিলাৰায় শাসনকাৰ্যত অধিষ্ঠিত হৈছিল। শাসনকালতে বিশ্বসিংহই নতুন কেতবোৰ শাসন ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ লগতে কামাখ্যা ধামৰ পুনৰ্নিৰ্মাণ কৰোৱাইছিল। কামাখ্যা তীৰ্থ বৰ্তমান শাক্ত হিন্দু মাত্ৰৰেই এক প্ৰধান তীৰ্থস্থান। নীলাচলৰ লগতে কামতেশ্বৰী মন্দিৰ তেওঁ নিৰ্মাণ আৰু সংস্কাৰ সাধন কৰিছিল। কনৌজ, মিথিলা, নৱদ্বীপ, কাশী, গৌড় প্ৰভৃতি স্থানৰ পৰা কোক্ষণ আনি তুলনামূলকভাৱে কম হিন্দু ধৰ্মৰ প্ৰভাৱ থকা উত্তৰ-পূবত প্ৰথমে হিন্দু ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। তেওঁৰ দিনতে বল্লভাচাৰ্যই কামাখ্যা তন্দ্ৰ, পীতাম্বৰ দ্বিজে ৰাজবংশী ভাষাত মহাভাৰতৰ অনুবাদ, উষা পৰিণয় ৰাজ্য, ভাগৱতৰ দশম স্কন্ধ, দুৰ্গাবৰৰ গীতি ৰামায়ণ আৰু মনকৰৰ মন সামংগল ৰচনা হৈছিল। যিয়ে পৰৱৰ্তী সময়ত অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। ইতিমধ্যে ৰাজ্যৰ শাসনকাৰ্যত সেনা নায়কৰ ভূমিকা লোৱা চিলাৰায় আছিল অনন্য প্ৰতিভাধৰ। 'চিলাৰায়ৰ বীৰত্বৰ আঁৰত আছিল কেতবোৰ নিটোল আদৰ্শৰ প্ৰতি থকা নিষ্ঠাহে। বীৰত্ব কেৱল বাহুবলত নহয়, হোৱা হ'লে অত্যাচাৰী শোষণকাৰী যিকোনো যোদ্ধাকে আমি বীৰ বুলি ক'লোহেঁতেন। নৰনাৰায়ণ-চিলাৰায়ৰ যুদ্ধ যাত্ৰাৰ মাজত আমি অহৈতুক ৰণ পিপাসা বিচাৰি নাপাওঁ' (মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ ভাষাত)।

বৰ্তমানৰ অসম অসমীয়া সমাজৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ দিশ, যিটোৱে আজি পৰ্যন্ত সমাজত শান্তি-সম্প্ৰীতিৰ বান্ধোন একমাত্ৰ গুৰুৰ নামেৰেই নিকপকপীয়া কৰি ৰাখিছে সেয়া হ'ল শ্ৰীশ্ৰী শংকৰদেৱক শুক্লধ্বজৰ দ্বাৰা সুৰক্ষা আৰু মহাৰাজ নৰনাৰায়ণৰ সভাত ৰাজআতিথ্য। আহোম ৰজাৰ ৰোষত পৰি তেৰাই পাটবাউসীত আশ্ৰয় লৈ থাকোঁতেই দুয়োৰে পৰিচয় হয় আৰু শংকৰদেৱে নৰনাৰায়ণৰ ৰাজসভাৰ পৰাই তেওঁৰ ধৰ্মৰ প্ৰচলন আৰম্ভ কৰে। আচলতে জাত-পাত, বৰ্ণ-বিভেদে আক্ৰান্ত কৰিবলৈ উপক্ৰম হোৱা সমাজখনক ৰক্ষা কৰিবলৈ তথা একেশ্বৰবাদী ভাগৱতী ধৰ্মক সজীৱ কৰিবলৈ পঞ্চদশ শতিকাত অৱতাৰী বৈশিষ্ট্যৰ শংকৰদেৱৰ আবিৰ্ভাৱ হৈছিল। কোচ ৰজাঘৰীয়াই গুৰুজনাক ৰাজ আশ্ৰয় দি সামগ্ৰিকভাৱে অসমীয়া সমাজ-সভ্যতা-সংস্কৃতিৰ বাবে যে এক গৰ্বৰ থল বিচাৰি পাইছিল। কোবিহাৰৰ সমীপত গুৰুজনাই নিজহাতে স্থাপন কৰা কাকতকুটা সত্ৰ, সত্ৰশালত স্থাপন কৰা ৰামগায়, কুটিধাম সত্ৰত অগণন ৰাজবংশী জনগণে ভকতৰূপে গুৰুজনাৰ কাষ চাপিছিল। নৰনাৰায়ণৰ ৰাজসভাত কটোৱা প্ৰায় আঢ়ৈ বছৰীয়া সময়ছোৱাত প্ৰণয়ন কৰা ধৰ্ম পুথিবোৰেই বৰ্তমান অসমীয়া সাহিত্যৰ ভেঁটি হৈ পৰে। তেওঁৰ ভাষাত স্থানীয় (কমতাপুৰী ওৰফে ৰাজবংশী) ভাষাৰ শব্দ, গাঁথনিয়ে সমৃদ্ধ কৰিছে। ভুৰুকাত হাতী ভৰোৱা কথাৰ আলমত গুণমালা পুথিৰ ৰচনা, পাট কাপোৰত কৃষ্ণলীলাত চিত্ৰ ফুলবছা, ম'হৰ শিঙৰ মহীচুঙা, হাতী দাঁতৰ দণ্ড, বৃন্দাবনী বস্ত্ৰ আদি সেইছোৱা সময়তেই ৰচিত। শংকৰদেৱৰ ভক্তিধৰ্মৰ আদৰ্শৰ অনুগামীৰূপে এটা সময়ত অবিভক্ত কোচ ৰাজ্যৰ জনগণে শতাধিক সত্ৰ গঢ়ি তুলিছিল। কেৱল মধুপুৰ সত্ৰৰ অধীনত ২৪ খন সত্ৰ প্ৰতিষ্ঠা কৰা ঘটনা আজি অত্যুক্তি নহয়। ১৫৬৮ খ্ৰীঃত পুৰুযোত্তম বিদ্যাবাগীশে ৰচনা কৰা প্ৰয়োগ ৰত্নমালা কেইবাশতিকা ধৰি পাণিনিৰ ব্যাকৰণৰ পাছতে সংস্কৃত ভাষাৰ ব্যাকৰণ ক্ষেত্ৰত অদ্বিতীয় হৈ আছিল। শংকৰদেৱ, মাধৱদেৱ আৰু তেওঁলোকৰ অনুগামীসকলে ভাগৱতী বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ লগতে সৰ্বসাধাৰণে বুজিব পৰাকৈ প্ৰজাসাধাৰণৰ কথিত থলুৱা ভাষাৰ ভিতৰত পয়তা, তিনি পয়তা, ছয় পয়তা আদি সমলবোৰ যিবোৰ জাতি-জনগোষ্ঠীৰ ভাষাত সাঙুৰি যি ৰচনাৱলী প্ৰস্তুত কৰি থৈ গ'ল, সেয়ে শেষলৈ আধুনিক কালত স্বকীয় অসমীয়া ভাষাৰ জন্ম দিলে। অসমীয়া ভাষা-সাহিত্য-সমাজ সেয়ে শংকৰ-মাধৱৰ যোগেদি মহাৰাজ নৰনাৰায়ণ-চিলাৰায়ৰ ওচৰত ঋণী। আদিকাণ্ডৰ ভনিতাত মাধৱদেৱে লিখিছে—

*জয় জয় নাৰায়ণ হুই নৃপকুল শিৰোমণি*
*যাহাৰ পৰম প্ৰচণ্ড প্ৰতাপে ঢাকিলে ইটো ধৰণী।।*

অসমৰ প্ৰখ্যাত বুৰঞ্জীবিদ ড° সূৰ্যকান্ত ভূঞাৰ মতে আজিৰ অসমীয়াৰ গৌৰৱৰ দুটা প্ৰধান বস্তু হৈছে, কামাখ্যা মন্দিৰ, যাৰ কাৰণে অসম কামৰূপৰ নাম ভাৰতৰ দিগ্‌দিগন্ত, যাৰ কাৰণে ধৰ্মপ্ৰাণ যাত্ৰীসকল অসমৰ পুণ্যভূমি দৰ্শন কৰি ইয়াৰ শান্ত স্নিগ্ধ সৌন্দৰ্যত মুগ্ধ হৈছে আৰু দ্বিতীয় মহাপুৰুষ শংকৰদেৱৰ ৰচিত গ্ৰন্থৱেলী, যাৰ কাৰণে অসমীয়া অশিক্ষিত

মানুহৰ মাজতো ধৰ্ম মোক্ষ আৰু কাব্যামৃতৰ ত্ৰিবেণী সংগম। ক'বলৈ গ'লে এই দুই গৌৰৱেই হৈছে মহাৰাজ নৰনাৰায়ণ আৰু সেনাপতি শুক্লধ্বজৰ অৱদান।

পূৰ্বেই উল্লেখ কৰি অহাৰ দৰেই পূৰ্ব ভাৰতৰ সাহিত্য-সংস্কৃতিৰ ইতিহাসত কমতা-বিহাৰৰ ৰাজদৰবাৰৰ অৱদান সাহিত্য-সংস্কৃতিৰ উৎকৰ্ষ ইতিহাসত এক বিৰল দৃষ্টান্ত। চতুৰ্দশ শতিকাৰ পৰা আৰম্ভ কৰি কমতা-কোচ ৰাজতন্ত্ৰৰ অন্তিম কাললৈকে বিদ্যোৎসাহী ৰাজ আনুকূল্যত বিভিন্ন পণ্ডিতৰ দ্বাৰা গীত-পদ-নাট তথা শাস্ত্ৰৰ অমৃত মন্থন হৈছিল। বিখ্যাত কবি-সাহিত্যিকসকলৰ লিখনিত যি লোকজীৱন চিত্ৰিত হৈছিল, সেই জীৱন সফুঁৰা আজিও কোচ ৰাজবংশী লোকজীৱনত বিদ্যমান। অংকীয়া নাট লিখি অসমীয়া নাট্যসাহিত্যৰ বাটকটীয়া হিচাপে খ্যাতি অৰ্জন কৰা শংকৰ-মাধৱৰ যি প্ৰচেষ্টাৰ আগৰে পৰাও এই অঞ্চলত লোক পৰিৱেশ্য কলাৰূপে কুশান গান, পদ্মপুৰাণ, ভাওগান ইত্যাদি প্ৰচলিত আছিল। এনে দৃষ্টিকোণৰ পৰা পদ্মপুৰাণ আৰু কুশান গান আদি গুৰুদুজনাৰ নাটৰ আৰ্হি আছিল যেন অনুমান হয়।

কোচ সংস্কৃতি আচলতে ব্যাপক আৰু ঐতিহ্যপূৰ্ণ। পৰৱৰ্তী বৃহৎ ভাৰতীয় সংস্কৃতিৰ অন্যতম শৈৱ-শাক্ত সংস্কৃতিৰ অংগস্বৰূপ হোৱাৰ বাবে বৃহত্তৰ অসম তথা অসমীয়া জৈৱিক মানসত এটা পূৰ্ণগঠনমূলক ধাৰা প্ৰৱৰ্তন কৰিব পাৰিছে, যিটো জাতি গঠনৰ এটা অন্যতম জৈৱিক কাৰক। ভাৰতীয় সভ্যতাৰ অংগস্বৰূপ অসমীয়া সমাজখন দ্ৰাবিড়, অনাৰ্য্য, আৰ্য্য, মংগোলীয়, তুৰাণীয়, অষ্ট্ৰিক আদি নানা তৰহৰ বিভিন্ন সংস্কৃতিৰ সোঁত-উপসোঁতৰ লগ-লাগি গঠন হোৱা যিবোৰ এই শৈৱ-শাক্ত এছিয়া মহাদেশৰ কোচ-ৰাজবংশী সংস্কৃতিৰ সৈতে সাদৃশ্য থকা। এই সংস্কৃতি প্ৰকৃতাৰ্থত সুবিস্তৃত হোৱাৰ উপৰিও স্বয়ংসম্পূৰ্ণ যিটো বৰ্তমান অসমীয়া সভ্যতাত বিদ্যমান। কিন্তু নিৰপেক্ষ দৃষ্টিত অনুমান হয় সাময়িক অধ্যয়ন আৰু বিশ্লেষণ প্ৰৱণতাৰ অভাৱত প্ৰকৃত বুৰঞ্জী। বৰ্তমানেও সম্পূৰ্ণৰূপে উদ্ধাৰ নোহোৱাৰ ফলশ্ৰুতিত কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজধানী আজিৰ গুৱাহাটীৰ পৰিৱৰ্তে গোৱালপাৰা জিলাৰ বালুঝৰা-মইৰংগ-মৰংক-মৰনৈ তথা সাতালী পাহাৰ অঞ্চলত থকা দ্বিতীয় কাশীৰূপী শ্ৰী সূৰ্য্যৰ ভগ্নাৱশেষ আৰু ধৰ্মপাল ৰজাৰ ৰাজধানী কামৰূপ নগৰৰ প্ৰকৃত অৱস্থান ক'ত আছিল ইয়াৰ স্থিৰ নোহোৱাত জনগোষ্ঠীয় গাঁথনিৰ বহুতো সমল বৰ্তমানেও সঠিক আৰু শুদ্ধকৈ নিৰূপিত কৰাটো কঠিন হৈ পৰিছে। দেহতত্ত্বৰ গীতত বৈষ্ণৱ মতবাদৰ অভাৱৰ উপৰিও, শাক্তসকলৰ প্ৰভাৱ বিদ্যমান। বিভিন্ন ধৰণৰ খাদ্যাভাস যেনে শীদল, মাটি কলাইৰ লগত পঠাৰ মাংস খাৱেৰে ৰন্ধা পদ্ধতি, চেকাৰ ব্যৱহাৰ, বাঁহৰ গজালি, শুকান মাছৰ ব্যৱহাৰ, টোপোলা ভাত, শাক-শুকাতি, কাপোৰ বোৱা, পাটানি পিন্ধা, খিস্তা-খিস্তি কৰা, খেলাৰ ভিতৰত পয়তা, তিনি পয়তা, ছয় পয়তা আদি সমলবোৰ যিবোৰ জাতি-জনগোষ্ঠীৰ গাঁথনিক ঐতিহ্য আছিল সেইবোৰ কেঁচামাল বৰ্তমানেও বহু গোদাম ঘৰত ঠাঁহ খাই পৰি আছে। ক্ষত্ৰিয় ৰাজবংশীয়সকলৰ বীৰত্বৰ কথা প্ৰকাশ পাইছিল কৰাচী ৰেজিমেণ্টৰ সেনাধ্যক্ষৰ মন্তব্যত— 'The men of these Khatriya community make better soldierd than the most of the others.' ৰূপহী অসমৰ অন্যতম অংগস্বৰূপ বড়ো অধিবাসী সকলৰ লগতো আছে কোচ ৰাজবংশীয় নৃতাত্ত্বিক সম্পৰ্ক। কোচ জাতিটো বড়ো গোষ্ঠীৰ পৰা সম্পূৰ্ণ পৃথক নহয়। প্ৰায় তিনি কুৰি মান উপাধি বৰ্তমানে সচৰাচৰ এই জাতি-জনগোষ্ঠীৰ লোক চকুত পৰা পৰিলক্ষিত হয়। তাৰ ভিতৰত অধিকাৰী, কোচ, কাৰ্জী, খাটনিয়াৰ, খাৰঘৰীয়া, চলিহা, চৌধুৰী, তালুকদাৰ, তামুলী, ডেকা, দলৈ, দত্ত, দত্তবৰুৱা, বৰ্মন, বৰা, বায়ন, বৈৰাগী, ভূঞা, মহন্ত, মজুমদাৰ, মণ্ডল, সন্ত্ৰিক, মেধী, মালী, ৰাজবংশী, ৰায়, ৰাজা, লস্কৰ, লহকৰ, শইকীয়া, সিংহ, সেনাপতি, হাজৰিকা ইত্যাদি। ক্ষমতাৰ চোকা তৰোৱালৰ দ্বাৰা হাবি-জংঘল পৰিষ্কাৰ কৰি স্নেহ-ভাতৃত্বৰ ইছলাম পন্থাৰ বাণী আৰু কোচ ৰাজ্যত হিন্দু মুছলমানৰ দুই বিভিন্ন চিন্তাধাৰাৰ মিলন ক্ষেত্ৰ গঢ় দিয়াটো আন এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। মহাৰাজ নৰনাৰায়ণৰ দিনত কোচ মানুহ সমগ্ৰ অসমত বিয়পি পৰিছিল যাৰ বাবে আঞ্চলিক অথচ সুকীয়া আচাৰ-ব্যৱহাৰে কোচসকলক প্ৰভাৱ পেলাইছিল আৰু হয়তো সেইবাবেই কোচ জাতিৰ তিৰোতাসকলৰ ঘৰত বোৱা আৰু তাত নানা তৰহৰ ৰং-বিৰঙৰ ফুল তোলা থাকে। এই জাতিৰ তিৰিসকল স্বাৱলম্বীতাৰ প্ৰতীক তাঁত শিল্পত ইমানেই পাকৈত যে কোনো আৰ্থিক বিপদত কাপোৰ বোৱাৰ কলাবিধেই তেওঁলোকক পোহপাল দিছিল।

*যঁতৰ আমাৰ ভাতাৰ পুত্ৰ*  
*যঁতৰ আমাৰ নাতি।*  
*যঁতৰেৰ দৌলত আমি*  
*দুৱাৰত বান্ধোং হাতী।*

প্ৰাচীন মণিকোঁৱৰ আৰু ফুলকোঁৱৰৰ গীতত প্ৰাগ্ঐতিহাসিক যুগৰ এজন অসমীয়া কোচ ৰজা জড়িত হৈ আছে—

*শংকৰদেৰ ৰজাৰে পুতেক মণিকোঁৱৰ কোনো কলাতে ক্ষতিখুন নাই*  
*এবেলি দোলাতে, এবেলি ঘোঁৰাতে এবেলি খেলি খেলায়।*

*খেৰি খেলায় ৰঙকে নাপালে নৈত গা ধুবলৈ যায়।*

বৰ্তমান অসমত এই জাতিৰ মানুহৰ সংখ্যা ৭০ লাখৰ অধিক। কিন্তু জাতিৰ সন্মিলনীৰ স্মাৰক পত্ৰৰ মতে— This historic and martial people of Assam consisting more than seventy laks souls had put into deep slumber of ignorance. ইমানবোৰ মানুহৰ কৃষ্টি-সভ্যতা আৰু ইতিহাসক নেওচি অসমীয়া কৃষ্টি-সংস্কৃতি-সভ্যতাৰ যে ই এক মহান অংগ সেয়া দুনাই উল্লেখ কৰাৰ প্ৰয়োজন নাই। আজিলৈ এই জাতিৰ এখন প্ৰামাণ্য ইতিহাস নাই অথচ জাতিটোৰ মহাৰাজ নৰনাৰায়ণ আছিল প্ৰাচীন কামৰূপৰ ভাস্কৰ বৰ্মণ, বিক্ৰমাদিত্য আৰু অসমৰ মহামতি অশোক। এই কোচ গোষ্ঠীৰ শীতল ছাঁয়াত অসম আৰু অসমীয়াৰ ত্ৰাণকৰ্তা মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱে শদিয়াৰ পৰা ৰংপুৰ, বৰিশাললৈকে সকলোকে একত্ৰ কৰি এখন বৃহৎ সমাজ সভ্যতা গঠনৰ আৰম্ভণি কৰিছিল, প্ৰেৰণা যোগাইছিল আৰু বৰ অসমৰ কৃষ্টিৰ বৰভেঁটি স্থাপন কৰিছিল। বৃহত্তৰ অসমৰ স্বাৰ্থৰ বাবে ৰত্নপীঠ তথা গোৱালপাৰাৰ দৰে হাজাৰ হাজাৰ শব্দৰাশিক প্ৰত্যাহ্বানৰ বুকুৰ পৰা উদ্ধাৰ কৰি অসমীয়াৰ বৰপীৰাখনক পত্ৰে-পুষ্পে সুশোভিত কৰাৰ প্ৰয়োজনীয়তা নিতান্তই সমাগত।

পঞ্চদশ শতিকাৰ আগভাগৰ পৰা অৱস্থিত ধৰলা নদীৰ পশ্চিমে ধনে-জনে সু-প্ৰসিদ্ধ কমতাপুৰত সুবিশাল দুৰ্গ আৰু ৰাজধানী আছিল। বৰ্তমানো ইয়াৰ ভগ্নাৱশেষ কোচবিহাৰৰ নগৰৰ পৰা ২২ কিঃমিঃ পশ্চিম-দক্ষিণত পৰি আছে আৰু যি ঠাইক বৰ্তমান 'গোসানীমাৰী' বুলি জনা যায়। ভাস্কৰ্য আৰু স্থাপত্যৰ ক্ষেত্ৰত কোচ্চ ৰজা আৰু প্ৰজাৰ সৰ্বভাৰতীয় দৃষ্টিভংগীৰ উপৰিও এক অনন্য সুকীয়া নিজস্বতা আছে সেয়া ১৮০৮ চনত ডাঃ বুকানন হেমিল্টনে ব্যক্ত কৰিছিল— বিশালতা আৰু নিৰ্মাণ কৌশলত কমতাপুৰ দুৰ্গৰ দৰে সুৰক্ষিত দুৰ্গ সেই সময়ত পুব ভাৰতৰ ক'তো নাছিল। যিহেতু বৰ্তমানে কেৱল ইয়াৰ ভগ্নাৱশেষহে বাকী ৰৈছেগৈ। গতিকে এনে ভগ্নাৱশেষৰ জৰিয়তে কোচ জাতিৰ ভাস্কৰ্য আৰু স্থাপত্যৰ বৰ্ণনা দিয়া কঠিন কাম নহয়। সেয়ে ১৬ শ শতাব্দীত পুনৰ নিৰ্মাণ কৰা বৰ্তমানৰ কামাখ্যা দেৱীৰ মন্দিৰৰ ভাস্কৰ্য আৰু স্থাপত্যৰ বৈশিষ্ট্যৰ প্ৰতি লক্ষ্য কৰিলেই ইয়াৰ আনুমানিক ধাৰণা কৰিব পৰা যায়। য'ত বৰ্তমানে মাত্ৰ ৩৯ বিঘা মাটিকালিহে সংগ্ৰহালয় হিচাপে সংগৃহীত। আৰু বাৰচন্দ্ৰ প্ৰথা বিলুপ্তিকৰণৰ পাছত সম্প্ৰতিৰ উত্তৰাধিকাৰ অমিতাভ নাৰায়ণৰ দুৰ্দশাৰ অন্ত নাই।

সকলো সময়ৰে অৱতাৰিত, অৱহেলিত প্ৰশ্ন। উত্তৰ ইতিহাসৰ আৰু বিজ্ঞজনৰ হাতত বিশ্লেষণ। উত্তৰ প্ৰজন্মৰ ৭০ লক্ষাধিকৰ অনাকাংক্ষিত ভৱিষ্যতৰ স্বাৰ্থত স্বৰ্ণিল আৰু গৌৰৱময় অধ্যায় লুটিওৱাৰ বাবে প্ৰস্তুতি নিৰন্তৰ আৰু পূৰ্ণোদ্যম হোৱাটো একান্তই বাঞ্ছনীয়। আগতে উল্লেখ কৰাৰ দৰেই সময়ৰ প্ৰশ্নত বৰ্তমানে বিশ্বায়নৰ ভাবুকিও নুই কৰিব নোৱাৰি, সগৌৰৱেৰে থিয় দি থকা বঙাইগাঁও তেল শোধনাগাৰেই টুনীদেৱীৰ পুণ্যাশ্ৰম ভেৰভেৰীৰ প্ৰতি ভাবুকিস্বৰূপ। যিহেতু কোনো স্থিতিশীল কাৰকে নহয়, গোটেই জাতি গঠনৰ প্ৰক্ৰিয়াটো গতিশীল। গতিকে কাৰকৰ ভিন্নতাৰ সমাহাৰ হোৱাটো অসমীয়া জাতি গঠনৰ বাবে আচৰিত নহয়।

শেষত অঞ্জন শৰ্মাৰ ভাষাৰে—

*উত্তৰে গগনচুম্বী হিমালয়*
*পৱিত্ৰ লৌহিত্য পাদদেশৰে বয়*
*পশ্চিমে আছিল গৌড়দেশ, পুবে নগাভূমি*
*দক্ষিণে বংগোপসাগৰ চুমিছিল ভূমি*
*প্ৰতিধ্বনি অহৰহ - জয় বিশ্বসিংহৰ জয়*
*জয় নৰনাৰায়ণ চিলাৰায়ৰ জয়।*

**পাদটীকা ঃ**

১। দাস, ভূৱনমোহন ঃ
অসমীয়া জাতি গঠন প্ৰক্ৰিয়া

২। সিংহ, নিখিল ঃ
অসমীয়া জাতি-সংস্কৃতি - কোচ ৰাজবংশীৰ অৱদান

৩। শইকীয়া, শান্তনা আৰু তামুলী, মৃদুল ঃ
কোচ ৰাজবংশীৰ গীত চৰ্চা

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। অধিকাৰী, শুকদেৱ (সম্পাদনা) ঃ
অসমীয়া সংস্কৃতি আৰু বিশ্বায়ন

২। ৰাজবংশী, পৰমানন্দ (সম্পাদনা) ঃ
অসমীয়া জাতি আৰু সংস্কৃতি

৩। চৌধুৰী, অম্বিকাচৰণ ঃ
কোচ ৰাজবংশী জনগোষ্ঠীৰ ইতিহাস আৰু সংস্কৃতি

❑❑

# AJANTA CAVE PAINTINGS



❍ **Chayanika Devi**
5th Semester
Department of Sociology

The paintings and rock sculptures in the Ajanta Caves, a Buddhist monastic complex in the state of Maharashtra, India are a testimony to the golden age of Buddhism in India and a unique artistic achievement.

The Ajanta Caves are cut into the cliff face above the spot where the river Waghora draws a harmonious half moon through lush vegetation. Discovered by English officers during a tiger hunt in 1819, the Caves are in such a remote spot that it was only in 1983 that they were declared a UNESCO World Heritage site.

The Ajanta wall paintings are famous for their masterful line work, the use of natural pigments, the artistry achieved with only primitive tools, the sensual forms, and the harmony of the overall composition. The highly accurate pictorial technique used in Ajanta and the method of execution makes these wall paintings unique in the world.

The main colours used were red ochre, yellow ochre, brown ochre, lamp black, white and lapis lazuli which was imported from Northern India, Central Asia and Persia. In the pictorial cycles, all the characters are bright and multicoloured but are never repeated, a fundamental concept in Indian art.

The paintings are meant to transmit a rhythmic equilibrium indicating the harmony of a society in which the smallest gestures and desires have a specific place in a vision of the world that is much larger and devoid of disquiet. The expressions and the emotions captured on the faces of the characters are amazingly real and modern. Truly, the Ajanta Caves are an eternal embodiment of India's rich heritage of art and culture. ❑❑

ৰচনাৱলী

# কিহেৰে সাজিলি পেঁপা ঐ পেঁপুৰা



❍ জ্ঞানতৃষা ফুকন
প্ৰথম ষান্মাসিক, বুৰঞ্জী বিভাগ

*'পেঁপাৰে টিঁহিটি মাতে সমনীয়া*
*পেঁপাৰে টিঁহিটি মাত*
*পেঁপাৰ মাতে শুনি*
*ৰ'বকে নোৱাৰো*
*এৰি যাওঁ পেটৰে ভাত।'*

হয়, ঠিক এনেকুৱাই এইবিধ শিল্প; ম'হৰ শিঙৰ পেঁপা অসমীয়া লোক-সংস্কৃতিৰ এক অন্যতম অংশ। অসমীয়াৰ অতিকৈ আপোনৰ ব'হাগ বিহুৰ সৈতে ই ওতঃপ্ৰোতভাৱে জড়িত। এইবিধ বাদ্যৰ স্থান অসমীয়া লোকবাদ্যৰ মুখ্য বাদ্য ঢোলৰ পিছতে। সাধাৰণতে বিভিন্ন বিহুনামৰ সংগত কৰিবলৈ ব্যৱহাৰ কৰা এইবিধ বাদ্য অতীতৰে পৰাই অসমত প্ৰচলন হৈ আহিছে। পুৰণি দিনত গছ তলৰ হুঁচৰি বা চোতালৰ বিহুত পেঁপাক ব্যৱহাৰ কৰাৰ উপৰিও গৰখীয়াসকলে ম'হৰ

পিঠিত উঠি পেঁপা বজোৱাৰ কথা আমাৰ পূৰ্ব পুৰুষৰ মুখত শুনিবলৈ পোৱা যায় বা বিভিন্ন সাহিত্য-আলোচনীত পঢ়িবলৈ পোৱা যায়। মুঠৰ ওপৰত অসমীয়া সংস্কৃতিত ইয়াৰ বিশেষ মহত্ব আছে। কথাতে কয়, 'এটা জাতিৰ পৰিচয় ইয়াৰ সংস্কৃতিয়ে দাঙি ধৰে।'

ম'হৰ শিঙৰ পেঁপা দুই প্ৰকাৰৰ—

১) গুটীয়া পেঁপা বা গুৱাল পেঁপা

২) যুৰীয়া পেঁপা বা যোৰ পেঁপা

অৱশ্যে আজিকালি বহুতে যুৰীয়া পেঁপা বা যোৰ পেঁপাক পৃথক বুলি ক'ব খোজে। গোনা ম'হৰ এটা শিঙেৰে নিৰ্মিত পেঁপাক গুটীয়া পেঁপা বা গুৱাল পেঁপা বুলি কোৱা হয়। আনহাতে ম'হৰ দুটা শিঙেৰে নিৰ্মিত পেঁপাক যুৰীয়া পেঁপা বুলি কোৱা হয়। পেঁপাৰ নিৰ্মাণ প্ৰণালী অতি জটিল। ইয়াৰ বিষয়ে এফাঁকি বিহুনাম এইদৰে পোৱা যায়—


*'কিহেৰে সাজিলি পেঁপা ঐ পেঁপুৱা,*
*কিহেৰে সাজিলি পেঁপা,*
*ছদটীয়া গোনা ম'হ*
*একে ঢকাই মাৰিলো,*
*তাৰ শিঙে সাজিলো পেঁপা।'*

*সুৰেৰে সজালি দেখোন*
*দিচাং মুখৰ নিশাটি।'*

পেঁপাৰ বিভিন্ন অংশ থাকে আৰু ইয়াৰ নিৰ্মাণ প্ৰণালী কিছু দীঘলীয়া। এটা পেঁপাৰ অংশসমূহ হ'ল— শিঙা বা শিং, চুপহী, গফ, নলা আৰু থুৰি।

ক) **শিং** ঃ এই শিং অংশক 'থুলা' নামেৰেও জনা যায়। ইয়েই হ'ল পেঁপাৰ মুখ্য অংগ। মৰা ম'হৰ শিংটো কাটি আনি ইয়াক কোমলাবলৈ গোবৰৰ ভেৰত নতুবা কলগছৰ টুকুৰাত পুতি থোৱা হয়। কোমল হোৱাৰ পাছত ইয়াক কাচ বা চোকা কটাৰীৰে কাটি সামান্যভাৱে আকাৰ দিয়া হয়। শিংটোৰ তলৰ ফালে এটা বাট কটা হয়, যাক আঙঠি বুলি কোৱা হয়। পেঁপাটো পুনৰ গৰম পানীত সিজাই তাৰ পাছত কাঠৰ এটা ফেৰ তাৰ মাজত সোমোৱাই কেইদিনমান ৰখা হয়। পাছত গফ নলাডাল সোমোৱাবলৈ লোৰ শলাৰে এটা ফুটা কৰা হয়। এনে কৰাৰ পাছত শিঙৰ অংশটো সম্পূৰ্ণ হৈ উঠে। ইয়াক শুৱনি কৰিবলৈ বহুতে পিতলৰ বাও লগোৱা দেখা যায়।

খ) **গফ নলা** ঃ গফ নলাডাল শুকান বাঁহৰ আগ অংশৰ পৰা কাটি বনোৱা হয়। ইয়াক শিংটোত সোমোৱাব




**ম'হৰ শিঙৰ পেঁপাৰ অংশসমূহ(PARTS OF PEPA)**

শিল্পীৰ হাতৰ পৰশে ম'হৰ ৰং শিঙাত প্ৰাণ ঢালি দিয়ে। ড° ভূপেন হাজৰিকাইও তেওঁৰ গীতত এইদৰে কৈছে—

*'বোলো অ' মিচিং ডেকাটি*
*বজালি যে পেঁপাটি*
*বজালি যে পেঁপাটি*

পৰা জোখেৰে কাটি লোৱা হয়। ইয়াৰ লোৰ শলাৰে আঙুলি বুলাব পৰাকৈ সূক্ষ্মভাৱে ফুটা চাৰিটা কৰা হয়। পাছত ইয়াক এটা অংশ শিঙত সোমোৱাই আনটো ফালে চুপহী লগোৱা হয়।

গ) **থুৰি** ঃ থুৰি এটা পেঁপাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ

অংশ। কিয়নো ইয়াৰ দ্বাৰাই ধ্বনি সৃষ্টি হয়। ই দীঘলে প্ৰায় ডেৰ ইঞ্চিমান। ইয়াক খাগৰি বাঁহৰ আগটোৰে বনোৱা হয়। ইয়াৰ এটা মূৰ বন্ধ থাকে আৰু বন্ধ থকাৰ ফালে এখন জিভা কটা হয়। ইয়াৰ দ্বাৰাই ধ্বনিৰ সৃষ্টি হয়। থুৰিটো বনোৱাৰ পাছত ইয়াক গফ নলাত লগাই চুপহীৰে বেৰি দিয়া হয়।

ঘ) **চুপহী** ঃ পেঁপাৰ যি অংশত মুখেৰে ফু দিয়া হয়, তাকে চুপহী বুলি কোৱা হয়। এই অংশ বাঁহেৰে নিৰ্মিত। ই থুৰিটোক আৱৰি ধৰি থাকে আৰু ইয়াক নলীচা অৰ্থাৎ গফ নলাডালত লগোৱা হয়।

এইসমূহ অংশই এটা পেঁপা পৰিপূৰ্ণ কৰি ইয়াক বিহুতলীত বা অন্যান্য আনন্দোৎসৱত বজাব পৰাকৈ উপযুক্ত কৰি তোলে। আজিকালি হুঁচৰিত পেঁপা বজোৱাৰ উপৰিও ঠায়ে ঠায়ে প্ৰতিযোগিতাত অনুষ্ঠিত হোৱা দেখা যায়। এনে অনুষ্ঠানতো পেঁপাৰ লগত ঢোল, তাল ইত্যাদিৰে সংগত কৰা হয়। পেঁপাবাদনৰ পূৰ্বে ইয়াৰ কৌশল জনাটো দৰকাৰ। পেঁপা বজাবলৈ পেঁপাবাদকজনে মুখ্যতঃ উশাহৰ ওপৰত নিয়ন্ত্ৰণ ৰখাটো দৰকাৰ। চুপহীত ফু মাৰি উশাহ ঘূৰাই ঘূৰাই গফ নলাত আঙুলি বুলাই সুললিত ধ্বনিৰ সৃষ্টি কৰে। ইয়াক লৈ এফাঁকি বিহুনাম এনেধৰণে পোৱা যায়—

*'পেঁপাটি বজাবলৈ তিনিটি আঙুলি*
*মাজৰটি আঙুলি ল'ৰে*
*আমাৰে নাচনী নাচিব ধৰিলে*
*পখিলা উৰাদি উৰে।'*

হুঁচৰি, জাতনামসমূহতো অতীতৰে পৰা পেঁপাৰ বিষয়ে কোৱা শুনা যায়। এই জাতনামসমূহ গাই গাই পেঁপাৰ লহৰত নাচনীয়ে পেঁপুৱাৰ সৈতে বিভিন্ন ভংগীমাৰে নাচে। পেঁপাৰ লগত জড়িত এফাঁকি জাতনাম—

*'পেঁপা ভালেকৰি বজাবি চেনাইটি*
*পেঁপা ভালেকৰি বাবি*
*বৰকৈ নাবাবি, খৰকৈ নাবাবি*
*নাচনীৰ ছেৱতে বাবি।'*

পেঁপাৰ মাত শুনি নাচনীয়ে এইদৰে জাতনাম গায়—

*'বিহুৰে ঐ শুৱনি*
*ঢোলৰে গুম্‌গুমনি*
*পেঁপাৰে ঐ বিননি*
*মোৰে ধনৰ পেঁপাটি*
*শুনিনো মন পিছলি যায়।'*

আজিকালিৰ মঞ্চত পেঁপাৰ সেই পুৰণি সুৰ শুনা নাযায়। এজন পেঁপা বাদকৰ সৃষ্টিশীলতাত নতুন নতুন সুৰৰ আৱিষ্কাৰেৰে বিহুমঞ্চ শুৱনি কৰা দেখা যায়। সাম্প্ৰতিক কালত অসমীয়া সমাজত বহুসংখ্যকে থলুৱা লোকবাদ্যসমূহক জীয়াই ৰখাৰ চেষ্টা কৰিছে। সেইসমূহৰ ভিতৰত পেঁপা অন্যতম। আৰু এনে প্ৰচেষ্টাই অসমীয়া জাতি বা সংস্কৃতিক জীয়াই থকাত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায়।

❑❑

**"প্ৰকৃত শিক্ষাই মানুহৰ মৰ্যাদা বঢ়ায় তদুপৰি ই আত্ম সন্মানো বৃদ্ধি কৰে।"**

— এ.পি.জে. আব্দুল কালাম

# সাম্প্ৰতিক যুৱ সমাজ আৰু আধ্যাত্মিক শিক্ষাৰ প্ৰয়োজনীয়তা

❍ ড° সব্যসাচী মহন্ত
অধ্যক্ষ
গড়গাঁও মহাবিদ্যালয়



সাম্প্ৰতিক সময়ত ভাৰতবৰ্ষ এক তাৎপৰ্যপূৰ্ণ জনসাংখ্যিক পৰিৱৰ্তন প্ৰক্ৰিয়াৰ মাজেৰে গতি কৰিছে। যাৰ ফলশ্ৰুতিত আগন্তুক ২০২০ খ্ৰীষ্টাব্দৰ ভিতৰত ভাৰতীয় জনসাধাৰণৰ গড় বয়স হ'বগৈ ২৮ বছৰ আৰু ভাৰতবৰ্ষ সমগ্ৰ বিশ্বৰে সবাতোকৈ বৃহৎ যুৱ শক্তিধৰ দেশ হিচাপে পৰিগণিত হ'ব। শেহতীয়াকৈ ভাৰতৰ যুৱ শক্তিক কেৱল দেশখনৰে নহয়, সমগ্ৰ বিশ্বৰেই ভৱিষ্যৎ বুলি অভিহিত কৰা হৈছে।

এই কথা অৱশ্যেই অনস্বীকাৰ্য যে, যুৱকসকল হৈছে সমাজৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অংগ। যুৱকসকল হৈছে অফুৰন্ত শক্তিৰ ভাণ্ডাৰ, সমাজৰ এক শক্তিশালী আধাৰ। সেয়েহে ভাৰতৰ পুনৰ নিৰ্মাণৰ বাবে, দেশখনত বহু আকাংক্ষিত পৰিৱৰ্তনৰ সূচনা কৰিবৰ উদ্দেশ্যে,

দেশৰ সৰ্বাংগীণ বিকাশৰ বাবে আমাৰ দেশৰ, সমাজৰ যুৱ শক্তিক আমি সঠিক দিশত প্ৰয়োগ কৰিব পাৰিব লাগিব।

কিন্তু যি সময়ত দেশৰ হিতাৰ্থে, সমাজৰ কল্যাণৰ অৰ্থে যুৱ শক্তিক অৰ্থবহভাৱে ব্যৱহাৰ কৰাৰ উদ্দেশ্যে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়াস কৰা হৈছে, যি সময়ত আমাৰ যুৱ শক্তিক সঁচা অৰ্থত শিক্ষিত, প্ৰকৃতাৰ্থত দক্ষ-কুশলী কৰি গঢ়ি তোলাৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে, তেনে সময়তে আকৌ হতাশাগ্ৰস্ততা, হীনমন্যতা, নীতি-নৈতিকতা-প্ৰমূল্যহীনতা-অপৰাধপ্ৰৱণতা, আনকি আত্মহানিৰ দৰে ভয়াবহ প্ৰৱণতায়ো আমাৰ যুৱ শক্তিক যথেষ্ট পৰিমাণে ক্ষতিগ্ৰস্ত কৰা পৰিলক্ষিত হৈছে। শেহতীয়াকৈ প্ৰকাশিত এটি সমীক্ষাৰ তথ্য অনুসৰি ২২ ৰ পৰা ২৪ বছৰ বয়সীয়া প্ৰায় ৬৫ শতাংশ যুৱক হতাশাগ্ৰস্ততাৰ বলি হৈছে। সেইদৰে National Crime Records Bureau ৰ তথ্য মতে ভাৰতত প্ৰতি ঘণ্টাত এজনকৈ শিক্ষাৰ্থীয়ে আত্মহত্যাৰ দৰে চৰম পথ বাছি লয়। তদুপৰি বৰ্তমান সময়ত যুৱ সমাজৰ মাজত নৈতিকতা, মূল্যবোধৰ অভাৱনীয় অৱক্ষয় ঘটাৰ লগতে ভিন্ন ধৰণৰ অপৰাধ প্ৰৱণতায়ো ব্যাপক হাৰত গা কৰি উঠা পৰিলক্ষিত হৈছে।

সেয়েহে এনেবিলাক অনাকাংক্ষিত ব্যাধিৰ পৰা মুক্ত কৰি আমাৰ যুৱ সমাজক বাস্তৱিক অৰ্থত সুস্থ-সবল কৰি গঢ়ি তুলিব লাগিব; আমাৰ নতুন প্ৰজন্মক তাত্ত্বিক আৰু ব্যৱহাৰিক অথবা প্ৰায়োগিক শিক্ষাৰে শিক্ষিত কৰি তুলিব লাগিব; আমাৰ যুৱ সমাজক প্ৰকৃতাৰ্থত কৰ্মঠ আৰু কৰ্মপটু কৰি তুলিব লাগিব।

অৱশ্যে ইয়াৰ লগতে আমি আমাৰ যুৱ সমাজক মানসিকভাৱেও সবল আৰু মূল্যবোধসম্পন্ন কৰি গঢ়ি তুলিব লাগিব। যুৱ সমাজৰ মাজত মানৱিক প্ৰমূল্যসমূহ জাগ্ৰত কৰি এখন নৈতিকতাপূৰ্ণ সমাজ গঢ়াৰ আধাৰ ৰচনা কৰিব লাগিব। ইয়াৰ বাবে আকৌ আমি আমাৰ যুৱ সমাজক সংস্কাৰমুখী আনুষ্ঠানিক-অনানুষ্ঠানিক শিক্ষাৰ লগতে আধ্যাত্মিক শিক্ষাৰেও শিক্ষিত কৰি তুলিব লাগিব। কিয়নো, নৈতিক শিক্ষা, মূল্যবোধৰ শিক্ষা আৰু আধ্যাত্মিক শিক্ষাৰ দ্বাৰাহে আমাৰ যুৱ সমাজক নৈতিকভাৱে সবল কৰি তোলাৰ লগতে এখন স্বাস্থ্যবান সমাজ গঢ় দিয়াটো সম্ভৱ।

প্ৰণিধানযোগ্য যে, নৈতিকতা আৰু মূল্যবোধৰ মূল ভেঁটি হৈছে আধ্যাত্মিকতাবাদ। সেইদৰে আকৌ নৈতিকতা, মূল্যবোধ আৰু আধ্যাত্মিকতাবাদৰ প্ৰকৃত উৎস হৈছে ধৰ্ম। কিন্তু সেয়ে হ'লেও ধৰ্ম আৰু আধ্যাত্মিকতাবাদ একে নহয়। বহু সময়ত বিভিন্ন পক্ষই ধৰ্ম আৰু আধ্যাত্মিকতাবাদৰ ধাৰণাক একাকাৰ কৰি পেলাব খোজে যদিও এই দুয়োটা ধাৰণাৰ মাজত যথেষ্ট পাৰ্থক্য আছে। সৰ্বসাধাৰণে সচৰাচৰ ধৰ্ম বুলিলে বুজি পোৱা ধাৰণাৰ পৰা আচলতে আধ্যাত্মিকতাবাদৰ ধাৰণা কিছু পৃথক। ধৰ্মৰ ধাৰণাটো মুখ্যতঃ ভগৱানৰ ধাৰণাৰ সৈতে সংপৃক্ত। আধ্যাত্মিকতাৰ ধাৰণাটো আকৌ জীৱন আৰু জীৱনবোধৰ ধাৰণাৰ সৈতে একাত্ম। আধ্যাত্মিকতাৰ ধাৰণাটো অতি গভীৰ আৰু ব্যাপক। আধ্যাত্মিকতাৰ ভাবে মানুহৰ মাজত মূল্যবোধৰ ভাব সৃষ্টি কৰাৰ লগতে মানুহক নৈতিকভাৱে সবল কৰি তোলে। আধ্যাত্মিকতাবাদে মানুহক বিনয়ী, সাহসী, যুক্তিনিষ্ঠ আৰু সুদক্ষ কৰি গঢ়ি তোলে।

আধ্যাত্মিকতাবাদ হৈছে অন্তৰাত্মাৰ একান্ত উপলব্ধি। আধ্যাত্মিকতাবাদে মানুহক অন্তৰৰ বিশুদ্ধি, মানসিক প্ৰশান্তি আৰু অপৰিসীম সন্তুষ্টি প্ৰদান কৰে। আধ্যাত্মিকতাই মানুহক বৌদ্ধিক পূৰ্ণতাপ্ৰাপ্তিত সহায় কৰে। আধ্যাত্মিকতাই মানুহৰ দৃষ্টি আৰু কৰ্মৰ যুক্তিযুক্ততা নিৰূপণ কৰে। আধ্যাত্মিকতাবাদ হৈছে পৰম জ্ঞানৰ একান্ত সন্ধান। আত্মানুসন্ধান, আত্মোপলব্ধি আৰু আত্মশুদ্ধিৰ প্ৰধান মাধ্যমেই হৈছে আধ্যাত্মিকতাবাদ।

সেয়েহে যি সময়ত যান্ত্ৰিকতাৰ হেঁচাত, অহেতুক প্ৰতিযোগিতা-প্ৰতিদ্বন্দ্বিতাৰ দৌৰত আমাৰ যুৱ সমাজ কোনো কোনো ক্ষেত্ৰত কক্ষচ্যুত হৈছে, লক্ষ্যভ্ৰষ্ট হৈছে আৰু জীৱনৰ উদ্দেশ্য সাধনত দুখ লগাকৈ ব্যৰ্থ হৈ হতাশাগ্ৰস্ত হৈ পৰিছে, মানসিক শান্তি হেৰুৱাই পেলাইছে আৰু এক অনিশ্চিত ভৱিষ্যতৰ দিশে গতি কৰিছে, সেই সময়ত কিন্তু আধ্যাত্মিকতাবাদৰ শিক্ষাই যুৱ প্ৰজন্মক এক ইতিবাচক পথৰ সন্ধান দিব পাৰে, জীৱনবোধৰ প্ৰকৃত শিক্ষা প্ৰদান কৰিব পাৰে। সত্য, সুন্দৰ আৰু শিৱৰ আৰাধনাই হৈছে আধ্যাত্মিকতাবাদ। অজ্ঞানতাৰ তিমিৰ ফালি পোহৰৰ সন্ধান কৰে আধ্যাত্মিকতাবাদে। আধ্যাত্মিকতাবাদে জীৱন আৰু জীৱনৰ লক্ষ্য আৰু উদ্দেশ্যৰ প্ৰকৃত অৰ্থ নিৰ্দ্ধাৰণ কৰি জীৱনটো অৰ্থবহ কৰি তোলে।

সেয়েহে সমাজৰ উত্তৰ প্ৰজন্মক, যুৱ সমাজক প্ৰকৃত অৰ্থত শিক্ষিত কৰি গঢ়ি তোলাৰ লগতে তেওঁলোকৰ মাজত মানৱিক প্ৰমূল্য প্ৰতিষ্ঠা কৰি মূল্যবোধ আৰু নৈতিকতা গঢ়ি তোলাৰ ক্ষেত্ৰত আধ্যাত্মিক শিক্ষাৰ অপৰিসীম গুৰুত্ব আছে। এনে শিক্ষাৰ দ্বাৰাহে আচলতে যুৱ সমাজক সুস্থ-সবল কৰি গঢ়ি তুলি এখন শক্তিশালী, সৰ্বাংগসুন্দৰ সমাজৰ বুনিয়াদ স্থাপন কৰাটো সম্ভৱ।

❑❑

# সাম্প্ৰদায়িকতা— এক অবৈজ্ঞানিক, বিষাক্ত চিন্তা

❍ ড° ক্ষীৰোদ চন্দ্ৰ গগৈ
মুৰব্বী অধ্যাপক, সমাজতত্ত্ব বিভাগ





সাম্প্ৰদায়িকতা (Communalism) শব্দটো সম্প্ৰদায় (Community) ৰ পৰাই উদ্ভৱ। সম্প্ৰদায় বুলিলে আমি সাধাৰণতে একে অঞ্চলতে থকা একে ভাষা, সংস্কৃতি আৰু উমৈহতীয়া সামাজিক জীৱনধাৰাৰে বসবাস কৰা লোকসকলক সামূহিক ৰূপত বুজো। এখিনি মানুহে বহু বছৰ ধৰি এক নিৰ্দিষ্ট প্ৰাকৃতিক বৈশিষ্ট্যযুক্ত ভৌগোলিক এলেকাত বসবাস কৰাৰ ফলস্বৰূপেও এটা সম্প্ৰদায় গঢ়ি উঠে। যিহেতু সামাজিক সম্পৰ্ক ভাব আৰু চিন্তাৰ বিনিময়ৰ মাজেৰে গঢ়ি উঠে আৰু যিহেতু প্ৰথমে ঠাৰে-চিঞৰে বা ইঙ্গিতেৰে আৰু পিছলৈ দোৱান আৰু কালক্ৰমত তাৰেই উন্নত ৰূপ ভাষাৰে এই সম্পৰ্কবোৰ সামাজিক সম্বন্ধৰূপত গঢ়ি উঠে— সেয়েহে উমৈহতীয়া দোৱান বা ভাষা হ'ল এটা সম্প্ৰদায়ৰ মূল আধাৰ। কেতিয়াবা বিভিন্ন কাৰণত কেইবাটাও সম্প্ৰদায় এক উমৈহতীয়া সম্পৰ্কৰ মাজলৈ আহি পৰিলে এক উমৈহতীয়া ভাষাই এই সম্পৰ্কৰ আধাৰ হৈ পৰে আৰু এই ভাষা ভিত্তিতে এক বৃহৎ জাতি গঢ় লৈ উঠে। অসমৰ বিভিন্ন জনগোষ্ঠী বা সম্প্ৰদায়ক সামৰি এক বৃহৎ অসমীয়া সম্প্ৰদায় বা জাতি গঢ় লৈ উঠাটো আজি তাৰেই উদাহৰণ, যাৰ মূল আধাৰ হ'ল— অসমীয়া ভাষা। এই বিভিন্ন জনগোষ্ঠীৰ সুকীয়া সংস্কৃতি বা ধৰ্ম বিশ্বাস থাকিব পাৰে, কিন্তু এক উমৈহতীয়া ভাষা ভিত্তিতেই এওঁলোকৰ মাজত সম্পৰ্ক গঢ়ি উঠে আৰু কালক্ৰমত এক উমৈহতীয়া জীৱন সংগ্ৰামৰ ধাৰাৰ ভিত্তিত এক সংমিশ্ৰিত সংস্কৃতি গঢ়ি উঠে। অসমৰ অসমীয়া জাতি, অসমীয়া ভাষা আৰু বিহুৰ সৈতে অসমীয়া সংস্কৃতি ইয়াৰেই এক উৎকৃষ্ট উদাহৰণ— য'ত বিহু নামত কোৱাৰ দৰেই বড়ো, মিচিং, কছাৰীকে আদি কৰি না না জাতি লগ লাগি 'অসমীয়া মহাজাতি' হৈছে। স্বাভাৱিকভাৱেই অসমীয়া সম্প্ৰদায়ত বিভিন্ন ধৰ্ম উপাসক অন্তৰ্ভুক্ত হৈ আছে আৰু সেয়ে ধৰ্ম ভিত্তিক সাম্প্ৰদায়িক ধাৰণাটো শুদ্ধ নহয়। ভাষা গঢ়ি উঠে বাস্তৱৰ প্ৰায়োগিক ভিত্তিত, বাস্তৱৰ জীৱন-চৰ্যাৰ মাজত। সেয়েহে ভাষাৰ এক বৈজ্ঞানিক ভিত্তি আছে। আনহাতেদি ধৰ্মৰ প্ৰকৃত তাৎপৰ্য্য আৰু প্ৰয়োগৰ বিপৰীতে এখিনি পাৰলৌকিক তথা অলৌকিক ভাৱ-চিন্তাৰ আধাৰত গঢ়ি উঠা জনজীৱনৰ ধৰ্মবিশ্বাসবোৰ প্ৰায়ে বাস্তৱ- বিবৰ্জিত বাবে ধৰ্ম ভিত্তিত

সম্প্ৰদায় গঢ়ি উঠা ধাৰণাটো আৰু অধিক ভ্ৰান্তিমূলক তথা এক অবৈজ্ঞানিক ধাৰণা। সম্প্ৰদায় ধাৰণাটো সেয়ে স্থানীয়, য'ত স্বাভাৱিক ভাবেই স্থান ভিত্তিত সুকীয়া বৈশিষ্ট্য জড়িত থাকে। এটা সম্প্ৰদায়ৰ লোকসকলে মাকক ভাল পোৱাৰ দৰেই নিজৰ সম্প্ৰদায়ক ভাল পোৱাটো বা ইয়াৰ মঙ্গলৰ কাৰণে চেষ্টা কৰাটো এক স্বতঃস্ফূৰ্ত্ত আৰু স্বাভাৱিক প্ৰক্ৰিয়া। কিন্তু যি দৰে আমিনিজৰ মঙ্গলৰ কাৰণে আনৰ অহিত চিন্তা কৰিব নোৱাৰোঁ, ঠিক সেইদৰে নিজৰ সম্প্ৰদায়ৰ স্বাৰ্থৰ কাৰণে অইন সম্প্ৰদায়ৰ ক্ষতি কৰিব বিচৰাটো এক অন্যায় চিন্তা বা প্ৰৱণতা আৰু ইয়াকেই আমি সাম্প্ৰদায়িকতা (Communalism) বুলি অভিহিত কৰিব পাৰোঁ, যি এক পক্ষপাতদুষ্ট ধাৰণা।

নিজৰ সম্প্ৰদায়ৰ স্বাৰ্থত অন্ধমোহগ্ৰস্ত হৈ অন্য সম্প্ৰদায় বা বৃহত্তৰ মানৱ সমাজ তথা বিশ্বমানৱতাৰ কথা পাহৰি যোৱাটো এক সংকীৰ্ণ চিন্তা যাৰ অন্ধ গলিত মানুহৰ মহৎ আৰু পৱিত্ৰ অনুভূতি 'মানৱতা (humanity)'ৰ অনুভৱবোৰ হেৰাই যায়। নিজৰ সম্প্ৰদায়ৰ স্বাৰ্থত পক্ষপাতদুষ্ট হৈ নিৰপেক্ষতা হেৰুৱাই আমি যেতিয়া মানৱতাৰ বিশ্বজনীন আৱেদনবোৰ পাহৰি যাওঁ তেতিয়াই আমি সাম্প্ৰদায়িকতামূলক নেতিবাচক চিন্তাৰে মানৱ সভ্যতাৰ সৌধ খহাব ধৰোঁ।

মানুহৰ পৰিবেশ দুই প্ৰকাৰৰ। সামাজিক আৰু প্ৰাকৃতিক। এই দুয়ো পৰিবেশৰ লগত অনুকূলন কৰি নিজকে টিকাই (survive) ৰখাৰ স্বাৰ্থত এটা সম্প্ৰদায়ৰ সদস্য সকলে নিৰ্দিষ্ট কিছুমান শাৰীৰিক, মানসিক বা বৌদ্ধিক আৰু আৱেগিক গুণাগুণ বিকশিত কৰি ল'ব লগা হয়, যি সেই সম্প্ৰদায়টোৰ সুকীয়া চাৰিত্ৰিক বৈশিষ্ট্য হৈ পৰে। ই সামাজিক বিৱৰ্ত্তনৰে ফল। এই গুণাগুণসমূহ যদি ইতিবাচক (positive) হয় তেন্তে ইহঁতৰ ফলত সেই সম্প্ৰদায়টোৰে প্ৰগতিৰ পথত বহুদূৰ আগবাঢ়ি যায় আৰু যদিহে নেতিবাচক (negative) হয় তেন্তে এই দোষবোৰৰ ফলত এই সম্প্ৰদায়টোৱে ক্ৰমান্বয়ে ধ্বংসৰ গৰাহলৈ গতি কৰে। ইতিহাসৰ পাতে পাতে ইয়াৰ বহু উদাহৰণ পোৱা যায়। প্ৰাচীন কালৰ সততে সংঘটিত বিভিন্ন গোষ্ঠীগত দ্বন্দ্ববোৰৰ কথা বাদেই, ধৰ্ম ভিত্তিত ভুৱা সাম্প্ৰদায়িক ধাৰণাৰে মধ্যযুগত জেৰুজালেমৰ অধিকাৰীস্বত্বক লৈ খ্ৰীষ্টান আৰু ইচলাম ধৰ্মাৱলম্বীৰ মাজত কেইবাশ বছৰ যুদ্ধ হৈছিল— যাৰ নাম দিয়া হৈছিল Crusade বা 'ধৰ্মযুদ্ধ'। ইতিহাসৰ আটাইতকৈ এই দীঘলীয়া যুদ্ধত কিমান লাখ লাখ লোকৰ প্ৰাণহানি হৈছিল তাক সহজেই অনুমান কৰিব পাৰি। সেইদৰে দ্বিতীয় মহাসমৰৰ সময়ত জাৰ্মানত ইহুদী জাতিৰ প্ৰতি তীব্ৰ সাম্প্ৰদায়িক বিষবাস্পৰে আৰু জাৰ্মান জাতিৰ কাকেচীয় প্ৰজাতিগত বিশেষ গুণ আৰু পৰাক্ৰমৰ গুণ-গৰিমা তথা পৃথিৱীত ইয়াৰ দখলীস্বত্বৰ স্বপ্ন বিলাসিতাৰে যি যাঠি লাখ ইহুদী নিধন যজ্ঞ চলিছিল— সি সাম্প্ৰদায়িকতা যে কিমান মানৱ সভ্যতাৰ বাবে ভয়াবহ তাকেই প্ৰমাণ কৰে। দ্বিতীয় বিশ্বযুদ্ধৰ সমাপ্তিত ৰুচ, আমেৰিকা আৰু ইংলেণ্ডৰ মিত্ৰ শক্তিৰ হাতত ইটালীৰ ফেচিবাদী আৰু জাৰ্মানীৰ প্ৰজাতীয় উগ্ৰজাতীয়তাবাদী (racial chauvinism) মিলিত অপশক্তিৰ পৰাজয় ঘটাৰ মাজেৰে মানৱ সভ্যতাই আধুনিকতাৰ দুৱাৰদলিত তাৰ ধ্বংস যাত্ৰাৰ পৰা ৰক্ষা পৰিছিল। পুঁজিবাদী আৰু সাম্ৰাজ্যবাদী শক্তিসমূহৰ সিহঁতৰ নিজৰ শ্ৰেণী শোষণ-দমনৰ স্বাৰ্থত তথা দুটাকৈ বিশ্বযোৰা পুজিবাদী মহাসংকট আতৰাবৰ অৰ্থে 'ভাগ কৰা আৰু শোষণ কৰা (Divide and Rule)' নীতিৰে 'ৰাষ্ট্ৰীয় জাতীয়তাবাদ (National Chauvinism)'ক ইন্ধন যোগাই সৃষ্টি কৰা এই দুই বিশ্ব যুদ্ধক বিশ্বৰ শ্ৰমজীৱী সাধাৰণ জনতাই লাহে লাহে বুজি উঠিছিল আৰু সেয়েহে জাৰ্মানৰ বহু পিতৃ-মাতৃয়ে নিজৰ সন্তানৰ আগত তেওঁলোকে কৰা এই জঘন্য ইহুদী নিধন যজ্ঞৰ বাবে মুখ লুকুৱাব নোৱাৰি আত্ম অনুশোচনাৰে প্ৰখ্যাত সমাজতত্ত্ববিদ ইমাইল দুৰখেইমে উল্লেখ কৰা 'অহং সম্পন্ন আত্মহত্যা (Egoistic Suicide)'ৰ পথ বাচি লৈছিল। আনৰ প্ৰৰোচনাত কৰা ভুল কৰ্মৰ কৰুণ পৰিণতি এইদৰেই আহিছিল। আনহাতেদি এই বীভৎস সাম্প্ৰদায়িকতাৰ পৈশাচিক কিৰিলীৰ মাজতো এজনী চৌধ্য বছৰীয়া ইহুদী কিশোৰীয়ে জাৰ্মানীৰ নাৎসী বাহিনীৰ হাতত নিশ্চিত মৃত্যুৰ সম্ভাব্যৰ মাজতো বিশ্বজনীন মানৱতাৰ ওপৰত অটল বিশ্বাস ৰাখি দিনলিপি (এন. ফ্ৰাংকৰ ডায়েৰী)ত লিখিছিল— "I still believe that people are really good!" যি কথাষাৰে সমগ্ৰ বিশ্ব মানৱৰ হৃদয় জোকাৰি গৈছিল। সাম্প্ৰদায়িকতা যে কিমান এক নীচ মনোভাৱ তাক বুজাবলৈ ইয়াতকৈ আৰু অধিক উদাহৰণৰ নিশ্চয় প্ৰয়োজন নাই ।

মানৱ ভুগোল (Human Geography) এ প্ৰমাণ কৰিছে যে মানুহৰ শাৰীৰিক বৈশিষ্ট্য প্ৰাকৃতিক পৰিবেশৰ ভিন্ন অনুসৰি ভিন্ন হয়। ঠিক সেইদৰে মানুহৰ মানসিক পৰিমণ্ডলো গঢ় লৈ উঠে। উদাহৰণ স্বৰূপে মৰুভূমিৰ বাসিন্দাসকল কিছু ৰুক্ষ প্ৰকৃতিৰ কিন্তু সক্ৰীয় - তেওঁলোকৰ চৌপাশৰ শুকান কঠোৰ প্ৰাকৃতিক পৰিবেশৰ সৈতে যুঁজিব লগা হোৱাৰ বাবে। আনহাতেদি অসমৰ অসমীয়াসকল কোমল অন্তৰৰ আৰু এলেহুৱা- অসমৰ সেউজ - কোমল প্ৰাকৃতিক পৰিবেশ, সাৰুৱা মাটি আৰু আদ্ৰতা (humidity) পূৰ্ণ জলবায়ুৰ বাবে। এইবাবেই জনগোষ্ঠী এটাৰ সকলো ইতিবাচক

আৰু নেতিবাচক গুণাগুণৰ বাবে প্ৰকৃততে তেওঁলোকৰ ভৌগোলিক পৰিবেশহে দায়ী। ইয়াৰোপৰি সামাজিক পৰিবেশৰ লগত খাপ খাবলৈ যাওঁতেও সামাজিকীকৰণ (socialisation) প্ৰক্ৰিয়াৰে বিভিন্ন গুণাগুণ মানুহে আয়ত্ব কৰে। স্বভাৱ-চৰিত্ৰ গঢ় দিয়াৰ ক্ষেত্ৰত ভৌগোলিক আৰু সামাজিক এই দুয়ো পৰিবেশৰ নিৰ্ণায়াত্মক ভূমিকা (determinative role)থকাৰ বাবেই এই কথাষাৰ সচৰাচৰ জনসমাজত প্ৰচলিত— 'মানুহ পৰিবেশৰ দাস, পৰিবেশেহে স্বভাৱ গঢ় দিয়ে'। এই ক্ষেত্ৰত বিজ্ঞান সন্মত দৃষ্টিভংগীৰে আমি যেতিয়া বাস্তৱবাহ্যিক পৰিস্থিতিক দায়ী কৰিছোঁ— সেইক্ষেত্ৰত খ্ৰীষ্টান ধৰ্মৰ প্ৰৱৰ্তক যীশুখ্ৰীষ্টই তেখেতৰ ধৰ্মীয় তথা আধ্যাত্মিক দৃষ্টিৰে কৈছিল— 'পাপীক নিঘিণাবা, পাপক ঘিণাবা'। সি যিয়েই নহওঁক এইদৰে আমি দেখা পাওঁ যে— এটা সম্প্ৰদায়ৰ ইতিবাচক গুণসমূহৰ বিপৰীত কিবা যদি নেতিবাচক দোষও আছে (যিটো কথা প্ৰায়ে জনসমাজত মুখে মুখে প্ৰচলিত), তাৰ বাবে সেই জনসমষ্টি বা সম্প্ৰদায়টোক প্ৰধানকৈ দোষাৰোপ কৰিব নোৱাৰি। আৰু ইয়াৰ সমাধানৰ এটাই প্ৰধান উপায় আছে। সেইটো হ'ল সেই সম্প্ৰদায়ৰ ব্যক্তিসকলে নিজে আত্মসমালোচনাৰে এই দোষসমূহৰ প্ৰতি সজাগ হৈ চালনিৰে ধান চলাৰ দৰে কূটামূলক দোষবোৰ চালি উলিয়াই দলিয়াই পেলাবৰ প্ৰচেষ্টা কৰিব লাগে। এই ক্ষেত্ৰত আন সম্প্ৰদায়ৰ লোকসকলেও তেখেতসকলৰ এনে আত্মসংশোধন কাৰ্য (self corrective effort)ক সহযোগ আগবঢ়াই উৎসাহিত কৰিব লাগে।

এনেদৰেই এদিন হয়তু আমি দোষমুক্ত সম্প্ৰদায়বোৰৰ সমন্বয়েৰে একেখন ফুলনিত বিবিধ ফুলৰ বাগিচাৰ দৰে এখন নানাৰঙী বৃহৎ মানৱ সমাজ পাম য'ত প্ৰতিটো সম্প্ৰদায়ৰ সৎগুণবোৰৰ সমষ্টি সেই সম্প্ৰদায়টোৰ সংস্কৃতিৰ ফুলপাহিবোৰৰ সৌন্দৰ্য আৰু সৌৰভে সমগ্ৰ মানৱ সমাজকে প্ৰগতিৰ পথত আৰু অধিক অগ্ৰগামী কৰি তুলিব।

সাম্প্ৰদায়িকতাৰ আন এক প্ৰধান কাৰণ বিভিন্ন সম্প্ৰদায়ৰ মাজত অ-সমবিকাশ। এনে অৱস্থা 'ব্যক্তিগত সম্পত্তি (Private Property)' যুক্ত, শ্ৰেণী বৈষম্য আৰু দ্বন্দ্বপূৰ্ণ এখন সামন্তবাদী, পুঁজিবাদী আৰু সাম্ৰাজ্যবাদৰ দ্বাৰা আক্ৰান্ত সমাজত অতি স্বাভাৱিক। সেয়েহে এই দোষযুক্ত ব্যৱস্থাবোৰ মুক্ত কৰিবৰ বাবে আমাক লাগে এখন ব্যক্তিগত সম্পত্তিমুক্ত শ্ৰেণী দ্বন্দ্বহীন সাম্য-মৈত্ৰীৰ সমাজ। তেনে ব্যৱস্থা পাবলৈয়ে বিশ্বৰ শ্ৰমিক-কৃষককে আদি কৰি বিভিন্ন শ্ৰমজীৱী জনসাধাৰণৰ আন্তৰ্জাতিক সংহতি আৰু ঐক্যবদ্ধ সংগ্ৰামৰ প্ৰয়োজন। শাসক-শোষক চক্ৰই এই কথা বুজি পাইয়ে জাতি-ধৰ্ম-ভাষা ইত্যাদিৰ নামত সাম্প্ৰদায়িকতাৰ পাশা খেলেৰে জনগণক সদায়েই বিভ্ৰান্ত কৰি শোষণ মুক্তিৰ সংগ্ৰামক বিভক্ত আৰু দুৰ্বল কৰি আহিছে। জনতাৰ শিল্পী আৰু মুক্তি সংগ্ৰামৰ সৈনিক অমৰ বিপ্লৱী বিষ্ণু ৰাভাদেৱে সেয়ে কৈছিল— "জাতিৰ নামত না না জালিয়াতী মেল বজ্জাতৰ দলে পাতে চুৰি-ডাকাতিৰ খেল।'

এনেদৰে নিজৰ মাজতেই খোৱা-কামোৰাত ব্যস্ত দুৰ্বল মানুহে বিভিন্ন প্ৰাকৃতিক বিপৰ্যয় যেনে— ঘূৰ্ণী বতাহ, বানপানী, ভূমিকম্প, ছুনামী, অতিপাত বৃষ্টি, খৰাং, গোলকীয় উষ্ণতা ইত্যাদি আজিও সফলভাৱে নিয়ন্ত্ৰণ কৰিব পৰা নাই। কৰ্কট, এইড্চকে ধৰি অন্যান্য নিত্য নতুন ভয়ঙ্কৰ বেমাৰবোৰ আজিও মানুহে সম্পূৰ্ণ নিৰাময় কৰিব পৰা নাই। এখন প্ৰদূষণমুক্ত পৃথিৱী এতিয়া সুদূৰ পৰাহত। ইয়াৰোপৰি বিশ্বৰ অন্যান্য গ্ৰহ-নক্ষত্ৰৰ পৰা পৃথিৱী ধ্বংস হ'ব পৰা না না ধৰণৰ বিপদৰ জাননী আজিৰ বিজ্ঞানীমহলে প্ৰায়েই দিয়েই থাকে। সময় থাকোতেই যদি সমগ্ৰ পৃথিৱীৰ মানৱ সমাজে ঐক্যবদ্ধ প্ৰচেষ্টাৰে এইবোৰৰ পৰা পৃথিৱীক ৰক্ষা নকৰি সাম্প্ৰদায়িকতাৰ নামত কেৱল নিজৰ মাজতেই খোৱা-কামোৰাত ব্যস্ত থাকে তেন্তে নিশ্চয় আমাৰ অৱস্থা কোনো দেৱ-দেৱীক তুষ্ট কৰিবৰ বাবে বলি দিবলৈ নিয়া ছাগলী কেইটাই নিজৰ মাজতে যুঁজি থকাৰ দৰে নহ'বগৈনে? হয়তো তেতিয়া প্ৰায়েই চৰ্চিত হৈ থকা অন্য গ্ৰহৰ প্ৰাণী 'এলিয়েন (Alien)' য়ে আমাক পুতৌৰ চাৱনিৰে ক'ব— 'হায়, হতভগা মূৰ্খ মানুহ'

আহক সেয়ে, সময় থাকোতেই সাম্প্ৰদায়িকতাৰ অবৈজ্ঞানিক চিন্তাৰ বিষাক্ত প্ৰদূষণক আমি বিশ্বজনীন মানৱতাৰ সৌৰভেৰে বিনাশ কৰোঁ আৰু শাসক-শোষক চক্ৰই শ্ৰেণী শোষণৰ স্বাৰ্থত যুগে যুগে ব্যৱহাৰ কৰি অহা 'সাম্প্ৰদায়িকতা'ৰ এই অস্ত্ৰপাত আজুৰি আনি ধ্বংস কৰি পেলাওঁ। মনত ৰাখিব লাগিব— জুইক জুইৰে নিৰ্মূল কৰিব নোৱাৰি, পানীৰেহে পাৰি। সাম্প্ৰদায়িকতাকো এই অৰ্থত আন এক সাম্প্ৰদায়িকতাৰে নিৰ্মূল কৰিব নোৱাৰি, পাৰি মাত্ৰ পানীৰূপী অসাম্প্ৰদায়িক চিন্তা-চেতনা জনগণৰ মাজত বিয়পোৱাৰ মাজেৰেহে।

সেয়ে আহক এখন চিৰ সুন্দৰ-সুখী, সাম্য-মৈত্ৰীৰ বিশ্বমানৱ সমাজ গঢ়াৰ পথত যুগে যুগে বাধাৰ প্ৰাচীৰ ৰূপে থিয় দিয়া 'সাম্প্ৰদায়িকতা'ৰ অবৈজ্ঞানিক বিষাক্ত চিন্তাৰ বিপৰীতে সুশোভিত অসাম্প্ৰদায়িকতাৰ বৈজ্ঞানিক চিন্তাৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰোঁ। ❑❑

# নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০১৯ ত এভুমুকি

❍ ড° ৰঞ্জনা গগৈ
সহযোগী অধ্যাপিকা আৰু মুৰব্বী
পৰিসংখ্যা বিজ্ঞান বিভাগ



ভাৰতে সদায় শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি আহিছে। ইতিহাসৰ পাত লুটিয়ালে আমি পাওঁ— প্ৰাচীন ভাৰতত শিক্ষাৰ বহুল বিকাশ ঘটিছিল, যাক বৈদিক পদ্ধতি বুলি জনা যায়। গুৰুকুল পদ্ধতিয়ে গুৰু আৰু শিষ্যৰ মাজত এক বান্ধোনৰ সৃষ্টি কৰিছিল আৰু গুৰুকেন্দ্ৰিক শিক্ষা ব্যৱস্থাত ছাত্ৰই নিজৰ লগতে গুৰুৰ প্ৰতি থকা নিৰ্দিষ্ট কৰ্তব্য কঠোৰ নিয়ম আৰু অনুশাসনৰ মাজেদি পালন কৰিবলগীয়া হৈছিল। খ্ৰীষ্টপূৰ্ব সপ্তম শতিকাত তক্ষশীলাত বিশ্বৰ প্ৰথমখন বিশ্ববিদ্যালয় স্থাপন হৈছিল। খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকাত ভাৰতত স্থাপন হৈছিল বিশ্বৰ মহান বিশ্ববিদ্যালয়সমূহৰ অন্যতম নালন্দা বিশ্ববিদ্যালয়। জনা যায় খ্ৰীষ্টাব্দ সপ্তম শতিকাত নালন্দা বিশ্ববিদ্যালয়ত প্ৰায় দহ হেজাৰ শিক্ষাৰ্থী আৰু দুহেজাৰজন শিক্ষক আছিল আৰু সেই সোণালী দিনবোৰত জাতি, সম্প্ৰদায় নিৰ্বিশেষে ভৌগোলিক সীমাৰ পৰিধি ভাঙি চীন, কোৰিয়া, জাপান, পাৰস্য আদি দেশৰ ছাত্ৰ-শিক্ষকসকলে নালন্দা বিশ্ববিদ্যালয়লৈ বিজ্ঞান, জ্যোৰ্তিবিজ্ঞান, চিকিৎসাবিজ্ঞান,

দৰ্শন, সাংখ্য, বেদ, যোগশাস্ত্ৰ আদি বিষয়ৰ জ্ঞান আৰু শিক্ষা আহৰণ কৰিবলৈ ঢাপলি মেলিছিল। চৰক, সুশ্ৰুত, আৰ্যভট্ট, ভাস্কৰাচাৰ্য, চাণক্য, পতঞ্জলী, বাৎসায়ন আদি অসংখ্য ভাৰতীয় পণ্ডিতে চিকিৎসা, গণিত, ৰসায়ন, পদাৰ্থবিদ্যা, অভিযান্ত্ৰিক শিক্ষা, স্থপতি কলা, ক্ৰীড়া, জ্যোতিৰ্বিদ্যা আদি ক্ষেত্ৰত জগতলৈ অভূতপূৰ্ব অৰদান আগবঢ়াই থৈ গৈছে। স্বাধীনতা সংগ্ৰামৰ সময়ছোৱাতো ৰাজা ৰামমোহন ৰায়, পণ্ডিত মদনমোহন মালব্য, গোপালকৃষ্ণ গোখলে আৰু গান্ধীজীৰ দৰে নেতাই ভাৰতবাসীৰ বাবে উন্নত শিক্ষা উপলব্ধ কৰি তোলাৰ দিশত অৰিহণা যোগাই থৈ গৈছে।

স্বাধীনতাৰ পিছৰে পৰা দেশৰ বিকাশৰ পৰিকল্পনাত শিক্ষাখণ্ডৰ উন্নতিয়ে সদায় অগ্ৰাধিকাৰ পাই আহিছে। শিক্ষাৰ মানদণ্ডৰ উন্নীতকৰণৰ লগতে শিক্ষাখণ্ডত সৰ্বসাধাৰণৰ যোগদান নিশ্চিত কৰিবলৈ আৰু লগতে বিজ্ঞান প্ৰযুক্তি সকলোতে বিশ্বমানদণ্ড সম্পন্ন মানৱ সম্পদ গঢ়াৰ সপোন আগত ৰাখি চৰকাৰসমূহে সময়ে সময়ে নীতি-নিৰ্দেশনা জাৰি কৰাৰ লগতে কেইবাটাও শিক্ষা আয়োগ গঠন কৰিছে। বিশ্ববিখ্যাত দাৰ্শনিক আৰু শিক্ষাবিদ ড° সৰ্বেপল্লী ৰাধাকৃষ্ণৰ অধ্যক্ষতাত গঠন হোৱা বিশ্ববিদ্যালয় শিক্ষা আয়োগ (১৯৪৮-৪৯) শিক্ষাবিদ মুদালিয়াৰৰ অধ্যক্ষতাত মাধ্যমিক শিক্ষা আয়োগ (১৯৫২-৫৩), বিশ্ববিদ্যালয় অনুদান আয়োগ, ইউ জি চিৰ অধ্যক্ষ দৌলত সিং কোঠাৰীৰ নেতৃত্বত ৰাষ্ট্ৰীয় শিক্ষা আয়োগ (১৯৬৪-৬৬) বা কোঠাৰী আয়োগ, কোঠাৰী আয়োগৰ পৰামৰ্শ অনুযায়ী ঘোষণা কৰা ৰাষ্ট্ৰীয় শিক্ষা নীতি (১৯৮৬), ১৯৯৩-৯৪ চনত প্ৰৱৰ্তিত জিলা বুনিয়াদী শিক্ষা কাৰ্যক্ৰম, সৰ্বশিক্ষা অভিযান, বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইন প্ৰৱৰ্তন, প্ৰাথমিক পৰ্যায়ত শিশু কন্যাৰ শিক্ষাগ্ৰহণৰ ৰাষ্ট্ৰীয় কাৰ্যসূচী, ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান, মাধ্যমিক পৰ্যায়ত বিকলাংগসকলৰ সৰ্বব্যাপী শিক্ষা, প্ৰাপ্তবয়স্কৰ স্বাক্ষৰ ভাৰত, ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান আৰু শেহতীয়াকৈ খচৰা ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০১৯ ইত্যাদি হৈছে চৰকাৰে বিভিন্ন সময়ত হাতত লোৱা সময়োপযোগী কাৰ্যপন্থা।

দেশৰ শিক্ষাৰ আমূল সংস্কাৰৰ বাবে ইছৰোৰ (ISRO) পূৰ্বৰ মুৰব্বী প্ৰসিদ্ধ বিজ্ঞানী তথা দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ প্ৰাক্তন আচাৰ্য ড° কুমাৰস্বামী কস্তুৰীৰংগণৰ অধ্যক্ষতাত গঠন হোৱা ১১ জনীয়া কমিটিখনে ভাৰতবৰ্ষৰ শিক্ষা পদ্ধতি সকলো শ্ৰেণীৰ বাবে উপযোগী হোৱাকৈ এক দূৰদৃষ্টিসম্পন্ন খচৰা ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০১৯ প্ৰস্তুত কৰি উলিয়ায়। উক্ত খচৰাত থকা মূল বিষয়সমূহৰ চমু আভাস এনেধৰণৰ—

**স্কুলীয়া শিক্ষা ঃ** পূৰ্বৰ কোঠাৰী আয়োগৰ ১০+২+৩ এই আৰ্হিৰ শিক্ষাৰ বিলুপ্তি ঘটাই ৫+৩+৩+৪ আৰ্হিৰ আধাৰত মস্তিষ্কৰ বিকাশ আৰু শিকনৰ নীতিসমূহৰ ওপৰত নিৰ্ভৰ কৰি স্কুলীয়া শিক্ষাৰ বাবে এক নতুন বিকাশমূলক পাঠ্যক্ৰম আৰু শিক্ষাদানৰ পদ্ধতিৰ বিকাশ কৰা হৈছে। ২০২৫ চনৰ ভিতৰত তিনিৰ পৰা ছবছৰ বয়সৰ সকলো শিশুৰ কাৰণে মানসম্পন্ন শৈশৱৰ যত্ন আৰু শিক্ষা নিশ্চিত কৰাৰ লক্ষ্য এই খচৰা ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে বান্ধি লৈছে। লগতে ২০২৫ চনৰ ভিতৰত প্ৰথম  শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীৰ প্ৰাৰম্ভিক ভাষা জ্ঞান আৰু গণিতৰ জ্ঞান লাভ নিশ্চিত কৰাৰ লক্ষ্য হাতত লৈছে। স্কুলীয়া শিক্ষাত শৈক্ষিক বিষয়সমূহৰ লগতে বৃত্তিমূলক বিষয়তো সমানে গুৰুত্ব প্ৰদান কৰা হৈছে। ২০৩০ চনৰ ভিতৰত স্কুলীয়া শিক্ষাত জনসংখ্যাৰ ১০০ শতাংশ অংশগ্ৰহণৰ লক্ষ্য হাতত লোৱা হৈছে।

শিক্ষকসকলক সুস্থ প্ৰক্ৰিয়াৰ মাজেদি নিযুক্তিকৰণ, যোগ্যতা আধাৰিত পদোন্নতি, কাৰ্যদক্ষতাৰ মূল্যাংকণ আৰু তেওঁলোকক শিক্ষা প্ৰশাসক/শিক্ষক-প্ৰশিক্ষকলৈ অগ্ৰগতি লাভ কৰাৰ পৰিকল্পনা হাতত লোৱা হৈছে। ১০-২০ খন চৰকাৰী স্কুলক একোটা গোটত লৈ 'স্কুল কমপ্লেক্স' গঠন কৰা হ'ব আৰু ইয়াত শক্তিশালী পেছাদাৰী শিক্ষকৰ লগতে গ্ৰন্থাগাৰ, চিত্ৰকলা আৰু সংগীতৰ শিক্ষক আদিৰ উপলব্ধতা নিশ্চিত কৰা হ'ব।

পুষ্টি আৰু শিক্ষালাভক বিশেষভাৱে সংযুক্ত কৰি মধ্যাহ্নভোজনৰ কাৰ্যসূচী বিস্তাৰ কৰি প্ৰাক্-প্ৰাথমিক আৰু প্ৰাথমিক স্কুলৰ শিক্ষাৰ্থীৰ বাবে পুষ্টিকৰ পুৱাৰ আহাৰ (ব্ৰেকফাষ্ট) আৰু মধ্যাহ্নভোজন (মিড ডে মিল) নিশ্চিত কৰা হৈছে। স্বাস্থ্যজনিত কাৰণত শিক্ষাৰ্থীৰ বিদ্যালয়ত উপস্থিতি নিয়মীয়া কৰিবলৈ স্কুলত স্বাস্থ্যকৰ্মীৰ নিযুক্তি নিশ্চিত কৰা হৈছে।

৫+৩+৩+৪ ৰ আৰ্হিত পৰিচালিত হ'বলগীয়া স্কুলীয়া শিক্ষাৰ পাঠ্যক্ৰমত প্ৰথম ৩-৮ বছৰ বয়সত মস্তিষ্কৰ দ্ৰুতবিকাশ আৰু খেলা-ধূলাৰ জৰিয়তে শিক্ষালাভত জোৰ দিয়া হ'ব। ৮-১১ বছৰ বয়সত খেলা-ধূলাৰ লগতে সংৰচনাবদ্ধ শিক্ষালাভলৈ ৰূপান্তৰকৰণ, ১১-১৪ বছৰ বয়সত বিভিন্ন বিষয় আধাৰিত শিক্ষালাভ আৰু ১৪-১৮ বছৰ বয়সত জীৱিকা নিৰ্বাহ আৰু উচ্চ শিক্ষাৰ বাবে প্ৰস্তুতি সম্বন্ধীয় শিক্ষা প্ৰদানত গুৰুত্ব দিয়া হ'ব। শেষৰ মাধ্যমিক স্তৰত (১৪-১৮ বছৰ) পছন্দ ভিত্তিত

ষান্মাসিক ব্যৱস্থাৰ প্ৰৱৰ্তনৰ জৰিয়তে বহু বিষয়ক অধ্যয়ন থাকিব আৰু সালসলনিযোগ্য বিষয়ৰ গভীৰ জ্ঞান, সমালোচনাত্মক চিন্তাধাৰা, জীৱনৰ আকাংক্ষাৰ প্ৰতি মনোযোগৰ ওপৰত ভিত্তি কৰি পাঠ্যক্ৰম প্ৰস্তুত কৰা হ'ব।

২০২২ চনৰ ভিতৰত অৰ্হতাহীন, অনিয়মীয়া শিক্ষকৰ নিযুক্তি বন্ধ কৰা হ'ব। সকলো শিক্ষকৰ বাবে ৪ বছৰীয়া বি. এড. ডিগ্ৰী বাধ্যতামূলক হ'ব।

**উচ্চ শিক্ষা ঃ** খচৰা ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০১৯ ৰ পৰিকল্পনা অনুসৰি বৰ্তমানৰ দেশৰ ৮০০ বিশ্ববিদ্যালয় আৰু ৪০ হেজাৰ মহাবিদ্যালয়ক প্ৰায় ১৫ হেজাৰ টা উৎকৃষ্ট শিক্ষা প্ৰতিষ্ঠানলৈ সংঘবদ্ধ কৰা হ'ব। এই পুনৰ্নিৰ্মাণ, শৃংখলাবদ্ধ পুনঃগাঁথনি চিন্তাশীল ৰূপত কাৰ্যকৰী কৰি তুলিবলৈ 'অভিযান নালন্দা' আৰু 'অভিযান তক্ষশীলা' আৰম্ভ কৰা হ'ব। এই নীতিত তিনি প্ৰকাৰৰ উন্নতমানৰ প্ৰতিষ্ঠান স্থাপনৰ ওপৰত গুৰুত্ব দিয়া হৈছে— প্ৰথম প্ৰকাৰে সকলো বিষয়তে বিশ্বমানৰ গৱেষণা আৰু উন্নত মানদণ্ড সম্পন্ন শিক্ষণত গুৰুত্ব দিব। দ্বিতীয় প্ৰকাৰে সকলো বিষয়ৰ মানসম্পন্ন গৱেষণা নিশ্চিত হ'ব পৰাকৈ উন্নত শিক্ষণত গুৰুত্ব দিব আৰু তৃতীয় প্ৰকাৰে স্নাতক পৰ্যায়ত উন্নত শিক্ষণ প্ৰদানত গুৰুত্ব দিব। সকলো প্ৰতিষ্ঠান বিশ্ববিদ্যালয় হ'ব অথবা ডিগ্ৰী প্ৰদানকাৰী স্বায়ত্বশাসিত মহাবিদ্যালয় হ'ব। সকলো বিশ্ববিদ্যালয়ত চাৰি বছৰীয়া বি. এড. পাঠ্যক্ৰম থাকিব। অভিযান্ত্ৰিক, আইন আদি পেছাদাৰী শিক্ষাৰ বাবেও প্ৰাক্ স্নাতক চাৰিবছৰীয়া হ'ব। অপেছাদাৰী প্ৰাক্ স্নাতক ডিগ্ৰী ৩ বা ৪ বছৰীয়া হ'ব। ৩ বছৰীয়া কাৰ্যসূচীয়ে স্নাতক ডিগ্ৰী আৰু চাৰিবছৰীয়া কাৰ্যসূচীয়ে সন্মানসহ স্নাতক ডিগ্ৰীলৈ আগবঢ়াই নিব। চাৰিবছৰীয়া ডিগ্ৰী সমাপ্ত কৰাসকলৰ কাৰণে এবছৰীয়া স্নাতকোত্তৰ কাৰ্যসূচী থাকিব আৰু তিনিবছৰীয়া ডিগ্ৰী প্ৰাপ্তসকলে দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰমৰ জৰিয়তে শিক্ষালাভ কৰিব পাৰিব। পি এইচ ডিৰ কাৰণে স্নাতকোত্তৰ ডিগ্ৰী অথবা ৪ বছৰীয়া সন্মানসহ স্নাতক ডিগ্ৰীৰ প্ৰয়োজন হ'ব। এম ফিল কাৰ্যসূচী বিলুপ্ত হ'ব।

উচ্চ শিক্ষাৰ পাঠ্যক্ৰমৰ উন্নয়ন National Higher Education Qualification Framework এ নিৰ্ধাৰণ কৰিব। মুক্ত আৰু দূৰ শিকণ (Open & Distance Learning) সম্প্ৰসাৰিত হ'ব আৰু NAAC ৰ মূল্যায়নৰ আওঁতালৈ আহিব। সকলো উচ্চ শিক্ষা প্ৰতিষ্ঠান স্বায়ত্বশাসিত হ'ব আৰু affiliation ৰ প্ৰথা বন্ধ হ'ব। শিক্ষকৰ নিযুক্তি আৰু বিকাশ, কেৰিয়াৰ উন্নতি আদি প্ৰতিষ্ঠানৰ উন্নয়ন পৰিকল্পনাৰ অংশ হ'ব।

কৃষি শিক্ষাক পুনৰুজ্জীৱিত কৰা হ'ব। আইনী শিক্ষাৰ কাৰ্যসূচীৰ পুনঃ গঠন কৰা হ'ব। চিকিৎসা শিক্ষাৰ MBBS ফাইনেল পৰীক্ষা সৰ্বভাৰতীয় পৰ্যায়ত অনুষ্ঠিত হ'ব (NEETৰ দৰে) প্ৰতিটো শিক্ষানুষ্ঠান NAAC ৰ দ্বাৰা মূল্যায়ণ হ'ব।

UGC ৰ বিলুপ্তি ঘটাই National Higher Education Regulatory Authority স্থাপন কৰা হ'ব। এক সংসদীয় আইনৰ যোগেদি ভাৰত চৰকাৰৰ এক স্বতন্ত্ৰ নিকায়ৰূপে ৰাষ্ট্ৰীয় গৱেষণা ন্যাস স্থাপন কৰা হ'ব। সকলো বিষয়ৰ গৱেষণা আৰু উদ্ভাৱনক উৎসাহ দিবৰ নিমিত্তে এই ন্যাসক ২০,০০০ কোটি টকা বাৰ্ষিক অনুদান হিচাপে আগবঢ়াব।

প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত শীৰ্ষ পৰ্যায়ৰ নিকায়ৰূপে ৰাষ্ট্ৰীয় শিক্ষা আয়োগ গঠন কৰা হ'ব আৰু ৰাজ্যসমূহৰ শিক্ষাৰ ক্ষেত্ৰত 'ৰাজ্যিক শিক্ষা আয়োগ' স্থাপন হ'ব। খচৰা ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা দহবছৰ সময়ছোৱাৰ ভিতৰত শিক্ষাত ৰাজহুৱা বিনিয়োগ ২০% বৃদ্ধি কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

**সামৰণি ঃ** এয়া নিঃসন্দেহ যে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ নীতি-নিৰ্দেশনা বাস্তৱায়িত হওঁতে চৰকাৰে যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব। বৃহৎ জনসংখ্যাৰ দেশ ভাৰতবৰ্ষৰ ৫০% জনসংখ্যাই ২৫ বছৰৰ তলত। বিভিন্ন ভাষা, উপ-ভাষাৰে পৰিৱেষ্টিত সমগ্ৰ দেশতে হিন্দী ভাষাক স্কুলীয়া শিক্ষাত বাধ্যতামূলক কৰিবলৈ আগবঢ়া কাৰ্যই দক্ষিণ ভাৰতত যথেষ্ট বিৰোধিতাৰ সৃষ্টি কৰিছে আৰু চৰকাৰ এইক্ষেত্ৰত থমকি ৰ'ব লগা হৈছে। গৱেষণা আৰু উদ্ভাৱনৰ ক্ষেত্ৰখনতো ভাৰতৰ মান বিশ্বত অতি হতাশজনক। ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈ ব্যাপী থকা ৰাজ্যিক বিশ্ববিদ্যালয়সমূহৰ গৱেষণাৰ মান দুখ লগাকৈ হতাশজনক। অথচ প্ৰায় ৯৩ শতাংশ বিশ্ববিদ্যালয়ৰ ছাত্ৰই ৰাজ্যিক বিশ্ববিদ্যালয়সমূহত শিক্ষাগ্ৰহণ কৰি আছে। গতিকে বিশ্বায়নৰ যুগত ভাৰতৰ শিক্ষাখণ্ডৰ আমূল পৰিৱৰ্তনৰ কাৰণে এটা কঠোৰ সংস্কাৰমূলক শিক্ষা নীতিৰ অতি প্ৰয়োজন হৈছে। নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০১৯ ৰ প্ৰস্তাৱসমূহৰ সঠিক ৰূপায়ণে ভাৰতৰ শিক্ষাখণ্ডক এটি নতুন মাত্ৰা প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

(সহায় লৈ)

❑❑

# শিশু মনোবিজ্ঞান অধ্যয়নৰ ইতিহাস আৰু বিকাশ

❍ ড° পলী কোঁৱৰ
সহকাৰী অধ্যাপিকা, শিক্ষাতত্ত্ব বিভাগ



শিশু অধ্যয়ন নাইবা শিশু সম্বন্ধীয় চিন্তা-চৰ্চা বহুত পুৰণি। অতি পুৰণি কালৰে পৰাই শিশু সম্বন্ধীয় অধ্যয়নৰ বিকাশ ঘটিছিল। ১৪ বছৰ বয়সৰ তলৰ সকলো ল'ৰা-ছোৱালীকে শিশু বুলি গণ্য কৰা হয়। Oxford Dictionary ৰ মতে মানৱ জীৱনৰ যৌৱন প্ৰাপ্তিৰ আগৰ সময়ছোৱাক শৈশৱ কাল বুলি গণ্য কৰা হয়।

শিশু অধ্যয়নৰ দিশত পোন প্ৰথমে দাৰ্শনিক প্লেটোৱে মত প্ৰকাশ কৰি উল্লেখ কৰিছিল যে প্ৰতি শিশুৰেই যোগ্যতা সামৰ্থৰ দিশত পৃথক

গতিকে শিশুক যোগ্যতা অনুসৰি শিক্ষা দিব লাগে। প্লেটোক শিশু শিক্ষাৰ প্ৰতি নাইবা God Father বুলি অভিহিত কৰা হৈছে। ১৬২৮ চনত দাৰ্শনিক কমেনিয়াচে 'School of infancy' নামৰ এখন গ্ৰন্থ প্ৰস্তুত কৰি উলিয়াইছিল আৰু এই গ্ৰন্থখনত তেওঁ ব্যক্তি পাৰ্থক্য অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কত মতামত দাঙি ধৰিছে। ১৭৬২ চনত দাৰ্শনিক ৰুছোৱে প্ৰকাশ কৰা Emile নামৰ গ্ৰন্থখনত শিশু শিক্ষা আৰু অধ্যয়ন সম্পৰ্কত বহুতো মূল্যৱান তথ্য আগবঢ়ায়। ৰুছোৱে শিশুৰ বিকাশত প্ৰকৃতিৰ প্ৰভাৱৰ কথা উল্লেখ কৰে লগতে প্ৰয়োজনীয়তা অনুসৰি বিকশিত হ'বলৈ সুবিধা দিব লাগে বুলি মত পোষণ কৰিছিল। ১৮২৬ চনত ফ্ৰৱেলে "Education of Man" নামৰ গ্ৰন্থখন আৱিষ্কাৰ কৰিছিল আৰু এই গ্ৰন্থখনিত কিণ্ডাৰগাৰ্ডেন শিক্ষাৰ বিষয়ে উল্লেখ কৰিছিল। ফ্ৰৱেলৰ কিণ্ডাৰগাৰ্ডেন ব্যৱস্থাই বৰ্তমান সমগ্ৰ বিশ্বতে বহল জনপ্ৰিয়তা লাভ কৰিছে। বিংশ শতাব্দীৰ আৰম্ভণিতেই মেৰিয়া মণ্টেছ্‌ৰীয়ে শিশুৰ শিক্ষাৰ বাবে মণ্টেছ্‌ৰী ব্যৱস্থাৰ আৰম্ভণি কৰে। তেওঁ শিশুৰ পঞ্চ ইন্দ্ৰিয়ৰ জৰিয়তে শিকাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি উল্লেখ কৰিছে যে বৌদ্ধিক আৰু মানসিক বিকাশৰ দৰেই ইন্দ্ৰিয় অনুভূতিৰ বিকাশৰ দৰকাৰ। আমেৰিকাৰ প্ৰয়োগবাদী দাৰ্শনিক জন ডিউইয়ে শিশুৰ ক্ৰিয়াভিত্তিক শিক্ষণ আৰু প্ৰকল্প শিক্ষণৰ প্ৰয়োজনীয়তাৰ বিষয়ে মূল্যৱান পৰামৰ্শ আগবঢ়াইছে।

শিশু মনোবিজ্ঞান অধ্যয়নৰ ক্ষেত্ৰত জীৱ বিজ্ঞানীসকলেও গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়াইছে। ১৮৭৭ চনত Charles Darwin এ "A Biological Sketch of an Infant" নামৰ এখন মূল্যৱান গ্ৰন্থ ৰচনা কৰিছিল। তেওঁ আগবঢ়োৱা প্ৰাকৃতিক নিৰ্বাচন তত্ত্ব আৰু ক্ৰমবিৱৰ্তন তত্ত্ব জৈৱিক বিজ্ঞানৰ গুৰুত্বপূৰ্ণ তত্ত্ব। ডাৰউইনে শিশুৰ শিক্ষাত জৈৱিক দিশ জড়িত থকা বুলি মত পোষণ কৰে। অষ্ট্ৰীয়াৰ বিখ্যাত বিজ্ঞানী Gregor Mendal এ জীৱন জীন সম্পৰ্কত অধ্যয়ন কৰি শিশুৰ শিক্ষাত বংশগতি আৰু জীনৰ প্ৰভাৱৰ কথা উল্লেখ কৰিছে। আমেৰিকাৰ আচৰণবাদী মনোবিদ Watson এ শিশুৰ আচৰণ অধ্যয়ন কৰি তেওঁলোকৰ বাবে উপযুক্ত শিক্ষণৰ তত্ত্ব আৱিষ্কাৰ কৰিছিল। ৰাচিয়াৰ মনোবিজ্ঞানী পেভলভে জীৱ-জন্তুৰ আচৰণ বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰি শিশু শিক্ষাৰ বাবে গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ দিছে। পাৰ্চিনান, কাৰ্ল পিয়েৰচন, গেলটন আদি বিখ্যাত জৈৱিক বিজ্ঞানীসকলে শিশুৰ শিক্ষাৰ সম্পৰ্কত নিজ নিজ বৰঙণি আগবঢ়াইছে।

শিশু বিকাশৰ বিভিন্ন দিশ আলোচনা কৰা মনোবিজ্ঞানৰ শাখাকে শিশু মনোবিজ্ঞান বোলে। শিশু মনোবিজ্ঞানে এটি শিশু গৰ্ভকালীন অৱস্থাৰ পৰা বয়সন্ধি কাললৈকে সামৰি লয়। Crow and Crow ৰ মতে "শিশু মনোবিজ্ঞান ব্যক্তিৰ গৰ্ভকালীন অৱস্থাৰ পৰা আৰম্ভ কৰি বয়সন্ধি কালৰ আগলৈকে এই সময়ছোৱাৰ বিজ্ঞানসন্মত অধ্যয়ন।"

**শিশু মনোবিজ্ঞানৰ দিশসমূহ হ'ল—**

- শিশুৰ বিকাশৰ স্তৰৰ বিষয়ে অধ্যয়ন।
- শিশুৰ বিকাশত পৰিৱেশ আৰু বংশগতিৰ প্ৰভাৱৰ বিষয়ে অধ্যয়ন কৰা।
- পৰিপক্কতা আৰু বিকাশৰ মাজৰ সম্পৰ্কৰ বিষয়ে অধ্যয়ন কৰা।
- শিশু আৰু সমাজৰ সম্পৰ্কৰ বিষয়ে অধ্যয়ন কৰা।

বৰ্তমান যুগত শিশু মনোবিজ্ঞানৰ ওপৰত অত্যাধিক গুৰুত্ব দিয়া হৈছে। শিশু মনোবিজ্ঞানক বিজ্ঞানভিত্তিক আৰু আধুনিক কৰি তোলা হৈছে। শিশুকেন্দ্ৰিক শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। বৰ্তমান কিণ্ডাৰগাৰ্ডেন নাৰ্চাৰীৰ দৰে প্ৰাক্-প্ৰাথমিক শিক্ষা শিশুৰ সৰ্বাংগীণ দিশ বিকাশৰ উদ্দেশ্যৰে প্ৰস্তুত কৰা হৈছে। শিশুৰ মনোগ্ৰাহীকৈ বিভিন্ন কিতাপ-পত্ৰ আলোচনী পাঠ্যপুথি আদি প্ৰস্তুত কৰা হৈছে। শিশুসকলকো শিশু মনোবিজ্ঞানৰ জ্ঞান প্ৰদান কৰা হৈছে। বয়সন্ধি কালৰ শিশুসকলৰ সমস্যাসমূহ দূৰীকৰণৰ বাবে উপযুক্ত শৈশৱকালীন যত্ন আৰু নিৰ্দেশনাৰ প্ৰয়োজনৰ বিষয়ে মনোবিজ্ঞানীসকলে মতামত আগবঢ়াইছে।

শিশু উপযুক্ত বিকাশৰ বাবে শৈশৱকালীন মুক্ত আৰু উপযুক্ত শিক্ষাৰ দৰকাৰ। মহান দাৰ্শনিক ৰুচো, ফ্ৰৱেল, মণ্টেছ্‌ৰী আদিয়ে প্ৰাক্-প্ৰাথমিক শিক্ষাৰ গুৰুত্ব সম্পৰ্কত মূল্যৱান অৱদান আগবঢ়াইছে। শৈশৱ কালতেই শিশুৰ স্বাভাৱিক ক্ষমতাসমূহৰ বিকাশ হয় আৰু এই ক্ষমতাসমূহ উচিত দিশত আগবঢ়াই নিলে শিশুৰ পৰৱৰ্তী বিকাশসমূহ সঠিক হ'ব।

বয়সন্ধি কালৰ অস্বাভাৱিকতা আৰু মানসিক ৰোগৰ কাৰণ হৈয়ে শৈশৱকালীন যত্ন আৰু নিৰ্দেশনাৰ অভাৱ। মনোবিদ ফ্ৰয়দৰ মতে শৈশৱ কালৰ অৱদমনসমূহৰ ফলত বয়সন্ধি কালত মানসিক অস্থিৰতাই দেখা দিয়ে। সেয়েহে শৈশৱ কালতেই শিশুৰ মানসিক বিকাশ পূৰ্ণাঙ্গ ৰূপত হ'বলৈ সুবিধা দিব লাগে। বৰ্তমান শিশুসকলক সুন্দৰভাৱে শিক্ষা দিবলৈ শিক্ষকৰ বাবে শিশু মনোবিজ্ঞানৰ জ্ঞান অতি প্ৰয়োজন। শিশুৰ যোগ্যতা, ক্ষমতা, প্ৰয়োজনীয়তা, আশা-আকাংক্ষা আদি জানিবৰ বাবে শিক্ষকক মনোবিজ্ঞানৰ জ্ঞানৰ দৰকাৰ।

প্ৰতিগৰাকী মাতৃয়েই দায়িত্ব আৰু কৰ্তব্য হ'ল নিজ

সন্তানক উপযুক্তভাৱে লালন-পালন কৰা। মাতৃ শিক্ষিত হ'লেহে সন্তানৰ বিকাশ উপযুক্ত আৰু স্বাভাৱিক হ'ব। মাতৃৰ দায়িত্ব সন্তান জন্ম দিয়াতে সীমাবদ্ধ নহয়। সন্তানৰ উপযুক্ত লালন-পালন আৰু বিকাশ গুৰুত্বপূৰ্ণ কাম। এগৰাকী সফল মাতৃ হ'বলৈ হ'লে মাতৃ শিল্প আৰু শিশু শিল্পৰ লগত তেওঁ পৰিচিত হ'ব লাগিব। বৰ্তমান যুগত সকলো মাতৃয়েই নিজৰ সন্তানৰ যত্ন আৰু বিকাশৰ প্ৰতি অত্যন্ত সচেতন।

এনেবোৰ দিশতেই শিশু মনোবিজ্ঞান অধ্যয়নৰ গুৰুত্ব স্বীকাৰ কৰিব পাৰি। সাম্প্ৰতিক সময়ত শিশুকেন্দ্ৰিক শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। গতিকে শিশু অধ্যয়ন অত্যন্ত গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে।

শিশু মনোবিজ্ঞান অধ্যয়ন কৰা অতি গুৰুত্বপূৰ্ণ। শৈশৱ কাল জন্মৰ পৰা ১১/১২ বছৰলৈকে ধৰা হয়। শিশুৰ জন্মৰ পূৰ্বৰ আৰু জন্মোত্তৰ ১২ বছৰ বয়সলৈকে শিশুৰ বিষয়ে বিস্তৃতভাৱে শিশু মনোবিজ্ঞান অধ্যয়ন কৰে।

শিশু মনোবিজ্ঞান শিশুৰ বৃদ্ধি আৰু বিকাশ সম্পৰ্কে উপযুক্তভাৱে অধ্যয়ন কৰে। শিশুৰ দৈহিক, মানসিক, বৌদ্ধিক, সামাজিক, আৱেগিক বিকাশ সঠিক ৰূপত হৈছেনে নাই সেয়া শিশু মনোবিজ্ঞানে অধ্যয়ন কৰিব পাৰে। সকলোবোৰ শিশুৱেই কেতবোৰ জন্মগত ক্ষমতাৰ অধিকাৰী হৈ জন্মগ্ৰহণ কৰে। এই ক্ষমতাসমূহ সঠিক ৰূপত চিনাক্তকৰণ কৰি উপযুক্ত দিশত বিকশিত কৰিলেহে শিশুৰ উপযুক্ত বিকাশ সম্ভৱ বুলি ভবা হয়। গতিকে শিশু মনোবিজ্ঞানে শিশুৰ অন্তৰ্নিহিত গুণৰ চিনাক্তকৰণ কৰি তাৰ উপযুক্ত বিকাশত সহায় কৰে।

❑❑

**"এখন সমাজ সুচাৰুৰূপে পৰিচালিত হ'বলৈ লাগে অফুৰন্ত কৰ্ম শক্তি, সংযত বিবেক আৰু সেৱাৰ মনোভাৱ।"**

— ৰাজা ৰামমোহন ৰায়

# SOCIAL MEDIA AND OUR CHANGING SOCIAL REALITIES

❍ **Yuvaraj Gogoi**
Assistant Professor
Department of Political Science




Social media has brought some unprecedented changes to our social realities and in the way we interact with one another. Indeed, virtual reality has become a social reality today. The greatest impact of social media is that it has blurred the distinction between public and private domains. The brutal intrusion of social media has created a hodgepodge of two domains. Suppose you have a personal account in social media giant Facebook. Those who are in your friend list will know everything about you whatever you keep on updating right from your sore throat to pictures of your cousin's marriage (Those who are not in the

list can also learn depending on your privacy settings). This way the world will keep learning about the personal issues of your life. You will also learn about other's personal life in a similar way. Today, rigid compartmentalization of public and private spheres is no longer feasible.

Social media has also become a platform for spreading gossip and rumours. Earlier, people gossiped over direct conversation or over phone. The onset of social media has changed this scenario. Now people gossip through trolls and memes. Recently, a photo of Ranbir Kapoor and Mahira Khan was doing rounds in social media. The celebrity duos were seen smoking at a private undisclosed location. The twitteratis and facebookers trolled them harshly. Unfortunately, Twitter has become a great platform for attacking someone through trolls and memes. During violent situations, social media can be manipulated for mass mobilization because the message sent through social media spreads like wild fire. In the Abhi-Neel lynching case, too in Karbi Anglong of Assam, social media was misused to mobilize mob.

Social media can make one an overnight sensation, a national star. Recently, one wink of a certain Priya Prakash Varrier made her the most sought-after girl of the entire nation. Her Instagram account got flooded with followers. The Instagram Inc. responded immediately by verifying her account with an elite blue tick. Initially, she had a minor role in an upcoming Malayalam movie called *Oru Adaar Love*. After this viral wink video, the director ended up giving Priya Prakash a substantional portion of cinematic or on-screen space in the movie. Social media can also bring to limelight some bizarre 'talents' like Dhinshaak Pooja, Mr. Rajkumar and Rocky Superstar among others.

Social media has now become another tool for electoral politics. It has brought visible changes in the mode of election campaigning. Nowadays, the candidates and their supporters campaign through online social media platforms for wooing voters, especially the younger Facebook generation apart from using traditional ways of campaigning like public meetings, TV and radio advertisements.

Social media can also be used for moulding public opinion on various burning social issues. Online petitions have become a new fad to put pressure on the government to take certain steps. However, the impact of such petitions on government policies and actions is still doubtful.

Thus, the advent of social media has brought phenomenal changes to our social realities. These changes have both positive and negative outcomes.

❑❑

# অসমীয়া চিনেমা, ভালদিন আৰু কিছু অকথ্য

❍ ভাৰ্গৱ লিগিৰা
পঞ্চম ষাণ্মাসিক, সমাজতত্ত্ব বিভাগ




ঘটনাটো বেছি পুৰণি নহয়। বন্ধু এজনৰ সতে কথা পাতি আছিলো। প্ৰসংগক্ৰমে অসমীয়া চলচ্চিত্ৰৰ কথা ওলাল। সাধাৰণতে আমাৰ প্ৰজন্মৰ বেছিভাগৰে অসমীয়া চলচ্চিত্ৰক লৈ যি ধাৰণা, তাৰপৰা মোৰ সেই বন্ধুজনো যে ব্যতিক্ৰম নহয়— অতি কম সময়তে মোৰ বাবে সেয়া বোধগম্য হৈ পৰিল। অৰ্থহীন, পেনপেনীয়া, বিৰক্তিদায়ক, অত্যাধিক পৰিয়ালকেন্দ্ৰিক ইত্যাদি বিশেষণেৰে অসমীয়া চলচ্চিত্ৰৰ তীক্ষ্ণ সমালোচনা তেওঁ আগবঢ়ালে। কিছুসময় তেওঁৰ কথা শুনাৰ পিছত মই তেওঁক প্ৰশ্ন কৰিলো; 'কেলেণ্ডাৰ', 'অথেলো', 'দিকচৌ বনত পলাশ', 'কানীন', 'বৰনদী ভটিয়াই', 'মাজৰাতিৰ কেতেকী' আদি অসমীয়া ছবিবোৰ তেওঁ চালে নে? প্ৰত্যাশিতভাৱেই সোঁৱে-বাঁৱে মূৰটো জোকাৰি তেওঁ উত্তৰ দিলে— 'নাইচোৱা'।

সমস্যাটো তাতেই। অসমীয়া চিনেমাৰ ভালদিন কেতিয়া আহিব বুলি প্ৰশ্ন কৰি থকা আমাৰ প্ৰজন্মটোৱে আচলতে 'ভালদিন' অভিধাটোৱে কি বুজাব বিচাৰিছে, সি একেবাৰেই স্পষ্ট নহয়। নোহোৱাৰ বাবেই এই প্ৰশ্নৰ পুনৰাবৃত্তি ঘটি আছে আৰু ঘটি থাকিব। আমি যদি এটা ধাৰণা কৰি লওঁ; যে 'ভালদিন' আভিধাৰে ভাল অসমীয়া চিনেমাৰ কথা বুজাব খুজিছে; তেতিয়া এটা কথা ঠিক— ভাল অসমীয়া চিনেমা অসমত নিৰ্মাণ হৈ আছে। অন্যহাতে যদি 'ভালদিন'ৰ অৰ্থ অসমীয়া চিনেমাৰ ভাল ব্যৱসায় বুলি ধৰি লওঁ, তেন্তে 'কানীন', 'কেলেণ্ডাৰ', 'মাজৰাতিৰ কেতেকী'ৰ দৰে মানসম্পন্ন চিনেমাৰ নিম্নমানৰ ব্যৱসায়ে আমাক নিৰাশ কৰে। অৰ্থাৎ, ভাল অসমীয়া চিনেমা অসমত নিৰ্মাণ হৈ আছে, নিৰ্দিষ্ট সময়ৰ অন্তৰালত মুক্তি পাই আছে, অথচ সেই চিনেমাবোৰে বক্স অফিচত ব্যৱসায়িক সফলতাৰ মুখ দেখা নাই। কিন্তু, ব্যয়বহুল প্ৰয়োজন আৰু জাকজমকীয়া প্ৰচাৰৰ জোৰত 'মিছন চাইনা', 'ৰক্তবীজ', 'বহ্নিমান' আদি স্থূলৰুচিৰ চিনেমাইও সাংঘাতিক ভাল ব্যৱসায় কৰিবলৈ সক্ষম হোৱা দেখা গৈছে। গতিকে, এনে এক প্ৰেক্ষাপটত 'অসমীয়া চিনেমাৰ ভালদিন' ধাৰণাটো পৰস্পৰবিৰোধী আৰু দুৰ্বোধ্য হৈ পৰিছে বুলি ক'লেও নিশ্চয় ভুল আৰু অত্যুক্তি কৰা নহ'ব।

এইখিনিতে এটা কথা বিশেষভাৱে মন কৰিবলগীয়া। আচলতে অসমীয়া দৰ্শকে কি বিচাৰে? যিখন অসমত হলিউডৰ এখন চিনেমাৰ টিকটৰ বাবে এসপ্তাহ আগৰে পৰাই হেতাওপৰা লাগে, সেইখন অসমত এখন অসমীয়া চিনেমা মুক্তিৰ প্ৰথম দিনাই দৰ্শকৰ অভাৱত কিয় বাতিল কৰিবলগীয়া হয়? মোৰ ব্যক্তিগত অভিজ্ঞতা আছে খালী চকীৰ মাজত বহি অসমীয়া চিনেমা চোৱাৰ। এটা সঁচা কথা, অসমীয়া ছবি এখনত হলিউডী কায়দা আশা কৰি যদি অসমীয়া দৰ্শকে চাবলৈ বিচাৰে, তেন্তে অসমৰ প্ৰেক্ষাপটত ছবি নিৰ্মাতাসকলে যে তাৰ আমদানি কৰিব পাৰিব, সি মুঠেও বাস্তৱসন্মত আশা হ'ব নোৱাৰে। এখন অসমীয়া ছবিৰ দৰ্শক হ'বলৈ হ'লে প্ৰথমেই দৰ্শকজনে পাশ্চাত্যকৰণৰ ধামখুমীয়াত নিজৰ শিপাক উটুৱাই দিয়াৰ সলনি অসমীয়া সমাজ, জনজীৱন, সংস্কৃতি আদিৰ লগত একাত্ম হৈ ল'ব লাগিব। সেই অনুৰূপে অসমীয়া সমাজ-সংস্কৃতিৰ গোন্ধ থকা এখন ছবিকেই ভাল অসমীয়া ছবিৰ মৰ্যাদা দিবলৈ তেওঁলোক সাজু হ'ব লাগিব। তেনে ছবিহে যে প্ৰকৃতাৰ্থত ভাল ছবি, 'ভিলেজ ৰকষ্টাৰ্ছে'ই জানো তাৰ প্ৰমাণ নহয়? কোনো ডাঙৰ নাম বা ডাঙৰ বাজেট নথকা মাটিৰ মানুহৰ স্বাভাৱিক জীৱনক সমল হিচাপে লৈ নিৰ্মিত এই ছবিখনে ভাৰতবৰ্ষৰ পৰা অস্কাৰলৈ মনোনীত হোৱা ঘটনাই প্ৰকৃততে ভাল অসমীয়া ছবিৰ এক আৰ্হিৰূপ দাঙি নধৰেনে? তেনেস্থলত অসমীয়া দৰ্শকে এক্চনধৰ্মী বা হলিউডী কায়দাৰ ছবি অসমত নিৰ্মাণ নোহোৱাৰ বাবেই যদি অসমীয়া ছবি বেয়া বুলি আখ্যা দিয়ে, সি কিদৰে গ্ৰহণযোগ্য হ'ব?

ব্যক্তিগত দৃষ্টিভংগীৰে যদি কওঁ, তেন্তে এটা কথা বিনাদ্বিধাই ক'ব পাৰো যে, প্ৰকৃততে ভাল অসমীয়া ছবি চাব বিচৰা আৰু চোৱা দৰ্শকৰ বাবে অসমত হতাশ হ'বলগীয়া এটা পৰিস্থিতি বৰ্তমান সময়ত নাই। কেইখনমান ছবিৰ উদাহৰণ দিলে কথাযাৰৰ তাৎপৰ্য আৰু সহজে অনুমেয় হ'ব। হিমাংশু প্ৰসাদ দাসৰ এখন ছবি 'ছাকিৰা আহিব বকুল তলৰ বিহুলৈ', বিহু সন্মিলনৰ নামত অসমীয়া সমাজত সৃষ্টি হোৱা দুষ্কৃতি আৰু অসমৰ বান সমস্যা —দুয়োটা বিষয়ক সাঙুৰি লৈ ছাকিৰা নামৰ পপ্ গায়িকাগৰাকী আৰু ছাকিৰা খাতুন নামৰ পাগলী এজনীক চিত্ৰকল্পৰ দৰে ব্যৱহাৰ কৰি ছবিখনত ইমান সুন্দৰ ব্যংগাত্মক তথা কলাত্মক উপস্থাপন কৰা হৈছে যে, দৰ্শকক মোহিত কৰিব পৰাকৈ ইয়াত যথেষ্ট সমল আছে। লগতে, সমাজৰ বাবে এক তাৎপৰ্যপূৰ্ণ বাৰ্তাও ছবিখনত আছে।

ঠিক একেদৰে, হিমজ্যোতি তালুকদাৰৰ পৰিচালিত 'কেলেণ্ডাৰ' ছবিখনৰ কথাও উনুকিয়াব পাৰি। অৰুণ শৰ্মাৰ দুৰ্দান্ত অভিনয়ে জীৱন্ত কৰি তোলা ছবিখনত মধ্যবিত্ত পৰিয়ালৰ আৱেগ, অনুভূতি, আশাৰ সমান্তৰালকৈ থিয় দিয়া সমস্যাৰ ইমানেই সুন্দৰ সংযোজন আৰু উপস্থাপন কৰা হৈছে; যিকোনো দৰ্শকক একাত্ম কৰি ছবিখনক নিজৰ জীৱনৰে এটা এটা সৰু মুহূৰ্ত বুলি অনুভৱ কৰিবলৈ বাধ্য কৰিছে। কেলেণ্ডাৰ এখনক মূল কেন্দ্ৰ হিচাপে ছবিখনৰ কাহিনীত যিদৰে প্ৰক্ষেপ কৰা হৈছে, সি ছবিখনক অনন্য আৰু অগতানুগতিক কৰি তুলিছে।

আকৌ, ৰীমা ডেকা পৰিচালিত 'বকুল' ছবিখনো প্ৰকৃতাৰ্থত এখন ভাল অসমীয়া ছবি। এই ছবিখনত তিনিটা চৰিত্ৰৰ (যাৰ প্ৰত্যেকৰে নাম বকুল) জীৱনৰ ঘটনা-পৰিঘটনাৰ মাজেদি পৰিৱৰ্তিত সমাজখনৰ বিভিন্ন স্বৰূপ সফলতাৰে উদঙাই দিছে।

অতিসম্প্ৰতি নিৰ্মিত মঞ্জুল বৰুৱাৰ 'কানীন' আৰু অনুপম কৌশিক বৰুৱাৰ 'বৰনদী ভটিয়াই'ও দুখন লেখত ল'বলগীয়া ছবি। ৰীতা চৌধুৰীৰ উপন্যাসৰ আধাৰত নিৰ্মিত 'কানীন'ত এটি জাৰজ সন্তানৰ মাতৃৰ হৃদয়ৰ অন্তৰ্দ্বন্দ্বক সফলতাৰে ডাঙৰ পৰ্দাত পৰিচালকে তুলি ধৰিছে। একেদৰে, 'বৰনদী ভটিয়াই'ত মাজুলীখন যে কেৱল বান সমস্যাৰ বাবে বাতৰিত আহিবলগীয়া ঠাই নহয়, তাক প্ৰতিফলিত কৰি

মাজুলীৰ সমাজখনকে এটি সুন্দৰ প্ৰতীকী কাহিনীৰে অনুপম কৌশিক বৰুৱাই দৰ্শকৰ বাবে আগবঢ়াই দিছে।

এনেদৰে যদি ভাল অসমীয়া ছবিৰ এখন তালিকা প্ৰস্তুত কৰিবলৈ যোৱা হয়, তেন্তে তালিকাখন নিশ্চয় চুটি নহ'ব। আকৌ, কেৱল সমালোচকৰ প্ৰশংসা বুটলা ছবিবোৰৰ কথা বাদ দি আমি যদি গত সময়ছোৱাত নিৰ্মাণ হৈ থকা মনোৰঞ্জনধৰ্মী ছবিবোৰৰ ফালে মন কৰোঁ, ইও আমাক এক আশাব্যঞ্জক চিত্ৰ দাঙি ধৰে। 'লোকেল কুংফু-২' ৰ দৰে ছবিয়ে যিদৰে দৰ্শকক হঁহুৱাইছে, একেদৰে 'প্ৰিয়াৰ প্ৰিয়'ৰ দৰে ছবিয়ে দৰ্শকক এটা বাৰ্তা দিবলৈ সক্ষম হৈছে। 'ধম ধমা ধম', 'ককাইদেউ বিন্দাচ', 'ৰাজা ৰিটাৰ্ণচ' আদি ছবিৰ পৰিচালকে অসমীয়া দৰ্শকক বলিউডৰ কমেডীৰ আমেজ দিবলৈ যত্ন কৰিছে। একেই কথা ক'ব পাৰি চাচ্‌পেণ্ডেড ইন্সপেক্টৰ বড়োৰ দৰে ছবিৰ ক্ষেত্ৰতো। এনে ছবিবোৰে সমালোচকৰ সাংঘাতিক দৃষ্টি আকৰ্ষণ কৰিব নোৱাৰিলেও সাধাৰণ দৰ্শকক কিছু পৰিমাণে হ'লেও ছবিগৃহলৈ আনিবলৈ সক্ষম হৈছে।

এইখিনিতে এষাৰ কথা উনুকিওৱাৰ প্ৰয়োজনবোধ হয়, যে অসমীয়া ছবিত কিছুদিনৰ পৰা সংগীতৰ প্ৰয়োগ বিশেষভাৱে মন কৰিবলগীয়া এটি দিশত পৰিণত হৈছে। কেলেণ্ডাৰ, কানীনৰ দৰে ছবিত অভিজ্ঞ শিল্পী তৰালি শৰ্মাৰ সংগীত পৰিচালনাৰ কথা ইয়াৰ ভিতৰত অন্যতম উল্লেখনীয়।

সি যি কি নহওক, অসমীয়া চিনেমাৰ বা ছবিৰ বাবে বৰ্তমান সময়ত আটাইতকৈ ইতিবাচক দিশটো হ'ল নতুন প্ৰজন্মৰ ছবি নিৰ্মাণৰ ক্ষেত্ৰত আগ্ৰহ। হিমজ্যোতি তালুকদাৰ, মঞ্জুল বৰুৱা, অনুপম কৌশিক বৰুৱাৰ দৰে পৰিচালকে অসমীয়া ছবি নিৰ্মাণৰ বাবে আগবাঢ়ি আহি চকুত লগা কাম কৰি দেখুৱাইছে— ই স্বাভাৱিকতে অসমীয়া ছবি উদ্যোগৰ বাবে ভাল খবৰ। গতিকে, তেওঁলোক উৎসাহিত হ'ব পৰাকৈ তেওঁলোকক সঁহাৰি জনোৱাটো অসমীয়া দৰ্শকৰ দায়িত্ব-কৰ্তব্য। বিশেষকৈ নতুন প্ৰজন্মৰ অসমীয়া দৰ্শকে এই দিশটোও চকু দিব লাগিব। এতিয়াৰ প্ৰেক্ষাপটত স্পষ্টভাৱে দেখা গৈছে যে, ব্যয়বহুল প্ৰযোজনা আৰু নামৰ চমকতহে অসমত চিনেমা চলে। এই ধাৰণাটো সলাবৰ হ'ল। দৌৰি দৌৰি গৈ এখন অসমীয়া ছবি চাই জয় অসমীয়া চিনেমা বুলি চিঞৰি বাকী সময়ত অসমীয়া চিনেমা চলাব পৰাকৈয়ে দৰ্শক নহ'লে অসমীয়া চিনেমাৰ ভাল দিন নাহে। প্ৰচাৰ নোহোৱাৰ কাৰণে অসমীয়া চিনেমা নচলে বুলি কোৱাটোও একবিংশ শতিকাৰ দ্বিতীয় দশকত হজম হোৱা কথা যেন নালাগে। যিদৰে মাৰ্ভেল ছিৰিজৰ নতুন চিনেমা কেতিয়া আহিব, তাৰ খবৰ অসমীয়া দৰ্শকে ৰাখে, একেদৰে হিমজ্যোতি তালুকদাৰ বা অনুপম কৌশিক বৰুৱাই নতুন কি প্ৰজেক্ট লৈছে তাৰো খবৰ ৰাখিব লাগিব। ডাঙৰ কথাটো হ'ল, অসমীয়া ছবি উদ্যোগৰ একমাত্ৰ বজাৰ হ'ল অসম, গতিকে অসমীয়া মানুহ উদ্যোগটোক জীয়াই ৰাখিবলৈ সজাগ হ'বই লাগিব।

প্ৰবন্ধৰ এটা অংশত পূৰ্বতে উল্লেখ কৰাৰ দৰেই আকৌ ক'ব খুজিছো— অসমীয়া ছবিক বলিউড বা হলিউডৰ তুলাচনীত জুখি চালে নিৰাশ হোৱাটো স্বাভাৱিক। কিন্তু, অসমৰ সামাজিক-সাংস্কৃতিক প্ৰেক্ষাপটত অনুধাৱন কৰি অসমীয়া ছবি চাওক, আপুনি নিশ্চয় একেবাৰে নিৰাশ হ'বলগা নহয়। প্ৰচাৰৰ জোৰত ছবি এখন চোৱাৰ পৰিৱৰ্তে ছবিখনৰ বিষয়ে কিছু কথা জানি ছবিখন চাওক, অসমীয়া ছবি উদ্যোগ কিয় উজ্জীৱিত নহ'ব?

ভাল অসমীয়া ছবি অসমত নিৰ্মাণ হৈ আছে, ভাল ছবি নিৰ্মাণ নহয় বুলি পূৰ্বধাৰণা এটা লৈ অসমীয়া ছবিৰ পৰা আঁতৰি নাথাকিব, ভাল অসমীয়া ছবিবোৰক ভাল ব্যৱসায় কৰাৰ সুযোগ দিয়ক, অসমীয়া চিনেমাৰ 'ভালদিন' কিয় নাহিব?

শেষত, হিমাংশু প্ৰসাদ দাসৰ এষাৰ উক্তিৰে সামৰিছো, 'কেৱল অসমীয়া হোৱাৰ বাবেই অসমীয়া চিনেমা নাচাব, প্ৰকৃততে ভাল চিনেমাৰ দৰ্শক হওক।'

❑❑

# সাংসদ পদটো বৰ্তমান এটা আকৰ্ষণীয় বৃত্তি

❍ **সুৰক্ষণা গগৈ**
প্ৰথম যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ





গণতান্ত্ৰিক ৰাজনীতিত সাধাৰণ নিৰ্বাচন অপৰিহাৰ্য। গণতন্ত্ৰৰ আন এটা নামেই নিৰ্বাচন। জনসাধাৰণে জনপ্ৰতিনিধি নিৰ্বাচন কৰি দিয়াৰ পাছত সেই প্ৰতিনিধিসকলে তেওঁলোকৰ মাজৰ পৰা এজন নেতা বাছনি কৰি এখন চৰকাৰ গঠন কৰে। ভাৰতৰ সংসদীয় গণতন্ত্ৰত সাধাৰণতে এই পদ্ধতিৰেই চৰকাৰ গঠন কৰা হয়। ভাৰতৰ জনসাধাৰণে পছন্দৰ জনপ্ৰতিনিধিজনক বা সাংসদ পদৰ প্ৰাৰ্থীজনক বহুমূলীয়া ভোট প্ৰদান কৰি দিল্লীলৈ নিৰ্বাচিত কৰে, যাতে ইয়াৰ যোগেদি জনসাধাৰণেও সংসদীয় গণতান্ত্ৰিক ব্যৱস্থাৰ এক অংশীদাৰ হ'ব পাৰে।

জনসাধাৰণে সাংসদজনৰ কেনেধৰণৰ ব্যক্তিত্ব চাই নিৰ্বাচিত কৰিব, সেয়া জনসাধাৰণৰ একান্তই ব্যক্তিগত কথা। তথাপি আপুনি, মই নিশ্চয় বিচাৰিম আমাৰ সাংসদজনে সংসদত সবল

ভূমিকা পালন কৰাটো। কিন্তু কাৰ্যক্ষেত্ৰত বহু সাংসদে বৰ্তমান এনে ভূমিকা পালন কৰা দেখা নাযায়। কিয়নো আজিৰ বেছিভাগ সাংসদেই সাংসদ পদটোক সমাজসেৱাৰ এক মাধ্যম হিচাপে ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে এক লোভনীয় বৃত্তি হিচাপেহে গ্ৰহণ কৰে। সেয়েহে হয়তো দাগী অপৰাধীৰ পৰা স্বাধীনতা সংগ্ৰামীৰ সতি-সন্ততিলৈকে, মাফিয়াৰ পৰা বৃহৎ ব্যৱসায়ীলৈকে, ৰিক্সাৱালা, ঠেলাৱালাৰ পৰা সাংবাদিকলৈকে, চিত্ৰ তাৰকাৰ পৰা বৃহৎ বৃহৎ জাতীয় সংগঠনৰ নেতালৈকে সকলোৰে আজি ৰাজনীতিৰ পথাৰত ভিৰ কৰিছে। নেতাসকলে ছটিয়াই গৈছে অলেখ পূৰণ কৰিব নোৱাৰা প্ৰতিশ্ৰুতিৰ বন্যা।

আপোনাৰ হয়তো প্ৰশ্ন হয়, আজিৰ বেছিভাগ লোকেই ৰাজনীতিবিদ হ'বলৈ কিয় বিচাৰে? ৰবাৰ্ট লুই ষ্টিভেন্‌শনৰ মতে, "ৰাজনীতিয়েই হ'ল এনে এক বৃত্তি যাৰবাবে কোনো যোগ্যতাৰ আৱশ্যক নাই।" সেয়েহে কিছু সংখ্যক ব্যতিক্ৰমী নেতা বা সাংসদৰ বাহিৰে সৰহ সংখ্যক নেতাৰে স্বপ্ন সাংসদ নামৰ পদটোৰ আঁৰত লুকাই থকা মৰ্যাদা, সা-সুবিধা, প্ৰতিষ্ঠা আৰু লোভনীয় আৰ্থিক নিৰাপত্তা।

শেহতীয়া এক তথ্য অনুসৰি এজন সাংসদে দৰমহা হিচাপে মাহিলি ১,০০,০০০ টকা আৰু সমপৰিমাণৰ ৪৫,০০০ টকা সমষ্টি ভাটা লাভ কৰে। সংসদৰ অধিৱেশন বা কোনো সংসদীয় কমিটিৰ সভাত অংশগ্ৰহণ কৰাৰ বাবে দৈনিক লাভ কৰে ২,০০০ টকাকৈ মাহিলি ৬০,০০০ টকা আৰু ব্যক্তিগত কাৰ্যালয় চলোৱাৰ বাবে অতিৰিক্তভাৱে ৪৫,০০০ টকা সাংসদজনক দিয়া হয়। ইয়াৰ উপৰিও সাংসদজনে তেওঁৰ পত্নী বা এজন সংগীৰ সৈতে ভাৰতৰ যিকোনো ঠাইলৈ যাবলৈ এবছৰত ৩৪ টা বিমান টিকটৰ উপৰিও একেধৰণে লাভ কৰে প্ৰথম শ্ৰেণীৰ ৰে'লৰ টিকট। উন্নতমানৰ চিকিৎসা সেৱা, উন্নত চিকিৎসাৰ বাবে বিদেশলৈ প্ৰেৰণ কৰা ব্যৱস্থা। দিল্লীত এক সুদৃশ্য, বৃহৎ চৌহদৰ চৰকাৰী বাসভৱন সকলোধৰণৰ সা-সুবিধাৰে নিৰ্মিত জনপ্ৰতিনিধিৰ বাসভৱনৰ যদি দিল্লীৰ বৰ্তমানৰ হিচাপত ভাড়া নিৰ্ধাৰণ কৰা হয় তেন্তে সেয়া মাহে ১,০০,০০০ ৰ পৰা ১,৫০,০০০ হাজাৰ টকা হ'ব। লগতে লাভ কৰে এবছৰ দিন ধৰি দিনে-ৰাতিয়ে ফোন কৰিলেও শেষ নোহোৱাকৈ ৫০,০০০ টা বিনামূলীয়া ফোনকল কৰিব পৰা সুবিধা থকা তিনিটা টেলিফোন। আনহাতে যি দেশৰ সাধাৰণ প্ৰজাৰ পৰা উচ্চপদস্থ লোকৰ দা-দৰমহাত কৰকাটল লগোৱা হয়। সেই দেশৰে জনপ্ৰতিনিধি হিচাপে সাংসদৰ দা-দৰমহাত বা ভাট্টাত কোনোধৰণৰ কৰ লগোৱাৰ ব্যৱস্থাই ৰখা হোৱা নাই। অৱশ্যে আপোনাৰ জনপ্ৰতিনিধিজনে যদি শাসকীয় দলৰ গুৰুত্বপূৰ্ণ পদ লাভ কৰে বা মন্ত্ৰীত্ব লাভ কৰে, তেতিয়া সমগ্ৰ প্ৰক্ৰিয়াটোৰেই সলনি হৈ যায়।

লোকসভা আৰু ৰাজ্যসভাৰ সদস্য হিচাপে লাভ কৰা বিস্তৰ সা-সুবিধা সাংসদসকলে অকল যে সদস্যপদ বাহাল থকা সময়খিনিতে লাভ কৰে সেয়া নহয়। মাত্ৰ এদিন সাংসদৰ কাৰ্যকাল সমাপ্ত কৰা সকলো সদস্যৰ বাবে পেঞ্চনৰ ব্যৱস্থা আছে। সাংসদসকলে বৰ্তমান মাহিলি দৰমহাৰ হিচাপত মাহিলি ২৫০০০ টকা পেঞ্চন লাভ কৰে।

যিসময়ত ভাৰতৰ প্ৰায় ৭০ শতাংশ লোক দৰিদ্ৰ সীমাৰেখাৰ তলত জীৱন নিৰ্বাহ কৰিছে। সেই দেশতে লোকসভাৰ ৫৪৫ জন সাংসদৰ দৰমহা, ভাট্টা, পেঞ্চন আৰু অন্যান্য সা-সুবিধাৰ নামত এবছৰতে ১৭৩৪.৪২ কোটি টকা ভাৰতৰ ৰাজকোষৰ পৰা ওলাই যায়।

সেয়েহে আমাক এনেকুৱা এজন জনপ্ৰতিনিধি লাগে, যিজনে সাংসদ পদটোক এক লোভনীয় বৃত্তি হিচাপে গ্ৰহণ কৰাতকৈ এক প্ৰকৃত সমাজসেৱাৰ মাধ্যম হিচাপেহে গ্ৰহণ কৰে। যিজনে আপোনাক, মোক প্ৰতিশ্ৰুতিৰে নহয় কামেৰে মন জয় কৰিবলৈ চেষ্টা কৰে। ভাৰতৰ জনপ্ৰতিনিধিসকল প্ৰকৃততে এনে মানসিকতাৰ অধিকাৰী হ'লেহে ভাৰতত প্ৰতিনিধিত্বমূলক গণতান্ত্ৰিক শাসন ব্যৱস্থা প্ৰৱৰ্তনৰ সাৰ্থকতা থাকিব। কিন্তু এইক্ষেত্ৰত সকলোতকৈ সবল ভূমিকা ল'ব লাগিব জনসাধাৰণে। জনতাই তেনে লোভী মানসিকতাৰ ব্যক্তিক নিৰ্বাচন নকৰি প্ৰকৃত আৰু যোগ্যজনক নিৰ্বাচিত কৰি পঠায় তেন্তে আমাৰ গণতন্ত্ৰ সুস্থ আৰু নিকা হৈ থাকিব আৰু সকলোৰে উপকৃত হ'ব।

❑❑

# উচ্ছৃংখলতা আৰু মানৱ সমাজ

❍ **সংগীতা বৰগোহাঁই**
তৃতীয় ষান্মাসিক, ইংৰাজী বিভাগ



আদিম যুগত মানুহে কাপোৰৰ ব্যৱহাৰ নাজানিছিল বাবে গছৰ ছাল, জন্তুৰ ছাল আদি পিন্ধিছিল। জুইৰ ব্যৱহাৰ নজনাৰ ফলত কেঁচাই কেঁচাই খাদ্য খাইছিল। যুগৰ পৰিৱৰ্তনে মানুহক লজ্জা নিবাৰণৰ বাবে কাপোৰৰ ব্যৱহাৰ কৰিবলৈ শিকালে। চলন-ফুৰণ, কাম-কাজ সকলোৰেই আমূল পৰিৱৰ্তন হ'ল।

ক্ৰমে ক্ৰমে মানুহেই যুগৰ সৃষ্টি কৰিলে কৰ্মৰ যোগেদি। সত্য, ত্ৰেতা, দ্বাপৰ আৰু অৱশেষত কলি। হাঁহ, পাৰ মাৰিবলৈকে যদি অলপ সময় লাগে কিন্তু মানুহ মাৰিবলৈ মানুহে চিন্তা নকৰা হ'ল। হাঁহৰ ওপৰত শিয়াল ৰজা হোৱাৰ দৰে দুৰ্বল মানুহ সবলৰ বলি হ'ব লগাত পৰে।

তেনে সময়ত মানুহে চিন্তা কৰা প্ৰয়োজন যে ভগৱানে পৃথিৱীত প্ৰাণীৰ সৃষ্টি কৰিলে সঁচা। আজিলৈকে মানুহৰ বাহিৰে কোনো প্ৰাণীয়েই শ্ৰেষ্ঠ আসন ল'ব পৰা নাই। সেয়ে কোনটো কাম ভাল, কোনটো বেয়া নিজে নিজক বিশ্লেষণ কৰি চাব লাগে। মানৱ জন্মৰ সাৰ্থকতা লাভৰ বাবে সকলোৱে নিজে নিজৰ স্থানত ভালদৰে আসন দি ৰাখিবলৈ যত্ন কৰা উচিত। আজিৰ আধুনিক যুগত যুৱক-যুৱতী, পুৰুষ-মহিলা, বৃদ্ধ-বৃদ্ধা সকলোৱেই উচ্ছৃংখলতা তথা যান্ত্ৰিকতাৰ চাকনৈয়াত পৰিছে। তাকে কোনো লোকে ইয়াৰ পৰিণতি যুগে কৰা বুলি কয়। যুগৰ সৃষ্টি বাৰু কোনে কৰিছে? জীৱ শ্ৰেষ্ঠ মানৱেই নহয় জানো? মানুহক জ্ঞান, বুদ্ধি, চিন্তাশক্তি, কৰ্মশক্তি সকলো দিছে, তাক সময়মতে কামত প্ৰয়োগ কৰিলেই হ'ল। প্ৰয়োজন মাথোন সুস্থ মানসিকতাৰ। শৰীৰ, স্বাস্থ্য আৰু মন এই তিনিওটা ইটোৰ লগত সিটোৰ নিবিড় সম্পৰ্ক থাকে বাবে মনক প্ৰথমেই সুস্থ কৰি ৰাখিবলৈ যত্নপৰ হোৱা আৱশ্যক। সৎ, চৰিত্ৰৱানজন যিমানেই দৰিদ্ৰ, কুৎসিৎ নহওক তেওঁৰ আসন সকলোতকৈ উচ্চ হয়। ৰংচঙীয়া সাজ-পোছাক শৰীৰ সৌন্দৰ্য বঢ়ালেই চৰিত্ৰবান নুবুজায়। সৰল জীৱন, সুস্থ চিন্তা-ধাৰাইহে সমাজৰ উন্নতিত অৰিহণা যোগাব পাৰে।

কাপোৰৰ অবিহনে সকলো উলংগ। ভাল কামে প্ৰত্যেককে বস্ত্ৰৰ দৰে এটা আৱৰণ দিয়ে। আজিৰ প্ৰজন্মই সু-স্বাস্থ্যৰ লগতে সৎ চৰিত্ৰ গঠনৰ আদৰ্শৰে নিজৰ লগতে সমাজ আৰু দেশৰ উন্নতিত অৰিহণা যোগোৱাটো সকলোৰেই কাম্য হওক।

❑❑

# নাগৰিকৰ সমতাৰ অধিকাৰ আৰু ইয়াৰ কিছুমান সমালোচনাত্মক দিশ

❍ ৰাচিফা ৰহমান
প্ৰথম ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ




সাধাৰণতে প্ৰাচীন গ্ৰীক সভ্যতাৰ যুগত সৰু সৰু নগৰ ৰাষ্ট্ৰসমূহৰ বাসিন্দাসকলক নাগৰিক আখ্যা দিয়া হৈছিল। কিন্তু নাগৰিক বুলিলে আজিকালি আমি অকল নগৰ বা চহৰৰ বাসিন্দাকে নুবুজোঁ। গাঁও-চহৰ নিৰ্বিশেষে একোখন স্বাধীন সাৰ্বভৌম ৰাষ্ট্ৰৰ সকলো বাসিন্দাই আজিকালি নাগৰিক। নাগৰিক শব্দটোৰ প্ৰাচীনত্ব যদিও তৰ্কাতীত, নাগৰিক অধিকাৰৰ ধাৰণাটো কিন্তু তুলনামূলকভাৱে নতুন। ধাৰণাটো আধুনিক যুগলৈ ফৰাচী বিপ্লৱৰ অৱদান। যাজক আৰু অভিজাতসকলৰ প্ৰাক্তন ৰাষ্ট্ৰ ব্যৱস্থাক সম্পূৰ্ণ অস্বীকাৰ কৰি ফ্ৰান্সৰ জনসাধাৰণে ১৭৮৯ চনৰ ১৪ জুলাইৰ দিনা ঘোষণা কৰিলে মানৱ অধিকাৰৰ নতুন চনদ। এই চনদৰ মূল

কথাকেইটা হ'ল— স্বাধীনতা, মুক্তি, ভাতৃত্ব আৰু নাগৰিক অধিকাৰ। তাৰ আগলৈকে নাগৰিক অধিকাৰৰ চেতনা মানৱ অন্তৰত উমি উমি জুই জ্বলি থাকিলেও বিশ্বৰ কোনো দেশত জনসাধাৰণৰ প্ৰবল ইচ্ছাৰ ৰূপত ই ঘোষিত আৰু বন্দিত হোৱা নাছিল। ফৰাচী বিপ্লৱে প্ৰতিপন্ন কৰিলে যে সকলো মানুহেই জন্মতে স্বাধীন, মানুহে নিজক নিজৰ মতে গঢ়ি তোলা, মতামত ব্যক্ত কৰা, যিকোনো প্ৰতিকূল পৰিস্থিতি আৰু শোষণৰ পৰা নিজক ৰক্ষা কৰাৰ সম্পূৰ্ণ অধিকাৰ আছে। এই অধিকাৰ মানুহৰ পৰা কাঢ়ি নিয়াৰ কাৰো, আনকি ৰাষ্ট্ৰৰো কোনো অধিকাৰ নাই। নাগৰিক অধিকাৰৰ এইখিনিয়েই হ'ল সাৰমৰ্ম।

ব্যক্তি স্বাধীনতা আৰু গণতান্ত্ৰিক চেতনাৰ বিকাশৰ লগত নাগৰিক অধিকাৰৰ ওতঃপ্ৰোত সম্পৰ্ক আছে। আচলতে চাবলৈ গ'লে ইটো-সিটোৰ পৰিপূৰক। আনহাতে ৰাষ্ট্ৰৰ স্বাধীনতা আৰু সাৰ্বভৌমত্বৰ লগতো নাগৰিক অধিকাৰৰ সম্পৰ্ক আছে। এখন দেশ যেতিয়া পৰাধীন অৱস্থাত থাকে তেতিয়া সেই দেশখনৰ নাগৰিকসকলৰ অধিকাৰ তথা ব্যক্তি স্বাধীনতাও খৰ্ব আৰু খণ্ডিত হোৱাটো স্বাভাৱিক। বহুত মানৱীয় অথবা ৰাজনৈতিক-অৰ্থনৈতিক অধিকাৰৰ পৰা পৰাধীন দেশখনৰ জনসাধাৰণক গাৰ জোৰেৰে বঞ্চিত কৰি ৰখা হয়। ইফালে আকৌ দেশখন স্বাধীন হ'লেই যে ব্যক্তি স্বাধীনতা আৰু নাগৰিক অধিকাৰো অনিবাৰ্যভাৱেই সংৰক্ষিত হ'ব এনে কথাও নাই। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত জাৰ্মানী আৰু ইটালী নিশ্চয় স্বাধীন সাৰ্বভৌম ৰাষ্ট্ৰ আছিল। কিন্তু সেই দুখন দেশৰ ফেছীবাদী শাসনে নাগৰিকৰ বিশেষকৈ সংখ্যালঘু সম্প্ৰদায়ৰ নাগৰিকৰ মৌলিক অধিকাৰসমূহ হেলাৰঙেই পদদলিত কৰি মানুহৰ জীৱনক জন্তুৰ জীৱনলৈ পৰ্যবসিত কৰি পেলাইছিল। ৰুছ দেশৰ 'পেৰাষ্ট্ৰাইকা' আৰু চীন দেশৰ 'ছাত্ৰ আন্দোলন'ক এই অধিকাৰ আদায়ৰ দাবীতে গঢ় লৈ উঠা আলোড়নৰ দুটা বিশিষ্ট ৰূপ বুলি ক'ব পাৰি।

গণতান্ত্ৰিক দেশসমূহত অৰ্থাৎ ইংলেণ্ড, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ভাৰতবৰ্ষৰ জাতীয় জীৱন নিৰ্মাণৰ আদৰ্শ হিচাপে ফৰাচী বিপ্লৱৰ আদৰ্শক গ্ৰহণ কৰা হৈছিল। যিহেতু এই মৌলিক অধিকাৰবোৰৰ অবিহনে মানুহৰ ব্যক্তিত্ব বিকাশ সম্ভৱ নহয়, মানুহে সুস্থ-সবল জীৱন নিৰ্বাহ কৰিব নোৱাৰে তথা সভ্য সমাজত নিজকে চিনাকি দিব নোৱাৰে। সংবিধান প্ৰণেতাসকলে ভাৰতৰ সংবিধানৰ তৃতীয় খণ্ডত ১২ নং অনুচ্ছেদৰ পৰা ৩৫ নং অনুচ্ছেদলৈকে ভাৰতীয় নাগৰিকৰ মৌলিক অধিকাৰসমূহ সন্নিৱিষ্ট কৰিছে। প্ৰথমতে মুঠ ৭ প্ৰকাৰৰ মৌলিক অধিকাৰ সংবিধানত লিপিবদ্ধ কৰিছিল। কিন্তু ১৯৭৮ চনত ভাৰতৰ সংবিধানৰ ৪৪ তম্ সংবিধান সংশোধনীৰ জৰিয়তে সম্পত্তি অধিকাৰক মৌলিক অধিকাৰৰ পৰা বাতিল কৰে। বৰ্তমান সংবিধানত ৬ প্ৰকাৰৰ মৌলিক অধিকাৰ সন্নিৱিষ্ট আছে। সেই অধিকাৰসমূহ হ'ল— সমতাৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, শোষণৰ বিৰুদ্ধে অধিকাৰ, ধৰ্মীয় স্বাধীনতা-সাংস্কৃতিক আৰু শিক্ষা বিষয়ক অধিকাৰ, সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ। এই অধিকাৰসমূহক মৌলিক বোলাৰ অৰ্থ এয়ে যে এই অধিকাৰবিলাক সংবিধান প্ৰদত্ত অধিকাৰ আৰু ইয়াক সংবিধান আৰু ন্যায়পালিকাই সংৰক্ষণ কৰিব পাৰে। ১৯৭৩ চনত কেশৱানন্দ ভাৰতীয় গোচৰত উচ্চতম ন্যায়ালয়ে মৌলিক অধিকাৰ বাতিল কৰিব পাৰি বুলি ৰায় দিলে। কিন্তু ইয়াৰ মূল গাঁথনি পৰিৱৰ্তন কৰিব নোৱাৰিব।

সাধাৰণতে মৌলিক অধিকাৰবোৰ ব্যক্তি জীৱনৰ মৌলিক প্ৰয়োজন। ইবিলাকৰ অবিহনে জনসাধাৰণৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক, বৌদ্ধিক বিকাশ হ'ব নোৱাৰে। ভাৰতীয় সংবিধানত নাগৰিকৰ মৌলিক অধিকাৰ সম্পৰ্কে যিদৰে বহলভাৱে আলোচনা কৰা হৈছে, পৃথিৱীৰ আন কোনো সংবিধানত মৌলিক অধিকাৰৰ এনেদৰে আলোচনা হোৱা নাই। ভাৰতৰ সংবিধানত সন্নিৱিষ্ট এটি গুৰুত্বপূৰ্ণ মৌলিক অধিকাৰ হৈছে সমতাৰ অধিকাৰ।

ভাৰতৰ সংবিধানত ১৪ নং অনুচ্ছেদৰ পৰা ১৮ নং অনুচ্ছেদলৈকে সমতাৰ অধিকাৰৰ বিষয়ে উল্লেখ আছে। ভাৰতীয় নাগৰিকৰ মৌলিক অধিকাৰবোৰৰ ভিতৰত সমতাৰ অধিকাৰৰ গুৰুত্ব লেখত ল'বলগীয়া। যদিও এই অধিকাৰক সমালোচনামুক্ত বুলি ক'ব নোৱাৰি। এফালে সংবিধানত সমতাৰ অধিকাৰ উপস্থাপন কৰা হৈছে কিন্তু বাস্তৱত তাৰ সম্পূৰ্ণ বিপৰীত কাৰ্যকলাপ দেখিবলৈ পোৱা যায়। সংবিধানত উল্লেখ থকা সমতাৰ অধিকাৰ আৰু বাস্তৱ জীৱনত প্ৰয়োগ কৰা সমতাৰ অধিকাৰৰ মাজত বহু পাৰ্থক্য পৰিলক্ষিত হয়।

প্ৰথমতে, সংবিধানৰ ১৪ নং অনুচ্ছেদ অনুসৰি আইনৰ দৃষ্টিত সকলো সমান আৰু সকলো নাগৰিকক আইনে সমান সুৰক্ষা প্ৰদান কৰিব লাগিব। এইক্ষেত্ৰত LGBTQ ৰ কথা উল্লেখ কৰিলে দেখা যায় যে সমকামী লোকসকলক তেওঁলোকৰ মৌলিক অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছে। তদুপৰি আইনে তেওঁলোকক অপৰাধী হিচাপে ঘোষণা কৰিছে। 'সমকামিতা' এক প্ৰকাৰৰ 'প্ৰাকৃতিক আৰু অন্তৰ্নিহিত' প্ৰক্ৰিয়া। সমকামী সম্পৰ্ক আৰু কাৰ্যকলাপৰ বাবে তেওঁলোকে সমাজত বহু শাস্তি আৰু নিন্দাৰ পাত্ৰ হ'বলগীয়া হৈছে। গতিকে দেখা যায় যে এইক্ষেত্ৰত তেওঁলোকৰ অধিকাৰ তথা সমতাৰ

অধিকাৰৰ ওপৰত হস্তক্ষেপ কৰা হৈছে। অৱশ্যে এই কথাৰ ওপৰত গুৰুত্ব দি আৰু Navtej Singh Johar V. Union of India আৰু K.S. Puttaswamy গোচৰৰ ওপৰত ভিত্তি কৰি উচ্চতম ন্যায়ালয়ে ৬ ছেপ্তেম্বৰ, ২০১৮ তাৰিখে সমকামিতাক বিধিসন্মত হিচাপে ঘোষণা কৰিলে যদিও বৰ্তমান সমাজত তেওঁলোকক একে চকুৰে চোৱা নহয়। তেওঁলোকৰ ক্ষেত্ৰত বৈষম্য আচৰণ কৰা পৰিলক্ষিত হয়।

দ্বিতীয়তে, ১৫ নং অনুচ্ছেদ অনুসৰি ধৰ্ম, লিংগ, বৰ্ণ আদিৰ ভিত্তিত ৰাষ্ট্ৰই কোনো বিভেদ বা বৈষম্যৰ সৃষ্টি কৰিব নোৱাৰিব। কিন্তু দেখা যায় যে বৰ্তমানলৈকে সমাজত তৃতীয় লিংগৰ লোকসকলক সমঅধিকাৰ দিয়া হোৱা নাই। তেওঁলোকে ন্যায় পোৱা নাই। তেওঁলোকৰ মৌলিক অধিকাৰ থকাৰ সত্ত্বেও তেওঁলোকে সেই অধিকাৰ ভোগ কৰিব পৰা নাই। তেওঁলোকৰ অধিকাৰক লৈ বহু দাবী উত্থাপন হৈছে যদিও তেওঁলোকে পাবলগীয়া বহু অধিকাৰৰ পৰা এতিয়াও বঞ্চিত হৈ আছে।

তৃতীয়তে, ১৬ নং অনুচ্ছেদ অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ তথা জন্মস্থানৰ ওপৰত ভিত্তি কৰি চাকৰিৰ ক্ষেত্ৰত কোনো বৈষম্যমূলক আচৰণ কৰিব নোৱাৰিব। কিন্তু জাতিক কেন্দ্ৰ কৰি সাধাৰণতে শিক্ষানুষ্ঠান আৰু চাকৰিৰ ক্ষেত্ৰত আসন সংৰক্ষণ কৰাৰ ব্যৱস্থা আছে। গতিকে এইক্ষেত্ৰত জাতিৰ ভিত্তিত বৈষম্য আচৰণ কৰা পৰিলক্ষিত হয়।

চতুৰ্থতে, ১৭ নং অনুচ্ছেদ অনুসৰি সমাজত অস্পৃশ্যতা বৰ্জন কৰিব লাগিব। কিন্তু বৰ্তমানেও বহুক্ষেত্ৰত সমাজত অস্পৃশ্যতা আচৰণ কৰা পৰিলক্ষিত হয়।

পঞ্চমতে, সমাজত ডাইনী হত্যা, ধৰ্ষণ হত্যাৰ দৰে লজ্জাজনক কাণ্ড সংঘটিত হৈ আছে। যিবোৰ সমতাৰ অধিকাৰৰ বিৰোধ।

ষষ্ঠতে, নাগৰিকক অৰ্থনৈতিক সমতা প্ৰদান কৰা হোৱা নাই। যাৰ ফলত সমাজত অৰ্থনৈতিক বৈষ্যমতাৰ সৃষ্টি হোৱা দেখা গৈছে।

সপ্তমতে, 'নাগৰিকত্ব সংশোধনী বিধেয়ক'ৰ কথা উল্লেখ কৰিব পাৰি। এইক্ষেত্ৰত চৰকাৰে ধৰ্মৰ ভিত্তিত বৈষম্য আচৰণ কৰা পৰিলক্ষিত হৈছে। চৰকাৰে এক প্ৰকাৰৰ ধাৰ্মিক ৰাজনীতি আৰম্ভ কৰিছে যাৰ ফলত জনসাধাৰণৰ সমতাৰ অধিকাৰ খৰ্ব কৰা হৈছে।

অষ্টমতে, সংবিধানৰ ৩৬১ নং অনুচ্ছেদত ৰাষ্ট্ৰপতি আৰু গৰৰ্ণৰৰ বাবে প্ৰতিৰক্ষাৰ ব্যৱস্থা দিয়া হৈছে। তেওঁলোকে অপৰাধ কৰিলেও তাক অপৰাধ হিচাপে গণ্য কৰা নহ'ব বা ন্যায়ালয়ৰ দ্বাৰা তেওঁলোকক প্ৰত্যাহ্বান জনাব নোৱাৰিব। উদাহৰণস্বৰূপে— 'ৰাম মন্দিৰ-বাবৰি মছজিদ' গোচৰত উচ্চতম ন্যায়ালয়ৰ এক ৰায়ত অপৰাধীৰ তালিকাত উমা ভাৰতী, মুৰলী মনোহৰ যোচীৰ লগতে ৰাজস্থানৰ গৱৰ্ণৰ কল্যাণ সিঙৰ নাম আছিল। কিন্তু কল্যাণ সিং গৱৰ্ণৰ হোৱাৰ বাবে তেওঁৰ ওপৰত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাছিল। গতিকে এইক্ষেত্ৰত বৈষম্য আচৰণ স্পষ্টভাৱে প্ৰকাশ ঘটিছে।

নৱমতে, বিশেষ জৰুৰী বুলি বিবেচিত প্ৰয়োজনত নাগৰিকক প্ৰদান কৰা মৌলিক অধিকাৰসমূহ বাতিল কৰাৰ ক্ষমতাও চৰকাৰৰ থাকিব বুলি সংবিধানত কোৱা হৈছে। তদুপৰি স্বাভাৱিক অৱস্থাতো নাগৰিকৰ যিকোনো মৌলিক অধিকাৰ ৰদ কৰি দিব পৰাৰ ব্যৱস্থাও আছে। গণতান্ত্ৰিক প্ৰমূল্যৰ প্ৰতি চৰকাৰ সজাগ নহ'লে এনেবোৰ সুৰুঙাৰে নাগৰিকৰ জীৱনলৈ বিপৰ্যয় নামি আহিব পৰাৰ আশংকাও থাকে।

গতিকে দেখা যায় যে এফালে যদি সমতাৰ অধিকাৰৰ কথা কোৱা হৈছে আনফালে আকৌ সম্পূৰ্ণৰূপে বিৰোপ প্ৰতিক্ৰিয়া দেখা যায়। যি কি নহওক, এই অধিকাৰৰ ক্ষেত্ৰত বহু সমালোচনা দেখা যায় যদিও এই অধিকাৰ মূল্যহীন নহয়। জনসাধাৰণৰ সমতাৰ অধিকাৰ অত্যন্ত গুৰুত্বপূৰ্ণ এক মৌলিক অধিকাৰ। নাগৰিকৰ এই মৌলিক অধিকাৰসমূহ মানৱ সমাজৰ বহু কালজোৰা নিৰৱচ্ছিন্ন সাধনা আৰু সংগ্ৰামৰ ফল। ই ব্যক্তিৰ বিকাশ তথা উৎকৰ্ষৰো অন্যতম ভেঁটি।

সংবিধানে জনসাধাৰণৰ স্বাৰ্থত এই অধিকাৰ প্ৰদান কৰিছে। কিছুমান ক্ষেত্ৰত এই অধিকাৰৰ পৰা জনসাধাৰণ বঞ্চিত হৈছে যদিও ন্যায়ালয়ে এই অধিকাৰক সুৰক্ষা দিয়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে আৰু বহুখিনি সফলতাও লাভ কৰিছে। যিহেতু এইবোৰৰ স্বীকৃতি আৰু সাৰ্থক উপভোগতহে ব্যক্তি, প্ৰকৃতি আৰু ৰাষ্ট্ৰৰ মাজত নিবিড়তম সম্পৰ্ক স্থাপন সম্ভৱ। অৱশ্যে এই সম্পৰ্ক স্থাপন কৰাত নাগৰিকসকলৰ কৰ্তব্যসমূহৰ ভূমিকাৰ গুৰুত্বপূৰ্ণ। নাগৰিকৰ মৌলিক অধিকাৰসমূহ ৰক্ষা কৰিবৰ বাবে প্ৰতিজন ব্যক্তি সচেতন হোৱা অতি প্ৰয়োজন। সমাজৰ প্ৰতি কৰণীয় কৰ্তব্যই হ'ল মানৱীয়তা আৰু গণতন্ত্ৰক সেউজী-সজীৱ ৰূপত জীয়াই ৰখাৰো সাৰপানী।

❑❑

# Tiktok, PUBG... এক সামাজিক ব্যাধি

❍ স্নিগ্ধা দেৱী
তৃতীয় ষান্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ




Tiktok বৰ্তমান সময়ত বহুলভাৱে প্ৰচলিত এবিধ এপ্ বা প্ৰয়োগ। সাম্প্ৰতিক কালত যান্ত্ৰিকতাৰে ভৰা জীৱন যাত্ৰাত মানুহৰ এনে কিছুমান ইন্ধনৰ প্ৰয়োজন, যিয়ে আমাৰ মানসিক চাপ হ্ৰাস কৰে আৰু মনোৰঞ্জন প্ৰদান কৰে। যাৰ ফলত আমাৰ মন-মগজুক অলপ সময়ৰ কাৰণে হ'লেও অত্যাধিক চিন্তাৰ পৰা মুক্তি প্ৰদান কৰে, আনন্দ দিয়ে। সেইবুলি ইয়াৰ ব্যৱহাৰৰ ক্ষেত্ৰত এটা নিৰ্দিষ্ট সীমা থকাটো অত্যন্ত প্ৰয়োজন। সেই সীমা অতিক্ৰম কৰি গ'লেই ই আমাৰ বাবে ক্ষতিকাৰক হৈ পৰিব।

প্ৰত্যেকটো বস্তুৰে ভাল আৰু বেয়া দুয়োটা দিশেই আছে। যেতিয়ালৈকে আমি ইয়াক এটা সীমাৰ ভিতৰতহে ব্যৱহাৰ কৰিম অৰ্থাৎ প্ৰয়োজনতহে ব্যৱহাৰ কৰি, তেতিয়ালৈকে ই আমাৰ বাবে লাভজনক হ'ব। কিন্তু যেতিয়াই ইয়াৰ সীমা চেৰাই যাব, অতিমাত্ৰা ব্যৱহাৰ হ'ব ই আমাৰ আসক্তি তথা নিচালৈ পৰিৱৰ্তন হ'ব, তেতিয়াই ই আমাৰ বাবে ক্ষতিকাৰক হৈ পৰিব। এইবিলাকৰ অত্যাধিক ব্যৱহাৰে আমাৰ স্বাস্থ্য আৰু মানসিকভাৱে ঋণাত্মক প্ৰভাৱ পেলায়।

এইবিলাকৰ অত্যাধিক ব্যৱহাৰে আমাৰ যুৱপ্ৰজন্মৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছে। বিশেষকৈ সময়, যিটো আমাৰ ছাত্ৰ জীৱনত আটাইতকৈ গুৰুত্বপূৰ্ণ। Tiktok, Musically আদিত ভিডিঅ' বনাই থাকোঁতে আমাৰ জীৱনৰ কিমান মূল্যৱান সময় এনেয়ে পাৰ হৈ যায়, হয়তো আমি উপলব্ধি কৰিব নোৱাৰো। সেইবোৰৰ ব্যস্ত থকাৰ ফলত আমি নিজৰ মাজত থকা প্ৰতিভাবিলাকৰ কথা চিন্তা কৰিবলৈ আহৰিয়েই নাপাওঁ। প্ৰত্যেক ছাত্ৰ-ছাত্ৰী বা ল'ৰা-ছোৱালীৰ মাজত একো একোটা অসাধাৰণ প্ৰতিভা লুকাই থাকে। গতিকে আমি আনে কৰা গান, ভিডিঅ' আদি নকল কৰি অভিনয় কৰি প্ৰকাশ কৰাতকৈ নিজৰ মাজত থকা সুপ্ত প্ৰতিভাসমূহ জগাই তুলিবলৈ চেষ্টা কৰিব লাগে আৰু সেইবোৰ সমাজত বিকাশ কৰিব লাগে। নতুন নতুন সৃষ্টিৰ ওপৰত গুৰুত্ব দিব লাগে। Tiktok, Musically আদিত বেছি সময় ব্যস্ত থকাৰ ফলত আমাৰ চিন্তাশক্তি হ্ৰাস পাবলৈ ধৰিছে আৰু আমি দিনক দিনে এলেহুৱা হৈ পৰিছো। আমাৰ মাজত থকা প্ৰতিভাসমূহ শুই পৰিছে। গতিকে আমি সজাগ হ'বৰ হ'ল। আজিৰ নৱপ্ৰজন্ম এইদৰে শুই থাকিলে দেশৰ ভৱিষ্যত কি হ'ব?

সমীক্ষামতে, ভাৰতবৰ্ষতে Tiktok ৰ ব্যৱহাৰ আন দেশৰ তুলনাত বেছি। বাহিৰৰ দেশসমূহত যুৱ-প্ৰজন্ম/ছাত্ৰ-ছাত্ৰীসকল নতুন নতুন চিন্তা-চৰ্চা ব্যস্ত, প্ৰযুক্তিবিদ্যাৰ প্ৰসাৰৰ ওপৰত গুৰুত্ব দিছে। এচামে চিন্তা কৰি আছে মংগল গ্ৰহত জীৱ থকাৰ সম্ভাৱনাৰ ওপৰত আনহাতে এচামে আকৌ Tiktok ত ভিডিঅ' বনোৱাত ব্যস্ত। কি যে হাস্যকৰ।

বৰ্তমান সময়ত অত্যাধিক ব্যৱহৃত আন এবিধ আসক্তি হৈছে PUBG। ই হৈছে এটা ভিডিঅ' গেম বা খেল। ভিডিঅ' গেম খেলাটো বেয়া কথা নহয়। ই আমাৰ চিন্তাশক্তি বঢ়োৱাত সহায় কৰে। আমাৰ মগজুৰ সক্ৰিয়তা বৃদ্ধি কৰে। কিন্তু তাতো এটা সীমা থকাটো প্ৰয়োজন। PUBG আদি অত্যাধিক ব্যৱহাৰে আমাৰ বহুত অপকাৰো সাধন কৰে। যেতিয়ালৈকে ই সীমিতভাৱে ব্যৱহৃত হয়, তেতিয়ালৈকে ঠিকে আছে। কিন্তু যেতিয়া ই আসক্তিলৈ পৰিণত হয় আমাৰ যথেষ্ট ক্ষতি কৰে। বৰ্তমান যুৱচামৰ মাজত PUBG ৰ ব্যৱহাৰ যথেষ্ট পৰিমাণে দেখা যায়। তেওঁলোকৰ কাৰণে যেন PUBG তকৈ বেছি গুৰুত্বপূৰ্ণ একোৱেই নাই। এই কথাত ঘৰত বাধা প্ৰদান কৰিলে কাজিয়া কৰে। অতিকৈ লজ্জাজনক কথা যে— দুই-এক এনেকুৱা ঘটনা ঘটিছে, যিয়ে PUBG খেলিবলৈ নাপাই আত্মহাহৰ পথ বাছি লৈছে। ইয়াতকৈ লাজৰ কথা আমাৰ বাবে কি হ'ব পাৰে।

এনেদৰে থাকিলে আমি আন দেশবোৰতকৈ বহুত পিছ পৰি ৰ'ম। ভাৰতবৰ্ষই কেতিয়াও উন্নয়নশীল ৰাষ্ট্ৰৰ পৰা উন্নত ৰাষ্ট্ৰলৈ স্বীকৃতি নাপাবগৈ। যদিহে দেশৰ ভৱিষ্যত নাগৰিকসকল সজাগ নহয়। গতিকে সময় থাকোঁতেই Tiktok, Musically, PUBG আদিত অমূল্য সময়বোৰ নষ্ট নকৰি নিজৰ উচ্চ চিন্তা-চৰ্চা আৰু সৃষ্টিশীলতাৰ ওপৰত গুৰুত্ব দিয়াতো অত্যন্ত প্ৰয়োজন।

❑❑

# শিক্ষা আহৰণৰ উৎকৃষ্ট মাধ্যম মাতৃভাষা

❍ স্নেহা চাৰু
পঞ্চম ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ




মাতৃ আৰু মাতৃভাষা একেটি মুদ্ৰাৰেই ইপিঠি সিপিঠি। এটা অস্তিত্বক আনটোৰ পৰা পৃথক কৰিব নোৱাৰি। এটিৰ অস্তিত্ব আনটিৰ অস্তিত্বৰ সতে নিবিড়ভাৱে জড়িত।

শিক্ষা ব্যৱস্থাত মাতৃভাষাৰ গুৰুত্ব সম্পৰ্কে অনেক আলোচনা-বিলোচনা হৈছে। তেনে সময়ত এটা কথা স্বীকৃত যে মাতৃভাষাই শিক্ষাৰ প্ৰকৃত মাধ্যম হোৱাটো বাঞ্ছনীয়। অন্ততঃ প্ৰাথমিক তথা মাধ্যমিক স্তৰত মাতৃভাষাৰ গুৰুত্ব আৰু কাৰ্যকাৰীতা অপৰিসীম। উচ্চ শিক্ষা বহু পৰিমাণে নিৰ্ভৰ কৰে প্ৰাথমিক তথা মাধ্যমিক শিক্ষাৰ গুণগত দিশৰ ওপৰত। উচ্চ শিক্ষাৰ কক্ষপথত অৱস্থান কৰাৰ সময়ত এগৰাকী বিদ্যাৰ্থীয়ে বহু পৰিমাণে সাবালকত্ব লাভ কৰিবলৈ সক্ষম হয়। সাবালকত্ব প্ৰাপ্তিৰ সময়ত তেওঁলোক আত্মনিৰ্ভৰশীল হ'বলৈয়ো শিকে। কিন্তু

প্ৰাথমিক তথা মাধ্যমিক স্তৰত বিদ্যাৰ্থীসকলৰ মন তৰলাৱস্থাত থাকে। তেওঁলোকৰ মন মেজাজ হয় অনুকৰণপ্ৰৱণ। লগতে কল্পনাবিলাসীও। এই বয়সৰ স্তৰ অত্যন্ত স্পৰ্শকাতৰ তথা থুনুকা। শিক্ষা-প্ৰশিক্ষাৰ ক্ষেত্ৰত কিঞ্চিত হীনদেঢ়ি হ'লেই তাৰ পৰিণতি ভয়ংকৰ হয়। এনে পৰিপ্ৰেক্ষিততেই মাতৃভাষাৰ গুৰুত্ব অপৰিসীম। বিশেষকৈ, প্ৰাক্-প্ৰাথমিকৰ পৰা প্ৰাথমিকলৈ আৰু প্ৰাথমিকৰ পৰা মাধ্যমিকলৈ মাতৃভাষাৰ মাধ্যমেৰে শিক্ষাদান কৰাটো এটা স্বাভিমানী জাতিৰ বাবে প্ৰথম আৰু প্ৰধান কৰণীয়। মাতৃভাষাৰ মাধ্যমেৰে যিমানখিনিলৈ সম্ভৱ সিমানখিনিলৈ উচ্চ শিক্ষাৰ ফালে যোৱা বাট পোনাব পাৰিলে আৰু মংগলজনক। উচ্চ শিক্ষাকো মাতৃভাষাৰ মাধ্যমেৰে সামৰিবলৈ কৰা চেষ্টাও অব্যাহত ৰাখিব লাগিব।

মাতৃভূমি, মাতৃভাষা আৰু নিজৰ মাতৃৰ প্ৰতি শ্ৰদ্ধা আৰু আন্তৰিকতা ঘাইকৈ নিৰ্ভৰ কৰে ব্যক্তিৰ স্বদেশ-স্বজাতি প্ৰীতিৰ ওপৰত। নিজৰ মাতৃ তথা মাতৃভূমিৰ প্ৰতি অনীহাপ্ৰৱণ জাতিয়ে এটা স্বাভিমানী জাতি হিচাপে কেতিয়াও জীয়াই থাকিব নোৱাৰে। কোনো জাতিয়েই নিজৰ মাতৃভাষাৰ প্ৰতি অনীহা প্ৰকাশ কৰিবই নোৱাৰে। সাগৰগামী লক্ষ্য মাতৃভাষাৰ মাধ্যমেৰেও সম্ভৱ।

ইতিমধ্যে বিভিন্ন অধ্যয়ন আৰু গৱেষণাৰ মাজেৰেও এই তথ্য প্ৰকাশ পাইছে যে, মাতৃভাষাৰ মাধ্যমেৰে শিক্ষা লাভ কৰা ব্যক্তিসকলেহে আন আন ভাষাৰ শিক্ষা প্ৰশিক্ষণবোৰ সুন্দৰকৈ আয়ত্ত কৰিব পাৰে। মাতৃভাষাৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীসকলৰ মনত এক জাতীয় চেতনাৰ ভাৱ জাগ্ৰত কৰিব পাৰি। বিদেশী ভাষাৰ মাধ্যমেৰে এক দাসত্বৰ মানসিকতাৰ সৃষ্টি হোৱা দেখা যায়, বাস্তৱ ক্ষেত্ৰত সেইটোৱেই হৈছে। আমাৰ স্বাধীনোত্তৰ ভাৰতবৰ্ষৰ মধ্যবিত্তসকলৰ মনত এক বিশেষ ইংৰাজী প্ৰীতি জাগ্ৰত হোৱা প্ৰায়ে দেখা যায়। বিশেষকৈ ২০০ বছৰ ইংৰাজসকলৰ শাসনাধীন হোৱা বাবে এইচাম লোকৰ মনৰ পৰা জাতীয় চেতনাৰ বিলুপ্তি ঘটিছে। তেওঁলোকৰ মনৰ ধাৰণা, মাতৃভাষাৰ মাধ্যমেৰে শিক্ষা গ্ৰহণ কৰিলে আধুনিক ভাৱাপন্ন হ'ব নোৱাৰি। এই ধাৰণা ১০০ শতাংশই ভুল।

প্ৰত্যেক পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালীৰ উজ্জ্বল ভৱিষ্যত বিচাৰি মাতৃভাষা মাধ্যমৰ বিদ্যালয়ত নামভৰ্তি কৰাটো উচিত। আমি যিটো ভাষাত চিন্তা-ভাৱনা কৰো, যি ভাষাত সপোন দেখো তেনে ভাষাৰ ওপৰত ভিত্তি কৰি পঢ়া-শুনা আৰম্ভ কৰিব লাগে। এইটোৱেই শিক্ষণৰ নিয়ম। প্ৰাক্তন ৰাষ্ট্ৰপতি এ.পি.জে. আব্দুল কালামে কৈছিল, "মই আজি বৈজ্ঞানিক হ'ব পাৰিছো। কাৰণ মই মোৰ মাতৃভাষাত পঢ়া-শুনা কৰিছোঁ।"

ক'ৰবাত শুনিছিলো যিয়ে নিজৰ মাতৃভাষাক সন্মান নকৰে তেওঁ নিজৰ মাতৃ দুগ্ধকো অপমান কৰে। নিজৰ মাতৃভাষাক ভাল পালেহে দেশৰ প্ৰতি শ্ৰদ্ধা জাগ্ৰত হ'ব আৰু নিজ সংস্কৃতি ৰক্ষাৰ বাবে যত্নপৰ হ'ব। সেয়ে মাতৃভাষা হ'ল শিক্ষা আহৰণৰ উৎকৃষ্ট মাধ্যম।

'চিৰ চেনেহী মোৰ ভাষা জননী'

❑❑

# শিক্ষা আৰু বৰ্তমান যুগত ইয়াৰ প্ৰভাৱ

❍ শ্যামল চৰাইমূৰীয়া
প্ৰথম যান্মাসিক, ভূ-তত্ত্ব বিভাগ



'Education is the capacity to feel, leasure and pain the tight moment. It develops in the body and the soul of pupil; all the beauty and all the perfection which he is capable of.' —**Plato**

মানৱ সভ্যতা আৰু সমাজৰ ক্ৰমবিকাশৰ লগে লগে নৱপ্ৰজন্মৰ গতিধাৰাও উন্নতিৰ শিখৰলৈ ক্ৰমান্বয়ে ধাৱিত হৈছে। মানৱ জাতি হ'ল সামাজিক প্ৰাণী। একোখন সমাজত সুখে-শান্তিৰে বসবাস কৰি সমাজখনৰ মংগল সাধন কৰাই এই জাতিৰ প্ৰধান উদ্দেশ্য। বৰ্তমান যুৱ প্ৰজন্ম হ'ল এই জাতিৰ উজ্জ্বল ভৱিষ্যৎ। গতিকে এইক্ষেত্ৰত নৱপ্ৰজন্মৰ যুৱক-যুৱতীৰ বাবে আটাইতকৈ পৱিত্ৰ আৰু প্ৰধান কৰ্তব্য হৈছে অধ্যয়ন বা শিক্ষা আৰু ইয়াৰ মূল্যবোধ হৃদয়ংগম কৰা। মনীষীসকলে কোৱা 'ছাত্ৰানং

অধ্যনং তপঃ’ —এই কথাষাৰ ইয়াতেই প্ৰণিধানযোগ্য।

মানুহে শিক্ষাৰ দ্বাৰাই সুস্থ-সবল জীৱন-যাপন কৰিবলৈ তথা নিজকে যিকোনো সময়তে যিকোনো পৰিস্থিতিৰ সৈতে খাপ খুৱাবলৈ সমৰ্থ হয়। শিক্ষাই হ'ল মানৱ জাতিৰ ভৱিষ্যৎ জীৱনৰ দুৱাৰ মুকলি কৰাৰ উৎকৃষ্ট চাবি-কাঠি। যদিও বিদ্যাকেই শিক্ষাৰূপে গণ্য কৰা হয়, তথাপি শিক্ষানুষ্ঠানৰ চাৰিবেৰৰ মাজত থাকি কিতাপৰ পাত লুটিয়াই পৰীক্ষাৰ যথাযথ প্ৰশ্নোত্তৰ কৰি সুকৃতিৰে উত্তীৰ্ণ হৈ আনুষ্ঠানিক শিক্ষা সাং কৰিলেই শিক্ষিত ব্যক্তি বুলি স্বীকৃতি দিব নোৱাৰি। নিজস্ব জীৱন সুপৰিচালিত কৰি, স্বকীয় প্ৰভাৱেৰে আনক প্ৰভাৱান্বিত কৰি সমাজ গঢ়াৰ প্ৰয়াসেৰে যি বিদ্যা অৰ্জন কৰা হয়, সেই বিদ্যাই হ'ল প্ৰকৃত বিদ্যা। শিক্ষিত হ'বলৈ হ'লে সাক্ষৰ হোৱাৰ উপৰি যুৱ প্ৰজন্মৰ কিছুমান কৰ্তব্য আছে, যাৰ দ্বাৰা তেওঁলোকে নিজকে ‘শিক্ষিত’ বুলি চিনাকি দিব পাৰে। ছাত্ৰ-ছাত্ৰীয়ে পোনপ্ৰথমে পিতৃ-মাতৃ, পৰিয়ালবৰ্গ তথা গুৰুক সন্মান জনোৱা উচিত। কিয়নো পিতৃ-মাতৃ আৰু গুৰুৱেই হৈছে সন্তানৰ উজ্জ্বল ভৱিষ্যতৰ প্ৰধান দিক্‌দৰ্শক।

সময় পৰিৱৰ্তনশীল, সমাজ পৰিৱৰ্তনশীল, ৰীতি-নীতি, চলন-ফুৰণো পৰিৱৰ্তনশীল। শিক্ষাৰ দ্বাৰা মানৱ জাতিৰ সামগ্ৰিক জীৱনশৈলী আৰু সভ্যতাৰ ভেঁটিৰ সৃজনীমূলক প্ৰতিভাৰ বিকাশ হয়। প্ৰাচীন তথা বৈদিক যুগৰ পৰা আজি পৰ্যন্ত শিক্ষাৰ বহুল প্ৰচলন হৈ আহিছে। পাৰ্থক্য মাত্ৰ এটাই, প্ৰাচীন শিক্ষা ব্যৱস্থাত শিক্ষাৰ্থীয়ে প্ৰাকৃতিক পৰিৱেশৰ সংস্পৰ্শত থাকি চাৰি আশ্ৰমত বিভক্ত শিক্ষাৰ জ্ঞান আহৰণ কৰিছিল আৰু বৰ্তমান যুগত যান্ত্ৰিকতাৰ পৰিৱেশত আধুনিক প্ৰক্ৰিয়াৰে চাৰিবেৰৰ ভিতৰত থাকি শিক্ষাৰ্থীয়ে প্ৰাথমিকৰ পৰা আৰম্ভ কৰি বিভিন্ন স্তৰৰ শিক্ষা আহৰণ কৰে।

বৰ্তমানৰ সমাজখন অতিশয় উচ্ছৃংখল হৈ পৰিছে। শিক্ষিত হৈও সংস্থাপনহীন যুৱকসকল ড্ৰাগছ, অশ্লীল ভিডিঅ’, ইণ্টাৰনেট, ৰেগিং আদিৰ আসক্তিয়ে দিনে দিনে কোঙা কৰিব ধৰিছে। কিন্তু সচেতন সমাজ ব্যৱস্থাত সু-নাগৰিকৰ জন্ম দিয়াটো কৰ্তব্য। যিদৰে গছ এডাল কাটি দিলে, গছডাল সম্পূৰ্ণৰূপে নিঃশেষ হৈ যায়, ঠিক তেনেদৰে যুৱ প্ৰজন্মকো তেওঁলোকৰ কু-কৰ্মৰ বাবে শাস্তি দিয়া উচিত। কিন্তু শাস্তি হিচাপে মৃত্যুদণ্ড দিয়া উচিত নহয়। কিয়নো সকলোকে দ্বিতীয় সুযোগ দিয়াটো শিক্ষিতচামৰ কৰ্তব্য। শিক্ষা হৈছে আজন্ম অধিকাৰ। মানুহক মানুহ কৰাৰ পৱিত্ৰ আৰু মহান মানৱীয় প্ৰয়াসেই হৈছে শিক্ষা। লোহা যিমানেই কঠিন নহওক কিয়, গ্ৰেনাইটৰ দ্বাৰা ইয়াক বিস্ফোৰণ কৰাৰ দৰে, শিক্ষাৰ অধিকাৰ ৰক্ষা কৰাৰ বাবে প্ৰত্যেক ব্যক্তিয়েই সচেতন হ'ব লাগিব। এখন সুন্দৰ, সমৃদ্ধিশালী, শিক্ষিত সমাজ গঢ়াৰ বাবে সকলোৱে প্ৰতিজ্ঞাবদ্ধ হ'ব লাগিব আৰু নিজৰ কৰ্তব্য আৰু দায়িত্ব পালন কৰিব লাগিব। এই ক্ষেত্ৰত ড° এ.পি.জে. আব্দুল কালাম মহোদয়েও নৱ প্ৰজন্মৰ যুৱক-যুৱতীৰ বাবে এটা বাৰ্তা প্ৰেৰণ কৰি হৈ গৈছে—

“My message, especially to young people is to have courage to think different, courage to invent, to travel the unexplored path, courage to discover the impossible and to conquer the problems and the succed. These are great qualities that they must work towards. This is my message to the young people.”

❑❑

# নাৰী জীৱনৰ সংগ্ৰাম...

❍ প্ৰীতিস্মৃতা গগৈ
প্ৰথম ষান্মাসিক, অৰ্থনীতি বিভাগ




এটি পৱিত্ৰ শব্দ— 'নাৰী', যাৰ উচ্চাৰণে দেহত অনন্য ভাৱৰ শিহৰণ সঞ্চাৰিত কৰে। তেনেদৰে 'মা' শব্দটোৰ মায়াজালেই সুকীয়া। উচ্চাৰণত মমতাৰ স্ৰোত প্ৰৱাহিত হয়। অদ্ভুত এক মোহিনী শক্তিৰে দেহত সঞ্চাৰিত কৰে এক সন্মোহিনী শিহৰণ। নাৰী শব্দটোৰ সৈতে সাঙুৰ খাই থকা এই মা, আইতা, বাইদেউ, ভণ্টী আদি শব্দবোৰৰ সৈতেই সংসাৰখন পূৰ্ণ হৈ থাকে।

সাহসৰ প্ৰতিমূৰ্ত্তিস্বৰূপ এই নাৰী যাৰ জীৱন সংঘাত এই পৃথিৱীত গণনাৰ উৰ্দ্ধত। বৰ্তমানে এটি কন্যা সন্তানে এই পৃথিৱীত জন্ম গ্ৰহণৰ আগত কিজানি শত কোটিবাৰ চিন্তা কৰে। মৰণত শৰণ দিহে হয়তো সেই কন্যা সন্তানটিয়ে প্ৰকৃতিৰে মোহান্বিত এই পৃথিৱীৰ ৰূপসুধা পান কৰিবলৈ মাতৃ গৰ্ভৰ পৰা ওলাই আহে। কন্যা সন্তানটিৰ এনে ভীতিগ্ৰস্ততাৰ মূলতে হ'ল প্ৰচলিত সমাজ ব্যৱস্থা। বৰ্তমান বিজ্ঞানৰ ইমান অগ্ৰগতিৰ পিছতো মধ্যযুগীয়া ধ্যান-ধাৰণাতে সমাজ আবদ্ধ হৈ আছে। সমাজৰ সেই ধ্যান-ধাৰণাৰ কবলত পৰি বহুতো পিতৃ-মাতৃৰ নিজৰ সন্তানৰ প্ৰতি থাকিবলগীয়া মমতাবোধো যেন ধূলিসাৎ হৈ পৰিছে। ইয়াৰ উদাহৰণ এনে কিছুমান পিতৃ-মাতৃ, যিসকলে গৰ্ভত সংস্থাপিত ভ্ৰূণটো কন্যা বুলি জনাৰ পিছত গৰ্ভতে ভ্ৰূণটো নষ্ট কৰায়। দুখৰ কথা যে, বিজ্ঞানৰ চৰম উন্নতিৰ যুগত এটা সন্তানৰ লিংগ ভ্ৰূণাৱস্থাতে জানিব পৰাটো মানুহে ঠেক মানসিকতাৰ স্বাৰ্থত ব্যৱহাৰ কৰিবলৈ বিচাৰে। কিয়নো, বিজ্ঞানৰ এই সুবিধা মাতৃ সন্তানৰ হিতে সৃষ্টি কৰা হৈছে। প্ৰয়োজন সাপেক্ষে ভ্ৰূণটো সংস্থাপিত হোৱা ঠাইডোখৰ যদি মাতৃ দেহৰ বাবে সংকটময় হয় তেন্তে সেই ভ্ৰূণটো গৰ্ভতে নষ্ট কৰায় দিব পাৰি। মানুহৰ এনে হিতাৰ্থৰ বাবে সৃষ্টি কৰা বিজ্ঞানৰ এই প্ৰচেষ্টাবোৰৰ ভুল ব্যৱহাৰ কৰি কেৱল লিংগ বিভেদৰ বাবেই ভ্ৰূণটো নষ্ট কৰাটো জানো মানৱীয়তাৰ পক্ষে? ইয়ে মানুহৰ মানসিক বিভ্ৰান্তিৰ পৰিচয় দিয়া নাইনে?

যি সন্তানৰ অপেক্ষাত নিজে ন মাহ ধৰি উদ্বাউল হৈ থাকে কেৱল কন্যা হোৱাৰ বাবেই সেই সন্তানটিৰ হত্যা কৰা নাৰীগৰাকী নিজেও এগৰাকী কন্যা নহয়নে বাৰু? তেনে অৱস্থাত সেই নাৰীগৰাকীৰ মমতাবোধ ক'ত হেৰাই যায়?

সৃষ্টিৰ আৰম্ভণিৰে পৰা সংসাৰৰ অগ্ৰগতিৰ মূলমন্ত্ৰ হিচাপে নাৰীৰ স্থানেই উচ্চ। নাৰীৰ অবিহনে সংসাৰৰ অগ্ৰগতিৰ প্ৰক্ৰিয়া স্থবিৰ। তেনে অৱস্থাত সমাজত নাৰীক মান-মৰ্যাদা দিয়াতো দূৰৰে কথা, নাৰীয়ে সমাজখনত নিৰাপদে জীয়াই থকাৰ অধিকাৰকণো হেৰুৱাইছে।

সাম্প্ৰতিকত নিত্য-নৈমিত্তিক ঘটনাৰূপে চিৰপৰিচিত নাৰী ধৰ্ষণ তথা হত্যাকাণ্ডই শিহৰিত কৰি তোলে। বিজ্ঞানৰ চৰম অগ্ৰগতিৰ কালত মানুহৰ চিন্তা-ধাৰাই য'ত মহাকাশ চুব পাৰিছে, তেনে অৱস্থাতো কিছু সমাজৰ মানুহৰ মানসিকতা ইমানেই ঠেক পৰিসৰত আৱদ্ধ হৈছে যে সমাজৰ কিছুসংখ্যক নিলৰ্জ্জ পুৰুষে নাৰীক কেৱল বেশ্যাৰ চকুৰেহে চাবলৈ ধৰিছে। পূৰ্বৰ সমাজ ব্যৱস্থাত, য'ত নেকি নাৰীক দেৱীৰ মৰ্যাদা দিয়া হৈছিল, য'ত নাৰীক সতী-সাবিত্ৰীৰ আখ্যা দিছিল, সেই মান-মৰ্যাদা বৰ্তমানে কেৱল একোটা পৰিয়ালতে সীমাবদ্ধ হোৱা দেখা যায়। মই সকলো পুৰুষকেই দোষাৰূপ কৰিব খোজা নাই। মোৰ ধাৰণা মতে, চৰিত্ৰহীন পুৰুষসকলে ভালৰ আঁৰত নিলৰ্জ্জতাৰ কামেৰে সমাজখন তথা পুৰুষ জাতিটোক দাগ লগোৱাতকৈ আত্মজাহ যোৱাটোৱেই শ্ৰেয়। পুৰুষজাতিৰ আঁৰত সেইসকল নৰপিশাচে নিজৰ চৰমহীনতাৰ প্ৰমাণ নকৰেনে?

এইটো সমস্যাৰ লগত জড়িত অন্য এটা সমস্যা হ'ল আধুনিক সমাজ ব্যৱস্থাত নাৰীৰ বাক্ স্বাধীনতা হেৰাই যাব ধৰিছে। জীৱন যাত্ৰাৰ প্ৰতি মুহূৰ্তৰ প্ৰতিটো খোজতেই নাৰীয়ে হাজাৰ বাৰ চিন্তিহে কাম কৰিব লগা হয়। কিয়নো প্ৰতিপলে নাৰীগৰাকী সমাজত বদনামৰ ভাগী হোৱা তথা শাৰীৰিক নিৰাপত্তাৰ আশংকাত ভীতিগ্ৰস্ত হৈ থাকে।

নাৰী জীৱনৰ এক অতি দুৰ্বিসহ সময় হৈছে বৈধব্য জীৱন। এনে অৱস্থাপ্ৰাপ্ত মহিলাসকল সমাজত মানসিকভাৱে যথেষ্ট অকলশৰীয়া। প্ৰধানকৈ ব্ৰাহ্মণকূলৰ বিধৱাসকল অধিক অসহায়ী হৈ পৰে। তেওঁলোকৰ ওপৰত থকা নীতি-নিয়ম, বাধা-নিষেধাজ্ঞাসমূহ সদায়েই মানসিক উৎপীড়নৰ উৰ্দ্ধত। অবৰ্ণনীয় মানসিক তথা শাৰীৰিক উৎপীড়নত নাৰীগৰাকী মানসিক ও শাৰীৰিকভাৱে যন্ত্ৰণাকাতৰ হৈ দুৰ্বলতাৰে ভাঙি পৰে।

এইবোৰৰ বাদেও মন কৰিবলগীয়া যে, প্ৰাচ্যৰ প্ৰায়বোৰ দেশতে নাৰীয়ে জীৱনত মুক্ত মনেৰে জীয়াই থকা সুযোগকণো নাপায়। ঘৰৰ বাহিৰৰ পৃথিৱীখন অন্তৰ পূৰাই চাবলৈ থকা অধিকাৰকণো যেন নুই হৈ পৰিছে। এটা জ্বলন্ত উদাহৰণস্বৰূপে— 'চৌদি আৰৱ', দেশখন প্ৰযুক্তি বিদ্যাৰ পৰা আৰম্ভ কৰি আন সকলো ক্ষেত্ৰতে যথেষ্ট উন্নত তথা চহকী। তথাপিও যেন, আমেৰিকাৰ পৰম মিত্ৰ হৈও আজিও চৌদি আৰৱ মধ্যযুগীয় ধ্যান-ধাৰণাৰেই পৰিচালিত হৈ আছে। দেশখনৰ যেন প্ৰধান পৰিচয় হৈ পৰিছে নাৰীৰ ওপৰত থকা ৰক্ষণশীলতা। ইছলাম ধৰ্মৰ জন্মস্থান চৌদি আৰৱৰ সামাজিক বান্ধোনৰ কঠোৰতাৰ বিষয়ে চৌদি আৰৱৰে লেখিকা ৰাজা আল ছানিয়ে তেওঁৰ প্ৰথম উপন্যাস 'বানাত আলা ৰিয়াধ' (ইংৰাজীৰ 'দা গালৰ্ছ অৱ ৰিয়াধ)ত সুস্থ ৰূপত বৰ্ণনা কৰিছে। তেখেতৰ উপন্যাসখনত মূল চৰিত্ৰকেইটাৰ মুক্ত জীৱন-যাপন, প্ৰেম, যৌনতা আৰু এলক'হলৰ উদ্দাম সোঁতত উটি যোৱা, কৈশোৰকালীন সমকামিতা আৰু সহবাসৰ প্ৰতি নিস্পৃহ স্বামীৰ বাবে হোৱা পত্নীৰ যন্ত্ৰণাৰ বিষয়ে বৰ্ণনা কৰা হৈছে। এইবোৰ বিষয়ে স্বাভাৱিকতেই চৌদি সমাজক নিন্দা কৰিব; য'ত

এতিয়াও নাৰীক পুৰুষৰ অধীন বুলি ভবা হয়, পুৰুষ সংগী অবিহনে নাৰীৰ য'ত চলা-ফুৰা কৰাই অসম্ভৱ বুলি ভবা হয়। ছানিয়ে তেওঁৰ উপন্যাসখনত এই কথা স্পষ্টকৈ উল্লেখ কৰিছে যে— পুৰুষৰ দৰে কামনা-বাসনা, অনুভূতি নাৰীৰো আছে। তেনে অৱস্থাত পুৰুষৰ দাবীক গ্ৰাহ্য কৰি নাৰীৰ দাবীক অগ্ৰাহ্য কৰাটোৱে সমাজৰ অধিক সংখ্যকক দমন কৰি ৰখাটো বুজায়। ই সামাজিক অগ্ৰগতিত বাধা প্ৰদানত মুখ্য ভূমিকা লৈছে। নাৰীয়ে নীৰৱে সকলো সহ্য কৰাৰ বিপৰীতে পুৰুষে কাপুৰুষৰ দৰে নাৰীক অহেতুক দমন কৰাৰ চেষ্টা কৰা দুয়োটাই অন্যায়।

ছানিৰ উপন্যাসখনৰ মূলমন্ত্ৰ হ'ল— সমাজ আৰু ধৰ্মৰ তুলনাত ব্যক্তিগত আৰু মানৱীয় প্ৰয়োজনসমূহৰ দাবী উৰ্ধত। একাংশ ইছলামৰ দাবী যে ইছলাম ধৰ্মৰ জন্মস্থানৰূপে চৌদি আৰৱ সদায়েই উদাৰপন্থী ভাৱধাৰাৰ পৰা নিলগত থাকক। কিন্তু আধুনিক সভ্যতাৰ প্ৰায় সকলোবিলাক উপাদানেই ব্যৱহাৰ কৰা দেশখনৰ পক্ষে ৰক্ষণশীলতাৰ পথ অৱলম্বন কৰি থকাৰ যুক্তি নাই। আমেৰিকাৰ মিত্ৰৰাষ্ট্ৰ হোৱা হেতুকে চৌদি আৰৱৰ উন্নতি হৈছে। কিন্তু সেই উন্নতি কেৱল প্ৰযুক্তি বিদ্যাৰ ব্যৱহাৰৰ ক্ষেত্ৰতহে ঘটিছে, দেশখনৰ মানসিক ধ্যান-ধাৰণাৰ কোনো ধৰণৰ উন্নতি হোৱা নাই। ফলত দেশখনৰ নাৰীসকল বন্দী। কিন্তু, চৌদি নাৰীসকলকো স্বাধীনতাৰ প্ৰয়োজন। কাৰণ, এইটো কথা ঠিক যে— 'যি দেশে, যি জাতিয়ে তিৰোতাক সন্মান নকৰে, সেই দেশ বা জাতি কেতিয়াও মহান হ'ব পৰা নাই, ভৱিষ্যতেও হ'ব নোৱাৰে।' সেইবাবেইতো ছানিয়ে এই উপন্যাসখন লিখি ইছলাম যৌনতা, সমকামিতাৰ প্ৰবল বিৰোধিতা কৰিছে।

তথাপিও নাৰী সদায় ধৈৰ্যশীল। নাৰীৰ সহনশীলতা সকলোৰে উৰ্ধত। এনে সহনশীলতাৰে নাৰীয়ে সংসাৰ নিয়াৰিকৈ চলাই নিছে। কিন্তু যেতিয়া সমাজৰ ক্ৰূৰতাৰ বিপক্ষে নাৰীয়ে মূৰ তুলি চাই, তেতিয়া সেই অধ্যায়ৰ কালযৱনিকা পৰাটো নিশ্চিত। সঁচাকৈ 'নাৰী তুমি অনন্যা'। জীৱন বালিৰ প্ৰতিটো খোজত তুমি দ্বীপ্তিমান। তুমি সঁচাকৈয়ে মহীয়সী।

❑❑

# Future of Majuli

❍ **Dipjyoti Gowala**
3rd Semester
Department of Geography




Majuli is a river island in the Brahmaputra River,Assam and in 2016 it became the first island to be made a district in India. It had an area of 880 square kilometres (340 sq mile) at the beginning of the 20th century, but having lost significantly to erosion it covers 352 square kilometres (136 sq mi) as at 2014.Majuli has shrunk as the river surrounding it has grown.

The island is formed by the Brahmaputra river in the south and the Kherkutia Xuti, an anabranch of the Brahmaputra, joined by the Subansiri River in the north. The island is about 300-400 kilometres (186-249 mi) east from the state's largest city - Guwahati. It was formed due to course changes by the river Brahmaputra and its tributaries, mainly the Lohit. Majuli is the abode of the Assamese neo-Vaishnavite culture.

Originally, the island was a long, narrow piece of land called Majuli or Majoli (land in the middle of two parallel rivers) that had the Brahmaputra flowing in the north and the Burhidihing flowing in the south until they met at Lakhu. It was once known as Ratnapur and was the capital of the powerful Chutia kingdom. Frequent earthquakes in the period 1661-1696 set the stage for a catastrophic flood in 1750 that continued for 15 days, which is mentioned in historical texts and reflected in folklore. As a result of this flood, part of the Brahmaputra discharged southward into what was the Burhidihing's lower channel and Majuli island was formed.

Majuli has been the cultural capital of Assamese civilisation since the 16th century, based on written records describing the visit of Srimanta Sankardeva - a 16th-century social reformer. Sankardeva, a pioneer of the medieval-age neo-Vaishnavite movement, preached a monotheist form of Hinduism called Vaishnavism and established monasteries and hermitages known as satra on the islet.

The island soon became the leading center of Vaishnavinism with the establishment of these satras. After the arrival of the British, Majuli was under the rule of the British until India gained independence in 1947. It is as of 2016 the world's biggest river island.

A wetland, Majuli is a hotspot for flora and fauna, harbouring many rare and endangered avifauna species including migratory birds that arrive in the winter season. Among the birds seen here are the greater adjutant stork, pelican, Siberian crane and the whistling teal. After dark, wild geese and ducks fly in flocks to distant destinations. The island is almost pollution free owing to the lack of polluting industries and factories and also the chronic rainfall.

The island is under threat due to the extensive soil erosion on its banks. The reason for this magnitude in erosion is the large embankments built in neighbouring towns upriver to prevent erosion during the monsoon season when the river distends its banks. The upshot is a backlash of the tempestuous Brahmaputra's fury on the islet, eroding most of the area. According to reports, in 1853, the total area of Majuli was 1,150 sq.km and about 33% of this landmass has been eroded in the latter half of 20th century. Since 1991, over 35 villages have been washed away. Surveys show that in 15-20 years from now, Majuli would cease to exist.

The island was formed over a period of time due to frequent major earthquakes, causing the Brahmaputra to change course, as well as high floods, both common phenomena in Assam. Annual flooding carried silt from the upper reaches, making the land fertile and creating marshes on the island. Majuli is also a biodiversity hotspot, with more than 260 species of birds, both resident and migratory, being recorded on the island and in its surrounding waterbodies.

But Majuli is a fast-disappearing island. Once the largest mid-river deltaic island in the world, with an area of 1,256 sq km, it has now shrunk to less than half its size, to 515 sq km. Regular floods in the Brahmaputra inundate the island and cause erosion, washing away villages and displacing residents. The rate of erosion is so severe that it is likely to submerge the island in the next 15-20 years, according to Majuli Island Protection & Development Council, a non-profit organisation.

A study published in open access e-Journal *Earth Science India* in 2010 states that Majuli has suffered extensive erosion from 1966 to 2008. The mean

annual rate of erosion over the four decades was 8.76 km2/year. But the intensity of erosion from 1998-2008 was much higher than that of the period from 1966-1975 to 1998 due to the shifting of the bankline of the Brahmaputra towards the north. This indicates that the threat to the existence of the island has increased in recent years.

There is danger looming ahead. Constant erosion and flood has reduced the world's largest river island to less than half its original size. One of the questions that is haunting the experts, as of now, is, 'Will the Brahmaputra eat away one of the world's largest river islands'? And if findings are to be believed, experts believe that this island will completely submerge by 2030 because of excessive sediment discharge because the mighty Brahmaputra River changes its direction frequently and coupled with numerous erosions, Majuli Island might just disappear in the future.

So, before nature plays its role and this island disappears, pack your bags and visit this gorgeous haven, which is also Assam's prized possession.

❑❑

“সময় আৰু পৃথিৱী কেতিয়াও স্থিৰ হৈ নাথাকে; পৰিৱৰ্তন জীৱনৰ নিয়ম।
আৰু যিসকলে কেৱল অতীত আৰু বৰ্তমানলৈ দৃষ্টি নিক্ষেপ কৰে,
সেইসকলে নিশ্চিতভাৱে ভৱিষ্যত হেৰুৱায়।”

— জন. এফ. কেনেডি

# শিক্ষানুষ্ঠানত আলোচনীৰ প্ৰয়োজনীয়তা

❍ গায়ত্ৰী চৰাইমূৰীয়া
প্ৰথম যান্মাসিক, অৰ্থনীতি বিভাগ



প্ৰত্যেকজন ব্যক্তি বা শিশুৱে জন্মতেই কিছুমান প্ৰতিভাৰ অধিকাৰী হিচাপে জন্ম গ্ৰহণ কৰে। শিশু বিশেষে অন্তৰ্নিহিত হৈ থকা এই প্ৰতিভাবোৰ জাগ্ৰত হ'বলৈ কিছুমান মাধ্যমৰ প্ৰয়োজন। তেনে এক মাধ্যম হ'ল শিক্ষানুষ্ঠানৰ বাৰ্ষিক আলোচনীসমূহ।

শিশুসকলৰ ঘৰখনৰ পাছতেই শিক্ষা আহৰণৰ দ্বিতীয়খন ঘাই কঠীয়াতলী হ'ল শিক্ষানুষ্ঠাসমূহ। বৰ্তমানৰ নম্বৰকেন্দ্ৰিক শিক্ষা ব্যৱস্থাত পাঠ্যক্ৰমৰ ওপৰত গুৰুত্ব দিয়া হয় যদিও তাৰ সমান্তৰালভাৱে আন সহপাঠ্যক্ৰমণিকা কাৰ্যাৱলী যেনে— নৃত্য, গীত, অভিনয়, তৰ্ক, বক্তৃতা আদিৰ বিকাশৰ লগতে শিক্ষাৰ্থীসকলৰ আৱেগ, অনুভূতি,

আশা, আকাংক্ষা, যুক্তিযুক্ততা, চিন্তা-প্ৰজ্ঞা, উদ্ভাৱনী বুদ্ধিৰ বহিঃপ্ৰকাশৰ লগতে সৃষ্টিশীলতাক উদ্ভাসিত কৰাৰ এক বলিষ্ঠ মাধ্যমৰূপে কাম কৰে এই আলোচনীসমূহে। শিক্ষাৰ্থীসকলৰ সাহিত্যিক চেতনা বিকাশৰ এখন প্ৰধান মঞ্চ হ'ল শিক্ষানুষ্ঠানৰ আলোচনীসমূহ। তেওঁলোকে মনৰ কল্পনাক সৃষ্টিশীল প্ৰতিভাৰ প্ৰয়োগেৰে উজ্জীৱিত কৰি তোলে সাহিত্যৰ নানা বিবিধাসমূহক। আলোচনাখনৰ সাক্ষাৎকাৰ, পত্ৰালাপ, কুইজ, কৌতুক, মহৎ লোকৰ বাণী আদি শিতানৰ সমাহাৰেৰে পঢ়ুৱৈসকলৰ জ্ঞান বৰ্ধনত বিশেষভাৱে সহায় কৰে। ইয়াৰোপৰি এইসমূহে সাহিত্য অনুৰাগী শিক্ষাৰ্থীৰ চিন্তা-চেতনাক একোটা নিৰ্দিষ্ট দিশত কেন্দ্ৰীভূত কৰাৰ লগতে উৎকৰ্ষ সাধনৰ অৱকাশ জগায়।

শিক্ষানুষ্ঠানৰ দাপোণস্বৰূপ এই আলোচনীসমূহত শিক্ষানুষ্ঠানৰ নাম, প্ৰতীক চিহ্ন আৰু মুখপত্ৰৰ নামৰ তাৎপৰ্য, আৰম্ভণী আৰু সামৰণী গীত, শিক্ষক আৰু কৰ্মচাৰীৰ মনোনীত লেখাও সন্নিৱিষ্ট হয়। তদুপৰি শিক্ষানুষ্ঠানৰ নানা বিদ্যায়তনিক দিশ যেনে— বাৰ্ষিক চূড়ান্ত পৰীক্ষাৰ ফলাফল, কৰ্মৰত শিক্ষক কৰ্মচাৰীৰ তালিকা, শিক্ষাদাতা, কৰ্মীবৃন্দ, বিদায়ী বৰ্ষৰ শিক্ষাৰ্থী, সম্পাদনা সমিতিৰ সদস্যসকলৰ পৰিচয়ে নানা তথ্যৰ সন্ধান দিয়ে। কৃতি ছাত্ৰ-ছাত্ৰীৰ আলোকচিত্ৰ বা কৃতিত্বৰ বাতৰিয়েও উৎসাহ-উদ্দীপনা যোগায়। বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদনে বছৰেকীয়া কাৰ্যাৱলীৰ ব্যাখ্যা দাঙি ধৰাৰ লগতে শিক্ষাৰ্থীৰ কাৰ্যদক্ষতা আৰু শিক্ষানুষ্ঠানৰ গতিশীলতাৰ পৰিচয় দিয়ে। আলোচনীখনৰ পৃষ্ঠা শুৱাই থকা লেখাবোৰে উক্ত সময়ছোৱাৰ শৈক্ষিক, সহশৈক্ষিক আৰু বৌদ্ধিক প্ৰতিভাৰ উমান দিয়াৰ উপৰিও ৰচনাৰ বাক্য গাঁথনি, অৰ্থবহ পচ্ছদপট, বানান, অংগসজ্জা, উন্নতমানৰ ছপা কাৰ্য আদিয়ে শিক্ষানুষ্ঠানৰ সাহিত্যিক চেতনাৰ মানদণ্ড নিৰূপিত কৰে।

সেয়েহে এনেবোৰ দিশ লক্ষ্য কৰিলে দেখা যায় যে শিক্ষানুষ্ঠান এখনত বাৰ্ষিক আলোচনীত ভূমিকা তথা প্ৰয়োজনীয়তা অসীম। শিক্ষানুষ্ঠানখনৰ জীৱন্ত দলিলস্বৰূপ এই আলোচনীসমূহে শিক্ষানুষ্ঠানৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক সুদৃঢ় সম্পৰ্ক, সমন্বয় আৰু সহযোগিতা বৰ্তাই ৰখাত সহায় কৰে।

❑❑

# Communication Vs English

❍ **Deekshita Phukon**
Ex-Student





"The art of communication is the language of leadership" —These words of James Humes describe the true sense as well as essence of 'communication'.

The term 'communication' is the most essential agency in humans. It is indeed, the 'all in all' in an individual, whether it be in personal or in a social level. Most of the 'logical magic' of the world have taken place because of the essence or the presence of this 'art'. It is a root which makes us feel that healthy communication leads to a healthy aura.

When compared to the early centuries, this human or animal trait has been playing more contribution at present. The age of 'one-centred-

world', with 'unions' for peace as well as for progress; is taken to the utmost point of height, basically for the growing celebration of the art of communication.

But, as every idea carries its own pros and cons , this growing trend also has its pros as well cons. Being a victim of the 'English Empire' the world is still under the nausea of the English language. This is leading us towards the rumor that one can have a good possession on the art of communication; if he or she has enough dealings with the 'English language'. This nauseatic situation prevails mostly in the imperialized countries like India. Every single person is hankering after the 'English asset' and is empowering nothing but the process of 'English language imperialism'. They tend to celebrate the notion that— "You are a champ of the art of communication, If you have a great deal of fluency in English."

In the un-announced race of modernization, the 'modern men' are running after the "English kahinur". Quite ironically, we consider people with good English, as a champion of, 'communication' and this is the turn, where we are loosing ourselves.

Of course English is an important and globally recognized language but it is not the benchmark of the art of connecting people.

Communication is just a skill and it has nothing to do with English the way it tends to. Communicate one just have to take possession over the language that his or her locality as well as the area of concern celebrates. He or she also needs the qualities of 'listening', 'understanding' and 'voice moduling', accompanied by a good sense of expression, so that it never takes a turn to miscommunication.

This art leads us to share our holdings emotionally or socially. This is a large area of creativity, which celebrates healthy interaction among the particular social 'stakeholders'.

We have to make ourselves be heard and understood, in the same way as we expect from others and this art is to complete this desire, whether verbally or non-verbally.

Communication is taken to be an effective process, if the audience wins in reaching the desired goal intuively and effortlessly. To make this happen we should have enthusiasm and a good listening power, without which the process of communication would be nothing but a mess and craze.

Lee Iacocca had once said— "You can have brilliant ideas, but if you can't get them across, your ideas won't get you anywhere." To express ourselves we don't need to be perfect in English but in the art and required skills of the concerned language.

Communication is our bridge to get connected with people and there is nothing without it. If we have the realization that we are not the same as our fellow men and that our understanding of the world is different, we can use this awareness in making our interaction fruitful. As Tory Robbins have said— "To effectively communicate, we must realize that we are all different in the way we perceive the world and use this understanding as a guide to our communication with others."

❑❑

# G.S.T.

❍ **Mayur Borah**
3rd Semester, Department of Commerce




G.S.T. is a very significant tax imposed in India. The full form of G.S.T. is "Goods and Service Tax". G.S.T. is a single tax that has subsumed several indirect taxes that were previously levied on the sale of goods and services. G.S.T. is applicable to the manufacture, sale and consumption of all goods and services in India.

**Definition of G.S.T. –**

The term G.S.T. is defined in Article 366 (12A) to mean "any tax on supply of goods or services or both except taxes on the supply of alcoholic liquor for human consumption."

**Why do we need G.S.T. –**

The previous tax system involved multiple taxes, complex compliance procedures and intervention by several state and central tax divisions. This made it highly difficult to set up and run a business in India.

Under the G.S.T. regime instead of applying taxes on the total value of the product at each stage, the G.S.T. only imposes tax on value addition. Since it provides credit for a supply chain, this method considerably reduces the overall cost of manufacturing and selling goods.

**Components of G.S.T.**

Since July 2017, India has been following the dual G.S.T. model which is made up of the following components -

**S.G.S.T. :-** The full form of S.G.S.T. is "State Goods and Services Tax". S.G.S.T. is collected by the state government.

**C.G.S.T. :-** The full form of C.G.S.T. is "Central Goods and Services Tax". C.G.S.T. is collected by the central government.

When the sale of goods and services takes place within the same state, both taxes will be levied. If the movement of goods occurs between two different states, a combined tax called the I.G.S.T. or the Integrated G.S.T. (S.G.S.T. + C.G.S.T.) will replace the previously levied Central Sales Tax (CST) of 2%.

Tax Structure

There are four tax structure of G.S.T., those are :-

- Zero rate
- Tower rate
- Standard rate
- Higher Rate

**Zero rate :-** The zero rate tax is a nil tax that is applied on goods and services. Zero rate items include milk eggs, curd, unpacked food grains and health and educational services.

**Tower rate :-** A lower rate of 5% will be applied on items like sugar, tea, edible oil, coal, spices and cotton fabric. This along with the Zero rate, will help prevent inflation from having much of an impact on the prices of essential items.

**Standard rate :-** There are two standard rates that have been finalized by the G.S.T. council which are processed food, butter and mobile phones will be tax at 12% capital goods, industry intermediaries, toiletries, computers and printers will be taxed the second standard rate of 18%.

**Higher rate :-** A higher rate of 28% will be levied on white goods. This includes items. Such as working machine, high-end motorcycles, air conditioners, refrigerators, small cars etc.

To conclude , G.S.T. is one of the crucial reforms which shall increase the economic growth of India. This reform in taxation hopes to remove the defects that are present in the Indian taxation system.

❑❑

# কণ্ঠ শোণিতৰ ধাৰ

❍ **পুণ্য শইকীয়া**
ব্যংগ সাহিত্যিক আৰু অসমীয়া বিভাগৰ প্ৰথম স্নাতক
গড়গাঁও মহাবিদ্যালয়



ড° ভূপেন হাজৰিকাৰ গীত মূলতঃ বক্তব্য প্ৰধান। প্ৰতিটো গীতেই লালন-পালন কৰি লৈ ফুৰে একো একোটা চিন্তাদৃপ্ত বাণী। দায়বদ্ধ শিল্পীৰ বিশেষত্বও ইয়াতেই। কণ্ঠ মাধুৰ্য্য, শব্দ চাতুৰ্য্য আদি আঙ্গিকসৰ্বস্ব কথাবোৰ শ্ৰোতাৰ সমস্যা হিচাপেই গণ্য হয়, শিল্পীৰ নিজৰ বাবে সেয়া কোনো চিন্তাৰ বিষয় নহয়। গীতটিৰ মাজেদি প্ৰকৃততে কি কথাষাৰ ক'ব খোজা হৈছে সেই কথাষাৰেহে শিল্পীক চিন্তিত কৰে। বক্তব্য বিহীন এটা গীতেৰে কেৱল সুৰৰ মায়াজাল সৃষ্টি কৰিবলৈ আচলতে এই শিল্পীৰ সমূলি আহৰি নাই। সেয়েইটো মেঘে বজোৱা ডম্বৰুৰ তালে তালে চিক্‌মিক্ বিজুলীয়ে নচা চিত্ৰকল্পটোৰ ভাবানুষঙ্গ হিচাপে অৱলীলাক্ৰমে আহি যায়।

*সৰু দৈ আইদেউৰ কি হ'ল?*
*সৰুকণত বহিবৰ মন গ'ল লেঠা হ'ল*
*সমাজেও অনুমতি নিদিলে*
*দুয়োৰে জাত-পাত নিমিলে।*

সেয়েইতো বিহুৱতী চেনেহীৰ ৰিহাখনো হয় ফটা। বিহুগীতো হয় কিবা এক নৱ প্ৰস্তুতিৰ পূৰ্বাভাস। অগ্নিময় কণ্ঠত ধ্বনিত হয়—

*কুঁহিয়াৰ পেৰাদি আমাক যি পেৰিছে*
*চান কচ্য়া ধনৰে বলত*
*বিহুটো যাওকগৈ সিহঁতক চাই ল'ম*
*খাই ল'লো আজিয়ে শপতহে।*
*হেৰি ডাঙৰীয়া বতৰ ডাৱৰীয়া*
*টিং পাতে টিঙিৰি জুই পৰে উফৰি*
*কাইলৈ পৰিবা ফান্দত।*

এইদৰে এটা সাধাৰণ গীতকো আৰ্থ-সামাজিক মৰ্যাদা দান কৰি গণগীতলৈ ৰূপান্তৰ কৰিব পৰাটো কিন্তু সাধাৰণ কথা নহয়। কেৱল প্ৰখৰ শ্ৰৱনেন্দ্ৰিয়ৰ অধিকাৰী হ'লেই এইটো ধাৰাৰ গীতৰ শ্ৰোতা হ'ব নোৱাৰি। এই গান শুনিবলৈ প্ৰস্তুতিৰ দৰকাৰ, চিন্তা আৰু মননৰ দৰকাৰ।

কিন্তু এই লেখাত ড° হাজৰিকাৰ এই স্বকীয় ধাৰাৰ গীতসমূহৰ আলোচনা কৰিব খোজা নাই। কৰিব খুজিছোঁ সেইকেইটা গীতৰ যি কেইটাক দ্ব্যৰ্থহীন ভাষাৰে গীতি কবিতা আখ্যা দিব পাৰি। ভূপেন হাজৰিকাৰ সহস্ৰ গীতৰ মাজৰ পৰাও স্বমহিমাৰে মণ্ডিত গীতি-মাধুৰ্যৰে ভৰপূৰ গীতকেইটি বাছি উলিওৱা বিশেষ টান কাম নহয়। অৱশ্যে ৰুচি আৰু দৃষ্টিভংগীৰ তাৰতম্য অনুসৰি কোনোৰে মোৰ নিৰ্বাচনৰ সৈতে যোগ-বিয়োগ কৰিবই পাৰে। মই সেইকেইটা গীতকেই পৃথক কৰিব খুজিছোঁ যি কেইটাক গীতিকাৰৰ পূৰ্ব আৰোপিত ধাৰণাই প্ৰভাৱান্বিত কৰা নাই, বক্তব্যৰ বাঘজৰীয়ে নিয়ন্ত্ৰণ কৰা নাই, Objectivity য়ে অগাদেৰা কৰা নাই। এক লীলায়িত ভঙ্গীমাৰে আগবাঢ়ি গৈ থকা একোটি নিটোল গীত। পাহাৰী জুৰিটিৰ চঞ্চল-চপল গতিময়তা যেন এইকেইটি গীতৰ নিজস্ব সম্পদ।

ভূপেন হাজৰিকাৰ শ্ৰেষ্ঠ গীতি কবিতা কোনটো বুলি যদি কোনোবাই মোক প্ৰশ্ন কৰে তেন্তে মই অকণো কালক্ষয় নকৰি 'নীলা চাদৰ'ৰ গীতটিলৈ আঙুলিয়াই দিম। প্ৰসঙ্গক্ৰমে উল্লেখ কৰা ভাল যে ভূপেন হাজৰিকাই এসময়ত কবিতা লিখিছিল। ৰোমাণ্টিক ধাৰাৰ ছন্দোৱদ্ধ কবিতাতো লিখিছিলেই আনকি ভঙ্গিল ছন্দৰ আধুনিক কবিতাও লিখিছিল। উদাহৰণ —

*হে অসমীয়া ইলিয়ট*
*ভদাই জানো ইডিয়ট?*
*সঁচা ভোক আৰু ৰিয়েকশ্যনেৰী ভোকৰ কাজিয়া*
*মই দেখিছোঁ। বেলট বক্সত নহয়।*
*ভোকাতুৰ খেতিয়কৰ পেটত নহয়*
*ফিটজেৰাল্ডৰ অতি আধুনিক কবিতাত।*

— ইত্যাদি।

'নীলা চাদৰ' গীতটিত যি ৰূপকল্প আৰু চিত্ৰকল্পৰ সমাবেশ ঘটিছে সেয়াই আধুনিক প্ৰতীকবাদীসকলকো ঈৰ্ষান্বিত কৰি তুলিব। কবিৰ বিমূৰ্ত নিশাটি এখন নীলা চাদৰ। মৌনতাৰ সূতাৰে বোৱা এই নীলা চাদৰখনিৰ মিঠা ভাঁজ এটিত গোপনে লুকাই আছে কোনোবা প্ৰিয়াৰ নিশ্বাসৰ সুৰ আৰু সজীৱ মৰম। দূৰেদি বৈ গৈছে আৰ্তনাদৰ এখন নদী, গীতিকাৰৰ কাণত পৰিছে ঘাটৰ ক্ৰন্দন। কিন্তু তালৈ ভ্ৰূক্ষেপ কৰাৰ প্ৰয়োজন কবিয়ে অনুভৱ কৰা নাই। কাৰণ কবি আলিঙ্গনৰ সাগৰত আকণ্ঠ নিমজ্জিত। ব্যঞ্জনাদীপ্ত শব্দালংকাৰৰ পৰিমিতিবোধ আৰু বাক প্ৰতিমাৰ সুন্দৰ ব্যৱহাৰে নীলা চাদৰৰ এই গীতটিক ভূপেন হাজৰিকাৰ অন্যান্য গীতৰ পৰা পৃথকাই ৰাখিছে।

ভূপেন হাজৰিকাৰ গীতৰ আলোচনাৰ সময়ত প্ৰায় সকলো আলোচকেই এটা কথা কোৱা শুনা যায় যে শিল্পীজনাৰ কণ্ঠ মাধুৰ্যই গীতৰ গাঁথনিক দুৰ্বলতাৰ ক্ষতিপূৰণ কৰে। এটা গীত জন্ম হ'বলৈ আচলতে যিকণ সময়ৰ প্ৰয়োজন হয় সেইকণ সময় ভূপেন হাজৰিকাই নিদিয়ে। ফলস্বৰূপে প্ৰায়বিলাক গীতেই ততাভুকুতাৰ বলি হয়। কণ্ঠৰ যাদুৰে যদি শিল্পীগৰাকীয়ে নিজেই তাৰ প্ৰতিপালন নকৰে তেতিয়া সেই গীতবিলাক গদ্যৰ নামান্তৰ মাত্ৰ হ'ব। 'নীলা চাদৰ'ৰ গীতটিকে ধৰি এনে কেইটিমান গীত অৱশ্যে আছে যিকেইটি গীতিকাৰৰ সমস্ত চিন্তা ভাৱনাৰ ফচল। সেইকেইটা গীত ভূপেন হাজৰিকাৰ কণ্ঠৰ যাদুস্পৰ্শ নৌ পাওঁতেই শিল্পৰ সমস্ত উপাদানেৰে সমৃদ্ধ। ভূপেন হাজৰিকাই সেই শিল্পকে সুৱীয়া ৰূপ দি হিয়াই হিয়াই বিলাইছে মাথোঁ।

'তোমাৰ উশাহ কঁহুৱা কোমল' গীতটিত কবিয়ে যে শাৰদীয় আকাশৰ তলত শেৱালিৰ বিচনাত প্ৰেয়সীৰ সৈতে শুই শুই মেঘৰ আঁৰেদি উৰি যোৱা শৰালি হাঁহ গণনা কৰিছিল, সৰাপাতত টুপটুপকৈ নিয়ৰ সৰিছিল, তাৰে দুটোপালমান নিয়ৰ দুয়ো প্ৰেমিক-প্ৰেমিকাৰ গালে-মুখে পৰি ধেমালি কৰিছিল— এই চিত্ৰকল্পই পাঠক-শ্ৰোতাক মুহূৰ্ততে

লৈ যায় তপোৱন বিনিন্দিত কোনো এক মায়াময় প্ৰণয় পুৰীলৈ। এই কথাত কোনো সন্দেহ নাই যে ভূপেন হাজৰিকা শৰৎ ঋতুৰ ভক্ত। তেখেতৰ বেছিভাগ গীততেই, বিশেষকৈ যৌৱনৰ গীতসমূহত শৰৎ ঋতুৰ সঘন ব্যৱহাৰ আৰু প্ৰশস্তি মন কৰিবলগীয়া। (ক) শাৰদীয় খিড়িকী মুখত। (খ) শৰৎ সন্ধ্যা মহানগৰী সজায়। (গ) শাৰদী ৰাণী তোমাৰ হেনো নাম। (ঘ) শৰৎ নিশাই তৰাৰে সজায় আইৰে কেশ। (ঙ) শাৰদী পুৱা কহুঁৱা নুফুলে তুমি নহ'লে। (চ) শাৰদীয় চেনেহীৰ কঁকাল ইমান লাহি। (ছ) শাৰদী নিশা ঢালে একেই জোনাক (জ) মৰমী শৰতৰ সোঁৱৰণী সোণালী ইত্যাদি। ভূপেন হাজৰিকাৰ বাবে শৰৎ নিশ্চয় ঋতু এটা মাত্ৰ নহয়। ই এটা আলম্বন বিভাৱ। 'এটুকুৰা আলসুৱা মেঘ', গীতটিত কালিদাসৰ বিৰহী যক্ষৰ বিপ্ৰলম্ভৰে সৈতে মিছলীয়া মৰমত বন্দী মহানগৰীৰ সাদৃশ্য টানি অনা হৈছে। নিজৰাপাৰৰ কোনো এক শাৰদীয় সন্ধিয়া এটি মুহূৰ্তৰ বাবে গীতিকাৰ হৈ পৰিছিল ৰামগিৰিত নিৰ্বাসিত বিৰহী যক্ষ। মাদকতা সানি গীতিকাৰে অলকাপুৰীৰ প্ৰেয়সীলৈ চিঠি লিখিছে আৰু কামনা কৰিছে 'চঞ্চল মেঘে যেন তাকে কঢ়িয়াই'। এই গীতটি নিঃসন্দেহে ভূপেন হাজৰিকাৰ শ্ৰেষ্ঠ গীতবিলাকৰ ভিতৰত এটি। ইয়াৰ কাব্যিক উপাদানৰ তুলনা নাই। 'নতুন নিমাতী নিয়ৰৰে নিশা' গীতটিত গীতৰ সমস্ত উপাদান থকা সত্বেও ই নতুন মাত্ৰা লাভ কৰিব নোৱাৰিলে। ধ্বনিমাত্ৰাৰ পৌনঃপুনিকতা, ঝংকৃত শব্দৰ সুবিন্যস্ত চয়ন, ব্যক্তিনিষ্ঠ প্ৰেমক বৈদান্তিক স্পৰ্শ দিয়াৰ প্ৰয়াস সত্বেও গীতটি স্ব-মহিমাৰে মণ্ডিত নহ'ল। ই যথাৰ্থতে ভূপেন হাজৰিকাৰ কণ্ঠতহে প্ৰকৃত পৰিপূৰ্ণতা লাভ কৰিলেগৈ। ইয়াৰ তুলনাত 'মিঠা মিঠা ব'হাগৰ' গীতটিৰ স্বতঃস্ফূৰ্তি বেছি হৃদয়সংবেদী। লুইতত তিওৱা প্ৰিয়াৰ দেহ সম্ভাৰ, মাহ-হালধিৰ অৰ্থপূৰ্ণ সুবাস, এজাক গাভৰুৰ হাঁহিৰ হিল্লোল, এজাক বলিয়া হোৱা বগলী —এই আটাইবোৰ মিলি 'যৌৱন জোৱাৰত নাও মেলা' ডেকা গীতিকাৰে 'মই যেন ধুমুহা হ'লো' বুলি ক'লে কিম্বা গোটেই ব'হাগটোকে 'এটি সৰু বিহুগীত' যেন অনুভূত হ'লে আপত্তি কৰিবলগীয়া নিশ্চয় নাই।

প্ৰেম আৰু গীত পৰস্পৰ পৰিপূৰক। কেৱল অসম বা ভাৰতত নহয়। সমগ্ৰ বিশ্বতেই। অৱশ্যে গীতৰ মাজেদি প্ৰেমৰ প্ৰকাশৰ এটা ভাৰতীয় ধাৰা আছে। ৰক গায়ক মাইকেল জেকচন কিম্বা মেডোনায়ো ইটালীয়ান ফুটবল চুপাৰষ্টাৰ বাজিওৰ পোন্ধৰ নম্বৰ জাৰ্চিটো পিন্ধি উদ্দাম যৌৱনৰ গানকে গাই ফুৰিছে, ডেকা-জীয়ৰীৰ বুকুত ধুমুহা-ভূমিকম্প সকলো সৃষ্টি কৰিছে। হয়তোবা যৌৱনৰ এই উন্মত্ততাই সত্য। James Thomson এ ক'বৰ দৰে— Singing is sweet, but be sure of this, Lips only sing when they cannot kiss. চুমা খাবলৈ নাপালেই ওঁঠ দুটাই গানকে গায়— সেই গান নিঃসন্দেহে মধুৰ। ভূপেন হাজৰিকাৰ মাজতো আমি তীব্ৰ যৌনগন্ধী, দুই এটি গীত পাওঁ। 'নতুন নাগিনী তুমি কাল নাগিনী' গানটো যেনিবা এটা বিশুদ্ধ ফ্ৰয়েডীয় গান। এতিয়া ভূপেন হাজৰিকাক হাজাৰ অনুৰোধ কৰিও এই ধৰণৰ গীত মঞ্চত গোৱাব নোৱাৰি। ভূপেন হাজৰিকাৰ 'মোৰ গীতৰ হাজাৰ শ্ৰোতা' নামৰ আৱাহনী গীতটোত এটা শাৰী আছে— 'তোমাৰ বুকুৰ তপত উমৰ উদগনি পায়। যৌৱনৰে দুপৰীয়াও আছোঁ গীত গায়'। ভূপেন হাজৰিকাই মঞ্চত আজিকালি এই গীতটি গালে 'যৌৱনৰে দুপৰীয়াও' এই শব্দ দুটা বৰ দ্বিধাৰে উচ্চাৰণ কৰে। শ্ৰোতাক উদ্দেশ্য কৰি কথাৰে কয় 'যৌৱনৰ দুপৰীয়া নে আবেলি মই নাজানো' বুলি। এয়াই হয়তো যৌৱনৰ অনিত্যতা যাৰ কাষত বিশ্বৰ দুৰ্দ্ধৰ্ষ প্ৰেমিকসকলো মুখ থেকেচা খাই পৰি যাবলৈ বাধ্য। ভূপেন হাজৰিকাই Charlotte A. Barnard ৰ দৰে—

*I cannot sing the old songs*
*I sang long years ago*
*For heart and voice would fall me*
*And foolish tears would flow.*

—বুলি বিষন্ন স্বীকাৰোক্তি কৰিব নে নকৰে নাজানো। নকৰিলেই আমি আটাইতকৈ আনন্দিত হ'ম। কিন্তু এইটো ঠিক যে এতিয়া আৰু যৌৱন বাসনাৰ ৰিক্ত উপকূল উন্মত্ত বানে পূৰ্ণ নকৰে।

'স্নেহে আমাৰ শত শ্ৰাৱণৰ' গীতটি ড° হাজৰিকাই ১৯৫৪ চনত ৰচনা কৰিছিল। তাৰমানে তেতিয়া ভূপেন হাজৰিকাৰ বয়স ত্ৰিশ বছৰো হোৱা নাই। এইটো বয়সত 'ফুলতো নহয় এয়া মৰমৰে জুই', 'তাইৰ অঙ্গে অঙ্গে শোভা ৰূপ মনোলোভা', 'তোমাৰ অঙ্গ জ্বলন্ত জুই মই যে পতঙ্গ', 'জলমল সৰসীত নাচে পঙ্কজ কামনাৰ' আদি হিলদল ভঙা প্ৰেমেৰে ৰঞ্জিত চটুল শব্দ চয়নেই বেছি প্ৰত্যাশিত। কিন্তু 'স্নেহে আমাৰ' (স্নেহে। প্ৰেমে নহয়। কথাটো লক্ষ্য কৰিবলগীয়া)। গীতটিয়ে যৌৱনৰ এই ৰঙীন অধ্যায়ৰ মাজতেই হঠাৎ লাভ কৰিলে আকাংক্ষিত পৰিতৃপ্তি। সংযত শব্দ-যোজনা আৰু জলপ্ৰপাতৰ মঞ্জুল ধ্বনিৰ গীতিময়তাই গীতটিক এক ধ্ৰুপদী মাত্ৰা দান কৰিছে। সুৰৰ ক্ষেত্ৰতো এই

গীতে প্ৰথা ভাঙি এক অভিনৱ গতিশীলতা লাভ কৰিছে। গীতটি প্ৰকৃততেই এটা গীত হৈছে।

জুগনু আৰু ৰাধিকাৰ প্ৰাণোচ্ছল প্ৰেম বিনিময়ৰ অকৃত্ৰিম মাধুৰ্য্যৰে ভৰপূৰ 'ৰাধাচূড়াৰ ফুল গুজি ৰাধাপুৰৰ ৰাধিকা' গীতটিৰ এক নিজস্ব সাৱলীলতা আছে। ঝুমইৰ নাচোনৰ তালে তালে ৰাধিকাই জুগনুৰ হাতত তুলি দিয়ে ফটিকাৰ পাত্ৰ। সেই ফটিকা কেৱল তৰল পানীয় নহয় সেয়া 'প্ৰেম ফটিকা' য'ত ভেজাল নাই। গীতটিত (১) কুন্দত কটা মাদল কাঠৰ ৰঙটোৰ দৰে জুগনুৰ দেহৰ ৰঙৰ সাদৃশ্য (২) 'আয়না দেখি খোপা বান্ধি ৰাধা বিয়াকুল' আদি কথা গুচ্ছৰ মাজেদি প্ৰকাশিত চাহ-বাগিচাৰ সহজ-সৰল শ্ৰমজীৱী মানুহৰ প্ৰেম আৰু সৌন্দৰ্যবোধৰ নিভাঁজ প্ৰকাশ (৩) সোণাৰু ফুল, ৰাধাচূড়াৰ ফুল, কৃষ্ণচূড়াৰ ফুল, শিৰীষ গছ ইত্যাদিৰ প্ৰতীক ব্যৱহাৰে গীতটিক কাব্যৰ স্তৰলৈ উন্নীত কৰিছে। সুৰ সংযোজনাৰ ক্ষেত্ৰতো সুৰকাৰ যথেষ্ট সতৰ্ক যাতে গীতটিৰ লোকগীতি ধৰ্মীতা কোনোপধ্যে ব্যাহত নহয়।

ড° হাজৰিকাৰ 'প্ৰতিধ্বনি' নামৰ কথাছবিখনত ব্যৱহৃত প্ৰায় আটাইকেউটি গীতেই সাৰ্থক গীতি কবিতা বুলি ক'ব পাৰি। কিন্তু তাৰে ভিতৰত 'লিয়েংমাকাও' গীতটিৰ তুলনা নাই। 'লিয়েংমাকাও' নামৰ খাচী গাভৰুগৰাকীৰ নাম উচ্চাৰিত হোৱাৰ লগে লগে পাহাৰ-পৰ্বত জুৰি প্ৰতিধ্বনি উঠে। নায়কে নায়িকাক ব্যাকুল ব্যস্ততাৰে বিচাৰে। আকাশক সোধে, নিয়ৰক সোধে প্ৰিয়াৰ বাতৰি আৰু প্ৰিয়াৰ পৰিচয় দিওঁতেই সৌন্দৰ্যৰ প্ৰশস্তি আপোনা-আপুনি গোৱা হৈ যায়। মাণিক ৰাইতঙৰ প্ৰেমক এই গীতটিয়ে জাগতিক স্তৰৰ পৰা বিশ্ব প্ৰাকৃতিক স্তৰলৈ উন্নীত কৰিছে। আকাশ, বতাহ, সেউজীয়া প্ৰকৃতি সকলোৱেই তেওঁৰ প্ৰেমৰ সাক্ষী, প্ৰেয়সীৰ চুলিটাৰিত ডিয়েংচিয়ে (সৰল গছ) পাতৰ ৰং সানি দিয়া, বিজুলীৰে বোৱা জেইনচেমখনি, মৌৰে বোলোৱা প্ৰেয়সীৰ ৰঙা ওঁঠযুৰি, নিয়ৰৰ সুহুৰি ইত্যাদি বাকবৈদগ্ধ্যই গীতটিক দান কৰিছে কালিদাসীয় উচ্চতা। ড° হাজৰিকাই পূৰ্বসুৰুৰ প্ৰেৰণাৰ কথা উল্লেখ কৰোঁতে শংকৰদেৱ, জ্যোতিপ্ৰসাদ, বিষ্ণুৰাভা, পাৰ্বতীপ্ৰসাদ, পল ৰবচনক বাৰে বাৰে স্মৰণ কৰে। কালিদাসক স্মৰণ কৰা আজিলৈকে শুনা নাই। অথচ লক্ষ্য কৰা গৈছে যে ড° হাজৰিকা যৌৱন কালত কালিদাসৰ দ্বাৰাহে প্ৰভাৱান্বিত হৈছিল। শকুন্তলা কথাছবিখন নিশ্চয় তাৰেই সাক্ষী।

ড° ভূপেন হাজৰিকাৰ সাৰ্থক গীতিধৰ্মী গীতকেইটি যে মূলতঃ 'প্ৰেমৰ ৰসেৰে জীপাল' সেই কথা কোৱাই বাহুল্য মাথোঁ। কিন্তু কেইটিমান গীতক উচ্চতৰ মৰ্যাদা দান কৰাৰ ক্ষেত্ৰত প্ৰেমতকৈও শিল্পীজনাৰ গভীৰ নষ্টালজিয়াবোধৰ মাত্ৰা অধিক। 'সোঁৱৰণী মোৰ ৰাঙলী জীৱনৰ ৰংবোৰ কেনিবা গ'ল' গীতটিৰ কাৰুণ্যঘন স্মৃতিচাৰণ, জয়ন্ত হাজৰিকাই অমৰ কৰি থৈ যোৱা 'সোঁৱৰণী কুঁৱলীয়ে চিঞৰি চিঞৰি কয়' গীতটিৰ নৈৰাশ্যৰ মাজতে আশাবাদী সুৰ, 'শ্বিলঙৰে গধূলি' গীতটিৰ ৰোমাণ্টিক শিথিলতা, 'শৈশৱতে ধেমালিতে' গীতটিৰ প্ৰেম আৰু সামাজিক অবিচাৰজনিত ক্ষোভ আৰু তিক্ততা ('শৈশৱতে ধেমালিতে' গীতটিক মই ভাল গীতি কবিতাৰ শাৰীত ধৰা নাই।) আদিয়ে অতীতক স্পৰ্শ কৰাৰ কবিৰ মানসিক প্ৰৱণতা প্ৰকট কৰি দেখুৱাইছে।

ড° হাজৰিকাৰ চটুল প্ৰেমৰ গীত কিম্বা বিষণ্ণ অতীতৰ স্মৃতি ৰোমন্থনৰ গীতকেইটিৰ বিপৰীতে আৰু কেইটিমান গীতিময়তাৰে ভৰপূৰ গীত চিহ্নিত কৰিব পাৰি যিকেইটাত গীতিকাৰে ব্যক্তিনিষ্ঠ জীৱন সমীক্ষাক এক আধ্যাত্মিক উত্তৰণৰ স্তৰলৈ লৈ যাবলৈ চেষ্টা কৰিছে। (১) মই যেতিয়া এই জীৱনৰ মায়া এৰি গুচি যাম, (২) মিলনৰে এই শুভক্ষণ, (৩) মৃত্যু সাবটি সমাধি তলীত অকলে আছোঁহি শুই, (৪) সুৱাত মগন ভয়াল ৰাতি, (৫) মোৰ জীৱন ৰথ, (৬) মই আৰু মোৰ ছাঁ আদি গীতক ভাৰতীয় দৰ্শনৰ স্পৰ্শই অন্য এক মহিমা দান কৰিছে।

'কঁহুৱা বন মোৰ অশান্ত মন', 'সাগৰ সঙ্গমত', 'অস্ত আকাশৰে', 'গুপুতে গুপুতে কিমান খেলিম', 'তুমিয়ে মোৰ কল্পনাৰে', 'ধুনীয়া ৰঙৰ নতুন পাহি', 'নৱ মল্লিকাৰে হেঁপাহ জানো পলাব', 'মই যেন আজীৱন উৰণীয়া মৌ', 'ৰুম জুম নেপুৰ বজাই', 'সহস্ৰজনে মোক প্ৰশ্ন কৰে' আদি এনে বহু গীত আছে য'ত ভূপেন হাজৰিকাক আমি সুৰ স্ৰষ্টা, ৰূপ দ্ৰষ্টা আৰু সাৰ্থক গীতি কবি ৰূপত পাওঁ। 'প্ৰচণ্ড ধুমুহাই প্ৰশ্ন কৰিলে মোক' গীতটিত সুৰ আৰু আবৃত্তিৰ যি যুগলবন্দী ঘটিছে সি এক কথাত অনন্য।

এই সমস্ত আলোচনাৰ পাছতো দেখা গ'ল ভূপেন হাজৰিকাৰ গীতিময়তাৰে ভৰপূৰ গীতসমূহৰ বহুমাত্ৰিক চৰিত্ৰ আৰু শিল্পীজনাৰ বিচৰণ ক্ষেত্ৰৰ পৰিধি ইমানেই ব্যাপক যে যিকোনো আলোচনাই অসম্পূৰ্ণ হ'বলৈ বাধ্য। মোৰ এই সমীক্ষাটো এটা পূৰ্ণাঙ্গ প্ৰবন্ধ নহ'ল —এটা পূৰ্ণাঙ্গ প্ৰবন্ধৰ গাঁথনিহে (Structure) হ'ল। এই গাঁথনিৰ ওপৰতে ভৰ কৰি যোগ্যজনে এটা পূৰ্ণাঙ্গ প্ৰবন্ধ লিখিব পাৰিব বুলি আন্তৰিকতাৰে মই বিশ্বাস কৰোঁ।

❑❑

# "মোৰো এটা সপোন আছে" এখন আত্মজীৱনীৰ ভিত্তিত —কিছু আত্ম বিশ্লেষণ



❍ বিকাশজ্যোতি চাংমাই
তৃতীয় ষান্মাসিক, সমাজতত্ত্ব বিভাগ

জীৱন মানেই সংগ্ৰাম। সংগ্ৰামৰ আন এটি নামেই জীৱন। কিতাপখন বহুদিনৰ পৰাই পঢ়িম বুলি আশা এটা পোহি ৰাখিছিলো। কিতাপখন (দাদা) ককাইদেৰে পঢ়িবৰ বাবে বাৰে বাৰে কৈ আছিল। মই বোলো এইবাৰ পঢ়িয়েই পেলাওঁ; কিজানিবা মোৰ সপোনবোৰৰ সন্ধান পাওঁয়েই। মোৰ সপোনবোৰক উৰ্বৰ কৰি তোলাৰ হেঁপাহতেই হাতত তুলি লৈছিলো 'মোৰো এটা সপোন আছে'।

তেনেই সাধাৰণ আৰু সহজ-সৰল অথচ সাৱলীল ৰূপত নিজৰ জীৱন সংগ্ৰাম লেখক ড° ৰুবুল মাউতে ফুটাই তুলিছে। কিতাপখন পঢ়াৰ অন্তত এক আচৰিত চিন্তাই ক্ৰিয়া কৰি গ'ল। আত্মজীৱনী যিমানদূৰ মনত আছে দুই এখন পঢ়িছো। তাৰ ভিতৰত এইখন যেন পৃথক। লেখক ড° ৰুবুল মাউতে দৰিদ্ৰতাৰ সীমা নেওচি আমেৰিকাৰ মাচাছ্যুচেট্ছ বিশ্ববিদ্যালয়লৈ গৱেষণা কৰিবলৈ যোৱা কাহিনী যি ৰূপত দাঙি ধৰিছে সি সঁচাকৈ আকৰ্ষণীয়। এখন জীয়া জীৱনৰ ছবি তথা কৃষি প্ৰধান গাঁৱলীয়া আৰু দৰিদ্ৰতাৰে ভৰা জীৱন সংগ্ৰামৰ বিষয়ে কাহিনীৰূপত সুন্দৰকৈ উপস্থাপন কৰিছে। কিতাপখন পঢ়ি থাকোঁতে কিছুপৰ শৈশৱলৈ যে উভতি গৈছিলো সেই কথা ক'বই লাগিব। আশী-নব্বৈ দশকৰ অসমৰ আইন শৃংখলা তথা ভয়াৱহ পৰিস্থিতিৰ বৰ্ণনাও লেখকে নিজা অভিজ্ঞতাৰে সুন্দৰকৈ কৰিছে। বিভীষিকাময় পৰিৱেশৰ মাজেৰে সপোন দেখা ব্যক্তিজন এদিন কেনেকৈ আমেৰিকাত গৱেষণা কৰিবলৈ গৈছিল তাৰ কাহিনী পঢ়ি অভিভূত হ'লো এই কথা মই স্বীকাৰ কৰিবই লাগিব। এই কিতাপখনৰ ভাষা হয়তো অন্য কিছুমান লেখকতকৈ সাধাৰণ কিন্তু ইয়াৰ গভীৰতাত সোমাই যদি নিজকে বিচাৰি পাই তেতিয়া নিশ্চয়কৈ ইয়াৰ সাৰমৰ্ম বুজি উঠিব। মই নিজেও অধ্যয়ন কৰি থাকোঁতে বাস্তৱৰ কিছুমান প্ৰকৃত ছবি মোৰ চকুৰ আগত ভাঁহি আহিছিল।

যেতিয়া দৰিদ্ৰতাৰে ভৰা ঘৰখনৰ বাবে সপোনবোৰ আলি দোমোজাত ঠেকা খাব লগা হয়, তেতিয়া বাঢ়ি অহা সপোনবোৰ পুলিতেই 'দৰিদ্ৰতা' নামৰ পিশাচটোৱে আগভেটি ধৰে। তেতিয়া কেনে পৰিস্থিতিৰ সন্মুখীন হ'বলগা হয় সেয়া পৰিস্ফুট হৈ উঠিছে এই কিতাপখনত। যিটো সময়ত এচামে ভোগ বিলাসিতা জীৱন কটাইছে সেই সময়তে এচামে এটা কলম, এখন কাগজ-বহীৰ বাবে সংগ্ৰাম কৰিব লগা হৈছে। সেইসকল লোকৰ কথা ভাবিয়েই জীৱনক দোষাৰোপ নকৰো। যিখিনি পাইছো তাতেই সন্তুষ্ট, কিন্তু এয়া নহয় যে মোৰ উচ্চাকাংক্ষা নাই। সন্তুষ্ট মানে সেই সন্তুষ্ট নহয় যে যিখিনি পাইছো ইয়াকে লৈ জীৱন পাৰ কৰিম। কৰ্ম কৰি যাম কিন্তু জীৱনে কি দিয়ে তাক লৈ তোষামোদ নকৰো। কেতিয়াবা এইসকলক লৈ চিন্তা হয়। এই দৰিদ্ৰতা খাবলৈ নাপাই অনাহাৰে দিনটো কটোৱা লোকসকল; এইসকল জানো আমাৰে উৎপত্তি নহয়? আপুনি মই নুই কৰিব নোৱাৰো কিয়নো এওঁলোক হৈছে আমাৰ সমাজ ব্যৱস্থাই সৃষ্টি কৰা একোজন অসুৰক্ষিত লোক। যাৰ এখন চালি নাই, যাৰ এসাঁজ ভাত যোগাৰ কৰাৰ সামৰ্থ নাই। এইখিনিতে শিক্ষাগুৰু এজনে কোৱা এষাৰ কথা বাৰুকৈয়ে মনত দোলা দিছে, 'টকা ভগৱান নহয়, কিন্তু টকা ভগৱানতকৈ কোনো গুণে কম নহয়'। অধ্যয়নৰ বাবে কিছু সা-সুবিধা আৰু সুযোগ নোপোৱাৰ বাবেই আজি হাজাৰজন ৰুবুল মাউতৰ আশা কলিতে মৰহি যায়। কেতিয়াবা শিক্ষাৰ সাম্প্ৰতিক ব্যৱস্থাৰ ওপৰতো পুতৌ ওপজে। আচলতে বৰ্তমান শিক্ষা ব্যৱস্থাত কিবা এটা যেন আমূল পৰিৱৰ্তনৰ প্ৰয়োজন আছে। যিয়ে আমাক দিব পাৰে সংস্থাপনৰ নিশ্চয়তা, জীয়াই থকাৰ আশ্বাস, লগতে দিব পাৰে আমাৰ সমাজ ব্যৱস্থাক সলনি তথা সামাজিক কিছুমান অপ্ৰাসংগিক দৃষ্টিভংগী সলনি কৰিব পৰা মানসিকতা। সেই শিক্ষাৰ মূল্যই বা ক'ত? য'ত নাই সামাজিক দৃষ্টিভংগীক দৃঢ় কৰাৰ প্ৰয়াস, য'ত নাই সামাজিক মানসিকতাৰ বিকাশ। কেৱল ব্যক্তিগত স্বাৰ্থই জানো সমাজ এখন বৰ্তাই ৰাখিব পাৰে?

'মোৰো এটা সপোন আছে' —আত্মজীৱনীখনে মোৰ মনত সাঁচ বহুৱাৰ আন এটা কাৰণ আছে। সেয়া হ'ল— এজন পিতৃৰ, এগৰাকী মাতৃৰ নিজ সন্তানৰ প্ৰতি থকা প্ৰেম, ত্যাগ। কেনেকৈ এজন পিতৃয়ে নিজ সন্তানৰ বাবে সৰ্বস্ব ত্যাগ কৰিব পাৰে সেয়া প্ৰতিফলিত হৈ উঠিছে। এই কিতাপখনত গাঁৱৰ এক প্ৰকৃত তথা মনোৰম দৃশ্য ফুটি উঠিছে। য'ত যান্ত্ৰিকতা নামৰ কোনো ধাৰণা নাই, য'ত কেৱল দৰিদ্ৰতাই গ্ৰাস কৰা সহজ-সৰল মানুহখিনিৰ আৱেগবোৰ জড়িত হৈ থাকে।

অৱশেষত এই কিতাপখন পঢ়ি এটা অনুভৱ কৰিছিলো, 'আৰে... ভাই, জীৱন মানেইটো সংগ্ৰাম আৰু প্ৰতিবন্ধকতাৰ কাহিনী'। সংগ্ৰাম অবিহনে জীৱনৰ মূল্যই বা ক'ত। ড° এ. পি. জে. আব্দুল কালামে এষাৰ কথা কৈছিল— 'Man need his difficulties because they are neccessary to enjoy success'। সেয়েহে এই কাহিনীবোৰ পঢ়ি ভালপাওঁ, হৃদয়ঙ্গম কৰো, য'ত কেৱল জীৱন জিনাৰ সপোন নিহিত হৈ থাকে। সেয়েহে কওঁ পাৰিলে 'মোৰো এটা সপোন আছে, এবাৰ পঢ়িব। একেবাৰে সৰু, অথচ মনত সাঁচ বহুৱাই যোৱা এখন আত্মজীৱনী যাৰ প্ৰেৰণা লৈ মইও যেন ক'ব পাৰিছো 'মোৰো এটা সপোন আছে'।

❑❑

# ঈশ্বৰৰ সৃষ্টিক প্ৰত্যাহ্বান জনোৱা ছোৱালীজনী

❍ দিগন্ত দাস
তৃতীয় ষান্মাসিক, সমাজতত্ব বিভাগ



২০১৭-১৮ বৰ্ষৰ গড়গঞ্জত প্ৰকাশিত 'কৰ্ম্কিাৰ বীৰজন' শীৰ্ষক লিখনিটোৰে মই বিচিত্ৰ নেপোলিয়ন বোনাপাৰ্টৰ জীৱনক পাঠক সমাজৰ আগত তুলি ধৰাৰ প্ৰয়াস কৰিছিলো। তাত কিমান সফল হ'লো সেয়া আপোনাসৰৰ বিচাৰ্য। এইবাৰ মই এটা আশাবাদী মনৰ শক্তিক কেন্দ্ৰ কৰি এই লেখাটো আগবঢ়াইছো।

ইতিবাচক চিন্তাধাৰা, ইয়াক বৰ প্ৰয়োজন আমাৰ জীৱনত। কথাতে কয় বোলে এটা আশাবাদী মনে নতুন কৰ্মোদ্যমৰ সৃষ্টি কৰে। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে মানুহৰ মন সাধাৰণতে দুচিন্তা, নিৰাশা, ভয়, লাজ আদিৰে গঠিত নেতিবাচক চিন্তাধাৰাৰ দিশলৈহে বেছি ঢাল খায়। কিবা এটা কৰিবলৈ লোৱাৰ আগতে নেতিবাচক চিন্তাধাৰাৰ শক্তিশালী উপাদানবোৰকহে আমি বেছিকৈ প্ৰাধান্য দিওঁ। ই আমাক হয় অসফল কৰে নহয় সাধাৰণ ভাৱেই জীয়াই থাকিবলৈ বাধ্য কৰে। সেই সাধাৰণৰ পৰা পৃথক তথা সফল ব্যক্তিসকলৰ শাৰীত নিজক প্ৰতিষ্ঠা কৰাৰ সৌভাগ্যৰ পৰা বঞ্চিত কৰে। কিন্তু ইয়াক প্ৰতিহত কৰা খুউব টান কাম নহয়।

মই আজি এনে এগৰাকী ব্যক্তিৰ কথা ক'ম যিয়ে হাৰ নমনা মানসিকতাৰ বলত নিজকে এনেদৰে প্ৰতিষ্ঠা কৰিছিল সেয়া হয়তো বহুতৰে সপোনৰো অগোচৰ। ক্লাৰ্কছ্ভিলৰ নাম শুনিছেনে? আমেৰিকা যুক্তৰাষ্ট্ৰ পঞ্চাশখন স্বতন্ত্ৰ ৰাজ্যৰে গঠিত। টেনেছছি তাৰে এখন ৰাজ্য। ইয়াতেই অৱস্থিত ক্লাৰ্কছ্ভিল নামৰ চহৰখন। ১৯৮০ চনৰ ২৩ জুনৰ কথা, ইয়া এটা দুখীয়া পৰিয়ালত এজনী কণমানি শিশুৱে জন্ম গ্ৰহণ কৰে। কিন্তু শিশুটি জন্মৰ পৰাই অসুস্থ। পলিঅ' ৰোগত আক্ৰান্ত এটি ৰুগ্ন ও ভগ্ন শৰীৰৰ গৰাকী হৈ পৰিল ছোৱালীজনী। ভূতৰ ওপৰত দানহ পৰাদি অন্যান্য বেমাৰেও তাইক আগুৰি ধৰিলে। ঘৰৰ সকলোৱে ভাবিবলৈ ল'লে ছোৱালীজনী আৰু বাচি নাথাকিব।

ছোৱালীজনীক মাক-দেউতাকে নাম দিছিল উইলমা। উইলমা কেৱল বিচনাতেই শৈশৱ কটাবলগীয়া হৈছিল। যি অলপ খোজকাঢ়িছিল তাৰবাবে সহায় লৈছিল এযোৰ

অৰ্থপেডিক জোতাৰ। কিন্তু কিবা এটা কৰাৰ বাসনাই যেন উইলমাক ভিতৰি বলিয়া কৰি তুলিছিল। ককায়েক-বায়েকহঁতে খেলা-ধূলা কৰি থকা চাই তাইও কল্পনাৰ ৰাজ্যত খেলাৰ প্ৰতিচ্ছবি সাজিছিল। অৰ্থপেডিক জোতাৰে তাই চোতালত খোজ কাঢ়িছিল। অলপ অলপ কেতিয়াবা দৌৰিছিল। এদিন মাকে এটা দৃশ্য দেখি আচৰিত হ'ল। উইলমাই বলটো ধৰিবলৈ পিছে পিছে দৌৰিছে আৰু সেই অৰ্থপেডিক জোতাযোৰ তাইৰ ভৰিত নাই। মাকে আনন্দতে উইলমাৰ ফালে লৰি গ'ল আৰু দুই হাতেৰে তাইক সাবটি ধৰিলে আৰু তেওঁৰ চকুলো ববলৈ ধৰিলে। সেয়া হয়তো মাকৰ আনন্দৰে চকুলো আছিল।

মাকৰ সেই আনন্দৰ চকুলোৰ প্ৰতিদান উইলমাই কিদৰে দিলে জানিবলৈ মন যায়নে? উইলমাই বাস্কেট বল খেলিবলৈ ল'লে, কিন্তু তাই নোৱাৰিলে। শাৰীৰিক অসুস্থতাৰ বাবে নহয়, দৰাচলতে তাইৰ মন নবহিল। এথলেটিকছ্‌ৰ প্ৰতিহে উইলমানৰ আসক্তি আছিল। নিজকে এথলীটৰূপে গঢ় দিয়াৰ বাবে অনুশীলন আৰম্ভ কৰি দিলে। আগ্ৰহ, অধ্যৱসায় আৰু অনুশাসনৰ বলত উইলমাই ট্ৰেকত নিজৰ প্ৰতিভাৰ পৰিচয় দিলে। সকলোৰে তাইক ভৱিষ্যতৰ ক্ৰীড়া সম্পদ হিচাপে আখ্যা দিবলৈ ধৰিলে। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে তাই ১৯৫৬ চনৰ মেলবৰ্ন অলিম্পিকত ২০০ মিটাৰ দৌৰৰ প্ৰথম ৰাউণ্ডৰ পৰাই বিদায় ল'লে। ৪০০ মিটাৰ ৰিলেত অৱশ্যে এটা ব্ৰঞ্জৰ পদক পালে।

যি কি নহওক এগৰাকী শাৰীৰিকভাৱে অসুস্থ ছোৱালীয়ে চেষ্টাৰ বলত অলিম্পিক খেলাটোৰেই ডাঙৰ কথা, লগতে এটা ব্ৰঞ্জৰ পদকো জোলোঙাত; নহয় জানো? কিন্তু উইলমাৰ বাবে ই পৰ্যাপ্ত নহয়। তেওঁক যেন শ্ৰেষ্ঠ এথলীটৰূপে গঢ়াৰ ভূতে খেদিহে ফুৰিছে। আগতকৈও কঠোৰ অনুশীলন আৰম্ভ কৰি দিলে। তাৰ পাছত ১৯৬০ চনত ইটালীৰ ৰাজধানী ৰোম নগৰত অলিম্পিক অনুষ্ঠিত হ'ল। আভিজাত্য ৰোমানৰ ভূমিত উইলমাই এক সোণালী অধ্যায় ৰচে। ১০০ মিটাৰ দৌৰত স্বৰ্ণ পদক। ছেমি ফাইনেলত ১১.৩ ছেকেণ্ড সময়েৰে তেওঁ বিশ্ব অভিলেখ স্পৰ্শ কৰে। ফাইনেলত মাত্ৰ ১১ ছেকেণ্ডৰ সময় লৈ নিজৰে অভিলেখ ভঙাৰ সুযোগ পালে, কিন্তু সেই সময়ত বতাহৰ বেগ বেছি আছিল বাবে ইয়াক বিশ্ব ৰেকৰ্ডৰ মৰ্যাদা দিয়া নহ'ল। ২০০ মিটাৰ দৌৰতো স্বৰ্ণ পদক জয় কৰে। ৪০০ মিটাৰ ৰিলেত স্বৰ্ণ পদক বুটলাৰ লগতে বিশ্ব অভিলেখো স্থাপন কৰে। অলিম্পিকত তিনিটা স্বৰ্ণ পদক লাভ কৰা প্ৰথমগৰাকী আমেৰিকান মহিলা এথলীট হিচাপে বিবেচিত হ'ল।


ইয়াৰ উপৰিও ১৯৬১ চনত 'এচ'চিয়েটেড প্ৰেছ ফিমেল এথলীট অৱ দা য়েৰ'ৰ সন্মানীয় বঁটাও লাভ কৰে। ১৯৮৩ চনত 'যুক্তৰাষ্ট্ৰীয় অলিম্পিক হল অৱ ফেম'ৰে সন্মানীত কৰা হয়। ইয়াৰ উপৰিও বহুতো পুৰস্কাৰ বুটলিবলৈ সক্ষম হয়। দুবাৰৈ বিবাহ পাশত আবদ্ধ হৈ চাৰিটা সন্তানৰ মাতৃত্বও অৰ্জন কৰে।

তেওঁৰ সম্পূৰ্ণ নাম আছিল উইলমা গ্লডেন ৰুডলফ্। ভগৱানে তেওঁক পঙ্গুত্বৰ জীৱন প্ৰদান কৰিলে আৰু তেওঁ ভগৱানৰ সৃষ্টিকো প্ৰত্যাহ্বান জনালে। দেখুৱাই দিলে মানুহৰ ইচ্ছাশক্তিৰ প্ৰাবল্য কিমান। আমি জীৱনত আজিলৈকে অমুকটো নাই পোৱা, তমুকটো নাই পোৱা বুলি নিৰাশ হওঁ। কিন্তু উইলমাই যিটো পোৱা নাছিল তাতকৈ হয়তো আমাৰ অভাৱ নগণ্যহে। উইলমাই পুনৰ প্ৰতিপন্ন কৰিলে যে দৃঢ় ইচ্ছাশক্তি সফলতাৰ প্ৰধান সম্বল।

❑❑

**"পৰিপূৰ্ণতা আমাৰ কাৰো মাজতেই নাই। সেয়ে আমি যদি আমাৰ চিন্তাধাৰাক নিয়ন্ত্ৰণ নকৰোঁ, তেনেহ'লে আমি সকলো মানুহৰ মাজতে ক্ৰুটী-বিচ্যুতি দেখিবলৈ পাম। কিন্তু আমি যদি আমাৰ চিন্তাধাৰাক নিয়ন্ত্ৰণলৈ আনিব পাৰোঁ, তেনেহ'লে আমি মানুহৰ মাজত নানা বেয়াৰ লগতে ভাল কথাও আৱিষ্কাৰ কৰিবলৈ সক্ষম হ'ম।"**

— ডেল কাৰ্নেগী



# বিষয় ঃ
# “ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ উন্নীতকৰণ আৰু অসমৰ খিলঞ্জীয়া জনগোষ্ঠীৰ সুৰক্ষা, স্বাৰ্থ তথা অধিকাৰ”
# 'Updation of National Register of Citizens (NRC) and safeguards, interests and rights of the indigenous communities of Assam'

❍ **সমুজ্জ্বল বুঢ়াগোহাঁই**
তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ

—ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী মানে এখন পঞ্জী য'ত দেশৰ সকলো নাগৰিকৰে সবিশেষ তথ্য সন্নিৱিষ্ট কৰি ৰখা হয়। ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী আৰু ১৯৭১ চনৰ ২৪ মাৰ্চৰ (মাজনিশা) আগৰ ভোটাৰ তালিকাসমূহ গাঁও, চহৰ, নাগৰিক সেৱা কেন্দ্ৰ (এন.এচ.কে.) আৰু জিলা আৰু চক্ৰ আদি বিভিন্ন উপায়ুক্ত, চক্ৰ বিষয়াৰ দৰে জ্যেষ্ঠ বিষয়াৰ দ্বাৰা পুনৰ পৰীক্ষণ-নিৰীক্ষণৰ সুবিধাৰ্থে এটা কেন্দ্ৰীয় তথ্য ভঁৰালত মজুত কৰি ৰাখে। সাম্প্ৰতিক সময়ত এই ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী বিষয়টোৱে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। বিশেষকৈ নাগৰিকসকলৰ মাজত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ উন্নীতকৰণৰ বিষয়টোৱে আশংকাৰ সৃষ্টি কৰিছে। প্ৰতিজন নাগৰিকে এই এন.আৰ.চি.খন উন্নীতকৰণ হ'ব লাগে বুলি ইচ্ছা প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ উন্নীতকৰণ হোৱাতো অতি তাৎপৰ্যপূৰ্ণ হৈ পৰিছে।

এন.আৰ.চি. উন্নীতকৰণৰ ক্ষেত্ৰত বহুতো লোকে অহোপুৰুষাৰ্থভাৱে প্ৰচেষ্টা চলাই আছে যদিও বৰ্তমান সময়লৈকে সফলভাৱে ফলপ্ৰসু হ'ব পৰা নাই। ইয়াৰ বহু ভুল-ত্ৰুটী আমাৰ সমাজত দৃষ্টিগোচৰ হৈ আছে। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ উন্নীতকৰণৰ দ্বাৰা কোন খিলঞ্জীয়া আৰু কোন খিলঞ্জীয়া নহয় এই সম্পৰ্কে আমি জানিব পাৰিম। মুঠতে এন.আৰ.চি. শুদ্ধ ৰূপত প্ৰকাশ পোৱাটোৱেই হ'ল সকলো লোকৰে কাম্য।

সাম্প্ৰতিক অসমৰ পৰিস্থিতি অতি স্পৰ্শকাতৰ। খিলঞ্জীয়া জনগোষ্ঠীৰ অস্তিত্ব প্ৰায় বিপদাপন্ন হৈ পৰিছে। এনে খিলঞ্জীয়া জনগোষ্ঠীয়সকলৰ স্বাৰ্থ তথা অধিকাৰ এক ডাঙৰ প্ৰশ্ন হৈ দেখা দিছে। ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীৰ ইয়াণ্ডাবু সন্ধিৰ পূৰ্বে অসমত বাস কৰি থকা সকলেই হৈছে অসমৰ খিলঞ্জীয়া। ১৯৭১ চনক ভিত্তিবৰ্ষ হিচাপে লৈ প্ৰস্তুত হৈ থকা এন.আৰ.চি. সঠিক আৰু শুদ্ধ ৰূপত প্ৰকাশ হ'লে হয়তো এন.আৰ.চি.ত লিপিবদ্ধ থকা সকলোৱেই খিলঞ্জীয়া হৈ পৰিব।

ভূমি আৰু সম্পদৰ অধিকাৰেই হৈছে মূল অধিকাৰ। ভূমি আৰু সম্পদৰ অধিকাৰ সাব্যস্ত নোহোৱালৈকে খিলঞ্জীয়াৰ অস্তিত্ব কেতিয়াও সুৰক্ষিত নহয়। ভূমিৰ ওপৰত অধিকাৰ নথকাৰ বাবেই অসমৰ সৰ্বত্ৰ আজি বিদেশীয়ে ভৰি পৰিছে। খিলঞ্জীয়া জনগোষ্ঠীৰ উন্নয়ন দূৰৰ কথা সমন্বয়ৰ অভাৱত সুৰক্ষাও অনিশ্চিত হৈ পৰিছে। সমগ্ৰ বিশ্বৰেই বিভিন্ন প্ৰান্তত খিলঞ্জীয়াৰ দুৰৱস্থা এক অতিকে উদ্বিগ্নতাৰ বিষয়। ভাৰতবৰ্ষতো স্বাধীনতাৰ সমসাময়িকভাৱে খিলঞ্জীয়াৰ অধিকাৰ প্ৰধান বিষয়ৰূপে পৰিগণিত হৈ আহিছে। অসমৰ খিলঞ্জীয়াসকল আজি ৰাজনৈতিক অধিকাৰ খৰ্ব হোৱাকে ধৰি সকলো দিশৰ পৰাই অস্তিত্বৰ সংকটত ভোগিছে। ইতিমধ্যে ভাৰত চৰকাৰৰ অধিসূচনাৰ যোগেদি স্বীকৃতি পোৱা অসমৰ জনজাতিৰ মৰ্যাদা লাভ কৰিছে যদিও তেওঁলোকৰ সকলোৰে ভূমি আৰু ৰাজনৈতিক অধিকাৰ এতিয়াও সুৰক্ষিত হোৱা নাই। এইটো পৰিষ্কাৰ হৈ পৰিছে যে ইতিমধ্যে জনজাতিকৰণৰ দাবী কৰি অহা জনগোষ্ঠীসমূহৰ জনজাতিকৰণেই হৈছে খিলঞ্জীয়া অসমীয়াৰ ভূমি আৰু ৰাজনৈতিক অধিকাৰ ৰক্ষাৰ বাবে পোহৰ প্ৰেয়সী পথ। ভাৰতীয় সংবিধান একেদিনাই সম্পূৰ্ণ সলনি কৰি অসমৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ সুৰক্ষা আৰু উন্নয়নৰ বাবে ভাৰত চৰকাৰে বিশেষ আঁচনি প্ৰণয়ন কৰি শীঘ্ৰেই ৰূপায়ণ কৰিব পাৰিব বুলিও আশা কৰিব পৰা নাযায়।

এই কথাবোৰৰ গুৰুত্ব উপলব্ধি কৰি অসমৰ সকলো খিলঞ্জীয়া একেখন মঞ্চৰ তললৈ অহাৰ প্ৰয়োজন হৈ পৰিছে। বৃহত্তৰ অসমৰ সকলো জাতি-জনগোষ্ঠী, উপজাতি, সম্প্ৰদায়, ধৰ্ম, বৰ্ণ আৰু লিংগ নিৰ্বিশেষ একেলগে আলোচনাৰ মাধ্যমেৰে সুস্থিৰ মঞ্চ এখন তৈয়াৰ কৰি সেই মঞ্চৰ যোগেদি সমস্যাবোৰৰ সমাধান বিচৰা উচিত। তেতিয়াহে খিলঞ্জীয়াৰ ভূমি আৰু ৰাজনৈতিক অধিকাৰ সাব্যস্ত কৰিবলৈ পথ সুগম হ'ব। খিলঞ্জীয়া বিৰোধী সকলো শক্তিকে মষিমূৰ কৰি ভাৰত চৰকাৰক হেঁচা প্ৰয়োগ কৰিলেই সমাধানৰ পথ মুকলি হ'ব। সকলো খিলঞ্জীয়াৰ ঐক্য মঞ্চইহে অসমলৈ সোণোৱালী দিন আনিব পাৰিব।

❍ **দিগন্ত দাস**
তৃতীয় ষান্মাসিক, সমাজতত্ত্ব বিভাগ

—এখন ৰাষ্ট্ৰ নিৰ্মাণ হয় এটা জাতিৰ অস্তিত্বৰ সুৰক্ষাক কেন্দ্ৰ কৰি। মানৱীয় মূল্যবোধ, সমতা ৰক্ষা আদি দিশবোৰো এখন ৰাষ্ট্ৰৰ বাবে সমানেই গুৰুত্বপূৰ্ণ। এতিয়া যদি ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী (চমুকৈ এন.আৰ.চি.) ৰ প্ৰসংগলৈ আহোঁ, আমি ক'ব পাৰো যে সমগ্ৰ অসমবাসীৰ বাবে এটা ডাঙৰ প্ৰশ্ন হৈছে— 'এন.আৰ.চি.ক লৈ আশ্বস্ত নে বিপদগ্ৰস্ত'? এইটো অনস্বীকাৰ্য যে এন.আৰ.চি.য়ে খিলঞ্জীয়াৰ আকাংক্ষাক পূৰণ কৰিব পৰা নাই। কিন্তু এইটোও মন কৰিবলগীয়া যে এয়া আৰম্ভণিহে মাথোঁ। প্ৰথমটো পদক্ষেপত আসোঁৱাহ ৰৈ যোৱাটো স্বাভাৱিক। কিন্তু ইয়াৰ দীৰ্ঘম্যাদী পৰিকল্পনাই অসমৰ খিলঞ্জীয়াৰ অস্তিত্বক নিশ্চয়কৈ সুৰক্ষিত কৰিব। খিলঞ্জীয়াৰ স্বাৰ্থ তথা অধিকাৰক কেন্দ্ৰ কৰি দীৰ্ঘদিনীয়া যি দাবী সেয়া অদূৰ ভৱিষ্যতে পূৰণ হোৱাত মুখ্য ভূমিকা পালন কৰিব এন.আৰ.চি.য়ে। এখন সঠিক এন.আৰ.চি.ৰ প্ৰয়োজনীয়তাক আমি আওকাণ কৰিব নোৱাৰো।

❍ **জ্ঞানতৃষা ফুকন**
প্ৰথম ষান্মাসিক, বুৰঞ্জী বিভাগ

—ভিত্তিবৰ্ষ ১৯৭১ ক লৈ আৰম্ভ হ'ল ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণ প্ৰক্ৰিয়া। ১৯৭১ চন, যাক লৈ ছবছৰীয়া এক তেজাল অধ্যায়ৰ অন্তত সৃষ্টি হৈছিল অসম চুক্তিৰ। এই অসম চুক্তিৰ মূলতে আছিল ১৯৭১ চনৰ পিছত অসমলৈ হোৱা অবৈধ অনুপ্ৰৱেশৰ বিৰুদ্ধে এক উচিত পদক্ষেপ। আচলতে ঠিক বিৰুদ্ধে বুলি ক'লে ভুল হ'ব।

ঠিক এনেকুৱাতেই অবৈধ অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে থিয় হৈ অসমৰ খিলঞ্জীয়া জনগোষ্ঠীৰ লোকসকলৰ ৰাজনৈতিক, আৰ্থ-সামাজিক তথা সাংস্কৃতিকভাৱে ৰক্ষণাবেক্ষণ দিয়া প্ৰতিশ্ৰুতিৰে আৰম্ভ হৈছিল ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ। অসম চুক্তিৰ মতে ১৯৭১ চনৰ পূৰ্বে অসমলৈ কোনোধৰণৰ অবৈধ অনুপ্ৰৱেশ ঘটা নাছিল অথবা যদিও হৈছিল সেইসকলক ৰাজনৈতিক ৰক্ষণাবেক্ষণ দিয়া হৈছিল। ইয়াৰ বিপৰীতে ১৯৭১ ৰ পৰৱৰ্তী সময়ত অসমলৈ অহা অনুপ্ৰৱেশকাৰীসকলৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ দ্বাৰা চিনাক্ত কৰি অসমৰ পৰা বহিষ্কাৰ কৰা হ'ব। কিন্তু সেয়া আছিল মাত্ৰ ৰাজনীতিৰ পাশাখেল।

অসম চুক্তিত উল্লেখ কৰা হৈছিল যে অসমৰ খিলঞ্জীয়া লোকক সকলো প্ৰকাৰে ৰক্ষণাবেক্ষণ দিয়া হ'ব। উল্লেখ্য যে আন্তঃৰাষ্ট্ৰীয় সীমান্তত কাঁইটীয়া বেৰ দিয়া হ'ব, অসম আন্দোলনত শ্বহীদ হোৱা লোকৰ পৰিয়াললৈ এককালীন চৰকাৰী সাহায্য দিয়া হ'ব ইত্যাদি ধৰণৰ বহুতো প্ৰতিশ্ৰুতি সেইসময়ত শুনা গৈছিল অথবা লিখিত চুক্তি পঢ়িবলৈ পোৱা গৈছিল। কিন্তু ইয়াৰ বিপৰীত ছবি সাম্প্ৰতিকত অতি সুলভ। ভাৰত-বাংলাদেশ সীমান্ত তেতিয়াও উন্মুক্ত আছিল আৰু এতিয়াও ই উন্মুক্ত। ঘৰচীয়া জন্তুৱে বাৰীৰ সীমা ভেদাৰ দৰে আজিও উন্মুক্ত সীমাৰে বাংলাদেশীৰ অবৈধ আহ-যাহ দেখা যায়, যিয়ে অসমৰ খিলঞ্জীয়া জনগোষ্ঠীৰ অস্তিত্ব বিপদাপন্ন কৰি তুলিছে। বৰ্তমানে ই ভাৰতীয় ৰাজনীতিকৰ সহায়ক ৰূপে পৰিগণিত হৈছে। আনহাতে ই অসমৰ খিলঞ্জীয়াৰ আৰ্থ-সামাজিক দিশত প্ৰভাৱ পেলোৱাৰ উপৰিও সাংস্কৃতিক ক্ষেত্ৰখনক গ্ৰাস কৰাত উঠি পৰি লাগিছে। মুঠৰ ওপৰত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণে অসমৰ খিলঞ্জীয়া স্বাৰ্থ তথা অধিকাৰ ৰক্ষাত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে।

মতামত

❍ **বিকাশজ্যোতি চাংমাই**
পঞ্চম ষান্মাসিক, সমাজতত্ত্ব বিভাগ

—নমস্কাৰ, বিগত সময়ত অসমত সঘনাই চৰ্চা লাভ কৰি থকা এটা বিষয় হৈছে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ (NRC) উন্নীতকৰণ। কিয়নো এখন সঠিক, শুদ্ধ NRC ৰ পৰিৱৰ্তে শেহতীয়াকৈ ৩১ আগষ্টত প্ৰকাশিত চূড়ান্ত তালিকাই কিছু পৰিমাণে হ'লেও আমাক নিৰাশ কৰিছে। NRC ৰ বাবে আবেদন কৰা মুঠ ৩ কোটি ৩০ লাখ মানুহৰ ভিতৰত প্ৰায় ৩ কোটি ১১ লাখ মানুহৰ নাম চূড়ান্ত তালিকাত সন্নিৱিষ্ট হৈছে। অৰ্থাৎ মাত্ৰ ১১ লাখ মানুহৰ নামহে বাদ পৰিছে যিটো ভৱিষ্যতে অন্তৰ্ভুক্তিৰ সম্ভাৱনাও আছে। গতিকে চিন্তনীয় তথা মন মগজুক ভবাই তোলা কথাটো হ'ল অসম আন্দোলনৰ পৰা শুনি অহা লাখ লাখ বিদেশী ক'লৈ গ'ল? চাৰি বছৰে চলা প্ৰক্ৰিয়াটো সঁচাকৈ ক্ৰটীপূৰ্ণ আছিল নে যে বিদেশী চিনাক্ত কৰিবই পৰা নগ'ল?

ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ মতে অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসকলৰ স্বাৰ্থ নিশ্চয়কৈ ওতঃপ্ৰোতভাৱে জড়িত। অবাধ হাৰত ঘটি থকা প্ৰব্ৰজনৰ ফলত অসমত বিভিন্ন খিলঞ্জীয়া জনগোষ্ঠীসমূহ সংখ্যালঘুত পৰিণত হোৱাৰ উপক্ৰম হৈছে।

এইদৰে ঘটা প্ৰব্ৰজনে জনগোষ্ঠীয় সমাজখনৰ জাতীয় জীৱন তথা সংস্কৃতি আৰু অন্যান্য সামাজিক দিশত বিৰূপ প্ৰভাৱ পেলাই আহিছে। গতিকে খিলঞ্জীয়া জনগোষ্ঠীসকলৰ সামাজিক স্বাৰ্থ ৰক্ষাৰ বাবে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী এক সুৰক্ষা কৱচ হোৱাটোৱেই আমাৰ তথা প্ৰতিজন খিলঞ্জীয়া জনগোষ্ঠীয় লোকৰ কাম্য। কিয়নো ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়ে অবৈধ প্ৰব্ৰজনকাৰী চিনাক্ত কৰি অসমৰ বিতাড়িত কৰাৰ ফলত জনগোষ্ঠীয় লোকৰ সামাজিক স্বাৰ্থ ৰক্ষা কৰাটো সম্ভৱ হৈ উঠিলহেঁতেন।

খিলঞ্জীয়া জনগোষ্ঠীৰ ভূমি আৰু সম্পদৰ অধিকাৰেই হ'ল মূল অধিকাৰ। ভূমি আৰু সম্পদৰ ওপৰত খিলঞ্জীয়া লোকৰ অধিকাৰ সাব্যস্ত কৰিব নোৱাৰালৈকে কেতিয়াও সুৰক্ষিত নহয়। গতিকে খিলঞ্জীয়া জনগোষ্ঠীৰ লোকসকলৰ স্বাৰ্থ

তথা অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়ে আশাৰ ৰেঙনি কঢ়িয়াইছিল। কিন্তু বৰ্তমান ই যেন আমাক হতাশাগ্ৰস্ত কৰি তুলিছে। শেহতীয়া চূড়ান্ত তালিকা, স্থিতিয়ে চিন্তিত কৰি তুলিছে। আমি প্ৰশ্ন সুধিব বিচাৰো এই প্ৰশ্নৰ সমাধান ক'ত? কিমান সঠিক আৰু ত্ৰুটীবিহীন ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী? প্ৰকৃততে খিলঞ্জীয়া জনগোষ্ঠীসকলৰ স্বাৰ্থ আৰু অধিকাৰ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ ভূমিকা কিমান দূৰ গ্ৰহণযোগ্য?

❍ **Ranuj Dutta**
B.Sc. 3rd Semester
Department of Geology

—The people of Assam are passing through a very difficult moment of history as the various communities of the region have deep and legitimate worries for their futures. Historical injustice has been done to the people of Assam by successive governments at the centre and the state level by not taking responsibility for migration into the state of Assam and by thrusting the entire burden on the people of Assam. Sensitive areas in Assam and particularly the tribal areas need extensive protection and effective monitoring to prevent further demographic decline to prevent the transfer of land from tribal to wealthy non-tribal communities. Those persons (Hindu, Muslim, other communities) who have resided in Assam for decades and are now excluded from the NRC must be treated with dignity and with the full protection of their human right. Having been historically wronged by colonial policies and by lack of adequate protection after Independence, the Indigenous people of Assam, tribal and non-tribal are afraid of being submerged by the immigrant population, thus losing their language and culture as well as the control over their lands and forests. Why the indigenous communities are anxious that foreigners are not given citizenship and allowed to enjoy benefits here is primarily because of primary resources, especially land becoming alarmingly scarce while at the same time an estimate up to about 30 lakh family are flood affected. At a stage of ceremony when jobs are simply not there for the young and burgeoning population, more claimants to the few available ones will naturally be considered a calamity.

❑❑

# বিশিষ্ট সাহিত্যিক আৰু সাংবাদিক অনুৰাধা শৰ্মা পূজাৰীৰ সৈতে–



**গড়গঞা ঃ** বাইদেউ নমস্কাৰ, গড়গাঁও মহাবিদ্যালয়ৰ তৰফৰ পৰা আপোনাক আন্তৰিক শুভাশিষ আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**অনুৰাধা শৰ্মা পূজাৰী ঃ** মইও ধন্যবাদ দিছোঁ তোমালোকক।

**গড়গঞা ঃ** আপোনাৰ জন্ম, শৈশৱ আৰু পৰিয়ালৰ বিষয়ে জনাব।

**অনুৰাধা শৰ্মা পূজাৰী ঃ** জন্ম হৈছিল মোৰ ষাঠি দশকত, যোৰহাটৰ দহলঙীয়া চাহ-বাগিচাত। দেউতা সেই চাহ বাগিচাৰ পৰিচালন সঞ্চালক আছিল। সেয়া আছিল ইউৰোপীয়ান চাহ বাগিচা। তাত জন্ম হোৱাৰ পাছত বেছিদিন থাকিব নোৱাৰিলোঁ, দেউতাৰ এটা দুৰ্ঘটনা ঘটিছিল। সেইবাবে আমি চহৰলৈ আহিলোঁ আৰু চহৰতে ডাঙৰ-দীঘল হ'লোঁ। দেউতা যিহেতু অসুস্থ আছিল, সেয়ে বহু দীঘলীয়া সময় দেউতাক বিদেশত চিকিৎসা কৰাবলগা হৈছিল। বোধহয় মোৰ সেইসময়ত এবছৰেই হোৱা নাই। তাৰ পাছত মোক সেই বাগিচাৰেই এগৰাকী আয়াই চোৱা-চিতা কৰিছিল। আৰু আইতাহঁতৰ লগতেই মই ডাঙৰ হৈছিলোঁ। সৰু কালছোৱাত যিহেতু মায়ে দেউতাৰ লগত থাকিবলগীয়া হৈছিল। মোৰ দুজন দাদা আছিল, তেওঁলোকক গুৱাহাটীৰ ডনবস্ক'ত আৰু হাইস্কুলত Boarding ত থৈছিল। মোক তেতিয়া চাওঁতা

আছিল সেই মানুহসকল, গতিকে মায়ে মোক বৰ যতন ল'ব পৰা নাছিল। শৈশৱটো মোৰ অকলশৰীয়াকৈয়ে পাৰ হৈছিল। কিন্তু অকলশৰীয়া কৰা নাছিল কেইটামান কথাই। সেইকেইটা হৈছে— মোৰ বহু পোহনীয়া জীৱ-জন্তু আছিল। কুকুৰৰ পৰা আদি কৰি মেকুৰি, হাঁহ, কুকুৰা, এইবিলাকক মোৰ ডাঙৰ সংসাৰ কৰি লৈছিলোঁ। চহৰৰ ঘৰত মোৰ এই জীৱ-জন্তু বিলাকৰ প্ৰতি ইচ্ছা দেখি দেউতাই মোক আনি দিছিল। এইবোৰৰ মাজতেই মই মোৰ শৈশৱটো পাৰ কৰিছিলোঁ। পশু-পক্ষীক লৈ ডাঙৰ হৈছো, প্ৰকৃতিক লৈ ডাঙৰ হৈছোঁ। মই আখৰ লিখাৰ আগৰ পৰাই ছবি আঁকিছিলো, গতিকে ছবি অঁকাটোৰ বাবেই মোৰ সুবিধা হৈছিল। নানান ঠাইৰ পৰা মা-দেউতাই order কৰি ৰং আনি দিছিল; বাহিৰৰ পৰা আনি দিছিল। water colour কৰিবৰ বাবে, oil painting কৰিবৰ বাবে যি ৰং লাগে মোক যোগান ধৰিছিল। oil painting মই দেৰিকৈ শিকিছোঁ।

ইয়াৰ লগতে কিতাপ-পত্ৰও আনি দিছিল। যিহেতু মা-দেউতাই বাহিৰৰ পৰা কিতাপ আনি পঢ়িছিল, সেইবাবে আমাৰ ঘৰত কিতাপ পঢ়াৰ পৰিৱেশ আছিল। দেউতা আৰু মাৰ বেলেগে বেলেগে library আছিল, সেইবাবে মোকো এটা লাগিব বুলি জেদ ধৰিলত মোলৈ বাহিৰৰ পৰা অনাই দিছিল। আমাৰ সময়ত বহু অনুবাদ পঢ়িবলৈ পাইছিলোঁ আৰু খুব ভাল ভাল কিতাপৰ সংগ্ৰহ আছিল লগতে world classics বিলাক দেউতাই তেতিয়া বোম্বে আৰু মাদ্ৰাজ এই দুই ঠাইৰ পৰা ডাকযোগে অনাই দিছিল। ডাক যোগেই ছবি শিক্ষণৰ কিছুমান কিতাপ আহিছিল। যাৰ জৰিয়তে মই চাই চাই ছবি আঁকিব পাৰিছিলোঁ। গতিকে মই ধন্যবাদ দিওঁ মা-দেউতাক। কাৰণ যদিও মায়ে দেউতাক চাবলগা হৈছিল, তথাপিও অকলশৰীয়া কৰা নাছিল। তাৰপাছতেই মই প্ৰায় চাৰি বছৰ বয়সৰ পৰা মণিপুৰী নৃত্য শিকিছিলোঁ ৰথিন্দ্ৰনাথ সিঙৰ ওচৰত আৰু performance ও কৰিছিলোঁ প্ৰায় ৬-৭ বছৰ বয়সৰ পৰা। লগতে প্ৰায় ৮ বছৰ বয়সৰ পৰা শাস্ত্ৰীয় সংগীতৰ প্ৰশিক্ষণ লৈছিলোঁ নিজৰ ঘৰতেই। গতিকে পঢ়া-শুনাৰ বাহিৰে গান, ছবি, শাস্ত্ৰীয় সংগীত, মণিপুৰী নৃত্য আদিৰ এক বিশাল জগত দিছিল। গতিকে শৈশৱত মই এক বেলেগধৰণৰ পৃথিৱী পাইছিলোঁ আৰু কিতাপসমূহ পঢ়িবলৈ শিকিছিলোঁ আৰু যিবিলাক কথা বুজা নাছিলোঁ মা-দেউতাই বুজাই দিছিল। কিন্তু মই জীৱনী বহুত পঢ়িছিলোঁ সৰু কালতেই। Jules Verne হওক বা Tom Sawyerৰ যিবোৰ গল্প পঢ়ি মই সৰু কালতেই বেলেগ এখন জগতলৈ গুচি গৈছিলোঁ। তাত কল্পনাও বহুত আহিছিল। তাৰ পাছত মই ছবিৰ জল ৰঙৰ পৰা, লাহে লাহে oil painting আঁকিবলৈ আৰম্ভ কৰিলোঁ। মোৰ শৈশৱত তেওঁলোকে পৃথিৱীখনক চোৱাৰ হেঁপাহ এটা তৈয়াৰ কৰি দিছিল। গতিকে মই ভাবো এইখিনি তৈয়াৰ কৰি দিব পাৰিলে প্ৰত্যেক ল'ৰা-ছোৱালীয়েই এখন নিৰ্দিষ্ট জগতৰ সন্ধান পাব। মোৰ শৈশৱটো নিঃসংগতা অথচ সমৃদ্ধিময় বুলি ক'ব পাৰি।

**গড়গঞা ঃ** আপোনাৰ শিক্ষা জীৱন?

**অনুৰাধা শৰ্মা পূজাৰী ঃ** মই শিক্ষা জীৱন আৰম্ভ কৰিছিলো ইংৰাজী মাধ্যমত, তাৰ পাছত মই অসমীয়া মাধ্যমত অধ্যয়ন কৰিছিলোঁ। যোৰহাটৰ দেৱীচৰণ বৰুৱা ছোৱালী মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰি সমাজশাস্ত্ৰ বিষয়ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰোঁ।

**গড়গঞা ঃ** সাহিত্য জগতখনলৈ আপুনি কেনেদৰে প্ৰৱেশ কৰিছিল?

**অনুৰাধা শৰ্মা পূজাৰী ঃ** মোৰ সাহিত্য জীৱনৰ পাতনি মেলিছিলোঁ কলিকতাত। 'আজিৰ বাতৰি' নামৰ কাকতত মোৰ 'সাধাৰণ মানুহৰ অসাধাৰণ কথা' নামৰ প্ৰথম স্তম্ভলেখা প্ৰকাশ পাইছিল। তাৰ পাছত 'অসম বাণী'ত হোমেন বৰগোহাঞিদেৱে এটা স্তম্ভলেখা লিখিবলৈ দিছিল। তাৰ নাম আছিল 'কলিকতাৰ চিঠি'। এই 'কলিকতাৰ চিঠি' খুউব জনপ্ৰিয় হৈছিল। 'কলিকতাৰ চিঠি'য়ে মোৰ সাহিত্য জীৱনৰ পাতনি বুলি ক'ব পাৰি। ইয়াৰ পাছতেই বৰগোহাঞিদেৱৰ অনুৰোধ মৰ্মে মোৰ জীৱনৰ প্ৰথম উপন্যাস 'হৃদয় এক বিজ্ঞাপন' লিখিছিলোঁ। কলিকতাত মই যিটো কোম্পানীত কাম কৰিছিলোঁ, তাৰ বাস্তৱ জীৱনৰ ঘটনাৰেই এইখন উপন্যাস লিখিছিলোঁ। 'হৃদয় এক বিজ্ঞাপন' লিখাৰ পাছৰ পৰাই পঢ়ুৱৈ সমাজে মোৰ লিখাক এনেদৰে আদৰি ল'লে যে তেওঁলোকৰ

আশীৰ্বাদত মই তাৰ পাছৰ পৰাই বিভিন্ন কিতাপ লিখিলোঁ। এনেদৰেই মোৰ সাহিত্য জীৱনৰ পাতনি মেলিছিলোঁ।

**গড়গঞা ঃ** এজন ব্যক্তিয়ে যেতিয়া সাহিত্য চৰ্চা আৰম্ভ কৰে, সাধাৰণতে আমি দেখিবলৈ পাওঁ তাত বিভিন্ন কাৰণ জড়িত হৈ থাকে। কোনোবাই সাহিত্য চৰ্চাৰ যোগেদি সমাজ পৰিৱৰ্তনৰ সপোন দেখে, কোনোৱে হয়তো সমাজৰ বাবে এক আদৰ্শ এৰি যাব বিচাৰে, কোনোৱে হয়তো আজৰি সময় অতিবাহিত কৰিব বিচাৰে। গতিকে জানিব বিচাৰিছোঁ আপোনাৰ সাহিত্য চৰ্চাৰ মূল কাৰণ কি?

**অনুৰাধা শৰ্মা পূজাৰী ঃ** মই সাহিত্যিক হ'ম বুলি সপোনতো নভবা এটা কথা। আনে যিদৰে সাহিত্য চৰ্চা কৰিম বুলি ভাৱে, মই জীৱনতো ভবা নাই। গতিকে সাহিত্য চৰ্চা কৰি সমাজত আদৰ্শ স্থাপন নতুবা সমাজ পৰিৱৰ্তন কৰিম বুলি মই লিখা নাই। হোমেন বৰগোহাঞিদেৱে যেতিয়া অনুৰোধ কৰিছিল, মই কান্দি-কাতি কৈছিলোঁ 'মোৰ দ্বাৰা উপন্যাস লিখা নহ'ব। আপুনি মোক অন্ততঃ সেইটো অনুৰোধ নকৰিব'। তেওঁ তেতিয়া কৈছিল 'তুমি যিবোৰ লিখি আছা, সেই সকলোবোৰ উপন্যাসৰে প্ৰত্যেকটো চৰিত্ৰ। তুমি লিখিব পাৰিবা।' কিন্তু পাছত পঢ়ুৱৈয়ে যেতিয়া আদৰি লৈছে, তেতিয়াই মই উপলব্ধি কৰিছো সাহিত্য কৰি মই নিজেই ভাল পাইছো। সাহিত্যৰ যোগেদি মই ভবা চিন্তাবিলাক সমাজলৈ এৰি দিব খুজিছোঁ। কোনোবাই গ্ৰহণ কৰিছে, কোনোৱে নাই কৰা। সেয়া মোৰ look out নহয়। মোৰ চিন্তাধাৰাবোৰ, পৃথিৱীখনৰ পৰা সঞ্চয় কৰা অভিজ্ঞতাবোৰৰ জৰিয়তে জীৱনত যিবোৰ উপলব্ধি হৈছে, সেই উপলব্ধিখিনি ক'ৰবাত লিপিবদ্ধ কৰাটো মোৰ কৰ্তব্য বুলি ভাবিছিলোঁ। সেই সময়ত মই কোনো পঢ়ুৱৈৰ কথা ভবা নাছিলোঁ। মই লিখিব লগা মানুহ, মাত্ৰ লিখি গৈছিলোঁ। আৰু যেতিয়া পঢ়ুৱৈ পাইছো, তেতিয়া মনটোত এটাই ভাল লাগিছে, মই পঢ়ুৱৈসকলক মনৰ বন্ধু বুলি ভাবিব লৈছিলোঁ। পঢ়ুৱৈসকলে মোৰ কিতাপ পঢ়ি মোৰ সৈতে communicate কৰে। মাজ নিশা ২.০০ বজাতো কোনো পঢ়ুৱৈয়ে ক'ৰবাৰ পৰা নম্বৰ গোটাই মোলৈ ফোন কৰে, কৰি কয়, 'বেয়া নাপাব, মই এইমাত্ৰ আপোনাৰ এইখন কিতাপ পঢ়ি শেষ কৰিছোঁ আৰু শেষ কৰি আপোনালৈ ফোন এটা নকৰাকৈ নোৱাৰিলোঁ। আপোনাৰ এইখন কিতাপ মই আৰু বহুবাৰ পঢ়িম, কিন্তু আপুনি মোক জীৱনত এটা বহু ডাঙৰ শিক্ষা দিলে'। এনেধৰণৰ ফোনকলসমূহ যেতিয়া পাওঁ তেতিয়া ভাবো এইসকল পঢ়ুৱৈয়ে মোৰ মনৰ সৈতে ক'ৰবাত যোগসূত্ৰ স্থাপন হৈছে। সেয়াই হৈছে মোৰ জীৱনৰ আটাইতকৈ ডাঙৰ প্ৰাপ্তি যে মোৰ লেখাৰ যোগেদি এখনি বৃহৎ পঢ়ুৱৈ সমাজ পাইছো। মোৰ বাবে তাতকৈ ডাঙৰ আৰু একো নাই। মই কোনো আদৰ্শৰ বাবে লিখা নাই। আদৰ্শ নিজে নিজে গঢ় লয়। লগতে মই কোনো সমাজ পৰিৱৰ্তনৰ বাবেও লিখা নাই। এইয়ে বৃহৎ পঢ়ুৱৈ সমাজে মই নজনাকৈয়ে মোৰ সৈতে যোগসূত্ৰ স্থাপন কৰিছে, ই হৈছে এক ইতিবাচক কথা আৰু এই কথাখিনিয়েই মোৰ প্ৰেৰণা হৈ ৰৈছে।

**গড়গঞা ঃ** বাইদেউ আপোনাৰ কৰ্মজীৱনৰ বিষয়ে অলপ জনাব।

**অনুৰাধা শৰ্মা পূজাৰী ঃ** কৰ্মজীৱন বুলি ক'লে মোৰ কিতাপবোৰেই। ২২-২৩ খনত কিতাপেৰে ভৰপূৰ এখন কিতাপৰ তালিকা পাবা। এই কামসমূহ বিভিন্ন ঠাইৰ। কেতিয়াবা যদি আমেৰিকালৈ মাতি আমেৰিকাৰ চৰকাৰে এমাহ ৰাখি তাত 'আমেৰিকান চৰাইখানা' বুলি এখন কিতাপ উলিয়াইছে, তেন্তে কেতিয়াবা ইউৰোপলৈও মাতিছে, তাতো বহু কিতাপ ওলাইছে। প্ৰত্যেক সপ্তাহত মোৰ সাদিনত এটা এটাকৈ সম্পাদকীয় প্ৰকাশ পাইছে। যোৱা ২০ বছৰে হয়তো মোৰ হাতত কলম আৰু ৰোৱা নাই। ইয়াৰ মাজে মাজে বহু কিতাপ লিখি থকা হৈছে। যোৱা ডিচেম্বৰ মাহলৈকে মোৰ কিতাপ ওলাই আছে। এনেদৰেই মানুহে পাই আছে। মোৰ কৰ্মজীৱন বুলিবলৈ আৰু একো নাই।

**গড়গঞা ঃ** আপুনি যদি সাহিত্য আৰু সাংবাদিকতা জগতখনত জড়িত নহ'লহেঁতেন, তেন্তে আপুনি নিজকে কি বুলি চিনাকি দি ভাল পালেহেঁতেন?

**অনুৰাধা শৰ্মা পূজাৰী ঃ** সাহিত্য আৰু সাংবাদিকতা জগতখনত জড়িত নোহোৱাহ'লে Academic Line ত থাকিলোহেঁতেন। যিকোনো শিক্ষানুষ্ঠানতেই হ'লহেঁতেন। সেয়া হয়তো প্ৰাথমিক বিদ্যালয়েই

হ'লহেঁতেন নতুবা যিকোনো শিক্ষা বিষয়ত জড়িত হ'লোহেঁতেন আৰু মোৰ নিজৰ যিবোৰ ভালপোৱা কথা, যেনে— মানুহৰ লগত নানান ধৰণে জড়িত হোৱা সামাজিক কাম কৰা আদি এইবোৰ হয়তো কৰিলোহেঁতেন।

**গড়গঞা ঃ** আমি যদি আন্তঃৰাষ্ট্ৰীয়ই হওক, ৰাষ্ট্ৰীয়ই হওক নতুবা অসমৰ প্ৰেক্ষাপটলৈ চাওঁ, তেন্তে বহুতো লেখকৰ উপন্যাসৰ আধাৰত বহুতো চলচিত্ৰ নিৰ্মাণ হোৱা দেখা পাই আহিছোঁ। আজি কিছুদিনৰ আগতেই ৰীতা চৌধুৰী বাইদেউৰ উপন্যাসৰ আধাৰৰ 'কানীন' নামৰ শীৰ্ষক চলচিত্ৰখন নিৰ্মাণ কৰা হৈছিল। আপুনিও আপোনাৰ উপন্যাসৰ আধাৰত চলচিত্ৰ নিৰ্মাণৰ পৰিকল্পনা কৰিছে নি? আৰু যদি কৰিছে তেন্তে কোনখন উপন্যাসক ৰূপালী পৰ্দাত তুলি ধৰিবলৈ বিচাৰিব?

**অনুৰাধা শৰ্মা পূজাৰী ঃ** তোমালোকক জনাব বিচাৰো যে, মোৰ এনে কোনো পৰিকল্পনা নাই। বহুতো ধাৰাবাহিক হৈছে মোৰ কিতাপৰ আৰু দুখনমান চিনেমা আধা কৰি ৰাখি দিছে, লগতে বলিউডলৈও লৈ গৈছে কিন্তু তেওঁলোকে sponsor নাপাই ৰৈ গৈছে। বহু দিনৰ আগৰ পৰাই মোৰ গল্পৰ আধাৰত বহু ধাৰাবাহিক হৈছে, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বহুতো ডাঙৰ ডাঙৰ আলোচনীত মোৰ বহু গল্প চাৰি-পাঁচটা ভাষালৈ অনুবাদো হৈছে। নাটকো বহুত হৈছে। বিদ্যুৎ চক্ৰৱৰ্তী, বিদ্যাৱতীদেৰেও বহুতো গল্পৰ নাটক কৰিছে। 'কাঞ্চন'খন তিনিবাৰ ভ্ৰাম্যমাণ থিয়েটাৰত লৈছে। গতিকে মই কোনো চলচিত্ৰ নিৰ্মাণৰ পৰিকল্পনা কৰা নাই।

**গড়গঞা ঃ** সাধাৰণ পাঠকৰ দৃষ্টিৰে আপোনাৰ লেখাসমূহত এখন বাস্তৱ জগতত চলি থকা বিভিন্ন দিশৰ সম্পৰ্কে নিৰপেক্ষ শক্তিশালী বিশ্লেষণ দেখা যায়। এনে সৃষ্টিৰ আঁৰৰ উদ্দেশ্য কি?

**অনুৰাধা শৰ্মা পূজাৰী ঃ** নিৰপেক্ষতা হয়তো মোৰ জীৱনৰ ধৰ্ম। মই মানুহক সদায় নিৰপেক্ষভাৱে চাওঁ। মই এজন চোৰ-ডকাইতকো চোৰ বুলি একাষাৰে নকওঁ। তেওঁৰ বা পেটৰ কি কি দায় আছিল, তেনেকৈ ভাবো। পুৰুষ-নাৰীৰ ক্ষেত্ৰতো মই কোনো নাৰীবাদী নহয়। মই পুৰুষজনৰ প্ৰতিও সমভাৱ ৰাখোঁ। সেইবাবে হয়তো নিৰপেক্ষভাৱে চাওঁ সকলো। এই চিন্তাবোৰ মই কেতিয়াও কৰোঁ বুলি নকৰোঁ, সকলোবোৰ যেন নিজে নিজেই আহে।

**গড়গঞা ঃ** বৰ্তমান অসমৰ সাহিত্য জগতখনলৈ যিসকল নবীন সাহিত্যিকে সাহিত্য চৰ্চাৰ কামত আগবাঢ়ি আহিছে, তেওঁলোকক লৈ আপুনি কিমান দূৰ আশাবাদী?

**অনুৰাধা শৰ্মা পূজাৰী ঃ** তেওঁলোকক লৈ মই বহু আশাবাদী। তেওঁলোকে বহু ভাল ভাল লিখে। কিন্তু তেওঁলোকে ভাষাটোক ভালদৰে চৰ্চা কৰা নাই। প্ৰথমে তেওঁলোকে ভাষাটোক ভালদৰে চৰ্চা কৰিব লাগিব আৰু সোনকালে খ্যাতি পোৱাৰ যিটো কামনা সেইটো কমাব লাগিব। আজিকালি ফেচবুকৰ দৰে বিভিন্নধৰণৰ সামাজিক মাধ্যম হৈ গ'ল, লগতে নিজে নিজে কবিতা কিতাপ, গল্প কিতাপ ছপাব পৰা হৈ গ'ল। গতিকে যাৰে অলপ পইচা থাকে সিয়ে দুটকামান খৰচ কৰি কিতাপ এখন প্ৰকাশ কৰি দিয়ে। আৰু নিজেই ভাবি লয় যে মই কবি, সাহিত্যিক বা গল্পকাৰ হ'লোঁ। আচলতে এনে কথা নহয়। ই এক সাধনা। জীৱনৰ সাধনা, জীৱনৰ অভিজ্ঞতা নাথাকিলে কবিতাই হওক, গল্পই হওক বা উপন্যাসেই হওক, সেইখিনিয়ে পাঠকৰ অন্তৰ জয় কৰিব নোৱাৰে। জীৱনৰ অভিজ্ঞতা আৰু সাধনাতো লাগিব। বৰ্তমান বহু ভাল ভাল লেখক-লেখিকা ওলাই আহিছে, কিন্তু তেওঁলোকৰ উপজিয়েই লৰ মৰা এটা প্ৰৱণতা আছে। সেয়া কিমান দিনলৈ ধৰি ৰাখিব পাৰিব সেয়া ক'ব নোৱাৰি। কাৰণ গভীৰতালৈ যোৱা আৰু 'সস্তাত বাজিমাত কৰা' এই দুটা কথা আছে। জনপ্ৰিয়তাটো অতি ভাল কথা। কিন্তু সেইটোৱে যি অহমিকা আনি দিয়ে যে মই বহু ডাঙৰ হ'লোঁ; সেইটোৱে বহু ক্ষতি কৰে। জনপ্ৰিয়তাৰ যোগেদি তুমি সঁচাকৈয়ে সাহিত্যৰ গভীৰতালৈ যাব পাৰিছানে, সেয়াও এটা প্ৰশ্ন আহি পৰে। তাৰ কাৰণে অভিজ্ঞতা, বয়স, ভাষাজ্ঞানৰ লগতে জীৱনৰ সংঘাতসমূহ লাগে। জীৱনত যদি উপলব্ধি কৰিবলৈ একো নাই, সংঘাত নাই তেন্তে কিমান দূৰ আগবাঢ়িব পাৰিব সেয়া ক'ব নোৱাৰি। গতিকে এই সকলোবোৰ কথা লগতে তেওঁলোকে যদি অলপ ধৈৰ্য ধৰে, তেন্তে আমাৰ মাজত ইমানেই ভাল ভাল প্ৰতিভাৱান লেখক-লেখিকা ওলাব যে তেওঁলোকে অসমীয়া সাহিত্যৰ ভৱিষ্যতটো নিৰ্মাণ কৰিব পাৰিব।

**গড়গঞা ঃ** বৰ্তমান সমাজত সাহিত্যৰ উপযোগিতাক আপুনি কিদৰে বিশ্লেষণ কৰিব।

**অনুৰাধা শৰ্মা পূজাৰী ঃ** বৰ্তমান সাহিত্য পঢ়া মানুহ কমি গৈছে। এখন ডাঙৰ কিতাপৰ সলনি সৰু সৰু কিতাপ পঢ়ে। মানুহৰ ধৈৰ্য নোহোৱা হৈছে। আনকি টি.ভি.টোত এটা চেনেল একেৰাহে ৫ মিনিট সময় চাবলৈ ধৈৰ্য নাই। ইয়ে ইয়াকে বুজাই যে আমাৰ মনৰ স্থিৰতা কিমান কম। সেইবাবে কথাটো হ'ল আগৰ মেট্ৰিক পৰীক্ষাই হওক, হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাই হওক বা অন্যান্য পৰীক্ষাই হওক, ১৫-২০ নম্বৰৰ পৰীক্ষাৰ বাবে পঢ়িবলগা হয় ধৈৰ্য ধৰি। সেইবোৰৰ উত্তৰ দিবলৈ জ্ঞান লাগিব। এতিয়াৰ দৰে information নহয়। আগতে ১০ নম্বৰৰ প্ৰশ্নৰ ৫ নম্বৰ পাবলৈ হ'লে দুই পৃষ্ঠামান লিখিব লাগে। কিন্তু সেয়া এতিয়া পৰিৱৰ্তন হৈছে। অংক কৰাৰ দৰে প্ৰশ্নৰ উত্তৰ কৰি সোনকালে বহী জমা দি গুচি আহে। এতিয়া নম্বৰৰ প্ৰতিযোগিতা হৈ গৈছে, আগতে নম্বৰৰ প্ৰতিযোগিতা নাছিল। আগৰ দিনত পৰীক্ষাত প্ৰথম বিভাগত খুউব কমেহে উত্তীৰ্ণ হয় আৰু দ্বিতীয় বিভাগত যোৱাসকলৰ যিটো Quality, এতিয়া Rank পোৱাসকলৰ সমান Quality। মই ভাবো আমাৰ শিক্ষা ব্যৱস্থা, সামাজিক ব্যৱস্থাৰ লগতে সকলোৰে মানদণ্ড আগৰ তুলনাত অকণমান হ্ৰাস হৈছে। সেয়েহে মানুহৰ ধৈৰ্য নোহোৱা হৈছে। ধৈৰ্যৰে আগবঢ়াৰ সলনি এদিনত ৰজা হোৱাৰ সপোন বান্ধি আগবাঢ়িছে। জীৱনটোক এটা লটাৰীত পৰিণত কৰিছে। লটাৰীত যিদৰে কষ্ট নকৰাকৈয়ে টকা পাই, সেইদৰেই কষ্ট নকৰাকৈয়ে আগবাঢ়ি যাব লৈছে। জীৱনৰ সফলতাক মাত্ৰ টকা বুলি ভবা হৈছে। কিমান কম সময়ৰ ভিতৰত ধন অৰ্জন কৰি গাড়ী লোৱা, ঘৰ বনোৱা আদিকেই সফলতা বুলি ভাবিব ধৰিছে। ঠিক সেইদৰে মানুহৰ সামাজিক ধ্যান-ধাৰণাসমূহো সলনি হৈছে। কিন্তু জীৱনৰ সুখটোহে যে সফলতা সেয়া মানুহে পাহৰি পেলাইছে। সেইবাবে হয়তো মানুহৰ মাজত ইমান হতাশাৰ বৃদ্ধি পাইছে। এদিনতে তেওঁলোকে সফল হ'ব বিচাৰে আৰু নোপোৱাৰ লগে লগে আত্মহত্যাও কৰে। আমাৰ দিনত ৬০ নম্বৰ বহু বেছি নম্বৰ। তেওঁলোকৰ জ্ঞানৰ গভীৰতা দেখি আমি আচৰিত হৈছিলোঁ। এতিয়া ৯০ নম্বৰ পোৱাজনেও কান্দি-কাতি অস্থিৰ হৈ যায়, যে মই কিয় ৯৮ নাপালো, মই কিয় ১০০ ৰ ভিতৰত ১০০ নাপালো। কিন্তু তেওঁলোকৰ লগত যেতিয়া কথা পতা হয়, তেতিয়া কিন্তু সেই আগৰ ৬০ নম্বৰ পোৱাজনৰ দৰে গভীৰতা বিচাৰি নাপাওঁ। কাৰণ জীৱনটোক সহজ বুলি লৈছে, জীৱনটোক নম্বৰ বুলি লৈছে। জীৱনটো যে এক সাধনা, জীৱনটোক যে এক সুখৰ উৎসলৈ পৰিণত কৰিব পাৰি আৰু তাত যে বিফল হ'লেহে সফল হয়, এনেধৰণৰ ধাৰণাসমূহ নাইকিয়া হৈ গৈছে। এতিয়া কেৱল দৌৰিবলৈ শিকোৱা হৈছে, ৰ'বলৈ শিকোৱা নাই। সেয়েহে নৱপ্ৰজন্ম হতাশাত ভোগিছে। তেওঁলোকে যদি স্বাভাৱিক গতিত গৈ থাকে তেন্তে স্বাভাৱিকতাই জীৱনটোক সুন্দৰ কৰি তুলিব পাৰে।

**গড়গঞা ঃ** জীৱন সম্পৰ্কে আপোনাৰ ধাৰণা কেনেধৰণৰ?

**অনুৰাধা শৰ্মা পূজাৰী ঃ** জীৱন গতিশীল। জীৱনটো হৈছে এটা খালী গিলাচ। পূৰ্ণতো আমিহে কৰিম। তাত juice ভৰাওঁ নে পানী ভৰাওঁ নে সুৰা ভৰাওঁ নে বিহ ভৰাওঁ সেয়া আমাৰ ওপৰতহে নিৰ্ভৰ কৰিব। তাত যদি আমি juice ভৰাইছো তেন্তে juice এ পাম; যদি বিহ ভৰাইছো তেন্তে বিহেই পাম। গতিকে ইয়াক নিৰ্ণয় কৰাটো আমাৰ নিজৰ ওপৰত নিৰ্ভৰ কৰিব।

**গড়গঞা ঃ** জীৱনৰ পৰা আপুনি কি বিচাৰে?

**অনুৰাধা শৰ্মা পূজাৰী ঃ** মই একো নিবিচাৰো। কোনোদিনেই মই জীৱনৰ পৰা একো বিচৰা নাই।

**গড়গঞা ঃ** আপোনাৰ জীৱনৰ আটাইতকৈ স্মৰণীয় দিনটো?

**অনুৰাধা শৰ্মা পূজাৰী ঃ** জীৱনত যেতিয়া প্ৰথম মোৰ সন্তান জন্ম হৈছিল সেই দিনটোৱেই মোৰ আটাইতকৈ স্মৰণীয়। কাৰণ পৃথিৱীলৈ মোৰ যোগেদি আৰু এটা সন্তান আহিছিল পৃথিৱীৰ নাগৰিক হ'বলৈ। প্ৰত্যেক মাকৰে কিজানি এইটোৱেই আটাইতকৈ স্মৰণীয় দিন।

**গড়গঞা ঃ** আপোনাৰ ভৱিষ্যত পৰিকল্পনা?

**অনুৰাধা শৰ্মা পূজাৰী ঃ** মোৰ কোনো পৰিকল্পনা নাই। মোৰ প্ৰতিটো কামেই অপৰিকল্পিতভাৱে আহিছে।

**গড়গঞা ঃ** সাহিত্য চৰ্চা কৰিব বিচৰা উঠি অহা নৱপ্ৰজন্মক আপুনি কি উপদেশ দিব?

**অনুৰাধা শৰ্মা পূজাৰী ঃ** তেওঁলোকে প্ৰথমে খুউব ভালকে ভাষাটো জানক। সেয়া অসমীয়াই হওক বা ইংৰাজী

হওক। ভুল ভাষা যাতে নিশিকক বা নিলিখক্। তাৰ পিছত তেওঁলোকে সমাজ, জীৱন, মানুহ, প্ৰকৃতিক ভালদৰে অধ্যয়ন কৰক। তাৰ পিছত তেওঁলোকে যি লিখে, সততাৰে লিখক। কাৰণ লেখক হোৱা, শিল্পী হোৱা যিয়েই নহওক, তাত সততাটো অতি জৰুৰী কথা। সততা থাকিলে এদিন নহয় এদিন সকলো বস্তুৱেই স্বীকৃতি লাভ কৰিব। নকলবাজীৰ পৰা দূৰত থাকক।

**গড়গঞা ঃ** গড়গঞাৰ প্ৰতি আপুনি কি ক'ব?

**অনুৰাধা শৰ্মা পূজাৰী ঃ** গড়গাঁও বুলিলেই বুৰঞ্জীৰ এক খনি, এক সোণালী স্মৃতি। সৰুৰে পৰা 'গড়গাঁও গড়গাঁও কথা শুনি তল যাওঁ' শুনি আহিছোঁ। গতিকে গড়গাঁৱলৈ যেতিয়া সৰুতে গৈছোঁ, মোৰ সপোন এটা পূৰণ হৈছে নিচিনা লাগিছিল। কাৰণ সৰুতেই সেইবিলাক কাহিনী মাৰ পৰা, আইতাৰ পৰা শুনিছিলো। গতিকে বুৰঞ্জীপ্ৰসিদ্ধ এখন ঠাই গড়গাঁও, যি সকলোৰে বুকুত থকা এটা নাম। ই এক সুন্দৰ অনুভূতি।

## গড়গঞাৰ প্ৰশ্ন আৰু অনুৰাধা শৰ্মা পূজাৰী বাইদেউৰ উত্তৰ ঃ

**দিগন্ত দাস ঃ** এটা ভাল লেখাৰ বাবে মৌলিকতা আৰু ভাল প্ৰকাশভংগীৰ প্ৰয়োজন। কিন্তু আপুনি ভাবেনে এই দুটাই ভাল লেখাৰ বাবে প্ৰধান সম্বল? নে ইয়াৰ বাহিৰেও অন্য দিশ থাকিব পাৰে?

**অনুৰাধা শৰ্মা পূজাৰী ঃ** এটা কাহিনী তুমি কেনেকৈ লৈ গৈছা তাৰ 'style of writing' সেইটো আটাইতকৈ প্ৰয়োজন। এই শৈলীটোৱেই এজন লেখকৰ মূল অলংকাৰ।

**শব্দশ্ৰী গগৈ ঃ** বৰ্তমান সময়ত যিহেতু বিভিন্ন কাকত-আলোচনীৰ প্ৰচলন আছে, তেনে ক্ষেত্ৰত প্ৰত্যেকদিনাই বিভিন্ন লেখা প্ৰকাশিত হৈ থাকে। ইয়াৰে কিছুমান লেখা অতি বেছি উন্নত মানদণ্ডৰ হ'লেও ব্যস্ততা আৰু বিভিন্ন কাৰণবশতঃ বিজ্ঞজনৰ চকুত নপৰে। বৰ্তমান সময়ত আপুনি তেনেধৰণৰ লেখক-লেখিকাৰ স্থিতি কেনেকুৱা বুলি ক'ব?

**অনুৰাধা শৰ্মা পূজাৰী ঃ** আমাৰ সেই লেখক-লেখিকাসকলৰ দুৰ্ভাগ্যৰ কথা সেইটোৱেই। যেতিয়া কাকত-আলোচনী কম আছিল তেতিয়াৰ লেখক-লেখিকাসকল চালনিৰে সৰকি আহিছিল। তেওঁলোকৰ লেখাবিলাক আলোচনা হৈছিল। কাৰণ দুখন বা তিনিখনহে অসমত কাকত-আলোচনী আছিল। তাত যাৰ যাৰ লেখাবিলাক প্ৰকাশ হৈছিল, সেইবিলাক মানুহে ভালদৰে পঢ়িছিল। কিন্তু আজিকালি ঠায়ে ঠায়ে বাতৰি কাকত আৰু আলোচনী। সেয়ে মানুহে কিমান পঢ়িব? সকলোবোৰ পঢ়াটোতো সম্ভৱ নহয়। সেইবাবে কিছুমান ভাল ভাল লেখা মানুহৰ চকুত নপৰাকৈ গুচি গৈছে। বহুত লেখক-লেখিকাই সেইবাবে খোপনি পুতিব পৰা নাই। এইটো কিন্তু আমাৰ বাবে দুৰ্ভাগ্যৰ কথা আৰু এটা কথা ক'ৰবাত লিখি বা ছপালেই যে লেখক বা সাহিত্যিক হ'ব, তেনে নহয়। লেখক আৰু সাহিত্যিক তৈয়াৰ কৰে পঢ়ুৱৈয়ে।

**দ্বীপজ্যোতি গোৱালা ঃ** আপোনাৰ সাহিত্য জীৱন আৰু অভিজ্ঞতাক যদি এটা শব্দত প্ৰকাশ কৰিবলৈ কোৱা হয়, তেন্তে সেই শব্দটো কি হ'ব?

**অনুৰাধা শৰ্মা পূজাৰী ঃ** সেইটো হ'ব অভ্যাস। যিটো নহ'লে মই থাকিব নোৱাৰোঁ।

❑❑

**সাক্ষাৎ গ্ৰহণ ঃ**
হিমাংশু গগৈ, সাগৰিকা দিহিঙ্গীয়া, শব্দশ্ৰী গগৈ।

**বিশেষ কৃতজ্ঞতা ঃ**
ভাৰ্গৱ লিগিৰা

**"মই এনেকুৱা বিদ্যা আৰু সাহিত্য কামনা কৰোঁ, যিয়ে মানুহৰ অন্তৰ প্ৰফুল্ল কৰিব পাৰে।"**
— মহাত্মা গান্ধী

# অনুভৱৰ দলিচা

“আমি যি দিওঁ তাকেই আমি ঘূৰাই পাওঁ ঃ আমাৰ জীৱনতেহে প্ৰকৃতি বিদ্যমান... আমাৰ অন্তঃসত্তাৰ পৰাই বিচ্ছুৰিত হ'ব লাগিব সমগ্ৰ পৃথিৱীকে সামৰি লোৱা এক দীপ্তি... আমাৰ অন্তৰাত্মাৰ পৰাই নিঃসৃত হ'ব লাগিব এক বাণী যি সমস্ত সুমধুৰ শব্দ সমাহাৰৰে প্ৰাণ আৰু উপাদান।”

— ছেমুৱেল টেলৰ ক'লৰিজ



# TREASURES OF THE HEART: MEMORIES OF NATIONAL LEVEL NSS YOUTH FESTIVALS

❍ **Dr. Rimjim Borah**
Assistant Professor
Department of Economics




Youth is the golden period and best part of human life. This is the period of the greatest blessing which is full of energy and zeal. Youths are the backbone of any nation or country. They are like the power source which can stimulate the nation's progress and development. At present, India has more than 65% of its population below the age of 35 and more than 50% below the age of 25 years old. India will be the world's youngest country by 2020 with an average age of 29. Hence, India must prepare these youngsters to excel in the race of economic progress and development. If properly nurtured,

guided and trained, the youth of India may develop an attitude of service to mankind. Youth festivals are one of the platforms for the youth of the country to exhibit their talents, skills, and to promote the spirit of cooperation, communal harmony, brotherhood and national integration.

I was fortunate enough to participate in 'North East NSS youth festival-2017', 'National Youth Festival-2018' and 'North East NSS youth festival-2019'as an NSS Programme Officer of the state of Assam. My first participation as a female NSS programme officer was in 'North East NSS Youth Festival-2017' at Agartala, Tripura from 11th to 15th September, 2017. I was extremely delighted to have the opportunity of being a part of this 'North East NSS youth festival-2017' with Prof. Amar Upadhyaya who was the male NSS Programme Officer of Dibrugarh University. Two NSS volunteers namely Sri Janardan Chetia and Miss Parishmita Kakoty of Gargan College participated in this festival. The 'North East NSS Youth Festival-2017' was organised by Tripura State NSS Cell and Directorate of Youth Affairs & Sports, Govt. of Tripura in collaboration with Ministry of Youth Affairs and Sports, Govt of India. It was a very unforgettable and lovely experience to interact with the NSS volunteers from Dibrugarh University and from different affiliated colleges under Dibrugarh University. We started our journey on 9th September, 2017 from Dibrugarh railway station. We got down at Lumding junction for the next train. But there we were very worn out as the train was tardy and thus we had to stay at the platform for an awfully long time. After the arrival of the train we boarded the train and reached Agartala station on 11th September. The organiser sent a bus to receive us. They took us to 'Shaheed Bhagat Singh Yuva Awas' (SBSYA) where we stayed for five days. The hostel was very delightful. The accommodation was very fine. Everything was very systematic from the beginning. We registered our participation on 11th September .The organiser distributed kits and identity card to us. From 12th September onwards, all



volunteers along with respective programme officers had to wake up before 5 a.m. Every morning we had to do yoga and physical exercises. On the first day after breakfast, buses were arranged to carry us to U. K Academy, Tripura for a rally. After lunch, the inaugural programme began at Rabindra Satabarshiki Bhawan. Respected Chief Minister Mr. Manik Sarkar inaugurated the inaugural session. We all were inspired by his simple living style and informative speech. Thereafter, the cultural programme started which turned out to be a colourful cultural function full of traditional songs and dances of Tripura and other North Eastern states. This festival witnessed various activities such as yoga and physical exercises, seminars, blood donation programme, motivational class, awareness class on Cancer and HIV/AIDS, awareness class on Disaster Management, importance of physical fitness for modern life, cultural exchange program, and sightseeing. Every evening, two or three states showed their cultural diversity in Muktadhara Auditorium. Our Assam NSS team also showed their hidden talents in that cultural session. They got the chance to interact with all NSS volunteers of eight North Eastern States. This kind of festival enhances cooperation, teamwork, leadership, discipline and many kinds of qualities among the volunteers. A friendly relation was formed among us. The happy faces of all volunteers and their innocent yearning to acquire more knowledge actually astonished us. We learned so many new things from this festival. I felt that India as a whole is a diverse and a complex country; the North East is also a region of diversity itself. We all learnt to mingle with the NSS volunteers, NSS officials, Programme officers of entire north eastern states. We used to work together and enjoy together. As such, it was a wonderful experience for me.

My second opportunity came when I got the chance to participate in 'National Youth Festival-2018' as the one and only NSS Programme Officer of Assam. All total 32 NSS volunteers from Dibrugarh University, Gauhati University, Assam University, Assam Agricultural University and Bodoland University were selected to participate in this festival. Three NSS volunteers of Gargaon College- 1) Sri Meghnil Chutia, 2) Sri Himangshu Gogoi and 3) Miss Subhashree Sikha Boruah participated in this 'National Youth Festival-2018'. This festival was held at Greater Noida, Uttar Pradesh from 12th to 16th January, 2018. The National Youth Festival in India is an annual gathering of youth which is held in different states each year during National Youth Week, i.e. from 12th to 16th January. The aims and objectives of this Festival were to propagate the concept of national integration, sprit of communal harmony, brotherhood, courage and adventure amongst the youth by exhibiting their cultural prowess in a common platform. The 22nd National Youth Festival in India (NYF-2018) was inaugurated by the Prime Minister Shri Narendra Modi through video conferencing at the Gautam Buddha University in Greater Noida on 12th January. The theme of this festival was 'Sankalp Se Siddhi', to capitalise on the demographic dividend of young India, to capture the vibrancy and fresh perspective of youth and to pledge to accomplish the goal of New India. The fest was organised by the Ministry of youth Affairs and Sports in collaboration with the Uttar Pradesh Govt. The events of the 'National Youth Festival-2018' included a motivational talk and interaction with youth by two Paramveer Chakra Awardees, a film on Swami Vivekanand's Chicago Address, seminar sessions on the "Richness of Indian values and culture", skill development for youth empowerment, innovative projects and schemes of Govt. of India for youth development , agriculture technology for youth development, NRHM, women empowerment, environmental awareness, and many other topics related with youth development in India. For the first time, National level Mega Youth Parliament was conducted in this festival. The topics for youth parliament were employment and self employment,

health, environment, cultural civilisation, technology for sustainable development, behaviour and attitude, new creative ideas for youth development and governance for new India. During the session 'Voices of New India', young achievers and leaders from each state and Union Territory shared their achievements. This festival provided a nationwide exposure to the youth for the expression and fulfilment of their cultural talents and the events aimed at inculcating qualities and attributes like teamwork, eloquence and leadership among the participants. There were cultural performances by the youth representing each state and Union Territory. During the festival, competitions were held only in sports i.e tug of war, athletics and volleyball. In the Girls' Volleyball competition, Manipur became the winner while Assam was the runner up . More than 6000 NSS volunteers and youth from Nehru Yuva Kendra Sangathan participated in this festival. This youth festival embraced a mixture of participation from different states and union territories of all over India. The NSS volunteers of Assam took part in all the sessions successfully. During the cultural session, they exhibited the diverse culture of Assam. I was amazed to see the enthusiasm and talents of the youth of India as a whole. Most of the youth are extremely talented and have achieved significant achievements in different fields. It was an altogether different experience for me. I had to take a heavy burden on my shoulder which empowered me a lot.

Again, for the third time, I got the chance to participate in 'North-East NSS Festival-2019' as one and only NSS Programme Officer of Dibrugarh University. This time I led 61 NSS volunteers from different colleges under Dibrugarh University and 10 NSS volunteers of Tezpur University. 14 NSS volunteers of Gargaon College participated in this festival. They are- 1) Jnyntrisha Phukan 2) Dipjyoti Gowala 3) Dipshikha Bezboruah 4) Punsi Kr. Singh 5) Lucky Konwer 6) Poonam Thakur 7) Preety Dutta 8) Runali Gogoi 9) Deepandita Boruah 10) Aditya Arandhara, 11) Surasree Phukan 12) Nabajyoti Gogoi 13) Sumonjit Singh and 14) Himangshu Borah. This festival was held at Don Bosco College, Itanagar, Arunachal Pradesh from 23rd to 27th March, 2019. The 'North East NSS Youth Festival-2019' was organised by State NSS Cell, Itanagar, Regional Directorate of NSS, Guwahati in collaboration with Ministry of Youth Affairs and Sports, Govt of India. We started our journey on 22nd March, 2019 from Simaluguri railway junction. We got down at Dibrugarh railway station for the next train. We had to stay at the platform upto 5 p.m for the next train to Naharlogun station .After the arrival of the train we boarded the train at 5 p.m. and reached Naharlogun station at 10.30 p.m. The organiser sent three buses to receive our team. They took us to Don Bosco College, Jollang, Itanagar. We stayed there for four days. The hostel was very delightful. The accommodation was very fine. Everything was very systematic from the beginning. We registered our participation on 23rd March. The organiser distributed kits and identity card to us. From 24th March all volunteers of eight states along with respective programme officers had to wake up before 5 a.m. Every morning we had to do yoga and physical exercises After breakfast, we witnessed a wide range of activities such as life skill training, career counselling, sports competitions (volleyball), literary competitions (Quiz, Extempore Speech etc.) seminars, motivational classes, cultural exchange program, and sightseeing etc. In this festival, I'd been entrusted with the responsibility of cultural programme in-charge, event in-charge, and other management responsibilities. In all the events, the Assam team got prizes. The three volunteers of Gargaon College participated in three events and got prizes. Jnyntrisha Phukon got 1st prize in quiz, Dipjyoti Gowala got 1st prize in sketching, and Poonam Thakur got 3rd prize in sketching. The organiser felicitated the best programme officers of North East who had participated in this festival with a memento,

a traditional muffler and a coffee mug. That was the proudest moment of my life. They provided a track suit, cap, shoes and a coffee mug to each volunteer. It was really a fantastic experience of for us. The organiser took us to visit the important places of Itanagar such as Ganga Lake, Ita Fort, Gompa Buddhist Temple etc. All participants enjoyed a lot. Through this festival, all volunteers learned various valuable life skills such as leadership qualities, socialising with other volunteers and discipline which are as important as academic knowledge.

After attending these three regional and national level youth festivals, I realised that youth festivals are not just an assemblage of NSS volunteers from different parts of the country who compete under one roof but it's also an intermingling of different cultures and customs, traditions, language and arts. They are a platform for sharing ideas, experiences and thoughts, promoting national integration and communal harmony, while manifesting a zest of friendliness and liveliness among all the participants.. I had the opportunity to reach out to NSS volunteers coming from every nook and corner of the nation. There are also several bitter experiences which unfortunately I cannot share. We had faced many problems also which increased my perseverance and decision making capacity in the need of time. As a leader of Assam team for three times, I was trying to tackle all sorts of problems by learning from the values and philosophy of NSS. Those days are now heart warming memories for me, the treasures of my heart.

During the weekends, we went for sightseeing to a few places such as Danang, DaLat, Pink Church, Turtle Lake, Independence Palace, Binh Thanh Market, Book Street, Saigon Central Post Office among others. From cooking food together, travelling in the weekends with the other members, trying out different foods, getting lost in a different country, meeting many volunteers from different countries to interacting with the local Vietnamese people and getting to know about their tradition and culture has really helped us a lot in gathering some unique and awesome real-life experience. In contrast to our feelings that we had while leaving home, we during the end did not feel like leaving Vietnam and those new friends who became a part of our family. After meeting so many different people in our life, one thing we can definitely say is that meeting new people is also a way of learning. But we had to move on and return home and no matter what, this journey to Vietnam will always remain the best journey of our lives, and we are forever going to treasure the memories of our days in Vietnam.

Thus, from our experience, we can truly say: " Travel is the only thing you buy that makes you richer."

❑❑

# নীলা খামৰ চিঠি





❍ **ৰশ্মি বৰগোহাঁই**
তৃতীয় ষান্মাসিক, ভূতত্ত্ব বিভাগ

প্ৰতি

বৃন্দাবনৰ দেশত ভাললগা দাদাজন,

মই মিছ মায়া, মানে মায়া বৰুৱা। আপুনি এৰি থৈ অহা কলেজখনৰ ছাত্ৰী। পিছে আপোনাতকৈ দুবছৰ সৰু। কেনে আছে আপুনি? আশা কৰোঁ ভালে আছে। ক'ৰবাত শুনা পালো আপুনি হেনো বৰ্তমান নাহৰৰ দেশৰ নাগৰিক। শুনি বৰ ভাল লাগিল। আপোনাৰ উজ্জ্বল ভৱিষ্যতৰ বাবে নেদেখাজনৰ ওচৰত মনে সদায়ে প্ৰাৰ্থনা কৰে। সদায় আপুনি বিচৰা ধৰণে সকলো সুখ বুটলিবলৈ সক্ষম হওক।

আজি আপোনালৈ হঠাতে মনত পৰিল। হাতৰ আঙুলিকেইটাৰ মাজত কলমটো ঘপহকৈ বহি ৰ'ল আপোনালৈ বুলি কিবা এটা লিখাৰ হেঁপাহত। মনত পৰিছে আপোনাক প্ৰথম দেখা দিনটো। সিদিনা আছিল আমাৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস। কলেজৰ প্ৰেক্ষাগৃহৰ চাৰিওফালে আপোনাৰ শব্দবোৰে যেন গুণগুণায় আছিল, হাতত মাইক্ৰ'ফোনটো লৈ সভাখনি সুচাৰুকৈ চলাই নিছে আপুনি। সেই মাতষাৰ আজিও গুঞ্জৰিত হৈ থাকে মোৰ কাণৰ কাষত। সেয়াই আপোনাক প্ৰথম দেখা। কিন্তু আপোনাৰ ব্যক্তিত্বই মোক মুগ্ধ কৰি তুলিলে...।

কেতিয়াবা কলেজৰ গেটৰ সমুখত, কেতিয়াবা কেণ্টিনত আৰু কেতিয়াবা কলেজৰ ফুটপাথটোত দেখা পাওঁ প্ৰেয়সীৰ সতে প্ৰায়ে আপোনাক। পিছে আজিলৈকে মাতিবলৈ সাহসেই নহ'ল। আপুনি নজনাকৈয়ে দূৰে দূৰে চাই ৰওঁ, বৃন্দাবনৰ আঁৰে আঁৰে আপোনাক। কিছুমান বস্তু দূৰৈৰ পৰাই ভাল লাগে, নিচেই কাষত পোৱাৰ বাসনা নকৰাই ভাল। আপুনি এই কলেজ এৰি যোৱা প্ৰায় এবছৰেই হ'বৰ হ'ল, পিছে আপোনাক পাহৰিবই পৰা নাই মই, কি কৰিব...? আপোনাৰ ব্যক্তিত্বই বৰ বেয়াকৈ মুহি থৈ গ'ল অ'। আকৌ কেতিয়াবা আহিবচোন সময় পালে বৃন্দাবনৰ দেশলৈ। আপুনি অহাৰ খবৰ পালে ক্লাছ মিছ কৰি হ'লেও এবাৰ চাবলৈ আহিম আগৰ দৰেই। বৃন্দাবনৰ আঁৰত ৰৈ আপুনি নজনাকৈয়ে।

অ' পাহৰিছিলোৰে, এবাৰ যে আপুনি বন্ধুকেইজনৰ সৈতে ফুটপাথটোত কথা পাতি আহি থাকোতে নজনাকৈয়ে মোক খুন্দা মাৰিছিল আৰু উভতি আহি সুধিছিল 'দুখ পালা নি তুমি...?' উত্তৰত মই একো নকৈ গুচি আহিছিলোঁ। সেইদিনা ৰুমত আহি নিজৰ ওপৰতে বৰকৈ খং উঠিছিল। ধেৎ যিজনক মাতিবৰ বাবে সদায় উৎসুক হৈ থাকোঁ, এটি মাত্ৰ সুৰুঙা বিচাৰি ফুৰোঁ, তেওঁক সন্মুখত পাইও মাতিব নোৱাৰিলোঁ, যেন শব্দৰহে অভাৱ হৈছিল সেই মুহূৰ্তত।

এনেদৰেই আপোনাক এবছৰ দিন চাই ৰ'লো মাথোঁ, আপুনি নজনাকৈয়ে, সেউজীয়াবোৰৰ মাজেৰে। কিবা এটা ভাল লাগি যায় আপোনাক দেখিলেই, মই নজনাকৈয়ে মোৰ ওঁঠযুৰিলৈ বৈ আহে হাঁহি এটি। কেতিয়াবা সেমেকি থকা মনটোলৈও ফৰকাল নামি আহে, ভাল লগা ৰঙবোৰে সুখৰ ৰং ছটিয়াই দিয়েহি মন-মগজুত, হৃদয়ৰ একোণত ফুলি ৰয় এপাহ ৰঙা গোলাপ, আপোনাক এবাৰ দেখা পালে। পিছে আমি দুয়ো সমান্তৰাল ৰেখাৰ ওপৰেদি যোৱা যাত্ৰী, নিজেই নাজানো অন্তিম ঠিকনাটি বা ক'ত? একেলগে গ'লেও একেটি বিন্দুত লগ পোৱাটো অসম্ভৱ।

বাকী কলেজ ডায়েৰীখন, এটা বছৰ মাথোঁ আপোনাৰ নামত আৰম্ভণিও শেষও। আজিলৈ আৰু নিলিখোঁ। সদায় কুশলে থাকক আপুনি তাৰ কামনাৰে আজিলৈ সামৰিছোঁ। পিছে আপোনাৰ সঠিক ঠিকনাটি মই নাজানোৰেই চিঠিখন পঠিয়াবলৈ। কেতিয়াবা জানিলেও হয়তো চিঠিখন পোষ্ট কৰাই নহ'ব, কাৰণটো... ভয় লাগে, সাহসৰো বৰ অভাৱ মইজনীৰ মাজত। সেয়ে হয়তো আনপোষ্টেত হৈয়ে থাকিব এই চিঠিখন। কেতিয়াবা অপ্ৰাপ্তিটো সুখ বিচাৰি পোৱা যায়। বুজিবলৈ মাথোঁ প্ৰয়োজন এটি বিশাল মনৰ। হৃদয়ৰ নিভাঁজ কোণত সিঁচি ৰখা মৰমৰ টোপোলাটিৰ পৰা এগালমান মৰম যাচিছোঁ মাথোঁ সুখী হওক আপুনি।



ইতি

আপোনাৰ কল্পনাৰো বাহিৰত থকা ছোৱালীজনী
মিছ মায়া
ঠিকনা - বৃন্দাবনৰ দেশ

○ **শব্দশ্ৰী গগৈ**
প্ৰথম যান্মাসিক, অৰ্থনীতি বিভাগ

প্ৰিয় অনুৰাগ,

পোনপ্ৰথমে মোৰ অন্তৰৰ নিভৃত কোণত সাঁচি ৰখা মৰমৰ অযুত বন্যা তোমাৰ নামৰ সাগৰৰ অভিমুখে বোৱাই দিছো। আশা কৰোঁ তুমি কুশলে আছা...। নেদেখাজনৰ কৃপাত মইও কুশলে আছোঁ। ঘৰত আটাইৰে ভাল; সকলোৰে আশিস আৰু শুভকামনা সদায় তোমাৰ লগত আছে। দেশমাতৃৰ আহ্বান নতশিৰ কৰি কৰ্তব্যত এনেভাৱে লিপ্ত হোৱা যাতে শত্ৰুৱে মূৰ দোঁৱাবলৈ বাধ্য হয়।

ৰাগ, আজিকালি তোমালৈ বৰকৈ মনত পৰা হৈছে। ৰাস্তাইদি ডাকোৱালজন পাৰ হৈ গ'লে চিঠি এখন পোৱাৰ হেঁপাহ দুগুণে বাঢ়ি আহে। বহুদিনেই হ'ল তোমালৈ চিঠি লিখা নাই। সময় বৰ বেয়া চৰিছে ৰাগ। বাতৰি-কাকতখন মেলিলে বুকুৰ কোনোবাখিনি বৰকৈ বিষায়। তুমি সাৱধানে থাকিবা। দেশত যে কি নোহোৱা-নোপোজা ঘটনা হ'ব ধৰিছে; অপহৰণ, হত্যা, লুণ্ঠন, প্ৰতিবাদ আৰু জ্বলন্তভাৱেই ধৰ্ষণ বৃদ্ধি পাইছে। নিজকে কেতিয়াবা সুৰক্ষিত নহয় যেন লাগে; তেতিয়া তোমাৰ পোচাকযোৰলৈ মনত পেলাই সান্ত্বনাৰ বিৰাট পাহাৰখনত চলা-ফুৰা কৰোঁ। দেশসেৱক, সৈনিক জোৱানৰ প্ৰেমিকা হ'বলৈ পাই

কোনোবাখিনিত মই বেছিকৈয়ে গৌৰৱ কৰোঁ। তোমাক ভালপাওঁ বাবেই তুমিবিহীনতাত সোণাৰু, কৃষ্ণচূড়াৰ সৈতে নিবিড় হৈ পৰো। জানানে, বতাহৰ বা লাগি উন্মাদ হৈ পৰা সোণাৰুজোপাই তুমি কুশলে থকাৰ বতৰা মোক দি যায়, বৰ সংগোপনে...। তুমি কুশলে থকাৰ বতৰা পাই মোৰ মন সাগৰত হাজাৰগৰাকী সুন্দৰী নৰ্ত্তকীৰ পদধ্বনিয়ে খেলি যায়।

ৰাগ, খোৱা-বোৱাৰ যতন ল'বা। তোমাৰ অসুস্থতাই মোক শুবলৈ নিদিব, কষ্টৰ সুবৃহৎ পাহাৰখন বুকুত বান্ধি তুমি অসুস্থ হ'লে দেশমাতৃক কোনে সেৱা কৰিব...। মোৰ যে এইবোৰ ভাবিলে বুকুখন ফাটি যাওঁ যেন কৰে। অ' এইবাৰ যদি ছুটী পোৱা বিহুৰ ওচৰত এপাক আহিবা। বহুদিন হ'ল তোমাক নেদেখা...। বহুকেইটা বসন্ত পাৰ হৈ গ'ল মোৰ খোপাত কপৌফুলে হঁহা নাই...। আহিবাচোন তুমি, গাঁৱৰ ভিতৰত চোতাল বিহু মাৰিম, খোপাত এপাহ কপৌফুল গুজি দিবা। ৰাগ, আমাৰ দুয়োখন ঘৰতে বিয়াৰ কথাটো গুণা-গঁথা কৰিছে। তুমি আহিলেই হয়তো আমাৰ হাইস্কুলীয়া প্ৰেমৰ বহল কাহিনীয়ে পূৰ্ণতা পাব। সোনকালে আহিবা ৰাগ...।

ৰাগ, দেউতাৰ যে বুকু বিষ হৈছিল, এতিয়া তেওঁ সুস্থ। ভণ্টীৰো হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাৰ ফলাফল বৰ ভাল হৈছে। মোৰো চাকৰিটো কৰি ভাল লাগিছে। কণ কণ শিশুৰ সৈতে শিক্ষকতা... সঁচাই বৰ সুকীয়া মাদকতা।

ৰাগ, হৃদয়ৰ উপত্যকাত সাঁচি ৰখা হেঁপাহৰ বিৰাট টোপোলাটো দিনকদিনে ডাঙৰ হৈ আহিছে। তোমাৰ নামতেই হৃদয়ত এতিয়া ঝংকাৰ বাজিছে। ঘৰলৈ অহাৰ বাতৰি পোৱাৰ আশাত মন আকাশত হাঁহিৰ জোৱাৰ উঠিছে।

স্বাস্থ্যৰ যতন ল'বা। সময়ৰ কাম সময়ত কৰি দেশমাতৃক হাঁহিবলৈ দিয়া... দেশৰ পৰিয়ালে বহুত বিচাৰে তোমাৰ পৰা। তুমি সফল হোৱা। সীমাহীন মৰমৰ ঢল তোমাৰ অভিমুখে প্ৰৱহমান। চিঠিৰ উত্তৰ দিবা, মই বাট চাই ৰ'ম। ঈশ্বৰে সকলোকে সৰ্বদা মংগল কৰক।

প্ৰান্তত

তোমাৰ প্ৰেম সাগৰত
হাবু-ডুবু খোৱা
অনুলেখা

**"পলকতে ভাঙি নিলা মোৰ উৰুখা পঁজাটি। সময়ৰ দ্ৰুত গতিৰ সৈতে তুমিও আগবাঢ়ি গ'লাগৈ, মাথোঁ মই ৰৈ গ'লো স্মৃতিৰ ফাঁকত লাগি।"**

— উৎস ঃ ইণ্টাৰনেট

# কথাশিল্প

“ভুল হ’লে সৈ কঢ়া ন্যায়বন্তৰ ঘাই লক্ষণ। ভুল লুকাই ৰাখিলে তাক পুৰি ৰখা যেন হয়; আৰু বাৰে বাৰে তাৰ ফল ভুঞ্জিব লাগে। কিন্তু ভুল ধৰা পৰিলে নিন্দা হয়, সেই দেখি সাধাৰণ মানুহে ভুল ঢাকিবলৈ যত্ন কৰে আৰু আনে দেখুৱাই দিলেও বেয়া পায়। এই বিষয়ে ন্যায়শীল মানুহৰ বিবেচনা বেলেগ। ভুল বাছি দিলে সি তাক পৰম উপকাৰ কৰা বুলি ভাবে।” (ন্যায়শীলতা)

— সত্যনাথ বৰা



# মই চুইচাইড কৰা নাছিলোঁ



❍ মণিমুগ্ধ ৰাজকোঁৱৰ
পঞ্চম যান্মাসিক, ভূগোল বিভাগ

ৰাতি ১২ মান বজাত মাজ ৰাস্তাত মোৰ ৰক্তাক্ত মৃতদেহটো তেতিয়াও কাৰোৰে চকুত নপৰাকৈ পৰি আছিল। মই দেখি আছিলো মোৰ ফোনটোৱে ৩ গজ মান দূৰৈত কাৰোবাৰ মিচ্‌কলৰ নটিফিকেচন দেখুৱাই আছিল, বহু কষ্ট কৰিও হাতেৰে ফোনটো তুলি ল'ব নোৱাৰিলোঁ। তেজৰ ডোঙাবোৰ লাহে লাহে ডাঠ বৰণেৰে ষ্ট্ৰীট লাইটৰ পোহৰত জিলিকি উঠিছিল। ফুটপাথত বহি নীৰৱে চাই আছিলো নিজৰ দেহটোক।

তাইৰ অভিমানত হোষ্টেলৰ ৬ ফুটীয়া দেৱাল বগাই মাজনিশা অলপমান শান্তি বিচাৰি ওলাই আহিছিলোঁ। বহুত খং উঠিছিল তাইৰ ওপৰত। বিষাদে আৱৰি ধৰিছিল। অৱশ শৰীৰে খোজ কাঢ়ি গৈ আছিলোঁ, পৃথিৱীখন শূন্য যেন লাগিছিল। তেনেতে সেই নিস্তব্ধতা ভেদি ১৮ টনৰ এখন ডাম্পাৰ পাৰ হৈ গৈছিল মোৰ অৱশ শৰীৰৰ ওপৰেদি। এচমকা পোহৰ আৰু এটি বৃহৎ হ'ৰ্ণ।

তাই দেখোন মোৰ ফটোখনকে চাই আছে, লগৰজনীক কৈছে— 'তালৈ ফোন এটা কৰচোন, সি দেখোন মোৰ ফোনটো ৰিচিভ কৰা নাই।'

— 'অলপ ৰহ্, সি নিজেই কৰিব।'

— 'নহয় অ', মোৰ বৰ চিন্তা হৈছে, কিবা এটা ভাল লগা নাই।'

অহ্, কি দেখিছোঁ এইবোৰ, অলপ আগত দেখোন ইমান খং কৰি আছিল। মোৰ হাতেৰে তাইৰ চকুলো মচিব পৰা নাছিলোঁ। কেনেকৈ বুজাওঁ কথাবোৰ, নিজেই বুজি পোৱা নাছিলোঁ কি হৈ আছিল। তাই বাৰে বাৰে মোলৈ কল কৰি আছিল, আৰু মোৰ ফোনটো...। মোৰ দৰেই নিঠৰ হৈ পৰি আছিল।

কি হৈ গ'ল মোৰ। মইটো নিজক সান্ত্বনা দিয়াৰ চেষ্টাহে কৰি আছিলোঁ। কিয় ইমান ভাগি পৰিছিলোঁ। বহুতো 'কিয়' আহি মোৰ আগত থিয় দিছিল। কি হ'ব এতিয়া মোৰ, কেনেকৈ, কাক ক'ম কথাবোৰ। ইমান নিষ্ঠুৰ নহয় মই, নিজকে হত্যা কৰিবলৈ। বহুত কাম বাকী আছে মোৰ কৰিবলৈ। মা-দেউতাৰ বাবে, নিজৰ বাবে, সকলোৰে বাবে। তাই মোক ভুল বুজিব নেকি? কেনেকৈ বুজাম, ইমান এটি সৰু কথাতে মই চুইচাইড কৰা নাছিলোঁ। ❑❑

# তেজপিয়া

❍ **মৃদুপৱন লাহন**
তৃতীয় যান্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ



ওঁঠত গানৰ গুণগুণনি লগতে চাইকেলৰ কিৰ্‌কিৰ্‌ শব্দ। আহিন মাহ। পথাৰৰ মাজেৰে এটা আলি। চাৰিওফালে সেউজীয়া ধাননি। সময় আবেলি। শৰীৰ চুই যোৱা এজাক ৰিব্‌ৰিব্‌ কোমল বতাহ। ওচৰৰ বাঁহনিত চৰাইয়ে কল্‌কলাইছে, আকাশ চুই বাহলৈ উৰি গৈছে ভাটৌজাক। বেলিটোৱে হেঙুলীয়া ৰং চটিয়াই সন্ধিয়াৰ বতৰা দিছে। গৰুজাক লৈ ঘৰমুৱা গৰখীয়াটো। এই পৰিৱেশটোৰ আমেজ নোলোৱাকৈ থাকিব নোৱাৰে ৰক্তিমে। অফিচলৈ সি এই ৰাস্তাৰে অহা-যোৱা কৰে। ৪.০৫ কিলোমিটাৰ ৰাস্তা হ'লেও এই পৰিৱেশটোৱে তাক বিৰক্তি নকৰে। গুণ্‌গুণাই গুণ্‌গুণাই কেতিয়ানো ঘৰ সোমাল গমকে নাপায়। পৰিবাৰ নথকা মানুহ দেৰিকৈ ঘৰ পালেহিও

কওঁতা নাই। অৱশ্যে অকলশৰীয়া মাকজনীলৈ মনত নপৰা নহয়। পদূলিত চাইকেলখনৰ মাত শুনিলেই গম পাই মাকে ৰক্তিম আহিছে, চাহ কাপ যতাই দিব লাগে। আনে নক'লেও এয়া তেওঁৰ নিত্য নৈমিত্তিক কাম। তথাপি ৰক্তিমে চিঞৰ এটা নমৰাকৈ নাথাকে, 'মা... চাহ কাপ দিবি'। চাইকেলখন একাযত থৈ পেপাৰখন লৈ বাৰান্দাতে বহি পৰিল সি। দিনটোৰ কৰ্মব্যস্ততাৰ শেষত এইখিনি সময় তাৰ নিজৰ। মাকে আনি দিয়া চাহকাপত শোহা মাৰি হেডলাইনবোৰ পঢ়ি যাবলৈ ধৰিলে। পেপাৰখনো তাৰ অন্য এক নিচা। হেডলাইনবোৰ পঢ়ি হুমুনিয়াহ এটি পেলাই সি ভাবিলে - হিংসা, হত্যা, চুৰি, ডকাইতৰ খবৰে ভৰি থাকে কাগজখন। ভাল নালাগে এইবোৰ তাৰ। বাকী খবৰ নপঢ়িলেও কিন্তু সম্পাদকীয়টো পঢ়িবলৈ নাপাহৰে কেতিয়াও। পঢ়ি থকাৰ মাজতে হঠাৎ চকু গ'ল এটা হেডলাইনলৈ - 'পিতৃৰ অত্যাচাৰৰ বলি হ'ল পুত্ৰ'। তাৰ বুকুখন যেন চিৰিং কৰি উঠিল। ঘামিবলৈ ধৰিলে ভিতৰি ভিতৰি। মনটো হঠাৎ অশান্ত হৈ পৰিলে। মাকক পানী এগিলাচ বিচাৰিলে। পানী গিলাচ ঘট্‌ঘট্‌কৈ গিলি আকাশলৈ চাই বহি পৰিল চকীখনতে আৰু মনটোক আমনি কৰিব ধৰিলে অতীতক কিছুমান কলীয়া ডাৱৰে।

যেতিয়াৰ পৰা জনা হৈছে সি প্ৰত্যেক দিনাই দেখি আহিছে দেউতাকে মাকৰ ওপৰত কৰা অত্যাচাৰবোৰ। দেখি আহিছে দেউতাকৰ সেই ৰূপটো তেতিয়াৰ পৰাই। ৰাতি যেতিয়া দেউতাকে মদত মাতাল হৈ চিঞৰি চিঞৰি ঘৰ সোমাই তাৰ বুকুখন কঁপিবলৈ আৰম্ভ কৰিছিল। তেতিয়া তাৰ একমাত্ৰ আশ্ৰয় হৈ পৰে বিচনাৰ তলখন। দেউতাকে যিমান জোৰে চিঞৰিব তাৰ হাত-ভৰিবোৰ সিমানে কঁপিবলৈ ধৰে। সাধাৰণ অজুহাত লৈ মাকক মাৰিব ধৰে, অত্যাচাৰ কৰে। তাৰ মাকে নিলাজৰ দৰে হাজাৰটা অত্যাচাৰ সহ্য কৰিও তেওঁক সন্তুষ্ট কৰিব বিচাৰে, কিন্তু কোনোদিনে নোৱাৰে। চৰ, কিল নোখোৱাকৈ এদিনো শান্তিৰে পাৰ কৰিব নোৱাৰিলে মাকে। দেউতাক শোৱাৰ পিছত আৰম্ভ হয় ৰক্তিম আৰু মাকৰ কাহিনী। ৰাতি দুপৰলৈকে কান্দি থাকে ৰক্তিমক বুকুৰ মাজত সাৱটি লৈ। মাকৰ চকুৰ পানীৰে তাৰ মূৰটো তিতি যায়। ৰক্তিমেও ভয়তে আৰু জোৰকৈ সাবটি ধৰে। মাকৰ কান্দোনৰ শব্দ একেবাৰে ওচৰৰ পৰা শুনিছে সি। চিনাকি হৈ গ'ল সদায় শুনি শুনি। প্ৰত্যেক দিনাই এইবোৰ ভোগিও মাকে কোনো দিনেই উভতি নকয়। হাজাৰ হওক মাকৰ বাবে দেউতাক দেৱতা। ভয় কৰিছিল দেউতাকলৈ সি। দেখিলেই আঁৰে আঁৰে ফুৰিছিল। তেওঁক দেখি মাকৰ চাদৰৰ আঁৰত সোমোৱা কথা কোনো দিনেই সি পাহৰিব নোৱাৰিব। মাকে কোৱা মতে আগতে এনেকুৱা নাছিল তেওঁ। পাহাৰত কাঠৰ মিল এটাত কাম কৰিছিল। ঘৰখনো ভালকৈ চলিছিল। ৰাতিপুৱা ওলাই যায় গধূলি সোমাইহি। মদ খাই আহে যদিও এনেকুৱা নকৰিছিল। কিন্তু হঠাৎ এদিন মিলটো বন্ধ হৈ গৈছিল কিবা কাৰণত আৰু তেতিয়াৰ পৰাই আৰম্ভ হৈছিল এইবোৰ অত্যাচাৰ।

ঘৰৰ অৱস্থা বুলি ক'বলৈ গ'লে ভালেই, চাম কাঠৰ মজবুত খুঁটা। আগফালে ডেকা কালতে পতা ডাঙৰ তামোলৰ বাৰীখন, চাৰিজোপা বিয়াগোম নাৰিকলৰ গছ, পকী ভঁৰালটো। ৰাতিপুৱাৰ গাখীৰকণৰ বাবে গাইজনীও আছে। থাকিলে কি হ'ব, ঘৰৰ মূল মানুহটোৰ এই অৱস্থা। বাকীবোৰনো ক'ত শান্তিত থাকিব পাৰিব। খেতি খোলাতো মন নিদিয়ে আজিকালি, তাকে দেখি ওচৰৰে এজনক আধিলৈ দি দিলে ৰক্তিমৰ মাকে। এনেয়ে চন পৰি থকাতকৈ বছৰটোৰ ভাতকেইটা মুকলি হ'ব। লাহে লাহে ৰক্তিমো ডাঙৰ হৈ আহিছে। এতিয়া সোণালী সপোন দেখাৰ সময় তাৰ। জীৱনৰ তাঁতশালখনত ৰঙীন ফুল বচাৰ সময় এয়া। কিন্তু প্ৰত্যেক ৰাতিতে অহা ধুমুহা জাকে আউল লগাই যায় তাঁতশালখনত। ৰক্তিম পঢ়াত বেয়াও নহয়। পৰিৱেশৰ অভাৱতহে ল'ৰাটোৰ মনটো মৰি গৈছে একেবাৰে। তাকে দেখি মাকে ৰক্তিমক লৈ এদিন সিখন গাঁৱৰ মদন ছাৰৰ ঘৰ ওলালগৈ। কান্দি কান্দি ছাৰক সকলো কথা কৈ ৰক্তিমক তাত থাকি পঢ়া-শুনা কৰিব বুলি থৈ আহিল। তাই নক'লেও সকলো কথা জানে ছাৰে। সন্তান নথকা দম্পতি, ভালেই পালে। গাঁৱৰে শিক্ষিত মানুহ, তাতে থাকি জীৱনটো ভাল হওক তাকে কামনা কৰিলে। ইফালে বাপেকৰ সেইবোৰ চিন্তা থাকিলেহে। এটুপি গিলিবলৈ পালে কিহে পাই, চিন্তা নাথাকে কাৰো।

যিমানে ভালকৈ নাথাকক কিয় ৰক্তিমৰ মনত সদায় একুৰা জুই জ্বলি থাকে। সেয়া তাৰ মাকৰ প্ৰতি হোৱা চিন্তাবোৰ। ৰাতি শোৱাৰ সময়ত মাকৰ চিন্তাই হেঁচা মাৰি ধৰে তাক। কি কৰিছে এতিয়া, কি খাইছে, দেউতাৰ অত্যাচাৰ আৰু বাঢ়ি গৈছে নেকি। এইবোৰ ভাবি তাৰ বুকুখন আৰু বেছিকৈ বিষাই উঠে। তাৰ মনত ভাৱনা আহে, হয়তো এতিয়া দেউতাই চিঞৰি চিঞৰি ঘৰ সোমাইছে। মাই তেওঁক ভাতসাঁজ আগবঢ়াই দিছে আৰু দেউতাই সাধাৰণ কাৰণতে অজুহাত দেখুৱাই টান টানকৈ গালি পাৰিছে, মাৰিছে। হয়তো বিচনাত পৰি মা আজিও কান্দিছে। মই নাই, মাই কাক সাৱটি লৈছে এতিয়া? আহ্‌... মাকৰ উচুপনিৰ শব্দটোৱে বৰকৈ আমনি

কৰে তাক। দুখত তাৰো চকুপানী বৈ আহে। ইয়ালৈ অহাৰ পৰা ঘৰলৈ ঘনাই যাবও নোৱাৰে আৰু মাকেও নিবিচাৰে সি সঘনে গৈ থকাটো। গ'লেও মাকে কিবা কিবি কৈ বলেৰে পঠাই দিয়ে। মাকেও নিবিচাৰে এই মানুহটোৰ ওচৰত থকাটো, নিবিচাৰে ৰাতি কান্দোনৰ সমভাগী হোৱাটো। ল'ৰাটোৰ মতি গতি ভাল হ'ব ধৰিছে, হ'বলৈ দিয়াটোৱেই ভাল। আকৌ এইবোৰৰ মাজত সোমাই মনটো আউল লগাটো উচিত নহ'ব। বিচনাত ৰক্তিমক বিচাৰি নাপাই মাকৰ মনটো অশান্ত হৈ পৰে। মন যায় বুকুৰ মাজত সোমোৱাই ল'বলৈ। হ'লেও মাকে এই অশান্তিক হাত পাতি লৈছে ৰক্তিমৰ জীৱনটো ভাল হওক বুলিয়েই। আজিকালি চকুপানী সামৰি ৰক্তিমৰ সুন্দৰ জীৱনৰ কল্পনা কৰে। গিৰিয়েকে দিয়া কষ্টবোৰ পাহৰি আউল লাগিব ধৰা তাঁতশালখনত ফণী চলাব ধৰে। ৰক্তিমক লৈ সুন্দৰ সুন্দৰ সপোন দেখিয়েই শুই পৰে , শুকাই পৰে দুগালৰ বৈ যোৱা অশ্ৰু।

বহুত দিনৰ পিছত ঘৰলৈ ওলাইছে সি। এইবাৰ গ'লে থাকি আহিম বুলি ঠিক কৰি লৈছে। ছাৰে ঘূৰি আহিবলৈকে কৈছিল। নাই আজি তাৰ মনটোৱে নামানে। যিয়েই নহওক থাকিবই থাকিব। গধূলি সময়ত চাইকেল লৈ ওলালহি। মাকে গাইজনী টানি টানি গোহালিলৈ নিছে। সি মাকক ভালকৈ লক্ষ্য কৰিছে। শৰীৰত পৰিপাটিৰ চিনচাব নাই। চুলিখিনি বিকৃত হৈ আছে, তেল লোৱা নাই বহু দিন। শিৰত লোৱা ৰঙা সেন্দুৰকণো ঘামে মচি পেলাইছে। চাদৰখনো মলিয়ন, দিনটো কাম কৰি কৰি ভৰিৰ গোৰোহা ফাটি গৈছে। মানুহজনী আগতকৈ বহুত ক্ষীণ হ'ল। চকুকেইটাও গাঁতত সোমাল। হঠাৎ ৰক্তিমক দেখি আচৰিত হোৱা দৰেই হ'ল তাই। 'তিনি গধূলি সময়ত কিয় আহিলি, যাবি কেনেকৈ এতিয়া?' 'নাই নাযাওঁ, আজি থাকিম বুলিয়ে আহিছো' ৰক্তিমে ক'লে। মাকৰ ভিতৰি ভিতৰি মনটো ভাল নলগাও নহয়, কিন্তু সেই একেটো চিন্তাই মূৰৰ পৰা নোলোৱা হ'ল। গধূলি সময়ত তাৰ মনটো ভাঙিবৰ মন নগ'ল। ক'লে, 'যা ভিতৰলৈকে মইও গৈ আছো।' নিজৰ ল'ৰাটোক দেখি হাজাৰটা দুখ-কষ্ট পাহৰি পেলালে মাকে। নতুনকৈ অহা ইলেক্টিচিটিৰ ১০০ ভল্টৰ লাইটৰ পোহৰত জিলিকি উঠা ৰক্তিমৰ মুখখন ৰ' লাগি চালে মাকে। চেহেৰা পাতি আগতকৈ বহুত ভাল হ'ল। ওঁঠৰ ফাঁকেৰে চিক্‌চিকিয়া বগা দাঁতকেইটা জিলিকি আছে। ইমান দিনৰ অন্তত লগ পাইছে জুশালত বহি ইটো সিটো কথা পাতিছে। ছাৰৰ কথা, বাইদেউৰ কথা, স্কুলৰ লগৰবোৰৰ কথা, পঢ়াৰ কথা এফালৰ পৰা কৈ গৈছে ৰক্তিমে। মাজে মাজে দুই এটা হাঁহি। বহুত বছৰ হ'ল এনেকুৱা মুহূৰ্ত এটা পোৱা নাই সিহঁতে। দুখৰ মুখখনত হাঁহি বিৰিঙিছে। সকলো ঠিকেই চলি আছিল। আহিল নহয় তেনেতে ধূমকেতুডাল। পদূলিৰ পৰা চিঞৰি চিঞৰি আহি দৰ্জাত ঢকিয়াইছে। এইবোৰ দেখি-শুনি মাকে ৰক্তিমক শুই থাকিবলৈ ক'লে। সি বিচনাৰ পৰাই শুনি আছে সকলো। দৰ্জা খুলি দিয়াৰ অলপ দেৰি হওঁতেই মাকৰ ওপৰত অত্যাচাৰ আৰম্ভ... চুলিত ধৰি গালি দিছে চিঞৰি চিঞৰি। সংসাৰৰ কত কি অজুহাতবোৰ উলিয়াই তাইক মাৰিব ধৰিছে। তাই চিঞৰি চিঞৰি কান্দিছে। উহ্.. নাই ৰক্তিমৰ আৰু সহ্য নহ'ল। নোৱাৰিলে শুই থাকিব। উঠি আহি মাকক সাৱটি ধৰি গালি পাৰিব ধৰিলে দেউতাকক, 'কিয় কৰিছ তই এনেকুৱা, কি দুখ মাৰ? দিনটো টলৌ টলৌকৈ ঘূৰি ফুৰিবি কাম বুলিবলৈ একো এটা নাই আৰু ৰাতি আহি এই মানুহজনীক অত্যাচাৰ কৰিবি। তেজপিয়া, তই তেজপিয়া। মানুহজনীক খায় খায় শেষ কৰিলি। ইমান নিষ্ঠুৰ তই, কাপুৰুষ। আৰু এবাৰ মাৰি চা মাক, কি কৰো মই।' এইবোৰ শুনি দেউতাক ৰৈ থাকিব নোৱাৰিলে, 'কাক বৰ বৰ কথা ক'বলৈ আহিছ ৰহ্...তোক' বুলি বাহিৰলৈ ওলাই গ'ল।

'কি আকাশলৈ চাই ন, দহ ভাবি আছ, দেখা নাই আন্ধাৰ হ'ল, ভিতৰলৈ যা।' মাকৰ মাতত চক্ খাই উঠিল সি। পেপাৰখন হাতত লৈ ভিতৰলৈ সোমাই গ'ল ৰক্তিম।

❑❑

**"এটা সাৰ্থক চুটিগল্পৰ বাবে অনাৱশ্যকীয় প্ৰসংগৰ পৰিহাৰ অত্যন্তই প্ৰয়োজন। বিষয়বস্তুৰ গভীৰতা অবিহনে কেৱল অভিনৱ কথনশৈলী আৰু বাক্য বিন্যাসেই চুটিগল্পক প্ৰাণ দিব নোৱাৰে।"**

—এডগাৰ এলেন পো

# পলাতক

❍ মুৰ্চ্ছনা ফুকন
প্ৰথম ষান্মাসিক, অৰ্থনীতি বিভাগ



**দৃশ্যপট - ১**

আগবাঢ়ে সময়, আগবাঢ়ে জীৱন —এইবোৰ কোৱা কথা। আমাৰ জীৱন আগনাবাঢ়ে, আমাৰ জীৱন দৌৰে। অ' জীৱনৰ আলি কেঁকুৰিত নিয়ন্ত্ৰণ হেৰুৱাই বহুবাৰ বাগৰি পৰে, নিউটনৰ মাধ্যাকৰ্ষণৰ সূত্ৰ মানি চকুৰ পচাৰত তললৈ সৰি পৰে আৱেগ অথবা ব্যৰ্থতা —যাক মানুহে চকুপানী বুলি কয়। ওঁহো, আমাৰ হাতে চকুপানী নোমোচে, আমাৰ হাতে মাটি খামুচি ধৰে। কাৰণ এই দুখন হাতক সহায় কৰিবলৈ বুলি আৰু দুখন হাত আগবাঢ়ি নাহে কেতিয়াও। সেইকাৰণেই এই দুখন হাতে মাটিক ঠেলে, বিনিময়ত মাটিয়ে হাত দুখনক। বচ্, নিউটনৰ গতিসূত্ৰৰ তৃতীয় সূত্ৰৰ সফল পৰীক্ষণ সমাপ্ত। 'ধেইট, ফিল্মী হৈ গৈছো। এইবোৰ কথা ভাৱে নেকি, হাঃ' —তথাপি।

*'কাৰণ পূর্ণিমাৰ ৰাতি আমাৰ ভাল লাগে না*
*কোন এক অমাৱস্যাৰ ৰাতে আকাশৰে গানে তাকিও*
*ধীৰে ধীৰে তুমি যখন নিজকে হাৰাবে*
*ঠিক তখনই তোমাকে চমকে দিব আমি।'*

ৰে'লৰ এটা ডবাৰ একোণত পৰি থকা এটা তৃতীয় লিংগৰ অস্পৃশ্য আত্মাই এনেকৈ ভাৱে কথাবোৰ। ঝক্ ঝক্ ঝক্ - এই শব্দৰ লগতে মানুহবোৰ ডবাবোৰৰ পৰা ওলাইছে আৰু সোমাইছে। এই অস্পৃশ্য আত্মাই কিন্তু একে ঠাইতে পৰি ৰৈছে। হেৰুৱাব পৰাকৈ একোতো নাই, তেনে ভয় কিহৰ? অস্পৃশ্য আত্মাৰ মনৰ ভাৱ।

## দৃশ্যপট - ২

এখন গাঁও আছিল। গাঁওখনতে এখন হৃদয়ে বাস কৰিছিল। সপোনৰ ডেউকাৰে উৰিছিল এই হৃদয়ে, ৰাতিয়ে দিনে। গাঁৰৰ কেঁচা বাঁহৰ সিক্ত গোন্ধ লৈ লৈ ধূলিয়ৰি বাটেৰে আগবাঢ়িছিল এখোজ দুখোজকৈ। লক্ষ্যস্থান এক হ'লে বোলে ভৰিৰ তলুৱা লেতেৰা কৰাত আপত্তি নাছিল তাইৰ। স্বাভাৱিকভাৱেই সমীপৱৰ্তী এলেকাৰ ভিতৰত বিপৰীত লিংগৰ ব্যক্তিৰ কাল্পনিক স্পৰ্শ, উন্মাদনাত আহ্লাদিত হৈ উঠিছিল তাই। অপৰাধতো নাছিল এইবোৰ, সেয়া বয়সেই কয়। ঠিকেই চলিছিল সকলো। হঠাৎ জীৱনে গতি সলাইছিল, একেবাৰে নভবাকৈয়ে। অন্য ছোৱালী জীয়ৰী হোৱাৰ সময়ত তাইৰ মাতটো যেতিয়া কৰ্কশ হৈ ওলাইছিল, শৰীৰত যেতিয়া বসন্তৰ আগমন ঘটিবলৈ অপাৰগ হৈ উঠিছিল, মিহি আৰু শিথিল হোৱাৰ পৰিবৰ্তে শৰীৰৰ গঠন যেতিয়া আটিয়াল আৰু শক্তিশালী হৈছিল, তেতিয়াই গম পোৱা গৈছিল ক'ৰবাত কিবা ভুল ৰৈ গৈছে।

দুইখন হাতৰ তলুৱা আঘাত কৰি এক বিশেষ ভংগীমাৰে মানুহবোৰে ৰাস্তাই-ঘাটে তাইক যেতিয়া জোকাবলৈ লৈছিল, তেতিয়াও তাই নিজক হেৰুৱাই পেলোৱা নাছিল। তাই নিজক হেৰুৱাইছিল সেইদিনা, যিদিনা এক আপোন হাতে তাইক ফুচুলাই নি কোনোবা অচিনাকি ষ্টেচনত এৰি থৈ আহিছিল খুউব নিষ্ঠুৰভাৱে।

## দৃশ্যপট - ৩

'আঁতৰ হ' বুলিছো নহয়, আঁতৰ হ'... এইসবৰ পৰা শান্তি নোহোৱা হ'ল' —প্ৰচণ্ড বিৰক্তি আৰু ঘৃণাত মনুহজনে চিঞৰি উঠিল। তাইয়ো দুগুণ তৎপৰতাৰে হাতৰ চাপৰি অধিক তীব্ৰ কৰিলে, মুখৰ পৰা ওলাই আহোঁ যেন হ'ল অভিশাপ। মানুহজনে ভয় খালে। স্বয়ংক্ৰিয়ভাৱে তেওঁৰ হাতে জেপৰ পৰা ২০ টকীয়া নোট এখন উলিয়াই দিলে।

নাই, আগতে এনেকুৱা নাছিল কথাবোৰ। কথাই প্ৰতি অভিশাপ দিয়াৰ সলনি আগতে মুখখন বন্ধ হৈ থাকিবলৈ শিকিছিল, সহিবলৈ শিকিছিল। এতিয়া কথাবোৰ বেলেগ হ'ল। অপমানৰ কাঁড়পাতে বিন্ধি তেজ উলিয়াই দিলেও আজিকালি পেটৰ কাৰণেই মুখখনে দাবী কৰিবলৈ শিকিলে, এটাই জীৱন, দুটা চৰিত্ৰ, অভিনয়ো পৃথক, দৃশ্যপটো পৃথক, আচৰিত।

ডবাটোৰ বাকীবোৰ মানুহৰ পৰাও প্ৰায় একে কৌশলেৰেই টকা সৰকাই বিজয়িনীৰ দৰে তাই নামি পৰিলে আগৰটো ষ্টেচনত... এগালমান কাহিনী তাইৰ বোকোচাত তুলি।

## দৃশ্যপট -৪

সঁচা অৰ্থত মই অসন্তুষ্ট হৈ যাওঁ। প্ৰতিবাৰেই তাই হামখুৰি খাই পৰাৰ পিছত তাই হাত খামুচি মই উঠাওঁ। বুজাওঁ কথাবোৰ... খুউব মৰমকৈ। ইমান মৰম কাকো আগতে কৰা নাছিলোঁ। সকলোবোৰ স্বতঃস্ফূৰ্ত আছিল... তাই বিচৰাকৈয়ে অথবা নিবিচৰাকৈয়ে। মাজৰাতি যেতিয়া হঠাৎ সাৰ পাই উঠি তাই কান্দিবলৈ চেষ্টা কৰে, অথচ নোৱাৰে, এগালমান শূন্যতা বান্ধি লয় চকুত। কওঁ... 'খুলি ক কথাবোৰ'। অ' ক'বলৈ সাজু হয় তাই, কিন্তু ইতিহাসৰ পুনৰাবৃত্তি হোৱাৰ ভয়ত অথবা নিজৰে সক্ষমতাৰ ওপৰত সন্দেহ কৰি তাই ৰৈ যায়। নোৱাৰে আগবাঢ়িব। জোৰ নিদিওঁ মই। কিজানি ময়ো ভয় খাওঁ, ভুল হৈ যায় বুলি পুনৰবাৰ। এনে প্ৰতিটো কাহিনীৰ সামৰণি হয়গৈ তাইৰ একেটা প্ৰশ্নতে— 'নিজৰ পৰা পলোৱা বাটটো কেনি?' উত্তৰ দিওঁ মই— 'যেনিয়ে মন যায়...।'

ঋতু আহে, ঋতু যায়। গ্ৰীষ্মৰ পিছত বৰ্ষা, বৰ্ষাৰ পিছত শৰৎ, শৰতৰ পিছত হেমন্ত, ক্ৰমান্বয়ে শীত আৰু বসন্ত। তাই পৰিৱৰ্তন নহয়। একেই বিষাদগ্ৰস্ততাৰে একো হেৰুৱাবলৈ নাই বুলিয়েই তাই খণ্ডতে ট্ৰেইনৰ এটা বাৰ্থৰ একেটা ছিটিতে ঘণ্টাৰ পিছত ঘণ্টা বহি ৰয়, হাতেৰে শৃংখলিত কৰি নলয় বতাহে কোবাই যোৱা তাইৰ বিশৃংখল চুলি। এইকেইটা ঘণ্টাৰ আঁৰৰ প্ৰাপ্তি পিছে তাই হেৰুৱায় পেলাই, ছেহ্...।

কেতিয়াবা তাইৰ লগত কথা পাতি থাকোঁতে হঠাতে মই প্ৰশ্ন কৰোঁ— 'আজিও সেই একেই সকলো... কিয়?'

উত্তৰ আহে - 'বিচাৰিলে বুলিয়েই কেনে আছে বুলি সোধাৰ সুবিধাকণ সবকে দিয়া নাযায়।' মই নিৰুত্তৰ হৈ ৰওঁ, বুজোতো মই। তাইৰ ভিতৰৰ 'মই'টোৰেইটো মই।

সময় আগবাঢ়ি যায়। এসময়ত তাই গাঁওখনক বিচাৰিছিল, এতিয়া ষ্টেচনটোৱে তাইক বিচাৰে। আগতে মানুহক দেখি তাই ভয় খাইছিল, এতিয়া মানুহে তাইক দেখি ভয় খায়। আগতে লাজ আছিল, সংকোচ আছিল। এতিয়া অভদ্ৰামি আছে, খং মিহলি অভিমান আছে। এসময়ত তাই অকণমান মৰম বিচাৰি হাবাথুৰি খাইছিল, এতিয়াও বিচাৰে অ-ক-ণ-মা-ন 'মৰম' বুলি ক'ব পৰাকৈ মৰম।

এইয়ে সময় আগবাঢ়ি যায়, তাৰ লগতে আমিও আগবাঢ়ি যাওঁ। তাইৰ মাজত মই আৰু মোক আৱৰি তাই। ভাল লাগে দিয়কচোন।

**শেষাংশ**

আজিকালি 'হিজিৰা'টোক মানুহবোৰে প্ৰায়ে ষ্টেচনটোৰ খালী বেঞ্চখনত বহি থকা দেখে। মুখৰ ভিতৰতে কিবা বিৰ্‌বিৰাই বিৰ্‌বিৰাই সি কেতিয়াবা জোৰেৰে হাঁহিবলৈ ধৰে, আকৌ কেতিয়াবা হুক্‌হুকাই কান্দিবলৈ ধৰে। মানুহবোৰে ভয় খাই তাৰ পৰা আঁতৰি ফুৰে। লগৰ হিজিৰাবোৰে আজিকালি তাক লগ নিদিয়ে, 'পাগল' বুলি ভাবি। সি যেতিয়া মানুহবোৰক পইচা খোজে, তেতিয়া মানুহবোৰে তালৈ ভয় কৰি তৎক্ষণাতে পইচা উলিয়াই দিয়ে। হাঁহি বিৰিঙে তাৰ মুখত। নাই, সেইবুলি সি থমকি নৰয়। ষ্টেচনটোত আহি সোমোৱা ট্ৰেইনখনলৈ বুলি সি আগবাঢ়ে... খুউব খৰকৈ। কি কৰিব? ....জীৱনটোৱেইতো এনেকুৱা।

❑❑

# অনুগল্প

## ভোক

প্লাষ্টিকৰ বটল বুটলি ফুৰা দুটা শিশু নিৰ্বাচনী প্ৰচাৰ কৰা এখন সভাত উপস্থিত হ'ল। তাত বোলে বিনামূলীয়া আহাৰ দিছে।

— তন্ময় বৰগোহাঁই

চুটিগল্প

গদ্যগুচ্ছ

# মধ্যবিত্ত

❍ উদয়াদিত্য বৰগোহাঁই
প্ৰথম ষান্মাসিক, ভূগোল বিভাগ



(১)

অৰুণ বৰুৱাই বাৰাণ্ডাতে বহি একমাত্ৰ জীয়েক স্মৃতিৰ বিয়াৰ বাজেটখন তন্ন তন্নকৈ চাই আছে। সকলোবোৰ জুকিয়াই চাই দেখে যে নাই নহ'ব; এতিয়াও প্ৰায় এক লাখমান টকা লাগিবই। কপালত তেওঁৰ চিন্তাৰ ৰেখাৰ স্পট। সাঁচতীয়া টকাকেইটাৰে কেনেবাকৈ জোৰা মৰিল হয় যদিহে যোৱা মাহত তেওঁৰ বেমাৰটোত ভালেমান টকা খৰচ নহ'লহেঁতেন। তাতে আজি কালি বস্তুৰ যিহে জুই চাই দাম। ইফালে একমাত্ৰ জীয়েকৰ বিয়া। আগলৈও নাই পিছলৈও নাই। হিয়া উজাৰি সকলো কৰিব নোৱাৰিলে জীৱনলৈ আক্ষেপ থাকি যাব।

প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰূপে অৱসৰ প্ৰাপ্ত অৰুণ বৰুৱাই সামান্য উপাৰ্জনেৰে লাগতিয়াল প্ৰায় সকলোবোৰ কামেই কৰিছে। নিজৰ লগতে পত্নী আৰু কন্যাৰ সৰু-বৰ সকলোবোৰ প্ৰয়োজন পূৰণ কৰাৰ পৰা আদি কৰি ছোৱালীজনীক পঢ়াই-শুনাই ডাঙৰ-দীঘল কৰিছে, সাজিছে সৰুকৈ হ'লেও আটোমটোকাৰীকৈ ঘৰখন। আধুনিকতাৰ খোজত খোজ মিলাই ওচৰ চুবুৰীয়া প্ৰায়বোৰেই ঘৰত একোখনকৈ গাড়ী সোমোৱালেহি। তেনেস্থলত বৰুৱাৰ বাবেও এয়া হৈ পৰিছিল এক সামাজিক প্ৰত্যাহ্বানৰ চিন। উপাৰ্জনৰ সেই সীমিত টকাৰে যোৰা লগাই বৰুৱাই ক্ৰয় কৰিছিল মধ্যবিত্তৰ স্বপ্নৰ গাড়ীখন— এল্ট' ৮০০।

গাড়ীখনৰ কথা মনলৈ অহাৰ লগে লগে বৰুৱাৰ মনত কিবা এটা খেলালে। ঘপহকৈ তেওঁ বহাৰ পৰা উঠি গেৰেজৰ ফালে আগবাঢ়িল। এপলক প্ৰাণ ভৰি চালে তেওঁ গাড়ীখন। যোৱা ন-দহ বছৰে বৰ যত্নৰে ৰাখিছে গাড়ীখন।

আজিও মনত আছে তেওঁৰ সেই দিনটো যিদিনা তেওঁ এই গাড়ীখন ক্ৰয় কৰি আনি ঘৰৰ চোতালত থিয় কৰাইছিল। সেইদিনা শ্ৰীমতী আৰু ছোৱালীজনীৰ চকুৰ আনন্দ দেখি তেওঁৰ বুকুখন আত্মতৃপ্তিত যেন দুই ইঞ্চি ফুলি গৈছিল।

— "হয়, শুনিছেনে? টেণ্ট হাউচৰ ল'ৰাজন আহিছে।" পত্নীৰ মাততহে তেওঁৰ তন্ময়তা ভাঙিল।

(২)

সেইদিনা ৰাতি ভাতৰ পাতত বহি তেওঁ ক'লে-

বৰুৱা ঃ হেৰা বিয়াৰ খৰচৰ বাবে এতিয়াও অতি কমেও এক লাখ টকাৰ দৰকাৰ।

পত্নী ঃ কি হ'ব এতিয়া? বিয়ালৈ এতিয়া আৰু বেছিদিন নাইয়েই দেখোন।

বৰুৱা ঃ ভাবিছো আমাৰ গাড়ীখনকে বিক্ৰী কৰি দিওঁ নেকি? (হুমুনিয়াহ এটা পাৰ হৈ গ'ল)

পত্নী ঃ কি...?

বৰুৱা ঃ অ'... আমাৰ গাড়ীত উঠাৰ চখ গ'ল আৰু বুইছা। এনেইও সেইখনৰ দিন হৈছে। তাতে তোমাৰ জীয়েৰানো কেইজনী।

পত্নী ঃ এৰা... আপুনি যি ভাল দেখে কৰক।

(বৰুৱাৰ পত্নীয়ে আজিলৈকে কোনো কাৰণতে বৰুৱাৰ সিদ্ধান্তৰ ওপৰত প্ৰশ্ন তোলা নাই। তথাপিও এতিয়া তেওঁ বুজিব পাৰিছে যে বৰুৱাই যিমান সহজভাৱে কথাষাৰ কৈছিল আচলতে কথাযাৰ সিমানেই কঠিন।)

(৩)

চাৰিদিনৰ পিছত—

দেৱালখনত ওলমি থকা ঘড়ীটোলৈ চাই আৰামী চকীখনত বহি হেলান দি আছে বৰুৱাই। ভতিজাক বিনোদে গাড়ীখনৰ অতি কম সময়ৰ ভিতৰতে গ্ৰাহক এজন ঠিক কৰি দিছে। সেই গ্ৰাহকজনৰ বাবেই অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছে তেওঁ। এবাৰ যদি তেওঁ চাইছে ঘড়ীটোলৈ আনবাৰ চাইছে চোতালৰ সিমূৰে থকা গাড়ীখনলৈ।

যথা সময়ৰ পিছত গ্ৰাহকজন আহিল। গাড়ীখন তেওঁ খুউব পছন্দ কৰিলে। ইয়াৰ পিছত আনুষ্ঠানিক কথা-বতৰাৰ অন্তত গ্ৰাহকজনে বৰুৱালৈ আগবঢ়াই দিলে লাখ টকাৰ চেক্ এখন। বৰুৱাৰ হাত এখন কঁপি উঠিল। কঁপা কঁপা হাতেৰেই বৰুৱাই গ্ৰাহকজনৰ হাতত তুলি দিলে তেওঁৰ স্বাভিমানৰ চিনস্বৰূপ গাড়ীখনৰ চাবিটো।

গ্ৰাহকজনক উদ্দেশ্যি বৰুৱাই ক'লে-

—"কষ্টৰে লৈছিলো আৰু বৰ যত্নৰে ৰাখিছিলো, আশা কৰো আপুনিও....।"

—"নিশ্চয়" বুলি কৈ এটা সমৰ্থক হাঁহিৰে গ্ৰাহকজনে গাড়ীখন লৈ গুচি গ'ল।

ধূলিয়ৰি বাটটোত গাড়ীখন নেদেখা হোৱালৈকে বৰুৱাই চায়েই থাকিল। তেওঁৰ চকুকেইটা ক্ৰমাৎ সেমেকি উঠিছিল। কোনোমতে নিজকে চম্ভালি লৈ মনটোক প্ৰবোধ দিলে —প্ৰয়োজনবোৰ পূৰাবলৈ আপোচ কৰাজনেই হ'ল মধ্যবিত্ত।

❑❑

# কৰ্কটৰ দলিচাত

❍ বিভূতি বুঢ়াগোহাঁই
প্ৰথম যান্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ



'কা কা কা' কৈ চিঞৰি অহা কাউৰীজনীয়ে গোটেই অভয়পুৰ অঞ্চলটোতে যেন এক দুৰ্যোগৰ আগজাননী দি গ'ল। প্ৰাতঃভ্ৰমণলৈ যোৱা যুগলৰ মনটো কাউৰীজনীৰ সেই বিকট চিঞৰকেইটাই ৰেখাপাত কৰি গ'ল।

প্ৰাতঃভ্ৰমণ কৰিবলৈ যোৱাটো যুগলৰ সৰু কালৰে এটা অভ্যাস। সেইদিনাও সি আনকালৰ দৰেই প্ৰাতঃভ্ৰমণলৈ ওলাই গৈছিল। প্ৰায় ৫ বাজি ৩ মিনিটমান গৈছে। শাওণ মাহ। বাটে পোৱালি মেলা বতৰ। গৰমৰ প্ৰকোপ দিনে দিনে বাঢ়ি আহিছে। শনিবাৰ, চাৰিওফালে এক নিজম পৰিৱেশ। খেতিয়ক ৰমেশ ককাইও পথাৰলৈ গৰু হাল লৈ গৈছে, বোকা মাটিৰ সুবাসো চাৰিওফালে ভাঁহি আহিছে। যুগল গাঁৱৰ ঘৰলৈ অহা তিনিদিনহে হৈছে মাথোঁ। গুৱাহাটী মেডিকেল

কলেজৰ MBBS ৰ ছাত্ৰ সি, শেষ হ'বলৈ আৰু মাথোঁ ছমাহ বাকী। বন্ধৰ কিছু সুৰুঙা উলিয়াই সি এইকেইদিন ঘৰত আছেহি। ঘৰখনতো যেন সি আহিলেই বসন্তকালত শুকান ডালত কুঁহিপাত ওলোৱাৰ দৰেই উজলি উঠে। প্ৰাণ পাই উঠে কিশোৰ ভায়েকৰ সপোনৰ দলিচাখন, বিধৱা মাকৰ যন্ত্ৰণাৰ দেহ সজ্জাটো। সিয়েই হয়তো একমাত্ৰ আশা-ভৰসা, তিনিজনীয়া পৰিয়ালটো জীপাল কৰি তোলাৰ। মাকৰ শুকান মৰুভূমিত পানী ঢলা, কিশোৰ ভায়েকক শিক্ষিত কৰি তোলাটোও তাৰেই একমাত্ৰ দায়িত্ব।

— বোপা, ভালদৰে পঢ়া-শুনা কৰিবি। বিধৱা মাৰৰ তয়েই এতিয়া একমাত্ৰ ভৰসা।

এটা কি অভিশপ্ত শব্দ 'বিধৱা'। উস্, সেই বিধৱা শব্দটোৱেই যেন যুগলৰ জীৱনত এক অভিশাপ। দেউতাক নাথাকিলে মাকক বাৰু কিয় বিধৱা বুলি কয়? বগা কাপোৰনো কিয় পিন্ধিব লাগে? যদি মাকৰ আগতে দেউতাকৰ মৃত্যু হ'লহেঁতেন, দেউতাকে বাৰু বগা চাৰ্ট-পেণ্ট পিন্ধিলেহেঁতেন নে? মাকৰ কপালৰ ৰঙা ফোঁটটোৰ দৰে দেউতাকে বাৰু কি মচি পেলালেহেঁতেন? এনেবোৰ শব্দই তাক বাৰুকৈয়ে চিন্তাক্লিষ্ট কৰি তোলে।

ঘৰলৈ আহি মাকক দেখিলেই তাৰ মনটো খৰালি নৈখনৰ দৰে হৈ পৰে। বাৰিষা ইমান পানীৰ ভৰ লৈ এসময়ত অচল হৈ পৰা নৈখনৰ দৰেই বেদনাদায়ক তাৰ মাকৰ জীৱনটোও। ভেঞ্চাৰ স্কুলত বছৰ বছৰ ধৰি কৰা অবৈতনিক শিক্ষাদান, নিঃস্বাৰ্থহীনভাৱে কৰি যোৱা সংগ্ৰাম, অৰ্থহীন জীৱনৰ মাদকতা, যন্ত্ৰণাময় জীৱনৰ কল্লোলতা সকলো যেন এতিয়া সাগৰৰ ঢৌৰ দৰে হিল্লোলিত।

১৯ বছৰে চৰকাৰে কৰি অহা অৱহেলাৰ বাবেই জীৱনৰ এই সংঘাত। যন্ত্ৰণাৰ কল্লোলিত সুবাস। চৰকাৰীকৰণৰ নামত বাৰে বাৰে দুৰ্নীতি কৰি অহা মানৱৰূপী দানৱেই এই যন্ত্ৰণাৰ ৰূপৰেখা। শ শ মানুহৰ লাখ লাখ টকাৰে দুৰ্নীতিৰ পাহাৰ বনোৱা মানৱৰূপী দালালকেইটাই হয়তো মাকক ঠেলি দিছিল সংঘাতৰ সৈতে যুঁজিবলৈ, হেঙুলীয়া বেলিৰ লগত বিলীন হ'বলৈ।

গুৱাহাটী হাইকৰ্টত থকা পাখানী আৰু হাজৰিকা বোলা দালালজন। চৰকাৰীকৰণৰ নামত কিমান যে টকা গ্ৰাস কৰিছিল তাৰ কোনো হিচাপ নাই। চৰকাৰীকৰণৰ আশাত কিমান যে শিক্ষকে সা-সম্পত্তি বিক্ৰী কৰি ধন আদায় কৰিছিল। মূৰৰ ঘাম মাটিত পেলাই কৰা সংগ্ৰামো যেন পানীৰ লগত মিহলি হৈ গৈছিল। সকলো শিক্ষকৰ ধন মাথোঁ তেওঁলোকৰ পকেটৰ ধনলৈ ৰূপান্তৰিত হৈছিল। চৰকাৰীকৰণৰ ফাইলবোৰ গুডামৰ মজিয়াত বিলীন হৈ গৈছিল।

ঠিক তেনে এটা কালতেই যুগলৰ মুখৰ পৰা হেৰাই গ'ল এটি অতি আপোন শব্দ দেউতা। অতীতৰ স্মৃতিৰ শীৰ্ষত উজ্জ্বলি থকা এক উজ্বল নক্ষত্ৰ দেউতা। অতীত, এৰা... অতীতৰ বুকুতেই সিঁচৰতি হৈ থাকে হাঁহি, কান্দোন, সুখ-দুখৰ ছবি। যাক কোনো দিনেই মচিব নোৱাৰি। কাৰোবাৰ জীৱনলৈ কঢ়িয়াই আনে আনন্দৰ জোৱাৰ আৰু কাৰোবাৰ জীৱনলৈ কঢ়িয়াই আনে দুখ আৰু বেদনাৰে ভৰা স্মৃতিৰ টোপোলা।

এনে এটা বেদনাৰে ভৰা স্মৃতিৰ টোপোলাটেই সঞ্চিত আছিল যুগলৰ পিতৃৰ মৃতদেহৰ অৱক্ষয়, ৰক্তাক্ত তেজৰ নৈ। যুগল তেতিয়া অষ্টম শ্ৰেণীৰ ছাত্ৰ, গাঁৱৰে এখন চৰকাৰী স্কুললৈ যায়। পঢ়া-শুনা, খেলা-ধূলা কৰাৰ বাহিৰে তাৰ একো চিন্তা কৰাৰ শক্তি নাই। তীক্ষ্ণ মেধাসম্পন্ন যুগলে চিত্ৰাংকণ, ৰচনা, তৰ্ক প্ৰতিযোগিতাত প্ৰায়ে শীৰ্ষ স্থান অধিকাৰ কৰে। গহীন-গম্ভীৰ, নিষ্ঠাবান যুগলৰ জীৱনলৈ হঠাৎ নামি আহিল এক অমানিশা। ভৱিষ্যতৰ বাটত দুৰ্ভাগ্যৰ ছাঁ পৰিল। হেৰাই গ'ল কৈশোৰৰ ধেমালি, জীৱনৰ ৰং বিহীন আনন্দ। দেউতাক জয়ন্ত কাকতী এক দুৰাৰোগ্য ৰোগত প্ৰকৃতিৰ বুকুত বিলীন হৈ পৰিল। সিও 'দেউতা' বুলি এক বিকট চিঞৰৰ মাৰি ধৰিত্ৰী কঁপাই তুলিলে। মাকে অস্থিৰ হৈ হাওহাওকৈ কান্দি কান্দি চেতনা হেৰুৱাই পেলালে। আত্মীয়-স্বজন, দুই-এক সহকৰ্মীৰ মাজত বাক্-বিতণ্ডা চলিল। বিকট চিঞৰ, কান্দোন আৰু হাই-কাজিয়াৰ ভয় লগা শব্দবোৰ যুগলৰ মগজুত চিৰদিনৰ বাবে সোমাই থাকিল। সোমাই থাকিল মাকৰ মেদিনী কঁপাই তোলা কান্দোনৰ বিলাপময় ধ্বনি। এতিয়াও কাৰোবাৰ মৃত্যুত যুগলে সেই শব্দ শুনিবলৈ পায়। দুচকুত ভাঁহি উঠে দেউতাকৰ নশ্বৰ দেহটো, মাকৰ বগা সাজযোৰ আৰু হৃদয়ত খুন্দা খাই যোৱা আত্মীয়-স্বজন, ওচৰ-চুবুৰীয়াৰ আমনি লগা ককৰ্থনামূলক উপদেশ, নীতি-নিয়ম, হিংসাৰে জৰ্জৰিত প্ৰতিচ্ছবিবোৰ।

ল'ৰালি কালতে পিতৃহাৰা হোৱা যুগলৰ বেদনাৰ উত্তাল ঢৌৰ সৈতে বিলীন হৈছিল 'দেউতা' শব্দটো। তাৰ শিশু মনটোৱে হাহাকাৰ কৰি তুলিছিল যেতিয়া লগৰ সমনীয়াবোৰক সিহঁতৰ দেউতাকৰ সতে একেলগে দেখে। সিহঁতৰ মাকবোৰৰ কপালৰ দগ্‌মগীয়া ৰঙা ফোঁটবোৰ চকুত পৰাৰ সময়ত তাৰ মন দুখান্বিত কৰি তোলে মাকৰ বগা সাঁজযোৰৰ আঁৰৰ বেদনাখিনিয়ে। সি কেৱল বুজি পাই সি অকালতে পিতৃহাৰা হোৱা এটি দুৰ্ভগীয়া সন্তান।

ক্ষণজন্মা দেউতাকৰ মৃত্যুয়ে যেন তাক বাৰুকৈয়ে আমনি কৰিছিল মৃত্যুৰ কাৰণ জাগ্রত কৰিবলৈ। তাৰ কৈশোৰ মনটোত নানা প্রশ্নই জোৱাৰ-ভাটাৰ সৃষ্টি কৰিছিল। কিয় দেউতাক নোহোৱা হৈ গৈছিল ইমান কম বয়সতে। কি নিষ্ঠুৰ পৃথিৱী। কিয় বাৰু হেৰাই যায় প্রকৃতিৰ বুকুত এই মানুহবোৰ। কি যে প্রকৃতিৰ সৃষ্টি। আহ্ কত যে কি? কি যে বেমাৰৰ প্রকাৰ। দেউতাৰ বাৰু এনে কিবাই হৈছিল নি? নানা প্রশ্নৰ উদ্বেগ। মাথোঁ তাৰ এটাই মনত আছে, যেতিয়া সিহঁত দেউতাকৰ চিকিৎসাৰ বাবে গুৱাহাটী বি. বৰুৱা চিকিৎসালয়ত ভৰ্তি হৈছিল তেতিয়া সিহঁত ‘ONCOLOGIST’ নামৰ কোঠাটোৰ ভিতৰলৈ সোমাই গৈছিল। এক কৌতুহলময় পৰিৱেশ। ONCOLOGIST আহ্ কি যে শব্দ। এই শব্দৰ অৰ্থ বুজিবলৈ, ৰহস্য উদ্‌ঘাটন কৰিবলৈ যেন তাৰ কৈশোৰ মনটোৱে সদায়েই আপ্রাণ চেষ্টা চলাই আছিল।

ONCOLOGIST শব্দটো বুকুত বান্ধি ৰহস্য উদ্‌ঘাটনৰ বাবে এদিন সি গৈ গৈ ডাক্তৰ পঢ়িবলৈ নামভৰ্তি কৰিল। লাহে লাহে শিক্ষাগ্রহণ আৰম্ভ হ'ল। শৰীৰৰ বিভিন্ন অংগ-পতংগৰ বিষয়ে, বিভিন্ন ৰোগৰ বিষয়ে, দৰৱৰ কাৰ্য সকলো জ্ঞান আয়ত্ত কৰিলে। ডাঃ গোহাঁই নামৰ শিক্ষকজনেই চিনাক্ত কৰাইছিল ৰোগৰ কাৰকসমূহৰ বিষয়ে। স্পষ্টভাৱে অংকণ কৰি দেখুৱাইছিল ‘কৰ্কট’ ৰোগৰ বিষয়ে। কাৰ্চিনমা, লিউকেমিয়া, লিম্ফমা ৰোগৰ ইতিবৃত্তি। অত্যাধিক মাদক দ্রব্য, ধূমপান, গুটখা, ধপাতৰ পৰা হোৱা ৰোগটোৱেই যে কেন্সাৰ বা কৰ্কট ৰোগ সেই কথা আৰু জানিবলৈ বিশেষ উদাহৰণৰ প্রয়োজন নহ'ল।

তাৰ বন্ধু প্রসেনজিৎ নামৰ ল'ৰাটোৱে এই ৰোগৰ জ্বলন্ত নিদৰ্শন। প্রসেনজিৎ তাৰ হাইস্কুলীয়া বন্ধু। একেখন গাঁৱৰে ল'ৰা। MBBS ৰ দেওনা পোৱাৰ আগতেতো একেলগেই হাঁহি-ধেমালি কৰি ঘূৰি ফুৰিছিল। কিন্তু... আহ্, কি যে এক বেদনাদায়ক ধূলিৰে ধূসৰিত পৃষ্ঠা। ইমান গহীন-গম্ভীৰ সহজ-সৰল ল'ৰাটোৰ শৰীৰত বাস লৈছিল এক নিষ্ঠুৰ, বয়স নমনা ‘কেন্সাৰ’ ৰোগে। পোনপ্রথমে জিভাত এটা সৰু ঘাঁ আৰু তাৰ পাছত বাঢ়ি বাঢ়ি বিশাল হ্রদ আকাৰৰ ঘাঁৰ সৃষ্টি হৈছিল। লাহে লাহে বৈ আহিছিল নিৰবচ্ছিন্ন ৰক্তাক্ত তেজৰ নৈ।

সি নৰম শ্রেণীৰ পৰাই গুট্‌খা, ধূমপান কৰিবলৈ শিকিছিল। লাহে লাহে শিকিছিল অপকৰ্মৰ ভাণ্ডাৰ বৃদ্ধি কৰিবলৈ। কালক্রমত বিভিন্ন সংগত পৰি ক্লাচ নকৰাকৈ কেতিয়াবা ভাংৰ আড্ডা, কেতিয়াবা মদৰ আড্ডাত বহিছিল। হেৰুৱাই পেলাইছিল জীৱনৰ ৰং বুটলিবলৈ। শৰীৰটোক কষ্ট দিয়াই নহয় পিতৃ-মাতৃৰ অন্তৰতো আঘাত সানিছিল। স্কুল বাদ দি লগৰ সংগত ঘূৰি ফুৰিছিল। প্রায় ৬ বছৰ নিজৰ দেহটোৰ ওপৰত কৰা নিৰ্যাতনৰ বাবেই আজি তাৰ শৰীৰত এই ৰোগৰ সূচনা হৈছে।

ডাঃ গোহাঁই ছাৰে ঠিকেই কৈছিল, অত্যাধিক কোষ বিভাজনৰ ফলতেই এই ৰোগে মহামাৰীৰ সৃষ্টি কৰে। প্রসেনজিতৰ মুখৰ পৰা বমি আকাৰে ওলাই অহা ৰক্তৰ নৈখন দেখি সি সহ্য কৰিব পৰা নাছিল। কোনো দিন ক্ষতস্থান নুশুকুৱাটোৱেই হয়তো এই ৰোগৰ লক্ষণ। কোনো দৰৱেই কাম নকৰা ৰোগটোৰ নিৰ্মূলৰ বাবে দেউতাকে কিমান যে কি কৰা নাছিল। চেন্নাইত চিকিৎসাৰ বাবে কিমান যে সা-সম্পত্তি বিক্রী কৰা নাছিল। দেশীয় সুৰাৰ ব্যৱসায় কৰি অৰ্জন কৰা সকলো সা-সম্পত্তি যেন নিঃশেষ হৈ গৈছিল। হাজাৰজন মানুহক মৃত্যুৰ মুখলৈ ঠেলি নিজে ধন আৰ্জন কৰাৰ বাবেই হয়তো এই পৰিণতি।


প্রাতঃভ্রমণত কিমান দূৰ গুচি গ'ল সি তলকিবই নোৱাৰিলে। লৰালৰিকৈ ঘৰলৈ বুলি খোজ ল'লে।

❑❑

চুটিগল্প

# সুৰৰ মূৰ্চ্ছনাত গুঞ্জৰিত কাব্য

❍ জোনমণি গগৈ
পঞ্চম ষান্মাসিক, গণিত বিভাগ




"বাঃ...। কি সুন্দৰ। পাৰিব, মোৰ মাজনীয়ে মোৰ আধৰুৱা সপোন পূৰ কৰিব পাৰিব।" মাজনীৰ কবিতাই দেউতাক মেঘনাথৰ মন ভৰাই তুলিলে। এইখন কবি সন্মিলনলৈ দেউতাকে মাজনীক লৈ আহিছে। সভাখনত আটাইতকৈ সৰু কবি হিচাপে মাজনীয়ে যথেষ্ট গুৰুত্বও পাইছে। ঘৰলৈ আহি থকাৰ সময়ত মেঘনাথে জীয়েকক ক'লে— 'মাজনী, তুমি আৰু বেছি কষ্ট কৰিব লাগিব জীৱনত শ্ৰেষ্ঠতা পাবলৈ, তেতিয়া সৰোজিনী নাইডুৰ দৰে হ'ব পাৰিবা তুমি।' প্ৰাপ্তিৰ আনন্দত উৎফুল্লিত

মাজনীৰ মন আৰু অলপ উৎসাহিত হৈ উঠিল দেউতাকৰ কথাত। দেউতাকৰ যে ইমান আশা তাইৰ ওপৰত, তাইৰ বাবেই দেউতাকে বিশ্বৰ বিভিন্ন সাহিত্যৰ কিতাপ বিচাৰি বিচাৰি আনে যাতে তাই আগলৈ ডাঙৰ লেখিকা হ'ব পাৰে। এইবোৰকে ভাবি ভাবি তাই ঘৰলৈ আহি থাকিল। আবেলিৰ সূৰুযে ব্ৰহ্মপুত্ৰৰ নীলা পানীত সাতোৰঙী ৰামধেনুৰ ৰং ছটিয়াই সৃষ্টি কৰা মায়াময় পৰিৱেশত আজি মাজনীৰ মন চঞ্চলা কৰিব নোৱাৰিলে। দুচকুত মাথোঁ ভাঁহি থাকিল বিখ্যাত লেখিকা হোৱাৰ এক ৰঙীন স্বপ্ন।

ফাগুনৰ পছোৱাজাক ৰিব্-ৰিবকৈ বলিছে। বাহিৰত খেলি থকা ল'ৰা-ছোৱালীবোৰৰ লগত খেলিবলৈ মাজনীৰো বৰ মন গৈছে। কিন্তু উপায় নাই। দেউতাকে বাংলা সাহিত্যৰ কবিতাৰ পুথি এখন দি থৈ গৈছে পঢ়িবলৈ। গধূলি তাই দেউতাকক কবিতাৰ বিশ্লেষণ কৰি দেখুৱাব লাগিব। মাজনীয়ে ভাবিলে দেউতাকৰ স্বপ্ন পূৰণ কৰিবলৈ তাই ফাগুন কিয়, আন সকলো প্ৰিয় বস্তু তাই ত্যাগ কৰিব পাৰিব। কাৰণ তাই হ'ব ভাৰতৰ এগৰাকী বিখ্যাত লেখিকা। সৰু ল'ৰা-ছোৱালীয়ে তাইৰ নিচিনা হ'বলৈ সপোন দেখিব। ফাগুনৰ বতাহৰ দৰেই উৰি যাব খোজা তাইৰ মন জোৰকৈ বান্ধি ৰাখি মাজনীয়ে কিতাপত মন দিবলৈ চেষ্টা কৰিলে।

আজি স্কুলত বাৰ্ষিক খেল-ধেমালিৰ চতুৰ্থ দিন। আজি সাহিত্যৰ প্ৰতিযোগিতাসমূহ আৰম্ভ হৈছে। কবিতা আৰু গল্প লিখাৰ প্ৰতিযোগিতা দুটা হৈ গ'ল। দুয়োটা যেন আশানুৰূপভাৱে ভাল নহ'ল এনেকুৱা ভাব হ'ল মাজনীৰ। আজি প্ৰথম পুৰস্কাৰ পাব বুলি প্ৰায় এক নিশ্চিত মন লৈয়েই তাই প্ৰতিযোগিতাত বহিছিল। কিন্তু কিয় জানো আগৰ দৰে তাই শব্দৰ গাঁথনিৰে সাজিব নোৱাৰিলে এক ছন্দিত কাব্য। অলপ পিছতে প্ৰবন্ধ লিখা প্ৰতিযোগিতাটো আৰম্ভ হ'বই। এইটোতে তাই প্ৰথম পুৰস্কাৰ আনিবই বুলি মন থিৰাং কৰিলে। এটা এটাকৈ সকলো প্ৰতিযোগিতা শেষ হ'ল। এতিয়া মাথোঁ ফলাফল ঘোষণা কৰিবলৈহে বাকী আছে। মাজনীৰ উৎকণ্ঠা মিশ্ৰিত ভয়ত উশাহ-নিশাহ বন্ধ হোৱাৰ উপক্ৰম হ'ল। এটা এটাকৈ নাম ঘোষণা কৰি গৈছে। ক'তা তাইৰ নামটো দেখোন কোৱাই নাই। অৱশেষত তাই প্ৰবন্ধ প্ৰতিযোগিতাত দ্বিতীয় স্থান পাবলৈ সক্ষম হ'ল। কবিতাত শব্দৰ মায়াজাল সৃষ্টি কৰিব পৰা পান্নাই আজি উচ্চমানৰ কবিতা এটাও লিখিব নোৱাৰিলে। প্ৰকৃততেই, হৃদয়ৰ তাড়না নাথাকিলে সৃষ্টি নহয় কোনো কাব্য অথবা সাহিত্য। খ্যাতিৰ পিছতেই কেৱল দৌৰিলে উভতি অহাৰ বাটটোও হেৰুৱাৰ ভয় থাকে। কিন্তু ইয়াক নুবুজিলে মাজনীয়ে। সেইটোৱেই যেন আৰম্ভণি হ'ল তাইৰ ব্যৰ্থতাৰ। বিৰাট প্ৰতিভাসম্পন্ন ছোৱালীজনী যেন ক'ৰবাত হেৰাই যাবলৈ ধৰিলে। দেউতাক-মাকে তাইক যথেষ্ট উৎসাহ দিলে, পঢ়িবলৈ বহুতো কিতাপ-পত্ৰ যোগাৰ কৰিলে। কিন্তু দিনে দিনে তাইৰ মানসিক চাপ বাঢ়িহে যাবলৈ ধৰিলে। শেষত মাজনীয়ে সাহিত্য-চৰ্চা বাদ দিয়াৰ দৰেই হ'ল। দৰাচলতে তাই সাহিত্যসমূহ ঠিকেই পঢ়ি আছিল কিন্তু কোনো সৃষ্টিশীল সাহিত্যহে তাইৰ দ্বাৰা সৃষ্টি হোৱা নাছিল।

অলপ দিনৰ পাছত মাজনীয়ে কলেজত ভৰি দিলেগৈ এজনী সাধাৰণ ছোৱালীৰ দৰেই। কলা শাখাত নামভৰ্তি কৰিলে। দুবছৰৰ পাছত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ পাছত ইংৰাজী সাহিত্যত তাই ডক্টৰেট ডিগ্ৰীলৈকে ল'লে। তাই আজি নিজৰ মেধা শক্তিৰ বলতে এখন নামী কলেজৰ অধ্যাপিকা। একেখন কলেজত চাকৰি কৰা এজন সংস্কৃতিৱান পৰিয়ালৰ যুৱক শান্তনুৰ লগত মাজনীৰ বিয়া হৈ গ'ল। তাই এটা স্বাচ্ছন্দ্যকৰ জীৱনৰ অধিকাৰী হ'ল, কিন্তু সৰোজিনী নাইডু হ'ব নোৱাৰিলে। শান্তনুৱে বৰ ভাল ড্ৰাম বজাই। সি এটা বেণ্ড খুলি লৈছে। চহৰখনত শান্তনু এটা চিনাকি নাম। কিন্তু তাৰ সেইবোৰ খ্যাতিত কোনো আগ্ৰহ নাই। সি জীৱনক উপভোগ কৰে সম্পূৰ্ণ স্বাধীনতাৰে। শান্তনুক পোৱাৰ পৰাই মাজনীয়ে বুজিব পাৰিলে কলাৰ সংজ্ঞা। বিখ্যাত হোৱাৰ আকাংক্ষাত ইয়াক সৃষ্টি কৰিব নোৱাৰি। মাজনীয়ে মৰ্মে মৰ্মে উপলব্ধি কৰিলে তাইৰ ব্যৰ্থতাৰ কাৰণ।

আজি মাজনী আৰু শান্তনুৰ এটা বৰ আনন্দৰ বিশেষ দিন। বৈবাহিক জীৱনৰ তিনি বছৰৰ পাছত সিহঁতৰ মাজলৈ আগমন হৈছে জিৰিৰ, সিহঁতৰ মৰমৰ কন্যা জিৰি। বিছনাত বহি কথা পাতিছে শান্তনুৱে জিৰিৰ লগত। তাইয়ো মূৰ জোকাৰিলে যেন তাৰ কথা তাই বুজিহে পাইছে। এবাৰ মাজতে শান্তনুৱে ক'লে, 'আমাৰ জিৰিয়ে মোৰ দৰে গান গাব, লতা মংগেশকাৰ হ'ব তাই।' লগে লগে মাজনীয়ে বাধা দি কৈ উঠিল, 'নাই তাই লতা মংগেশকাৰ নহয়, তাই জিৰি হ'ব, অদ্বিতীয়। তাই যি ভাল পাই তাকে কৰিব। জুৰিৰ দৰেই বৈ যাব তাই'। হঠাতে যেন এজাক জোনাক খিৰিকীয়েদি সোমাই আহি সিহঁতৰ হৃদয়ত প্ৰতিটো কোণ পোহৰাই পেলালে জোনাক নিশাৰ দৰেই।

❑❑

# ৰঙীন পৃথিৱী

❍ প্ৰণামী গগৈ
তৃতীয় ষান্মাসিক, ইংৰাজী বিভাগ





জীৱন ক্ষন্তেকীয়া, হাঁহি-কান্দোন, সুখ-দুখেৰে পৰিপূৰ্ণ এই জীৱন। বাধা নেওচি আগবাঢ়ি যাব পৰা জনেহে জীৱনৰ প্ৰকৃত ৰংখিনি উপভোগ কৰিব পাৰে। হিমা এজনী খুউব শান্ত, মৰমিয়াল আৰু আশাবাদী ছোৱালী। তাইৰ মতে জীৱনটো খুউব ৰঙীন, খুউব ধুনীয়া।

হিমা আৰু প্ৰীতি দুয়ো বান্ধৱী আৰু অষ্টম শ্ৰেণীৰ ছাত্ৰী। এদিন হঠাৎ হিমাৰ দুৰ্ঘটনা এটা ঘটিল আৰু তাই চিৰদিনৰ বাবে ভৰি দুখন হেৰুৱাবলগীয়া হ'ল। পৰিয়ালত যেন এক শোকৰ ছায়া। পৰিয়ালৰ একমাত্ৰ সন্তান হিমা বৰুৱা

আৰু তাই এতিয়া ঘূণীয়া হৈ পৰিল। পিতৃ-মাতৃৰ লগতে পৰিয়ালৰ সকলোৰে চিন্তা হিমাই জীৱনত কেনেদৰে আগবাঢ়ি যাব। তাইৰ চাগে জীৱন যাত্ৰা ইয়াতেই যৱনিকা পৰিল।

এদিনৰ কথা, হিমাহঁতৰ স্কুলত এখনি বক্তৃতা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ ওপৰত। সেই বক্তৃতাখনিলৈ হিমাও গৈছিল। তেওঁ এজন ব্যক্তিৰ বক্তৃতা শুনি বহুত ভাল পাইছিল আৰু তাই যথেষ্ট অনুপ্ৰাণিত হৈছিল।

স্কুলৰ বাৰ্ষিকী প্ৰতিযোগিতাৰ দিন, সকলো ল'ৰা-ছোৱালী দৌৰ প্ৰতিযোগিতাৰ বাবে সাজু হৈছে। হিমাৰো প্ৰবল ইচ্ছা আছিল, কিন্তু তাই থমকি ৰ'ল। তাইৰ ভৰি দুখনৰ বাবে। কিন্তু হঠাতে তাই কাৰোবাৰ চিঞৰ কাণত পৰিল। হুইল চেয়াৰেৰে গৈ তাই ঘটনাস্থলীত উপস্থিত হ'ল আৰু দেখে এটা সৰু ল'ৰা আহত হৈ পৰি আছে, হয়তো ল'ৰাজনক অপহৰণ কৰাৰ চেষ্টা চলোৱা হৈছিল। কিন্তু কাৰোবাৰ উপস্থিতিৰ উমান পাই সিহঁত পলাল। হিমাই তাক তুলি আনি অতি কষ্টৰে তাইৰ হুইল চেয়াৰত বহোৱালে আৰু শিক্ষকৰ হাতত গতালে। সকলো অবাক হৈ পৰিল আৰু সকলোতে মৌনতা বিৰাজ কৰিলে।

হিমাৰ এনে সাহসিকতাৰ বাবে তাইক সকলোৱে পুৰস্কৃত কৰিলে আৰু সকলোৱে প্ৰশংসা কৰিলে। সেইদিনাখনেই সকলোৱে লগতে হিমাও উপলব্ধি কৰিলে যে জীৱনত নোৱাৰা বা অসাধ্য কাম বুলি একো নাই। জীৱনটো এক ৰঙীন পৃথিৱীৰ দৰে। ইয়াত কেৱল সুখেৰে জীয়াই থাকি ৰঙীন পৃথিৱীখনক উপভোগ কৰিব লাগে আৰু মনত সাহস লৈ আগুৱাই যাব লাগে।

❑❑



# অনুগল্প

## পাগলী

দুৰ্গা পূজা মণ্ডপৰ ভিতৰৰ পৰা পাগলীজনীক দেখি এজনে চিঞৰি উঠিল 'ঐ এইক খেদা ইয়াৰ পৰা'। তাই দূৰৈৰ পৰাই চাই ৰ'ল দেৱীক পূজা কৰা অথচ নাৰীক সন্মান দিব নজনা ভদ্ৰতাৰ মুখা পিন্ধা মানুহজনলৈ।

— তন্ময় বৰগোহাঁই

# যুদ্ধ অনিবাৰ্য

❍ ৰনোজ দত্ত
প্ৰথম ষান্মাসিক, ভূ-তত্ত্ব বিভাগ



অভি, অভি...অ'ই অভি; সাত বাজিল। বেলি আহি মূৰৰ ওপৰ পালেহি। কিমান শুব আৰু, উঠ। আজি তোৰ জানো... —মাকে বাক্যটো শেষ কৰিবলৈ নাপাওঁতেই অভি মানে অভিজিতে একে জাপেই বিচনাৰ পৰা উঠি ব্ৰাছডাল মুখত লৈ এখোজ-দুখোজকৈ পদূলিয়েদি তিনিআলিৰ ফালে খোজ ল'লে। সদায় পুৱা একেবাৰে কমকৈ হ'লেও পোন্ধৰ-বিশ মিনিট খোজ কঢ়া অভিজিতৰ পুৰণা অভ্যাস। এহ্ হয়তো আজি এঘাৰ নৱেম্বৰ। আজি তাৰ কৰ্মসন্ধানী উৰন্ত মনটোৰ এঘাৰ নম্বৰৰ সাক্ষাৎকাৰ আছে। ইফালে যোৱা তেৰটা বছৰৰ ৰুটিনখন... ঘৰত থকা প্ৰতিটো দিনতেই মাত্ৰ বন্ধবাৰটোৰ বাহিৰে অলপো ব্যতিক্ৰম হোৱা নাই। দেউতাকক অফিচত থোৱা, ভনীয়েকক স্কুল আৰু টিউচনলৈ অনা-নিয়া কৰা সেইবোৰটো মধ্যবিত্ত পৰিয়ালটোৰ একমাত্ৰ সন্তান হিচাপে সিয়েই কৰিবলগীয়া হয়। চাকৰি বোলোতে বোলোতে প'ষ্ট গ্ৰেজুৱেশ্বন কৰা ডেৰ বছৰেই গ'ল। আঙুলিৰ মূৰত গণিব পৰাকৈ যোৱা ডেৰটা বছৰে চাকৰি বিচাৰি দুৱাৰডলিয়ে দুৱাৰডলিয়ে দহবাৰ ঘূৰিলে।

টোপৰ যোগান দিব নোৱাৰা বাবেই প্ৰতিবাৰেই বিমুখ হৈছে। আনদিনাৰ দৰে অৱসৰ ল'বলৈ মাত্ৰ আঠটি মাহ বাকী থকা দেউতাকৰ কথা বৰকৈ মনত পৰে। দেউতাকে হয়তো ভাৱিছিল তেওঁৰ কাৰ্যকালতে পুতেকৰো কিবা এটা থান-থিত লাগক। কিন্তু দৈৱৰ দুৰ্বিপাক। এইবোৰ ভাৱি-চিন্তি সি কেতিয়ানো ঘৰ পালেহি ক'বই নোৱাৰিলে। হাত-মুখ ধুই মাকে দেউতাক, ভনীয়েক আৰু তাৰবাবে যতনাই দিয়া চাহ তিনিকাপ হাতত লৈ ভিতৰলৈ আহিল। কিতাপৰ মাজত মূৰ গুজি থকা ভনীয়েকৰ টেবুলত একাপ থৈ বাহিৰত পেপাৰ পঢ়ি থকা দেউতাকৰ হাতত অন্যকাপ তুলি দিলেহি।

পুৰণি অসমৰ মানে আহোমৰ ৰাজত্বৰ সময়ত বিখ্যাত বৰবৰুৱা বংশৰ সন্তান আছিল কণ বৰুৱা। মানৰ অসম আক্ৰমণৰ পাছত চৰাইদেউৰ পৰা উঠি আহি উজনি অসমৰ হাবুং, মাছখোৱা আৰু তাৰ পাছত ঢকুৱাখনা আৰু ঘিলামৰাত গৈ শেষ আশ্ৰয় লৈছিলগৈ কণ বৰুৱাৰ পৰিয়ালে। ঢকুৱাখনা আৰু ঘিলামৰাৰে কিছু কিছু অঞ্চলত ৰৈ গৈছিল বৰুৱাৰ বংশধৰ হেম বৰুৱা। দিনৰ পাছত দিন কঠোৰ পৰিশ্ৰম কৰি হাবি-বন মুকলি কৰি দুবেলা-দুমুঠি কৰি খোৱাৰ ব্যৱস্থা কৰিছিল। অ'ৰ-ত'ৰ পৰা উঠি-ভাগি অহা পৰিয়াল কেইটামানকো তেওঁৰেই মুকলি কৰা মাটি দান কৰি বাঁহ-কাঠেৰে জুপুৰি সাজি বহুৱাই লৈছিল। কিন্তু বিধিৰ বিপাক হেম বৰুৱাৰ মৃত্যুৰ পাছত তেওঁৰ সাতজন পুত্ৰৰ ছয়জনে পৈতৃক সম্পত্তিৰ খোৱা-কামোৰাত লাগিল। কিন্তু সপ্তম তথা কনিষ্ঠ পুত্ৰ চন্দ্ৰমোহন আছিল অলপ বেলেগ। দেউতাকে যথা-সৰ্বস্ব ত্যাগ কৰি চন্দ্ৰমোহনক স্কুলীয়া শিক্ষা দিয়াইছিল সেয়ে বাকীকেইজনতকৈ দেউতাকৰ মৰমো বেছি আদায় কৰিব পাৰিছিল। ককায়েকহঁতৰ গৃহকন্দলত অতিষ্ঠ হৈ হাতত ৰূপৰ কুৰিটা টকা আৰু দা-কুঠাৰ লৈ ব্ৰহ্মপুত্ৰৰ ফালে উজাই গুচি আহিল। এনেকৈয়ে আহি উজনিৰ চিচিবৰ গাঁৱত বাহৰ পাতিলেহি। তেতিয়া মাত্ৰ একুৰিৰ দেওনা পাৰ হৈছেহে চন্দ্ৰমোহন। হাবি কাটিলে, মাটি মুকলালে, লাহে লাহে পৰিৱেশৰ লগত অভ্যস্ত হ'ল; চিচিবৰগঞা মানুহৰ মৰমো পালে। এদিন হঠাতে দেউতাকৰ অন্তিম ইচ্ছাটোলৈ মনত পৰিল। জীৱনৰ শেষ মুহূৰ্তত চন্দ্ৰমোহনক দেউতাকে কৈছিল, 'বোপাই অন্যটো নোৱাৰিলেও অন্ততঃ জ্ঞানৰ যে মুখ দেখিছিলি সেয়া বেপেৰোৱা নকৰিবি, দুখীয়া-নিচলাৰ মাজতে জীৱনটো শিক্ষাৰে কটাই দিব পাৰিবি'। দেউতাকৰ অভিব্যক্তি সাৰোগত কৰি গাই নদীৰ কাষতে মাটি মুকলাই অনগ্ৰসৰ, বোকা-পানী একাকাৰ কৰি ফুৰা ল'ৰা-ছোৱালী কেইটামানক লৈ আৰম্ভ কৰিলে এখন স্কুল। সেয়া স্বৰাজোত্তৰ তিনি দশকৰ গ্ৰাম্য অসম তথা ভাৰতৰ পটভূমি। যদিও সভ্যতা-সংস্কৃতিৰ পৰিৱৰ্তন হৈছিল তথাপিও অনগ্ৰসৰ এচাম মানুহৰ মাজত সেই পৰিৱৰ্তনৰ বা বলা নাছিল। গৰু-ছাগলী, খেতি-পথাৰ, বাৰীৰ মাটি-ভেঁটিৰ মাজতেই একাংশ ডুবি আছিল। শিক্ষা তেওঁলোকৰ বাবে নতুন আইন। অৱশ্যে তিৰাশীৰ পৰিস্থিতিয়ে অলপ পৰিৱৰ্তন আনিছিল আৰু সেই সুৰতেই সুৰ মিলাই স্কুল-মাষ্টৰ, কিতাপ-কলম এইবোৰো যে দৰকাৰী তেতিয়া সেইটোও মানুহৰ মনলৈ আহিছিল। লাহে লাহে চাহিদা বাঢ়িল। দুই এককৈ প্ৰায় শতাধিক মুখৰ আৱিৰ্ভাৱ হ'ল স্কুলত, গাঁৱৰ ৰাইজেই কাঠ-বাঁহৰ অনুদান মিলাই স্কুলৰ ভেটি নিৰ্মাণ কৰিলে। বছৰেকৰ বিহুটোও শতাধিক ছাত্ৰ-ছাত্ৰীৰ মিলন হৈ চন্দ্ৰমোহনে বিহু মাৰিলে সমগ্ৰ চিচিবৰ গাঁৱত। বিহুৰ চান্দাৰে প্ৰাদেশিকীকৰণৰ বাবে প্ৰাৰম্ভিক গ্ৰাণ্টটো কৰাই আনিলে। কিতাপৰ প্ৰয়োজনটো যেনিবা হ'ল, কিন্তু নতুন চিন্তা আহিল— ইমানখিনি ল'ৰা-ছোৱালীৰ বাবে অকলে চন্দ্ৰমোহনে কি কৰিব? অৱশ্যে গাঁৱৰ মুখিয়াল হিচাপে গাঁওবুঢ়াইও নভবা নহয় কথাটো, অৱশেষত গাঁওবুঢ়াৰে নুমলীয়া জীয়েকো আহিল সেই শিশুজাকক গতি দিবলৈ, কিজানিবা নতুন মূৰ পোৱা যায়েই। অনগ্ৰসৰ গাঁৱলীয়া সমাজৰ কঠোৰ নীতি-নিয়ম নেওচা দি গাঁওবুঢ়াৰ নুমলীয়া জীয়েক ললিতাই ঘিলামৰাৰ মোমায়েকৰ ঘৰত থাকি শিক্ষা গ্ৰহণ কৰিছিল। গাঁৱৰ সেই বোকা-পানী, বাৰিষাৰ ৰ'দ-বৰষুণ, খেতি-পথাৰ আদিৰ লগতে কণ কণ ল'ৰা-ছোৱালী জাকৰ লগত দিনৰ পাছত দিন, ৰাতিৰ পাছত ৰাতি নিয়াওঁতে কদাপিও চন্দ্ৰমোহনৰ মনত অহা নাছিল সেই মিতিৰ-কুটুম্বৰে ভৰা ঢকুৱাখানাৰ ঘৰখনলৈ, কাহানিও ভবা নাছিল ঘৰ-সংসাৰত মন মেলিবলৈ। কিন্তু সময়টো সদায় একে নাথায়। ঘণ্টাৰ পিছত ঘণ্টা কাম কৰাৰ পাছত হাতত পানীৰ ঘটিটো তুলি দিবলৈয়ো কোনো নাছিল। কিন্তু এদিন-দুদিন কৰাৰ দৰে সদায়টো গাঁওবুঢ়াৰ ঘৰক নিৰ্ভৰ কৰিব নোৱাৰি। এদিন এনেকৈয়ে ললিতাকে আপোন কৰি ল'লে। গাঁওবুঢ়া-গাঁওবুঢ়ানীৰ আশীৰ্বাদ শিৰত লৈ নতুনকৈ সংসাৰ এখন আৰম্ভ কৰিলে। কিন্তু জঞ্জাল বাঢ়িল এটাৰ পৰিৱৰ্তে দুটা পেট হ'ল। পেটৰ ভোকত আগতে দিন নিয়াব পাৰিলেও এতিয়াতো নচলিব। গাই নদীৰ পানীয়ে মৰা খেতিত যেনিবা ধান দুটামান পালেই কিন্তু তেল, নিমখ হালধি... এইবোৰ। এইবোৰ চিন্তা কৰি স্কুলৰ সম্পূৰ্ণ দায়িত্ব ললিতাক চমজাই কৰ্মৰ সন্ধানত বাহিৰলৈ ওলাল। প্ৰথমতে দুদিনমান অ'ত-ত'ত কৰি শেষত পঞ্চায়ত অফিচত সহায়কাৰী পদটো যোগাৰ কৰিলে। আজি সেই অফিচতে টেবুল বাগৰি গৈ সচিব হিচাপে

অৱসৰ ল'বলৈ আঠমাহ বাকী। চাকৰিৰ প্ৰথম দুটা মাহৰ দৰমহাৰে স্কুলৰ পূৰ্ণাংগ ৰেজিষ্ট্ৰেচন কৰালে। কাৰ্যকালতে ৰূপিত মাটিকেইডোখৰ থান-থিত লগাই আগৰ ভেটিটোতে অসম আৰ্হিৰ ঘৰ এটাও সজালে। মাজতে সংসাৰ ভৰাই হাঁহি মুখ দেখুৱাই মুনু (অভিজিত) আৰু মাইনা (ভায়'লিনা) আহিল এই পৃথিৱীলৈ। ইফালে কুৰিতকৈ বেছি বছৰ বিদ্যালয় চলাই শেষত চৰকাৰী নিৰ্দেশনা অনুসৰি কম শিক্ষাগত অৰ্হতাৰ বাবে ললিতাই স্কুল এৰিব লগা হ'ল। অসংখ্য কণ কণ ধৰণীক এই পৃথিৱীত পোহৰ দি বিনাবেতনে নিজস্ব লাভ বুলি একোৱেই নাপালে। স্বামীয়ে তেজ পানী কৰি গঢ়া সম্পদটো অঞ্চলৰ উন্নয়নৰ ভৰসা হিচাপে চিৰদিন যাতে ৰৈ যাওক তাৰেই আশাৰে সন্তোষ বিদায় মাগিলে। চাওঁতে চাওঁতে যোৱা বছৰেই মুনুয়ে তেজপুৰ ইউনিভাৰ্চিটিৰ পৰা এম.এ. পাছ কৰিলে। আকৌ বি. এড.টোও হৈ উঠিল। মাইনায়ো এইবাৰ মেট্ৰিক দিব। অৱশ্যে ত্ৰিশটা বছৰে চাকৰি কৰিলেও বিশেষ সা-সম্পত্তিৰ দৌলত গঢ়িব নোৱাৰিলে চন্দ্ৰমোহনে। সময়ৰ দূৰৱস্থাত আজিৰ প্ৰজন্মৰ ল'ৰা-ছোৱালীৰ ছবিখন চাই মুনু-মাইনাৰ মুখখন চাবলৈ চন্দ্ৰমোহনৰ খোকোজা লাগে। কাৰণ সময়ৰ দাবীত কৰিব পাৰিলো বুলি ক'ব পৰাকৈ একো উল্লেখনীয় সম্পত্তি গোটাব নোৱাৰিলে। দুই হাতেৰে ঘোচ লৈ কোনো ঠিকাদাৰ-মহৰীক তলতীয়া কৰিব নোৱাৰিলে, বেনামী সম্পত্তি নোগোটালে, তেওঁৰেই কনিষ্ঠ দুজনমানৰ চেহেৰাটোৰ পাছফালৰ ছবিখন চালে সৰগৰ দৰে লাগে। অতি প্ৰয়োজনত লগাকৈ পুৰণা মডেলৰ ছেকেণ্ডহেণ্ড মাৰুতিখন আৰু যোৱাবছৰৰ মৰগীয়া বানচৰ টকাকেইটাৰে অভিক লৈ দিয়া বাইকখনৰ বাহিৰে মাজনীৰ নামত জমা ৰখা বেংকৰ তিনি নে চাৰি লাখ কিবা এটা সিমানেই। তাৰ মাজেৰেই আকৌ ললিতাৰ ককায়েক দুটাক চৰকাৰৰ ঘৰৰ পৰা ট্ৰেক্টৰ আৰু ফিচাৰী খন্দোৱাৰ নামত দুটাকৈ লোণৰ অলপ পৰিশোধ কৰাইয়ো দিছে। বেচেৰাহঁতো নিবনুৱা হৈ আছে। পৰিয়ালৰ কথা, নকৰিলেই নহয়, নামতহে চাকৰি, কাৰ্যত কিমান সেয়া চন্দ্ৰমোহনৰ বাদে কোনে বুজিব। অৱশ্যে সন্তানক পঢ়ুওৱাত অলপো হেমাহি কৰা নাই চন্দ্ৰমোহনে। ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত বাৰু পঢ়ুওৱা নাই তথাপি চন্দ্ৰমোহনৰ চাকৰিৰ গইনা লৈ একো চৰকাৰী বৃত্তি-সাহায্য নাপালে। মেট্ৰিক, হায়াৰ ছেকেণ্ডাৰীত ষ্টাৰ নম্বৰ, বি.এ., এম.এ.ত ডিষ্টিংচনসহ মুনু উত্তীৰ্ণ হৈছে। মাইনা মানে ভায়'লীনাও পঢ়াত ভাল। এইবাৰ মেট্ৰিক পৰীক্ষাত স্থান পাব বুলি সকলোৰে আশা ৰাখিছে। হওক দিয়া ভগৱানে অন্ততঃ ল'ৰা-ছোৱালীহালক যে বুজন কৰি ৰাখিছে। অভাৱ হ'লেও কোনো কটু শুনোৱা নাই আজিলৈকে। ভগৱানে সিহঁতক কুশলে ৰাখিলেই হ'ল। মাকজনীৰো হ'বলা কমখন উথপ্‌থপ সিহঁতক লৈ।

দেউতা... অভিজিতৰ মাততহে সম্বিত ঘূৰাই পালে। খবৰ কাগজখন হাতত লৈ কিবোৰ যে ভাবি আছিলো নহয়...ধেৎ। 'অ'..অ'.. বোপাই' বুলি বৰ কণ্ঠৰেহে ওলাল মাতষাৰ। 'তুমিনো ইমানকৈ কি ভাবি আছা?' পুতেকৰ প্ৰশ্নত চন্দ্ৰমোহনে থত্‌মত খালে। আগবঢ়াই দিয়া চাহকাপ হাতত লৈ লাহেকৈ ক'লে— 'নাই অ', কিনো ভাবিম?' দেউতাকৰ মুখেৰে প্ৰকাশ নাপালেও অভিজিতে জানে দেউতাক কিহৰ ভাৱত নিমগ্ন। এনেকুৱা পৰিস্থিতিৰ সন্মুখীন সি কেইবাবাৰো হৈছে। অৱসৰপ্ৰাপ্ত দেউতাক, পঞ্চাশৰ উৰ্ধ মাক, একমাত্ৰ ভনীয়েক সকলোৰে ভৱিষ্যত তাৰ হাতত বন্দী। নাই এইবাৰ হা-না কিবা এটা কৰিবই লাগিব। নহ'লেও পুলিচ-মিলিটাৰীৰে চাকৰি যোগাৰ কৰিব লাগিব। একমাত্ৰ পুত্ৰ সন্তান হিচাপে ঘৰৰ পৰা বহু দূৰৈত থাকি বহুজাতিক কোম্পানীৰ চাকৰি কৰিব নোৱাৰিম বুলি এম.এ. পাছ কৰাৰ পাছত ঘৰলৈ আহি চৰকাৰী চাকৰিৰ প্ৰস্তুতি কৰিছিল। তাৰ লগত এম.এ. পাছ কৰা কেইটামানো এতিয়া বেংগালুৰু, হায়দৰাবাদত প্ৰতিষ্ঠিত হ'লগৈ। আৰু সি চৰকাৰী চাকৰি বিচাৰি দুৱাৰে দুৱাৰে টোকৰ দিওঁতে দিওঁতে অৱস্থা আজি পথৰুৱা ভিক্ষাৰীৰ দৰে। বিধিৰে বিপাক; হৈ যোৱা আটাইকেইটা পৰীক্ষাৰ লিখিত পৰীক্ষাত সিচোন উত্তীৰ্ণ হয়েই। গণ্ডগোল সদায়ে মৌখিক পৰ্যায়তহে। সময়ৰ শৰ মাৰিব নজনা বাবেই মাংসৰ টোপোলা ভাগ ল'ব পৰা নাই। অৱশ্যে শৰ মাৰিবলৈ যোগাৰ কৰেই বা ক'ৰ পৰা। চেষ্টাত তাৰ অলপো ত্ৰুটী ৰৈ যোৱা নাই। শিক্ষাগত অৰ্হতাতো পিছপৰি ৰোৱা নাই। কিন্তু বহুৰূপী মায়াৰ অৱতাৰ পৰীক্ষাৰ নীতি, তাৰবাবে এক ডাঙৰ সাঁথৰ হৈ ৰ'ল। এম.এ. কৰি এম.ফিল.ৰ বাবে ছিটো পাইছিল। মাকেও কৈছিল কৰি আহ নহ'লে একেবাৰতে। কিন্তু টকা যিকেইটা লাগে সেইকেইটা দিব ক'ৰ পৰা। পঢ়াত ধাউতি আছে দেখি মাকে কথাটো কৈছে যদিও ভৱিষ্যতটোও ভাৱিব লাগিব নহয়। নিদিয়াকৈ নাথাকে। সাঁচতীয়া যিকেইটা আছে বা সম্পত্তিৰূপী মাটি কেইডোখৰৰ বাহিৰেটো একো গত্যন্তৰ নাই। কিন্তু তেনে বুলি পাছৰ দিনবোৰত জানো নিমখেৰে ভাত খাই দিন নিয়াব পাৰিব? সেইবাবে বাদ দিলে। ঘৰত আহি দুদিনমান থকাৰ পাছতে গাঁৱৰ ডেকাচামে জোৰ দিলে। যুৱক সংঘৰ সম্পাদক হৈ সংঘটো চলাব লাগে। সি 'বাৰু' বুলি শলাগিলে। সংঘৰ কাম কৰোঁতেই উপদেষ্টা তথা দেউতাকৰ একালৰ বন্ধু, গাঁৱৰে

জগত দত্তৰ লগত তাৰ ভাল সম্পৰ্ক গঢ়ি উঠিছিল। দেউতাকৰ মুখেৰে দত্তই সকলো শুনিছিল। কৰ্মত নাতিদূৰৰ পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী বালক বিদ্যালয়ৰ উপাধ্যক্ষ। লগতে সমাজৰ সৰ্বস্তৰৰ হোতা আৰু সহায়ৰ সম্বলো। কথা প্ৰসংগত এদিন দত্তই অভিজিতক কৈছিল তেওঁৰ বিদ্যালয়তে অৰ্থনীতি বিজ্ঞানৰ বিষয় শিক্ষকৰ পদ খালী থকাৰ কথা। মন নাছিল যদিও তাৰৈয়েকৰ কথা আৰু দেউতাক-মাকৰ অনুৰোধ পেলাব নোৱাৰি এদিন প্ৰ-পত্ৰ দলিয়াই থৈ আহিছিলগৈ আৰু আজি তাৰেই সাক্ষাতকাৰৰূপী কৰ্মসন্ধানী জীৱনৰ একাদশতম মৌখিক পৰীক্ষা। এডভাৰটাইজমেণ্টত বৰ বৰ হৰফেৰে লিখা আছিল একমাত্ৰ মেধাৰ ভিত্তিতহে বাচনি হ'ব। এইবোৰ কথাত তাৰ থুৰাই দিবৰ মন যায়।

দেউতাকে খোৱা চাহৰ কাপটো লৈ সি উঠি গ'ল। যাওঁতে কৈ গ'ল, 'দেউতা, অফিচলৈ সোনকালে ওলাবা, মাজনী আৰু তোমাক একেবাৰতে নিব লাগিব।' সি নক'লেও দেউতাকে অৱশ্যে সেইটো জানে। সময়ৰ অসুবিধা নহ'লে সি দুবাৰত প্ৰথমে ভনীয়েক আৰু পাছৰ বাৰতহে দেউতাকক অফিচলৈ নিয়ে। ভনীয়েকক স্কুললৈ নিয়া আৰু দেউতাকক অফিচলৈ অনা-নিয়া কৰাৰ উপৰিও মাজনীৰ টিউচন, বজাৰ-সমাৰ কৰাত তাৰ এক মিনিটৰো হেৰফেৰ নহয়। সময়ৰ পূৰা হিচাপ আছে। অৱশ্যে এইয়া পিতৃগত স্বভাৱ। মনত থকাৰ দিনৰে পৰা অফিচলৈ যোৱা দিনত ন বজাৰ আগতে ভাত-পানী খুৱাই আজৰি কৰাটো ললিতাৰ দায়িত্ব। ন বজাৰ পিছত মাছে-মঙহে ভাতৰ কাঁহী পূৰাই দিলেও নাখায় তেওঁ।

অভিজিতে গা-পা ধুই গোসাঁই ঘৰত চাকি-বন্তি লগালেগৈ। আজিৰ পৰা এবছৰৰ আগতে পুৱাবেলা গোসাঁইঘৰ চন্দ্ৰমোহনে চম্ভালিছিল কিন্তু কঁকালৰ বিষ হ'বলৈ ধৰাত পুৱাবেলা আজিকালি অভিজিতেই কৰে সেইভাগি। সন্ধিয়া মাকৰ দায়িত্ব। পুৱাবেলা হ'বলা মানুহজনীৰ আজৰি আছে। চুগাৰ, ব্লাডপ্ৰেছাৰ —এইবোৰ সংগী যদিও বনকৰা মানুহৰ সহায় নোলোৱাকৈয়ে পুৱা সকলোকে ভাগে ভাগে অফিচ, স্কুললৈ পঠোৱাৰ পৰা আৰম্ভ কৰি বেলি পৰালৈকে সকলো নিজেই কৰে। অভিজিত আৰু চন্দ্ৰমোহনে নকৰা নহয়। সন্ধিয়া মানে ৰাতিৰ সাঁজ অভিজিতে ৰান্ধে প্ৰায়েই। বিশেষ আলহী-দুলহী আহিলেহে মাজনীক পাকঘৰৰ কামত লগায়। অৱশ্যে তাই যে কাম নাজানে সেইটো নহয়, ককায়েকেহে কৰিবলৈ নিদিয়ে। মাজতে বেমাৰত ভোগি থকা বুলি শুনি চ'ছাইটিৰ মেলত দুজনীমানে ৰগৰো কৰিছিল। ইমানো ভাবিবলৈ কি আছে? এটাই ল'ৰা পঢ়োৱাই-শুনোৱাই আনিলা যেতিয়া ঘৰ ধৰিবলৈ বোৱাৰী এজনী চোৱা, অন্তত তোমাৰ বেমাৰী দেহাৰ সহায় হ'ব। ললিতাই বোলে কৃষ্ণহে আৰু এইখিনিয়ে আটিছে। দেশ-দুনীয়াৰ কথা হ'বলা দেখা নাই।

আঠ বাজিল। তেতিয়ালৈকে মাজনীয়ে ড্ৰেছিং টেবুলৰ সন্মুখত থিয় দি ণত্ববিধি-ষত্ববিধি-মুক্তক ছন্দ আওঁৰাই আছে। অভিয়ে আকৌ এবাৰ চিঞৰিলে, 'তই থাকি যাবি কিন্তু'। প্ৰয়োজনীয় কাকত-পত্ৰৰ ফাইলটো লৈ সি একেবাৰে গাড়ীৰ ভিতৰত থৈ আহি ভাতৰ পাতত বহিলহি। দেউতাকে ক'লে, 'পুৱাই জগত দত্তই ফোন কৰিছিল, তোক এবাৰ লগ কৰিবলৈ কৈছে।' দেউতাকে একে উশাহতে কোৱা কথাখিনি শুনি সি কিবা এটা ক'ম বুলি ভাবিও থমকি ৰ'ল। ভাতকেইটা শেষ কৰি আজৰি হৈ গাড়ীত চালকৰ আসনত বহিলগৈ। এহাতে ভনীয়েকৰ স্কুলবেগ আৰু অন্যহাতে তাই চুলিত বেণী গাঁঠি দি মাকে কৈ আহিছে, 'আজি লগৰ কেইজনীক কৈ দিবি আৰু টিউচন নাযাওঁ'। তাইৰ আব্দাৰ মাকে বেণী গুঁঠিব নাজানে, 'তুমি যে ইমান টানকৈ চুলিখিনি বান্ধি দিছা পাছত মোৰ কিমান আমনি হয় নাজানা নহয়।' গাড়ীখন ষ্টাৰ্ট দি লাহে লাহে আগবাঢ়িল। প্ৰথমতে গালৰ্ছ হায়াৰ ছেকেণ্ডাৰীৰ সন্মুখত ভনীয়েকক আৰু তাৰ পাছত পঞ্চায়ত অফিচত দেউতাকক নমাই তাৰ গন্তব্য স্থান।

গাড়ীৰ পৰা নামিয়ে কাগজ-পত্ৰৰ ফাইলটো হাতত লওঁতে তাৰ মনত পৰিল, উচ্চতৰ মাধ্যমিক আৰু বি.এ. পঢ়িবলৈ যেতিয়া সি উত্তৰ লখিমপুৰ মহাবিদ্যালয়লৈ গৈছিল, তাৰ সেই প্ৰথম কলেজ আৰু হোষ্টেলীয়া জীৱনৰ আৰম্ভণিত দেউতাকে কৈছিল, 'দিন সলনি হ'ল, মেধাৰ নামত এতিয়া ডাঙৰ ডাঙৰ প্ৰতিযোগিতা। সফলতাৰ পাছত দৌৰাতকৈ মেধাৰ পাছ ল'বলৈ যত্ন কৰ, অন্যথা আমাৰ দৰে মানুহৰ জীয়াই থকাটোৰেই মস্কিল হ'ব।' কিন্তু ক'ৰ মেধা আৰু ক'ৰ দুৰ্নীতি। এতিয়া সকলো একে কথা। গাড়ীৰ পৰা নামিয়ে জগত দত্তক দেখিছিল। ওচৰ পাই প্ৰণাম জনালে। সেয়া শংকৰদেৱ শিশু নিকেতনৰ জ্ঞান। তদুপৰি দত্ত ছাৰ পিতৃতুল্য। দত্তই নি তাক নিজৰ ৰুমতে বহুৱালেগৈ। দত্তৰ মুখেৰে সি গম পালে স্থানীয় বিধায়কে বাছনি প্ৰক্ৰিয়াত আগ-ভাগ লৈছে। অৱশ্যে চৌহদত সোমায়ে ৰঙা লাইটৰ গাড়ী দেখি নেতা-পালিনেতাৰ গোন্ধ নোপোৱা নহয়। দত্তৰ মতে ৰৌ-বৰালি সকলোৰে হেনো নিজস্ব চৰ্ত ৰাখিছে, বিধায়কে নিজেই পঞ্চাছ শতাংশ দাবী কৰিছে। স্কুল ইন্সপেক্টৰ আৰু বিদ্যালয় প্ৰধানৰ আছে পোন্ধৰকৈ শতাংশ। বাকী হেনো দত্ত মাত্ৰ পৰিচালনা কমিটিৰ মানুহে। মানে পছু ধৰাৰ আগতেই মাংসৰ টোপোলাৰ

আকাৰ-আকৃতিবোৰ বনাই লৈছে। অনুপাতে অনুপাতে ভক্ষণ কৰিব। কিন্তু দত্তৰ মতে বি.এড. সম্পূৰ্ণ কৰা হিচাপে সিহে একমাত্ৰ। বাকী দুই নে এজনৰ সম্পূৰ্ণ হোৱাগৈ নাই। কথাটো তাৰ হজম নহ'ল। যদি সম্পূৰ্ণ বি.এডক অগ্ৰাধিকাৰ দিয়ে তেন্তে ইমানবোৰ ভাগে ভাগে মাংস টোপোলা পতাৰ প্ৰয়োজন কি? দত্তই দেখুৱাই দিয়া মতে কক্ষ এটালৈ সোমাই গ'ল। তাৰ দৰেই পোন্ধৰজনমান পদ প্ৰত্যাশী। দুই তিনিজনৰ মুখ চিনাকিও। নামৰ বৰ্ণাৰম্ভণিৰ ক্ৰমত সজোৱা তালিকাখনৰ তাৰ নাম দ্বিতীয়তেই আছিল। আধাঘণ্টামানৰ অপেক্ষাৰ অন্তত তাক মতা হ'ল। ভগৱানৰ নাম লৈ সি সোমাই গ'ল। পৰিস্থিতি গুৰুগম্ভীৰ। কক্ষৰ সোঁমাজতে সিংহাসনত সংসদীয় সচিবৰূপী স্থানীয় বিধায়ক। দুকাষে দত্ত আৰু বিদ্যালয় প্ৰধান আৰু তাৰ কাষতে স্কুল ইন্সপেক্টৰ আৰু পৰিচালনা কমিটিৰ সদস্যসকল। প্ৰথমে চিনাকি পৰ্ব। শিক্ষাগত অৰ্হতা আৰু বি.এডক লৈ ইন্সপেক্টৰৰ উপৰ্য্যুপৰি প্ৰশ্ন। তাৰ পাছত বৃত্তিগত পেছা, মানৱীয় প্ৰমূল্য, কু-সংস্কাৰ, দায়বদ্ধতা আৰু সমাজকলৈ প্ৰশ্ন আৰু তাৰ পাছত অৰ্থনৈতিক প্ৰশ্ন। তাৰ জ্ঞানেৰে যি বগা-ক'লা ধন, বেংক মুদ্ৰাৰ পৰা আৰম্ভ কৰি অৰ্থনীতিৰ সৰ্বস্ব উজাৰি দিলে। নানান প্ৰশ্নৰে তাক ব্যস্ত কৰি তুলিলেও সি বুজি উঠিছিল তাক পৰীক্ষা কৰিবলৈয়ে এনে পৰিস্থিতি। অৱশ্যে সিও বেয়া পোৱা নাই। এজন শিক্ষক হিচাপে সকলো পৰিস্থিতি চম্ভালিবলৈ এনে পৰিস্থিতিৰ সন্মুখীন হৈ নিজক পৰীক্ষা কৰি চোৱা নিতান্তই প্ৰয়োজন। মন-মস্তিষ্কক চম্ভালি যুদ্ধক্ষেত্ৰত প্ৰকৃত যোদ্ধাৰ পৰিচয় দিয়া দেখি দত্ত সন্তোষিত হৈছে। শেষত বিধায়কে সমাজ, সপোনৰ কথা সুধিলে। সি সহ-পাঠ্যক্ৰমিক কাৰ্যাৱলী আৰু যুৱক সংঘৰ কামৰ চাৰ্টিফিকেট কেইখন তুলি দিলে। চাৰ্টিফিকেট চাই বিধায়কৰ আচম্বিত প্ৰশ্ন, 'তুমি বিষ্ণুজ্যোতি যুৱক সংঘৰ সম্পাদক নেকি?' উত্তৰটোৰে যেন তেওঁৰ মূৰতে হাতুৰি মাৰিলে। হাঁহিৰে তামোল পকতিয়াই থকা মুখখনৰ বৰণো সলনি হৈ গ'ল। তাৰ পাছত সি কেনেকৈ আহি ঘৰ পালেহি তৰ্কিবই নোৱাৰিলে।

ঘৰত আহিও বাৰে বাৰে বিধায়কৰ প্ৰশ্নৰ ওৰ বিচাৰি ফুৰিছে। যোৱা তেৰটা বছৰে সংঘৰ সম্পাদক হিচাপে কোনো ক্ষেত্ৰতেটো আহুকাল হোৱা নাই, তেন্তে তেখেতৰ ইমান আচম্বিত প্ৰশ্ন কিয়? ঘৰত মাকৰ সেই সহজাত প্ৰশ্ন 'কেনেকুৱা গ'ল আজি?' উত্তৰৰ বদলি যেতিয়া পৰিস্থিতি আৰু অনুপাত সি বিশ্লেষণ কৰিলে তেতিয়া মাকো আচৰিত। অৱশ্যে দত্তই আগতীয়াকৈ মাক-দেউতাকক জনাইছিল একমাত্ৰ বি.এড. উত্তীৰ্ণ প্ৰাৰ্থী সিয়েই আছিল, সেয়ে হয়তো অন্যদিনাতকৈ অলপ বেছি আশা কৰিছিল তেওলোকে। অলপ জিৰাই লৈ সি পুৱাৰ পেপাৰখন মেলি ল'লে। সংকোচেই হয় পেপাৰ পঢ়িবলৈ। মূল্যবোধৰ সামান্যতম জ্ঞানো নথকা সমাজখনৰ কি বাতৰিনো পঢ়িম। তাৰ হেনো ক'বৰ মন যায় এই দুৰ্নীতি, হত্যা, হিংসা, লুণ্ঠন, ধৰ্ষণ এইবোৰ কাকতত নিদিয়াই ভাল, যেন নতুন সকলে আয়ত্তহে কৰিব ধৰিছে। লাজ জানো নালাগে যেতিয়া এই সমাজৰে চাৰিমহীয়া দেৱশিশুৰ ধৰ্ষণ হয়, বৃদ্ধ বয়সত কোনোবাই বোৱাৰী ভতিজাক উৎপীড়ন চলায়। সমাজৰ দৰিদ্ৰসকলৰ তেজ শুহি খায়, খাবলৈ নাপায় পথত আশ্ৰয় লোৱাসকলক খাদ্যৰ পৰিৱৰ্তে এটা অবৈধ সন্তানৰ গৰাকী কৰে। কেতিয়া সমাজৰ সংশোধন হ'ব। কেতিয়া সম্পত্তিৰ লোভত ককাই-ভাইৰ শত্ৰুতাৰ অন্ত পৰিব? বিতৃষ্ণা জাগে, হুমুনিয়াহ কাঢ়ে, এই অনুন্নত গাঁৱলীয়া সমাজবোৰ যত আপোন পৰ, ধনী-দুখীয়া নাভাবি বহুজন একত্ৰিত হৈ আছে এইবোৰেই শ্ৰেষ্ঠ। লাগে আৰু আধুনিকতা কিন্তু আধুনিকতাৰ নামত অত্যাচাৰ কাকো নালাগে।

উজনি অসমত ব্ৰহ্মপুত্ৰৰ দৰেই অন্য এক নাম আছে বিভীষিকাৰ, তাৰ নাম গাই নদী। স্বাধীনোত্তৰ কালৰ পাছৰ পৰাই যেতিয়াই যিফালে মন যায় সেইফালেই বৈ যায়। লগতে সৰ্বস্ব সকলো শেষ কৰি যায়। না মানুহৰ জীৱনৰ সুৰক্ষা না সম্পত্তিৰ। বাৰিষাৰ আগে আগে বালিৰ মথাউৰিৰে আভুৱা ভাৰে। নেতাৰ পৰা পালিনেতালৈ গাদী ৰক্ষাৰ স্বাৰ্থত থকাসকলৰ বাবে গাই নৈ আয়ৰ অন্যতম উৎস। যোৱা তিনিবছৰৰ আগৰ কথা। মথাউৰি আৰু বানৰ সুৰক্ষাৰ নামৰ দহ কোটি টকা আত্মসাতৰ অভিযোগ আনি যুৱক সংঘৰ ফালৰ পৰা উচ্চ ন্যায়ালয়ত ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰা হৈছিল। কামত আগবাঢ়িছিল যদিও ন্যায়ালয়ে হস্তক্ষেপ কৰি কাম বন্ধ কৰি দিলে। সেই কামটোকে পাঁচ-দহ মিলাই আৱণ্টন কৰি আনিছিল স্থানীয় বিধায়ক আৰু তেওঁৰ সোঁহাতস্বৰূপ কোনোবা অভাজনে। কমিছনৰ পৰা আৰম্ভ কৰি খৰচো হৈছিল, গতিকে সেইফালৰ পৰা হেঁচাও দিছিল গোচৰীয়া পক্ষক উঠাই ল'বলৈ, কিন্তু পানীত কক্-বক্ কৰি পোৱা শাস্তিৰ যাতনাই নিদিলে যুৱক সংঘক উঠাই ল'বলৈ। বিভিন্ন সময়ত সুৰুঙা বিচাৰিছিল যদিও আগৰ সম্পাদকৰ ঠাইত নতুন সম্পাদক অভিজিতে গোন্ধ হয়তো প্ৰকান্তৰে পোৱা নাছিল তেওঁসৰে। কিন্তু বিধিৰ বিধানত আজি মুখামুখি হৈ গ'ল। অহ্ এতিয়াহে অলপ শান্তি বুলি ঘৰ পালেহি। পুনৰ ভনীয়েকক আনিবলৈ যোৱাৰ সময়ৰ হ'ল। আহোঁতে ভনীয়েকৰ আপত্তি সোধাত ক'লে মেট্ৰিক পাছ কৰি তাই মন

গল্প

আসাম ভেলী স্কুল নহ'লে এন.পি.এছ. ইণ্টাৰনেশ্বনেল স্কুলত পঢ়া। কিন্তু যদি তাৰ চাকৰি নহয় তেতিয়াতো সেইটো নহ'বগৈ, কাৰণ দেউতাকৰ টকাৰে সেয়া সম্ভৱ নহয়। অভিজিতে অনুভৱ কৰিলে যেন এডাল শালে তাৰ হৃদয়ত বিন্ধিছে, মূৰৰ তেজ গৰম হৈ উঠিছে। মধ্যবিত্তৰ নাম লৈ কিয় জন্ম ল'লো একমাত্ৰ ককায়েক হৈ আজি সেই মৰমৰ ভনীয়েকৰ কথা শুনি বাক্‌ৰুদ্ধ হৈ পৰিবলগা হ'ল। আনৰ দৰে কাপোৰ বা দামী কিম্বা নহয় পঢ়াৰ আবদাৰহে কৰিছে তাই। বহুত দেৰিৰ মূৰতহে ওলাল মাতটো, 'তই প্ৰথমতে ৰিজাল্ট ভাল কৰি দে, তাৰ পাছত তোৰ ইচ্ছামতেই মই পঢ়োৱাৰ ব্যৱস্থা কৰিম বাৰু'। ককায়েকৰ মুখৰ বৰণ দেখি তাইয়ো অনুমান কৰিব পাৰিছে পৰিস্থিতি। গধূলি হোৱা নাই। দেউতাকক অফিচৰ পৰা আনি সোমাইছেহিহে। তেনেতে জগত দত্ত আহি ওলালহি। হঠাত দত্তৰ আগমনৰ পাছতে অভিজিতে অনুভৱ কৰিলে যেন ক'ৰবাত নতুন জুইৰ উক্‌মুকনি উঠাৰ ইংগিত দিব। আশা কৰা মতেই দত্তই বিধায়কৰ প্ৰস্তাৱ লৈ আছিল। সন্ধিয়া আঠ বজাত বিধায়কে হেনো সাক্ষাৎ কৰিব বিচাৰিছে কিবা আলোচনা আছে। দেউতাকে হয়তো ভাবিছিল অভিজিতে পোনচাটেই না ক'ব। কিন্তু ওলোটাটোহে হ'ল। দেউতাকে দত্তক দহ মিনিটৰ ভিতৰত ঘূৰি অহাৰ কথা কৈ সি ওলাই গ'ল। ঠিক দহমিনিটমানৰ পাছতেই তিনিও ৰাওনা অতিথিশালালৈ, য'ত সন্মানীয় বিধায়কে সন্ধিৰ প্ৰস্তাৱ লৈ বৈ আছিল। বিনিময় প্ৰথাৰ খুউব ভাল ব্যৱসায় কৰে এই ৰাজনীতিকসৰে। তাৰে বজাৰত ভাল দাম উঠাই ল'ব বিচাৰিলে অভিজিতে।

প্ৰায় আধাঘণ্টাৰ পাছত তিনিওৰে অতিথিশালাত অৱস্থান গ্ৰহণ। প্ৰথমে পানীয়ৰ প্ৰথা চলিল - চাহ, কফিৰ। অভিজিতৰ মূৰত আজি সুদ-মূলধনৰ অৰ্থনীতি চলি আছিল। সদায় তাৰ ভাগৰ মাংস বেলেগে খোৱাৰ বাবে বাঘৰ যি গেৰ্‌গেৰনি হয় আজি অভিজিতৰো সেই অৱস্থা। ইয়াৰ পাছত যিখন ছবি চলিব সেয়া কোনো কাল্পনিক নহয় বুলি সি ধৰি লৈছিল। লাহে লাহে বিষয়বোৰ গভীৰ হ'ল, দেউতাকৰ পৰিস্থিতিৰ বুজ লৈ বিধায়ক মহোদয়ে যেন প্ৰকান্তৰে পতিয়ন নিয়াব বিচাৰিলে এটা চাকৰিৰ নিতান্তই প্ৰয়োজন। অন্তত ঘৰখনৰ প্ৰাণীকেইটাৰ স্বাৰ্থত। কিন্তু তেওঁ আচলতে এখন জাল তৰি আছিল। প্ৰকান্তৰে একমাত্ৰ উপযোগ্য বুলি ক'বলৈ অভিজিতক বেয়া পালে। কিন্তু দত্তৰ কথাই বিধায়কক বিপদত পেলালেও তেওঁৰ মতে বি.এড. যিকেইজনৰ সম্পূৰ্ণ হোৱা নাই অন্তত বাচনি প্ৰক্ৰিয়া যদি পলম কৰাই দিয়া হয় তেন্তে হয়তো নিৰ্ধাৰিত সময়ত হৈ উঠিবও পাৰে। কিন্তু বিধায়কৰ যুক্তি আছিল অন্য, তেওঁৰ যুক্তি মতে বাকী সকলো পৰিস্থিতি চম্ভালি তেওঁ নিজেও ল'ব আৰু আজিৰ ভিতৰতে অৰ্দ্ধ-পূৰ্ণাংগ হ'লেও নিযুক্তি পত্ৰ অভিজিতকে দি দিব যদিহে যুৱক সংঘৰ গোচৰ উঠাই ল'বলৈ মান্তি হয়। দত্ত আৰু অভিজিতৰ বাবে সেয়া অকৃত্ৰিম বা বিশেষ ভাবিবলগীয়া পৰিস্থিতি নাছিল আৰু মোকাবিলা কৰাৰ স্বাৰ্থত সাজু হৈয়ো আহিছিল। কিন্তু চন্দ্ৰমোহনৰ একা। ৰজাঘৰীয়া সন্তান, খৰা বৰুৱাৰ তেজ প্ৰৱাহিত যিমান হৈ আছে তাতকৈ বেছি অন্তৰত জ্বলি থকা সেই গাই নদীৰ তাণ্ডৱৰ জুইকুৰাৰ প্ৰতিচ্ছবি। যুদ্ধৰে জড়িত পৰিয়ালৰ তেজ আৰু মানুহৰ দুৰ্দশাৰ মাজত এটুকুৰা সম্বল হৈ ফুৰোঁতে পোৱা বেদনাক যেতিয়া কোনোবাই কুঠাৰাঘাত কৰে তেতিয়া হাতৰ মুঠি আপোনা-আপুনি টান হৈ পৰে। চোৰে সিন্ধি দি বৰঘৰত সোমাবলৈ লোৱাত গৰজি উঠিল চন্দ্ৰমোহনে। কোনো কালেই চন্দ্ৰমোহনৰ এই ৰূপ না অভিজিতে দেখিছিল না জগত দত্তই। গৰজি উঠিল সামাজিক সত্বা, মূল্য, সমাজৰ অৱক্ষয়ৰ লগত কোনো কালেই কোনো চুক্তি হ'ব নোৱাৰিব, সি লাগে অৰ্থই হওক, ৰাজ্যই নহওক কিয়। প্ৰয়োজনত ভিক্ষা কৰি খাম কিন্তু সমাজক বিক্ৰী কৰিব নিদিও। শ শ কোটিৰ শৰাধ কৰা, গাই নদীৰ বান, মথাউৰিৰ লগত কোনো আপোচ কৰা নহ'ব। বিধায়ক মহোদয়ৰ দিনটো বেয়া আছিল। তেওঁ অজ্ঞাত যে তেওঁৰে সন্ধিৰ প্ৰস্তাৱ লৈ যোৱা দত্ত সংঘৰে উপদেষ্টা। সুযোগ সন্ধানীৰ বাবে হেনো কথাই সুযোগ। ইমান পৰে সকলোবোৰ কথা-বতৰা যোৱা এঘণ্টা ধৰি অভিজিত আৰু দত্তই টেপ আৰু ভিডিঅ' ৰেকৰ্ডিং কৰি ৰাখিছিল। সেয়া বিধায়ক মহোদয়ে উমানেই নাপালে। বোলে হাজাৰ গৰু মাৰিলে এদিন বাঘৰো মৰণ।

কথাবোৰ শুনি মাকৰ মূৰত সৰগ খহি পৰিল। ইতিমধ্যে হৈ চৈ লাগি গৈছিল। পৰিস্থিতিত যাতে অভিজিতৰ পৰিয়ালৰ একো নহয় তাৰ বাবে দত্তই ব্যৱস্থা ল'লে। ৰাতি শুৱাৰ বিচনাত ভনীয়েক টোপনি যোৱাৰ পাছত তাইৰ কথা মাক-দেউতাকক ক'লে অভিজিতে। চকুৰে লোতক বাগৰি আছিল। পিছদিনা পুৱা গোটেইকেইটা দেৰিলৈকে বিচনাতে। মাজনীহে মাত্ৰ টোপনিত। মাক-বাপেক-পুতেক মিলি কিবা কথা পাতি আছিল। টোপনিত লালকাল মাজনীৰ মূৰত হাত ফুৰাই চন্দ্ৰমোহনে সুধিলে, 'মাজনী এই মাজনী...'

'ও...টোপনি গৈ আছো কিয় জগাই আছা?'

'টোপনি গৈ আছ যদি কিয় উত্তৰ দি আছ?'

'কোৱা কি...?'

'ককায়েৰে কি চাকৰি কৰিলে ভাল পাবি?'

'ও... ডি চি।'

'কি...?'

মাত কথা নাই আকৌ টোপনি গ'ল।

চন্দ্ৰমোহনে জগত দত্তৰ ইতিহাসৰ পৃষ্ঠা লুটিয়াইছিল সেই বিচনা পাটীতে। সৰুতে ঘাট-মাউৰা হোৱা, শাক-পাচলি বিক্ৰী কৰি কিতাপ-বহী কিনি, বেলেগৰ গৰু চৰাই পোৱা টকাৰে স্কুলৰ ফিজ দি পঢ়া-শুনা কৰিছিল। গ্ৰেজুৱেশ্বন কৰাৰ দহবছৰৰ পাছত এম.ফিল. কৰি অসাধাৰণ যে নহয় সেয়া প্ৰমাণ কৰি দিছিল। ৰাজনীতিক প্ৰকৃত পক্ষে নহ'লেও জ্ঞানৰ ৰাজনীতিত তেওঁ সুদক্ষ। গ্ৰেজুৱেশ্বন কৰা সময়ত তেওঁ কটন কলেজৰ সাধাৰণ সম্পাদকো হেনো আছিল। আৰু এদিন চন্দ্ৰমোহনৰ আগত অলক্ষিতে প্ৰকাশ কৰিছিলো অৱসৰৰ পাছত সক্ৰিয় ৰাজনীতিৰ প্ৰতি ইচ্ছা আছে বুলি।

ঘটনাৰ আৰম্ভণি সেয়া ২০১৫ চনৰ আৰু আজি ২০১৬ চনৰ অন্তিম প্ৰান্তত। ঘটনাৰ পটভূমি তেতিয়া অসমৰ সীমামূৰীয়া জিলা ধেমাজীৰ ভিতৰৰ অঞ্চল চিচিবৰগাঁও আৰু বৰ্তমান নতুন দিল্লীস্থিত প্ৰশাসনিক পদাধিকাৰী প্ৰশিক্ষণ কেন্দ্ৰ তথা বিশ্ববিদ্যালয়। বাৰ সংখ্যক ইন্টাৰভিউ মানে ইউ পি এছ চিৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ অভিজিত বৰুৱা আজি আহিছে প্ৰশাসনীয় বিষয়াৰ প্ৰশিক্ষণ ল'বলৈ। লগত স্থানীয় তাৰ বিধায়ক তথা সমাজকৰ্মী জগত দত্ত আৰু অৱসৰপ্ৰাপ্ত দেউতাক-মাক আৰু বালিপাৰাৰ আছাম ভেলী স্কুলৰ ছাত্ৰী তথা ভনীয়েক ভায়'লিনা বৰুৱা। তেৰটা মাহত তিনিটা সপোনৰ বাস্তৱ ৰূপায়ণ।

সময় দ্ৰুত গতিত সলনি হ'ল। জগত দত্তই বিষ্ণুজ্যোতি যুৱক সংঘৰ হৈ উচ্চ ন্যায়ালয়ৰ ফাষ্টট্ৰেক আদালতত কৰা প্ৰথম গোচৰৰ পৰিপ্ৰেক্ষিতত বন্ধ হৈছিল পদ্মনাথ গোহাঞিবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক নিযুক্তিৰ পথ এমাহৰ পাছত দত্তইও তেখেতৰ পদবীৰ পৰা পদত্যাগ কৰাত ৰাজনীতি আৰু অৰ্থবিজ্ঞান এই দুই পদত পুনৰ পৰীক্ষাৰে মকৰল কৰা হয়। দ্বিতীয় গোচৰৰ জৰিয়তে খাৰিচ হৈছিল সেই সময়ৰ উক্ত সমষ্টিৰ বিধায়কৰ আসন আৰু পুনৰ নিৰ্বাচনো সুকলমে অনুষ্ঠিত হৈয়ো যায়। জনতাৰ আশীৰ্বাদ শিৰত লৈ কৰ্মসচেতন ব্যক্তি জগত দত্তই উপ-নিৰ্বাচনত বিধায়ক হিচাপে বিপুল ভোটত জয়ী হয়। ইফালে বছৰটোৰ শেষৰ ফালে ঘোষিত হয় ইতিমধ্যে হৈ যোৱা লোকসেৱা আয়োগৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল। অন্য আঠজন অসমীয়াৰ সৈতে অভিজিত বৰুৱাইও উত্তীৰ্ণ হৈ প্ৰশাসনিক শাখাত স্থান লাভ কৰে।

সফলতা নহয় মেধাহে জীৱনৰ মাপকাঠি। আদৰ্শগত চিন্তাৰ সন্ধানত ব্ৰতী হোৱা অদূৰ ভৱিষ্যত নহয় বৰ্তমানলৈ চিন্তা কৰা এই মূলমন্ত্ৰৰে সাৰোগত কৰি অভিজিত বৰুৱাই বাষষ্ঠি সংখ্যক স্থান লাভেৰে ভাৰতীয় প্ৰশাসনিয় সেৱা চমুকৈ আই.চি.এছ.ত স্থান লাভ কৰাৰ লগতে প্ৰশাসনিক সেৱাৰ বিষয়া হিচাপে নিযুক্ত হোৱাৰ পথত। অৱশ্যে অভিজিতৰ সন্মুখত এতিয়া হাজাৰটা সপোন। অনুন্নত অঞ্চলটো বানৰ সৈতে যুঁজ কৰি সৰ্বহাৰা হোৱা সাধাৰণ প্ৰজা, অনুন্নত আৰ্থসামাজিক উন্নয়ন এইবোৰৰ বিৰুদ্ধে যুঁজ কৰিব লাগিব। কাম কৰিব লাগিব তেনেকুৱা হাজাৰখন সমাজৰ হকে, য'ত সেই হাজাৰখনৰ মাজৰ এখনৰ পৰাই সি ওলাই আহিছিল, তাক উলিয়াই পঠাইছিল এই স্তৰলৈ। আগবঢ়াই আনিব লাগিব সেই গাঁৱৰ ধূলি-বালিত বিধ্বস্ত শিশুজাকক, যি সকলক লৈ তাৰ বৃদ্ধ মাক-দেউতাকে চাৰি-পাঁচ দশকৰ আগেয়েই সপোন দেখিছিল, সিহঁতৰ মাজত পোহৰ বিলাব বিচাৰিছিল আৰু কাম কৰিব লাগিব এই সমগ্ৰ জাতিটোৰ সতে। অভিজিতৰ ভাষাত কৰিবই লাগিব। কাৰণ তেতিয়া মই গোঁজ পুতিবলৈ বিচাৰিছিলো, যুদ্ধ আৰু সংগ্ৰাম কৰিছিলো। সংগ্ৰামী সত্বাই মোক গোঁজ পুতিবলৈ দিলে কিন্তু এতিয়া আকৌ সংগ্ৰাম কৰিব লাগিব পুতি থোৱা গোঁজটোৰ স্থিতি দীঘলীয়া কৰিবলৈ যাতে কোনো পৰিস্থিতিয়ে তাৰ পৰিৱৰ্তন আনিব নোৱাৰে, সেয়ে যুদ্ধ অনিবাৰ্য, আহিবই যুদ্ধ, কৰিবও লাগিব, জয়ীও হ'ব লাগিব।

❑❑

**"উপন্যাসৰ এটাই মাত্ৰ উদ্দেশ্য হ'ল জীৱনক প্ৰতিনিধিত্ব কৰা বা জীৱনৰ প্ৰতিফলন ঘটোৱা। অভ্যন্তৰ জগতৰ মানুহক বাঙ্ময় ৰূপত প্ৰকাশ কৰাই হ'ল উপন্যাসৰ ঘাই উদ্দেশ্য।"**

— হেনৰী জেইম্চ

নাট্যশিল্প



# স্বাৰ্থপৰতা


❍ অভিজিত চক্ৰৱৰ্তী
প্ৰথম ষান্মাসিক, ভূ-তত্ত্ব বিভাগ


**চৰিত্ৰ —**

১। অজিত ঃ ৬৫-৭০ বছৰ
২। ৰক্তিম ঃ ৩৫-৪০ বছৰ
৩। মণিমা ঃ ৩৩-৩৫ বছৰ
৪। অপৰূপা ঃ ২৫-৩০ বছৰ
৫। অৰূপ ঃ ১৬-১৭ বছৰ

**মঞ্চসজ্জা**

(এখন ঘৰৰ ড্ৰইংৰুম। অজিত বহি থাকিব। তেখেতৰ মুখত উচ্‌পিচনিৰ চিন।)

অজিত ঃ অৰূপ অ', বোপা আহচোন। মই উঠিব পৰা নাই অ', অলপ ধৰি দে'হিচোন আহ। (ভিতৰৰ পৰা কোনো মাত নাই) অৰূপ অ' বৰ জোৰেৰে শৌচ কৰিব লাগিছে, আহচোন অলপ ধৰি দে'হি। (অৰূপ ভিতৰৰ পৰা হাতত কিতাপ এখন লৈ ওলাই আহে, পিছে পিছে মাক মণিমা)

অৰূপ ঃ ককা, কিয় ইমান চিঞৰি থাকা অ'।

মণিমা ঃ দেউতা, কিয় ল'ৰাটোক চিঞৰিছে বাৰু? এমাহৰ পাছত যে তাৰ পৰীক্ষা, জানেনে নাই হয়?

অৰূপ ঃ মা কিবা এটা বৰ বেয়া গোন্ধাইছে চোন। (তেনেকুৱাতে ৰক্তিম সোমাই আহে)

ৰক্তিম ঃ হেৰা, breakfast ready হ'ল নাই, মোৰ দেৰি হৈছে।

অৰূপ ঃ (শুঙি শুঙি ককাৰ ওচৰলৈ গৈ..) অ' মা, ককায়ে

ইয়াতে শৌচ কৰি দিলে, সেইটোৰেই গোন্ধাই আছে।

ৰক্তিম : (লাজ লাজ মাতেৰে) কি? দেউতা তুমি বাৰু ইয়াতে এইবিলাক কৰিব লাগে নে? ছিঃ...।

অজিত : এহ্, মোৰ গাটো বৰ বিষ আজি কেইদিনমানৰ পৰা, উঠোতে-বহোতে বৰ কষ্ট হয়। কালি ৰাতি লাখুটিডালো অৰূপে ক'ৰবাত পেলালে। এতিয়া তাক মাতি মাতি শেষত ৰ'ব নোৱাৰি...।

মণিমা : (খঙত) ৰ'ব নোৱাৰি ইয়াতে দিয়েই দিলে আৰু নহয় জানো? (মুখৰ ভিতৰতে) মৰকেলেপ বুঢ়া, এলেহুৱাৰ সঁচ ক'ৰবাৰ) লেটিনটোনো কিমান দূৰত আপুনি উঠি গৈ তাতে কৰিব নোৱাৰিলেনে? হেৰি, এনেই ঘৰত লেটিন বনালে বুজিছে, ড্ৰইং ৰুমতে শৌচ কৰা ভাল। ...আৰু ই এতিয়া পঢ়া-শুনা এৰি আপোনাৰ আলপৈচান ধৰি থাকিলেহে হ'ব। (তেনেকুৱাতে বাহিৰৰ পৰা অপৰূপা সোমাই আহে)

অপৰূপা : কি হ'ল বৌ, দেউতাক কিয় এনেকৈ গালি দি আছা? (নাকত হাত দি) কি এইটো ভেকেতা-ভেকেত গোন্ধ?

মণিমা : তোমাৰ পূজনীয় দেউতাৰাই ড্ৰইংৰুমতে ৰাতিপুৱাৰ খোলোচাটো হৈ দিলে।

অপৰূপা : মানে?

মণিমা : মানে শৌচ কৰি দিলে। তাৰেই সুবাস এইটো।

অপৰূপা : ইচ্ ইচ্, দেউতা তোমাৰ চাগে বৰ অসুবিধা হৈছে ন? ব'লা মই তোমাক চাফা কৰি দিওঁগৈ। আৰু অৰূপ ব'লা তুমিও ভিতৰলৈ ব'ল, অলপ নিজেই পঢ়িবা। মই ককাক চাফা কৰি, দেউতাক breakfast readyটো দিয়েই বাকী থকা maths খিনি বুজাই দিম, ব'লা। (অপৰূপাই অজিতক ধৰি ধৰি ভিতৰলৈ লৈ যায়, পিছে পিছে অৰূপ ও যায়)

মণিমা : হেৰি, মই নোৱাৰিছো দেই আৰু। মই আগতেই ইহঁতক গাঁৱৰ পৰা আনিবলৈ আপোনাক ইমান মানা কৰিলো, এবাৰ শুনা হ'লেও। চহৰত আহি কি হ'ল, এজনীয়ে বিয়া হোৱাৰ পাছত গিৰিয়েকৰ ঘৰৰ পৰা খেদা খাই ইয়াত সোমালেহি। আৰু এই বুঢ়া...

ৰক্তিম : আহাঁ, মই কি জানো নেকি এনেকুৱাবোৰ হ'ব বুলি। আৰু ৰূপাৰোতো তাত কোনো ভুল নাই। সেই সঙ্গীৰ মদাহীটোৰ লগত থাকিব নোৱাৰিহে তাই গুচি আহিল।

মণিমা : খবৰদাৰ, সঙ্গীৰৰ কথা তেনেকৈ নক'বা। পাহৰি নাযাবা যে সি মোৰ দূৰ সম্পৰ্কীয় ভাই। খুঁত এইজনীতে আছে। মাৰ ঘৰতে মোৰ সকলো মান-সন্মান খালে এইজনীয়ে।

ৰক্তিম : অ'হ জান cool না please, নকওঁ আৰু চোৱা কাণত ধৰিছো। এতিয়া কোৱানা এই breakfast টো কি কৰিছে। তাইক অলপ লৰালৰি কৰিব কোৱা, মোৰ officeলৈ দেৰি হৈছে।

মণিমা : নহ'ব, আজিয়েই কিবা এটা decision ল'বই লাগিব। এই বুঢ়াক সোনকালে বৃদ্ধাশ্ৰমত দিয়াৰ ব্যৱস্থা কৰা। অপৰূপা বাৰু থাকক, অৰূপকো চাই দিয়ে আৰু তাই থাকিলে কাম কৰা বাইৰো পইচা বাচি যায়। তাতে গুৱাহাটীত কাম কৰা বাই পাবলেও দিগদাৰ। কিন্তু এই বুঢ়াক...।

অপৰূপা : দাদা, তোৰ breakfast দিলো আহ? বৌ তোমাকো দিছো আহাঁ।

ৰক্তিম : ঐ ৰূপা ৰ' চোন, তোক কথা এটা ক'ব লগা আছিল, সোনচোন। দেউতাক আমি বৃদ্ধাশ্ৰমত থোৱাৰ কথা ভাবিছো। আৰু...।

মণিমা : তাইক আকৌ কিয় সুধিব লাগিছে, আমাৰ ঘৰ আমাৰ কথা। তাত তাইক আকৌ...

অপৰূপা : ৰ'বা বৌ, দাদা তই কি ক'লি, দেউতাক তই...! এইবোৰ কি কৈছ? পাহৰি গ'লি দেউতাই কেনেকৈ খেতি কৰি কৰি তোক Engineering পঢ়ালে, কেনেকৈ কষ্ট কৰি কৰি আমাক ইমান ডাঙৰ কৰিলে। মা জীয়াই থাকোঁতেতো একো সুখ দেখাই নাপালে। এতিয়া দেউতাকো!! নাই তই পাহৰি গ'লেও মই পাহৰিব নোৱাৰো।

মণিমা : Oh please , বন্ধ কৰা এই hopeless কথাবোৰ। সমাজত আমাৰ এটা status আছে, reputation আছে। আজি দেউতাই যদি এইটো কাম কোনোবা আলহীৰ আগত কৰা হ'লে। উফ্, মোৰ যে ভাবিয়ে লাজ লাগিছে।

ৰক্তিম : চা ভণ্টী, এইবোৰ জঞ্জাল লৈ থাকিব নোৱাৰি সদায়। তাতকে বৃদ্ধাশ্ৰমত আৰামত থাকিব দেউতা। আমি মাহে মাহে যাম খবৰ ল'বলৈ।

দেউতা তাত আৰামত সুখতে থাকিব চাবি।

অপৰূপাঃ হাহ্..‘ এসময়ৰ তোৰ Hero এতিয়া মাত্ৰ জঞ্জাল হৈহে ৰ'ল ন দাদা।

মণিমা ঃ Shut up অপৰূপা, এতিয়া আমি কেঁচুৰা নহয়, মুঠতে দেউতা বৃদ্ধা আশ্ৰম যাবই লাগিব, that's final।

অপৰূপাঃ নালাগে। তহঁতে বহুত ক'লি আৰু কৰিলি দেউতাৰ কাৰণে, এইবাৰ পাল মোৰ। মই দেউতাক লৈ গাঁৱলৈ যামগৈ। তাতে থাকিম আমি, তহঁতে চিন্তা কৰিব নালাগে আৰু আমাৰ কাৰণে। (ভিতৰলৈ যাবলৈ থমকি ৰৈ) দাদা আৰু এটা কথা দেউতাৰ এটা বৃক্ক অলপ অলপকৈ বেয়া হৈছে, কিন্তু ইটো বৃক্ক যে তই সৰুতেই কাঢ়ি নিলি সেই কথা চাগে তই নাজানই। নহ'লেতো দেউতা এতিয়া তোৰ দৰেই সুস্থ হ'ল হয়। (অপৰূপা উচুপি ভিতৰলৈ লৰ মাৰে। ৰক্তিমে তাই যোৱাৰ ফালে চাই ৰ'ল।)

মণিমা ঃ এই কি কৈ গ'ল এইবোৰ? হেৰি, মোক বুজাই কওক।

ৰক্তিম ঃ (ওচৰৰ চকী এখনতে বহি থুকা-থুকি মাতেৰে) প্ৰায় ২১/২২ বছৰমান বয়সতে মদৰ প্ৰতি মই বৰ বেয়াকৈ আসক্ত হৈছিলো। দেউতাৰ-মাৰ বহু বুজনিৰ পাছতো মই মদ এৰা নাছিলো। শেষত ২ বছৰ মানৰ পাছত মোৰ দুয়োটা বৃক্ক বেয়া হৈ গৈছিল আৰু তেতিয়াই আমাৰ কোনোবা আত্মীয় এজনেই মোক এটা বৃক্ক দি মোৰ প্ৰাণ ৰক্ষা কৰিছিল, কিন্তু তেওঁ যে দেউতা আছিল মই আজিহে গম পাইছো। (মণিমা চকী এখনত বহি পৰে। অলপ সময় নিস্তব্ধ। তেনেকুৱাতে বেগ লৈ অপৰূপা, অজিত আৰু পিছে পিছে অৰূপ সোমাই আহে।)

অৰূপ ঃ পেহী, ককা তোমালোক ক'ত যোৱানো?

অজিত ঃ অৰূপ, মই মোৰ ঘৰলৈ ঘূৰি যাব ওলাইছো অ', লোকৰ ঘৰ এখনকে মই আপোন বুলি ভাবি লৈছিলো। তই ভালদৰে থাকিবি দেই। বোপা ৰক্তিম, তই মোক বেয়া পাই নাথাকিবি, কেতিয়াবা সময় পালে ফোন এটাকে কৰিবি। বোৱাৰী, মোৰ ভুলবোৰৰ বাবে মোক ক্ষমা কৰি দিবা আৰু ইহঁত দুটাক চাবা। মই আৰু তোমালোকক দিগদাৰ দিবলৈ নাহো। (হাত যোৰ কৰে, উচুপি)

মণিমা ঃ (যোৰ কৰি থকা হাতখন খামুচি ধৰি উচুপি উচুপি) দেউতা তেনে কথা আৰু নক'ব। আপুনি যদি মোক নিজৰ ছোৱালী বুলি ভাবে, আমাক এৰি নাযাব দেউতা, আমাক এৰি নাযাব। মোৰ বৰ ভুল হ'ল দেউতা। আকৌ যদি কেতিয়াবা ভুল কৰোঁ মোক এটা চৰ মাৰি দিব, কিন্তু যোৱাৰ কথা নক'ব দেউতা। ৰূপা, এইবাৰলৈ মোক ক্ষমা কৰি দিয়া।

অপৰূপাঃ বৌ। (মণিমাক সাৱটি ধৰে)

ৰক্তিম ঃ দেউতা মোকো ক্ষমা কৰি দিয়া।

অজিত ঃ ৰক্তিম তই এতিয়াও সৰু হৈ আছে। এতিয়াহে হৈছে মোৰ সৰু পৰিয়ালটো সুখী পৰিয়াল। (সকলোৱে একে ঠাইতে ৰৈ থাকে)

(ভিতৰৰ পৰা শব্দ— স্বাৰ্থপৰ সকলো মানুহেই, ভীষণ স্বাৰ্থপৰ, কিবা দিলে কিবা বিচাৰে। মৰম, দয়া, মমতাও স্বাৰ্থপৰতাৰেহে কৰে। কিন্তু মা-দেউতা সম্বন্ধ দুটি বৰ পৱিত্ৰ। ইয়াৰ পৱিত্ৰতা যিয়ে দেখিও নেদেখে, তাৰ সমান মূৰ্খ, তাৰ সমান স্বাৰ্থপৰ আৰু কোনো নাই)

(লাহে লাহে পোহৰ নুমাই আহে)

❑❑

# জীৱনৰ অন্তিম সময়

❍ পৰিস্মৃতা কাকতী
তৃতীয় যান্মাসিক, শিক্ষাতত্ত্ব বিভাগ

চৰিত্ৰ —

১। ৰমলা - মাক
২। জয়ন্ত - দেউতাক
৩। মালতী - জীয়েক
৪। সুৰভী - সৰু জীয়েক
৫। বিমল - চুবুৰীয়া
৬। নির্মলা - খুৰীয়েক

**মঞ্চ সজ্জা**

মঞ্চটো এখন চোতাল। ৫ খন মান চকী। বিমল আৰু দেউতাক (জয়ন্ত) ৰভা খুঁটা পোতাত ব্যস্ত। এনেতে মাক (ৰমলা) সোমাই আহে। জীয়েকৰ বিয়াৰ বাবে খুউব ব্যস্ত পৰিৱেশ।

ৰমলা ঃ বোলো হেৰি... শুনকচোন।

জয়ন্ত ঃ কি হ'লনো? ইমান উধাতু খাই আহিছ যে, কথাটো ক'চোন।

ৰমলা ঃ আপুনি বাহিৰৰ কামবোৰকে কৰি থাকিবনে, মানুহখিনিক মাতিবলৈও যাব।

জয়ন্ত ঃ ৰ'চোন যাম নহয়, ৰভাখনৰ কামখিনি প্ৰথমতে কৰি লওঁ।

বিমল ঃ জয়ন্ত তই যা, মই আছো নহয়।

ৰমলা ঃ বিমল ককাইদেউ চাহ একাপ খাব নেকি?

বিমল ঃ বৰ জীয়েৰৰ বিয়া যেতিয়া এতিয়ালৈকে দহ কাপমান দিবই লাগিছিল।

ৰমলা ঃ কামবোৰৰ পৰা আজৰিয়েই পোৱা নাই অ', ৰ'ব মই এতিয়াই আনি আছো। (ৰমলা ভিতৰলৈ যায়, এনেতে সৰু জীয়েক সোমাই আহে)

সুৰভী ঃ অ' দেউতা আপুনি মানুহ মাতিবলৈ কেতিয়া যাব বাৰু?

জয়ন্ত ঃ হ'ব হ'ব, তোৰ বস্তু তই পাবি, মই আনি দিম নহয়।

বিমল ঃ অ'ই সৰু আই, বায়েৰৰ বিয়াত পিন্ধিবলৈ কেইযোৰ কাপোৰ ল'লি?

সুৰভী ঃ দেউতাইহে জানে আৰু কি দিয়ে।

বিমল ঃ ও... কিতো হ'ল আৰু...।

জয়ন্ত ঃ সৰু আই মোৰ মোনাটো আনচোন।

(সুৰভী ভিতৰলৈ প্ৰস্থান, মোনাটো দেউতাকক দি যায়)

ৰমলা ঃ চাহ কাপ খাই লওক বিমল ককাইদেউ।

বিমল ঃ অ' দে দে ভাগৰেই লাগিছে।

জয়ন্ত ঃ বিমল তই লাগ দেই মই আহোঁগৈ...। (জয়ন্তৰ প্ৰস্থান)

মালতী ঃ (ভিতৰৰ পৰা সোমাই আহে) অ' দেউতা সোনকালে আহিব দেই।

বিমল ঃ দুদিন পিছত বেলেগৰ ঘৰৰ বোৱাৰী হ'বি, এতিয়া বাপেৰৰ খবৰ ল'বলৈ বাদ দে আৰু... (হাঁহিৰ সুৰত)

মালতী ঃ হ'ব আৰু খুৱা যাবৰ সময়তো ধেমালি কৰিবলৈ নেৰিলে আৰু... (সেমেকা মনেৰে ভিতৰলৈ প্ৰস্থান, ৰমলা আহে)

ৰমলা ঃ ছোৱালীজনীক উলিয়াই দিয়াৰ পিছত বৰ অকলশৰীয়া হৈ পৰিম অ'।

বিমল ঃ কিহৰনো অকলশৰীয়া হ'বি, জয়ন্তৰ লগত ইটোৱে সিটোৰ মুখখন চাই থাকিবি আৰু...

(এনেতে নিৰ্মলা সোমাই আহে)

নিৰ্মলা ঃ আমি বিয়া খাবলৈ আহিলোঁৱেই দেই। খেদি দিলেও নাযাওঁ আৰু।

ৰমলা ঃ আহ আহ, তই আহিলি ভালেই হ'ল বুইছ, মালতীৰ বস্তুবোৰ বাকচত ভৰাবলৈ তোক মাতিম বুলিয়েই ভাবিছিলো।

নিৰ্মলা ঃ মই আহিলোঁৱেই আৰু, একেবাৰে বিয়া খাইহে যাম।

(এনেতে জয়ন্ত সোমাই আহে)

জয়ন্ত ঃ অ' ডাঙৰ আই, পানী এগিলাচ লৈ আনচোন। বৰ ভাগৰ লাগিছে পাই।

মালতী ঃ আপুনি ইমান কষ্ট কৰাৰ কি প্ৰয়োজন। মই কৈছিলো নহয় বিয়াৰ অকল নিয়মটো হ'লেই হ'ব বুলি।

জয়ন্ত ঃ তাই কথা শুনাচোন। (বিমলৰ ফালে চাই) হেৰৌ ঘৰৰ প্ৰথম বিয়া, মই বাৰু নপতাকে কেনেকৈ থাকোঁ।

মালতী ঃ তথাপিও ইমানবোৰ কৰাৰ কি দৰকাৰ।

জয়ন্ত ঃ তই এইবোৰ চিন্তা কৰিব নেলাগে নহয়। তই কেৱল নিজৰ চিন্তা কৰ। কেনেকৈ নতুন ঘৰখনত সুখ-শান্তিৰে পাৰ কৰিবি তাৰ চিন্তা কৰ।

(গধূলি নামি আহে, বিমল ঘৰলৈ যায়, সকলোবোৰ ব্যস্ত, বিয়ালৈ মাথোঁ এটা দিন বাকী। জয়ন্তই ভিতৰৰ পৰা মাত দিয়ে)

জয়ন্ত ঃ অ'ই ৰমলা ভাতমুঠি সোনকালে দে, ৰাতিপুৱা সোনকালে উঠিব লাগিব নহয়।

নিৰ্মলা ঃ অ' দাদা দিছো ৰ'ব, আজি ভাত মইহে বনাইছো।

জয়ন্ত ঃ তই আহিলি নেকি? বিয়াৰ দিনা বঁটা এটা লৈ মানুহ মাতিবি দেই। বহি নাথাকিবি, মেক্‌আপ কৰি।

নিৰ্মলা ঃ দাদাই যে কিনো কয় আৰু... (লাজ কৰি প্ৰস্থান)

জয়ন্ত ঃ মই বাৰীত গৰুকেইটা চাই আহোঁ ৰ'। ৰমলাক মই মাতিছো বুলি ক'বিচোন।

(জয়ন্ত বাৰীলৈ গৰু চাবলৈ যায়, বহুপৰ উলটি নহা দেখি ৰমলা চিন্তিত হয়)

ৰমলা ঃ মানুহটোৱে গৰু চাবলৈ যোৱা বহুপৰেই হ'ল। অহা নাই কিয় বাৰু?

মালতী ঃ মাত এষাৰ দি চোৱাচোন।

ৰমলা ঃ বোলো শুনিচেনে, ক'ত আছে হয়?

(জয়ন্তৰ এটা বিকট চিঞৰ, সকলো বাৰীৰ ফালে দৌৰ মাৰে, জয়ন্ত মাটিত ঢলি পৰে)

ৰমলা ঃ হেৰি, হেৰি, কি হৈছে আপোনাৰ। মাত নিদিয়ে কিয়? কি হৈছে হয়নে?

মালতী ঃ অ' দেউতা, অ' দেউতা কি হৈছে অ' আপোনাৰ।

(বিমল দৌৰি আহে)

বিমল ঃ জয়ন্ত অ', কি হৈছে অ' তোৰ, মুখেৰে মাতচোন।

জয়ন্ত ঃ মোৰ চব শেষ বিমল, মোৰ চব শেষ।

মালতী ঃ কি কথাবোৰ কৈছে অ' আপুনি। মোক বিদায় দিম বুলি প্ৰতিশ্ৰুতি দিছিল নহয়নে? এতিয়া কিয় এনেকৈ আছে?

সুৰভী ঃ অ' দেউতা, আপুনি এনেকুৱা কৰিলে আমাৰ কি হ'ব, বা'ক বিয়া কোনে দিব?

ৰমলা ঃ হেৰি, উঠকচোন ডাক্তৰৰ ওচৰলৈ লৈ যাম আপোনাক।

জয়ন্ত ঃ ৰমলা অ', মাজনীক যেনেতেনে বিয়া দিবি। মোৰ চব শেষ। তাইক বিয়া দিবি তই।

(জয়ন্তৰ চকু জাপ খায়, চাৰিওফালে কৰুণ বিননী)

বিমল ঃ মাজনীক মই বিয়া দিম, তই উঠচোন।

ৰমলা ঃ মানুহজনে কিয় এনেকুৱা কৰিছে অ'।

মালতী ঃ উঠকচোন দেউতা। (চিঞৰি চিঞৰি কান্দে)

বিমল ঃ মালতী, তোৰ দেউতা আৰু নুঠে... সৃষ্টিশীল, সস্নেহ ও সংস্কাৰী হোৱাৰ আদৰ্শৰে সৰুৰে পৰা তহঁতক অনুপ্ৰাণিত কৰা দেউতাৰাই কেনেকৈ তোক যৌতুকৰ লালসাত বিবাহ পাশত আবদ্ধ কৰিব খোজা জোঁৱায়েকৰ হাতত গতাই দিব? ইচ্ছা কৰিলেও দিবনো ক'ৰ পৰা... গোটেই জীৱন আদৰ্শ আৰু স্বাভিমানৰ টোপোলাটিক মূলধন হিচাপে লৈ ঘূৰি ফুৰি জয়ন্তই এই বৃদ্ধ বয়সত কেনেকৈ দৰাৰ ঘৰৰ দাবী পূৰণ কৰিব পৰাকৈ যৌতুক যোগাৰ কৰিব?

তাৰ আদৰ্শ আৰু স্বাভিমানৰ দুৰ্লংঘ প্ৰাচীৰখনত আঁচ পৰিবলৈ নিদিয়াকৈ সি গ'লগৈ অ' মালতী... বাৰীৰ পাছফালৰ ওখ গছজোপাত নিঠৰ হৈ ওলমি সি যেন চিঞৰি আছে...

"সৰু মানুহবোৰৰ বাবে সুখ আহিবনে?"

ৰমলা ঃ কিয় ভগৱানে আমাৰ হাঁহিবোৰ চাব নোৱাৰিলে, কিয় মানুহজনক কাঢ়ি নিলে।

নিৰ্মলা ঃ নাকান্দিব বাইদেউ, ভগৱানে যি বিচাৰে তাকে হয় অ'।

দুদিনৰ পিছত...

মালতী ঃ দেউতাৰ সকাম হৈ যোৱালৈকে মই দৰাঘৰক ৰ'ব কৈছো, তেওঁলোকেও বুজি পাইছে। মা আৰু ভণ্টী, তহঁতি মোৰ লগতেই থাকিবি।

ৰমলা ঃ আই অ', দেউতাই তোৰ বিয়াখনক লৈ বহুত সপোন দেখিছিল, দেউতা নাথাকিলেও মই তোক তেওঁ বিচৰা মতেই বিদায় দিম।

মালতী ঃ মই তোমাক মোৰ লগত লৈ যাম।

ৰমলা ঃ মই ক'তো নাযাওঁ আই, দেউতাই সাজি থৈ যোৱা হেঁপাহৰ ঘৰখন এৰি মই ক'তো নাযাওঁ।

বিমল ঃ নিয়তিয়ে আমাক য'লৈকে টানে আমি তালৈকে যাব লাগিব। এই সৃষ্টি ভগৱানৰ। তেওঁ বিচৰা মতে সৃষ্টিও হ'ব আৰু ধ্বংসও হ'ব।

সুৰভী ঃ বা তই চিন্তা নকৰিবি, মাক মই চাম।

বিমল ঃ ভগৱানে যি বিচাৰে তেওঁৰ মতেই আমি চলিব লাগিব। কোনেও দুখ নকৰিবি। সকলো ঠিক হ'ব। নিয়াৰিকে সকলো কাম কৰি যোৱাটোহে আচল কথা। জয়ন্তই যেনেকৈ বিচাৰিছিল, সি বিচৰা মতেই তহঁতি সকলোবোৰ কৰিবি বুইছ। (কান্দি কান্দি মাটিত বহি দিয়ে। মালতী, ৰমলা, সুৰভী কাষ চাপি আহে)

বিমল ঃ মানুহৰ জীৱন মানেই কন্টকীয়া। কেতিয়াবা সুখ আৰু কেতিয়াবা দুখ। ঘাত-প্ৰতিঘাতৰ মাজতেই আমি জীয়াই থাকিব লাগিব। এয়াইটো জীৱন। মানুহৰ জীৱন।

(সকলোৱে চাই ৰয়)

।। সমাপ্ত।।

সম্ভাৰ


**"ৰাইজ আজি ভাৰৰীয়া দেশেই নাটঘৰ**
**কোনে কি ভাও ল'বা আহাঁ সময় যে তাকৰ**
**আখৰা নালাগে নালাগে পোচাক**
**নওঠা হৈ আহাঁ**
**ভোকাতুৰ পেটতে গামোচা বান্ধি**
**উন্মাদ হৈ আহাঁ**
**তেহে ৰহণ চৰিব নাটৰ।"**

— ড° ভূপেন হাজৰিকা

**ৰস ৰচনা**

# চেফ্‌টি পিনৰ আত্মকাহিনী

❍ অংকিতা চন্দা
পঞ্চম ষাণ্মাসিক, ইংৰাজী বিভাগ



মোৰ নাম চেফ্‌টি পিন। লো, তাম আৰু এলুমিনিয়ামেৰে মই গঠিত। ১৮৪৯ চনত আমেৰিকাত মোৰ জন্ম হয়। ৰজাঘৰৰ পৰা প্ৰজাঘৰলৈকে সকলোৰে বাবে মই সুপৰিচিত। সেইবাবে গৌৰৱ আৰু অহং ভাৱত অহৰহ গদ্‌গদ্ হৈ থাকোঁ। তাতে আকৌ মোৰ মা 'ওৱাল্ট হাল্ট' আমেৰিকাৰ এগৰাকী বিখ্যাত বিজ্ঞানী। কিন্তু আমেৰিকাৰ নিচিনা ধনী দেশত জন্ম গ্ৰহণ কৰিও আজি মই পৃথিৱীৰ সকলো ঠাইতে অনাই-বনাই ঘূৰি ফুৰিব লগা হৈছে। যিবিলাকে মোক মৰম কৰে, সিহঁতে মোক বুকুত সাবটি ৰাখে, কিছুমানে বৰ দুৰ্ব্যৱহাৰ কৰে।

সিহঁতে মোক নিজৰ ভৰিৰ চেণ্ডেলত ব্যৱহাৰ কৰে।

আপোনালোকে বিচাৰ কৰক ধনী দেশত জন্মগ্ৰহণ কৰাজনক এনে ব্যৱহাৰ কৰা উচিত হৈছেনে? কিন্তু কি ক'ম, তেওঁলোকেও মোক মৰম কৰি চেণ্ডেলত লুকুৱাই ৰাখে। কাৰোবাৰ ভৰিত খহু উঠিলে মই মোৰ জোঙা আগটোৰে খুচি পূঁজ উলিয়াই দিওঁ। সিহঁতে ভাৱে ইমান ভাল মই, কিন্তু মনে মনে ভাবো 'ল' বাপেক্কে চেপটিক কৰি দিলো তোক'। হস্পিটেলত পৰি থাকগৈ।

মই দেখিবলৈ ইমান ধুনীয়া নহয়, তথাপি মই সকলো মহিলাৰ বাবে প্ৰয়োজনীয়। ৰজাঘৰৰ পৰা প্ৰজাঘৰলৈ, ধনীঘৰৰ পৰা দুখীয়াঘৰলৈ, বিখ্যাত সাহিত্যিক, অভিনেত্ৰী সকলো মহিলাৰ বাবে মই খুব পৰিচিত। মই নহ'লে সিহঁতে ঘৰৰ পৰা ওলাবই নোৱাৰে। সেইবাবে সিহঁতে মোক শ্ৰদ্ধা আৰু মৰম কৰে।

আনকি পুৰুষৰ বাবেও মই প্ৰয়োজনীয়। উদাহৰণস্বৰূপে— যাৰ কোনো বিয়া-বাৰু হোৱা নাই, ঘৰত কোনো মহিলাও নাই, অফিচলৈ যাবলৈ দেৰি হৈছে, ইফালে চাৰ্টৰ বুটাম এটাও ছিঙা, সেই সময়ত মোক অতি প্ৰয়োজন অনুভৱ কৰে, ব্যৱহাৰো কৰে। কিন্তু মোৰ বৰ বেয়া লাগে, কাৰণটো কি জানানে? ৰ'ব কৈছো— কথাটো হৈছে যে, মতা মানুহে মোক ব্যৱহাৰ কৰিলে ঘামৰ গোন্ধত মই থাকিব নোৱাৰো। বমি আহি যায়। কেতিয়াবা বমি ৰাখিব নোৱাৰি কৰিও দিওঁ। তেতিয়া মানুহজনৰ চোলাটো খোল খাই যা আৰু চিঞৰি উঠে। কিন্তু কি কৰিম, মায়ে মোক জন্ম দিছে যেতিয়া মোৰ কৰ্তব্যটো সম্পূৰ্ণ কৰিবই লাগিব। সঁচাকে এই পৃথিৱীত কামৰ বাহিৰে মোৰ আৰু কোনো গত্যন্তৰ নাই।

বৰ ঘিণ লগা কথা এটা কওঁ, মন দি শুনক। মোক সকলো স্কুলীয়া ছাত্ৰীয়ে ব্যৱহাৰ কৰে। কেতিয়াবা স্কুললৈ যাওঁতে বাটত চেণ্ডেল ছিঙিলে সিহঁতে মোক ছিঙা ফিটা সি দিয়াত ব্যৱহাৰ কৰে। চেণ্ডেলত থু-খেকাৰ, গোবৰ-জাবৰ, পিক্ আদি মোৰ গাতে লাগে। তেতিয়া মোৰ বৰ ঘিণ লাগে।

মোক বেছিভাগ মানুহেই অপব্যৱহাৰ কৰে। মই সিহঁতৰ কাৰণে ইমান বেয়া বেয়া কাম কৰিব লাগে। অন্ততঃ সিহঁতে মোৰ জন্মদিনত মোক ভাল ব্যৱহাৰ কৰিব লাগে। নকৰি মোক অপব্যৱহাৰ কৰে। আহাৰ খোৱাৰ পাছত দাঁতত লাগি থকা মাংস, হাড়, কাঁইট খোল হৈ যোৱা দাঁতৰ ভিতৰত সোমাই থকা খাদ্যৰ টুকুৰা চাফা কৰাত মোকহে ব্যৱহাৰ কৰিবলৈ পায়। কাণ পৰিষ্কাৰ কৰাত, নখ পৰিষ্কাৰ কৰিবলৈও মোক ব্যৱহাৰ কৰাটো বৰ পৰিতাপৰ কথা। সেয়ে কেতিয়াবা বিছনাৰ তলত লুকাই থাকোঁ। বছৰে বছৰে থাকি মই বুঢ়ী হৈ যাওঁ। বুঢ়া-বুঢ়ী হ'লে যেনেকৈ বেমাৰে ধৰে, তেনেকৈ মোৰ গাতো মামৰে ধৰে। মামৰে ধৰি মোক মৃত্যুৰ মুখলৈ লৈ যায়।

এটা কথা হ'লে মোৰ বৰ ভাল লাগে, স্ফূৰ্তি লাগে যেতিয়া ন-কইনাক সজায়। কাৰণ মইহে প্ৰথম ন-কইনাৰ সুন্দৰতাখিনি দেখোঁ।

পিতৃ-মাতৃ আৰু জ্যেষ্ঠসকললৈ এটি সাৱধান বাণী শুনাই থ'লো। কোনো কাৰণতে সৰু সৰু ল'ৰা-ছোৱালীৰ হাতত মোক নিদিব। য'তে ত'তে মোক পেলাই নথব। কেঁচুৱাই পালে মোক খাই দিয়াৰ সম্ভাৱনা আছে বা শৰীৰত খোচ খোৱাৰ সম্ভাৱনা আছে। তেতিয়া মোৰ বৰ খং উঠিব। মোৰ সাৱধান বাণী অমান্য কৰা জ্যেষ্ঠসকলক সুবিধা পালে প্ৰতিশোধ ল'ম বাপেক্কে।

❑❑

**"যি হাঁহিব নেজানে তেওঁ হয় দেৱতা, নহয় চয়তান।"**

—উইলিয়াম শ্বেক্সপীয়েৰ



# বিভিন্ন ক্ষেত্ৰত অসমৰ প্ৰথম

- প্ৰথম মাহেকীয়া সাহিত্য আলোচনী— *আসাম বন্ধু, সম্পাদক ঃ গুণাভিৰাম বৰুৱা (১৮৮৫ চন)*
- অসম সাহিত্য সভাৰ প্ৰথম পত্ৰিকা— *অসম সাহিত্য সভাৰ পত্ৰিকা, সম্পাদনা ঃ চন্দ্ৰধৰ বৰুৱা (১৯২৬ চন)*
- প্ৰথম পূৰ্ণাংগ বিজ্ঞান আলোচনী— *বিজ্ঞান জেউতি, ১৯৬১; প্ৰথম সম্পাদক ঃ মিনধৰ বৰঠাকুৰ*
- প্ৰথম ক্ৰীড়া আলোচনী— *অভিৰুচি, ১৯৭৯ চন*
- প্ৰথম চলচিত্ৰ আলোচনী— *অৱকাশ, ১৯৮০ চন*
- প্ৰথম অসমীয়া কথা কবিতাৰ ৰচয়িতা— *যতীন্দ্ৰনাথ দুৱৰা*
- প্ৰথম অসমীয়া চুটিগল্পৰ ৰচয়িতা— *লক্ষ্মীনাথ বেজবৰুৱা*
- অসমীয়া ভাষাৰ প্ৰথমখন উপন্যাস— *ভানুমতী*
- প্ৰথম অসমীয়া ভ্ৰমণ কাহিনী— *বিলাতৰ চিঠি, লেখক ঃ জ্ঞানদাভিৰাম বৰুৱা*
- সাহিত্য অকাডেমী পুৰস্কাৰপ্ৰাপ্ত প্ৰথম অসমীয়া পুথি— *বনফুল, লেখক ঃ যতীন্দ্ৰনাথ দুৱৰা*
- জ্ঞানপীঠ বঁটা বিজয়ী প্ৰথম অসমীয়া পুথি— *মৃত্যুঞ্জয়, লেখক ঃ বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য*
- অসমীয়া ভাষাৰ বিষয়ে কৰা প্ৰথম গৱেষণা গ্ৰন্থ— ***Assamese : Its formation and Development***
  *লেখক ঃ বাণীকান্ত কাকতি*
- প্ৰথম অসমীয়া দৈনিক বাতৰি কাকত— *দৈনিক বাতৰি, ১৯৩৫ চন*
- প্ৰথম অসমীয়া চলচিত্ৰ নিৰ্মাতা— *জ্যোতিপ্ৰসাদ আগৰৱালা*
- প্ৰথম অসমীয়া ছবি— *জয়মতী, ১৯৩৫ চন*
- প্ৰথম অসমীয়া সম্পূৰ্ণ ৰঙীন ছবি— *ভাইটি*
- আন্তঃৰাষ্ট্ৰীয় বোলছবি মহোৎসৱত ভাগ লোৱা প্ৰথমগৰাকী অভিনেত্ৰী— *জ্ঞানদা কাকতি*
- অসমৰ প্ৰথম ভ্ৰাম্যমাণ থিয়েটাৰ— *নটৰাজ থিয়েটাৰ*
- অসমৰ প্ৰথমগৰাকী মহিলা ঢোলৰ ওজা— *পুণ্য প্ৰভা দত্ত তামুলী*
- অসমৰ প্ৰথম উচ্চ ন্যায়ালয়— *গুৱাহাটী উচ্চ ন্যায়ালয়*
- প্ৰথম অসমীয়া মহিলা আই.এ.এচ.— **পাৰুল দাস**
- এচিয়ান গেমছত স্বৰ্ণ পদক লাভ কৰা প্ৰথমগৰাকী এথ্‌লেট— *ভোগেশ্বৰ বৰুৱা*
- আন্তঃৰাজ্য এথ্‌লেটিক্‌ছত স্বৰ্ণ পদক অৰ্জন কৰা প্ৰথম অসমীয়া— *হিতেশ দাস, বঙাইগাঁও*
- আন্তঃৰাষ্ট্ৰীয় মহিলা হকীত প্ৰথম অসমীয়া মহিলা বিচাৰক— *ৰুক্মিনী দাস*
- Geographical Indication Logo লাভ কৰা অসমৰ প্ৰথমবিধ সামগ্ৰী— *মুগা চিল্ক*
- চন্দ্ৰযান-১ ৰ লগত জড়িত প্ৰথম আৰু একমাত্ৰ অসমীয়া বিজ্ঞানী— *ড° জীতেন্দ্ৰ নাথ গোস্বামী*
- অসমৰ প্ৰথমখন ফেশ্বন টেক্‌ন'লজি প্ৰতিষ্ঠান— *শুৱালকুছি ইনষ্টিটিউট অৱ ফেশ্বন টেক্‌ন'লজি, ২০০৮ চন*
- অসমৰ প্ৰথমটো চাহ কোম্পানী— *আসাম কোম্পানী*
- অসম ৰাজ্যিক ক্ৰীড়া পৰিষদৰ প্ৰথম অধ্যক্ষ— *অমিয় কুমাৰ দাস*
- জাৰ্মানীৰ বাইৰথ বিশ্ববিদ্যালয়ৰ পৰা ভূ-তত্ত্ব বিষয় গৱেষণা কৰি ডক্টৰেট পোৱা প্ৰথমগৰাকী অসমীয়া ভূ-তত্ত্ববিদ— *অসীমা শইকীয়া, ডিফু*

# শব্দশিল্প

“নিৰলে সোঁৰৰা হিয়াৰ আবেগেই কবিতা,
কবিতা সকলো প্ৰকাৰ জ্ঞান বা বোধৰ আত্মা আৰু সৰ্বোত্তম শক্তি।”

— ওৱৰ্ডছৱৰ্থ





# আৱৰণ

❍ বিতুপল বৰগোহাঞি
সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ

মোৰ শব্দৰ পৰিসীমাত ভিন্ন সংজ্ঞাৰ বিচৰণ
প্ৰেমৰ পৰা আৰ্তনাদলৈ।
ঋতুৰ ব্যৱধানত থিতাপি লোৱা
প্ৰতিটো উশাহ প্ৰতিজনৰ বাবেই সুকীয়া,
হয়তো আত্মউপলব্ধিৰ অবিহনে
চিনাকি উশাহো যেন অচিনাকি।
কেতিয়াবা বাৰিষাৰ প্লাৱনৰ উশাহ অনুভৱ কৰিছেনে?
হয়তো কৰা নাই।
গ্ৰীষ্মৰ প্ৰখৰতাত সেউজীয়াৰ বিৱৰ্তনৰ উশাহো
হয়তো অনুভৱ কৰা নাই।
মই জানো— আপুনি অন্নৰ সংজ্ঞা বিচাৰি
হাবাথুৰি নাখায়।
কাৰণ অনুভৱৰ পৃথিৱীত অন্নৰ সংজ্ঞা
আপোনাৰ পৰা বহু নিলগত।
দৃষ্টিৰ সীমনাত সুখৰ সংজ্ঞাও
আপোনাৰ পৰা একেবাৰেই পৃথক
আৰ্তনাদৰ প্ৰতিটো উশাহো এক অচিনাকি জীপাল স্পৰ্শ।
এবাৰ কাষ চাপি আহিব
অচিনাকি উশাহৰ উমাল উত্তাপ
প্ৰেমৰ পৰা আৰ্তনাদলৈ অনুভৱৰ বিশাল
পৃথিৱীত স্পৰ্শ কৰিবলৈ।


❑❑

# আধা ডজন জীৱনৰ কবিতা

❍ কাঞ্চন বৰুৱা

ল'ৰালি (১)

তিতিয়লি মন;
বাঢ়ি আহে চন;
মধুৰতাৰ মধুৰ ক্ষণ;
আই-পিতাইৰ আঁচলৰ ধন।
আইৰ নিচুকণি গীত
ধৰিব নোৱাৰো জিদ
পিতাইৰ গম্ভীৰ ঝংকাৰে
বুকুত তোলে ভয়ৰ ঝঞ্জাৰ।
আশাৰ ৰেঙনি
ভৱিষ্যতৰ সোপান খেদি
থমকি নৰয় নিচান
আগবাঢ়ি যায় জীৱন।।



জীৱন (২)

সুখ দুখৰ তুলাচনীত জীৱন
এফালে দুখৰ বোজা
আনফালে সুখ মিষ্টান্ন
কাঁটাডালে দেখোন দুখৰ ফালে ভীৰ লয়
হ'লেও তোমাৰ সাৰথিত আগবাঢ়িম
হেলাৰঙে ভাঙি যাম কণ্টকময় পথ
পাৰ হ'ম বৈতৰণী হাতত হাত ধৰি।

সাৰথি (৩)

কৃষ্ণৰ সাৰথিৰ দৰে
তুমি মোৰ সাৰথি
তোমাৰ গইনাত গঢ়িম জীৱনৰ নতুন দিশ
উন্মোচন হ'ব নতুন দিগন্তৰ
হেঙুলি আভা হৈ জিলিকি ৰ'ব সময়ৰ সোঁতত।

প্ৰেম (৪)

তুমি মোৰ হৃদয়ৰ এমুঠি জোনাক;
যৌৱনত আবিৰ সনা ফল্গুৰ ধাৰা।
মুক্তবিহংগক ছাঁ দিয়া বটবৃক্ষ তুমি,
এজাক বৰষুণ;
শুকান পথাৰ জীপাল কৰা।
দুখৰ জাঁজৰি উটুৱাই নিয়া
তুমি বাৰিষাৰ ঢল।

বৃদ্ধা (৫)

এয়া চোৱা মই এতিয়া বৃদ্ধাশ্ৰমত
আমাৰ সেই যে ঘৰটো এতিয়া জহিছে, খহিছে,
মই এতিয়া তোমাৰ সান্ত্বনাৰ মাতষাৰৰ পৰাও বহুযোজন দূৰত
চকুবোৰে দেখোন বৰ জিলমিল কৰে,
আমাৰ ল'ৰা-ছোৱালীবোৰ ডাঙৰ দেশত থাকে,
ব্যস্ত, সময় নাই...
মই এতিয়া বৃদ্ধা, খোজবোৰ থৰক বৰক
মৃত্যুৰ ক্ষণ গণি থকা
অসহায় বনিতা।

মৃত্যু (৬)

তোমাৰ অন্তৰীপ যাত্ৰাত
মই যে সাৰথি নহ'লো
কিয়?
সেয়ে নেকি মৃত্যু
দুৱাৰডলিত,
মৃত্যু শাশ্বত
মোৰ নিস্তব্ধ তুমিহীন হৃদয়ৰ
আকুলিত আহ্বান মৃত্যু
মোৰ জীৱন নাটৰ
শেষ লঙ্গৰ মৃত্যু,
নতুন জীৱনৰ এক অন্বেষণ
অবৰুধ্য মৃত্যু।।

❑❑

# প্ৰেমৰ দলিচাত গড়গাঁও মহাবিদ্যালয়

❍ **ভাৰ্গৱজ্যোতি গগৈ**
তৃতীয় যান্মাসিক, ভূ-তত্ত্ব বিভাগ

গড়গাঁও মহাবিদ্যালয়...
প্ৰেমত পৰিছো তোমাৰ
প্ৰেমত পৰিছো তোমাৰ,
সেউজীয়া আভৰণটোৰ।
কিৰিলিজাকৰ মাতত প্ৰাণ পাই উঠা,
বৃন্দাবনৰ সেই বতাহজাক।
গড়গঞাৰ সপোনবোৰত তুমি ওমলি ভালপোৱা
হেঁপাহৰ মোহনা বিচাৰি ফুৰা,
ক'লা-বগা আৰু নীলা-বগা চৰাইজাকৰ
নান্দনিক প্ৰতিভাবোৰ আলফুলে সাৱটি,
তোমাৰ যেন অবিৰত যাত্ৰা।
অস্ত অৰুণৰ ভাগৰুৱা পথিক হৈ,
কেতিয়াবা তোমালৈ ৰ' লাগি চাওঁ।
আৰু বুকুখনিত,
তেতিয়াই ঝংকাৰিত হৈ উঠে,
তোমাৰ প্ৰতি থকা অযুত ভালপোৱা,
গড়গাঁও মহাবিদ্যালয়...
বাৰুকৈয়ে প্ৰেমত পৰিছোঁ তোমাৰ।
ৰিব্‌ৰিব্ বতাহজাকৰ মাজেৰে,
সেই যে দীঘলীয়া ফুটপাথকেইটা,
কলা বিভাগৰ চিন্তাগধুৰ ভাৱবোৰৰ মাজেৰে
আৰম্ভ হয়,
ৰসায়ন বিজ্ঞান বিভাগৰ এচিডিটি,
গণিত বিভাগৰ জটিলতা,
পদাৰ্থ বিজ্ঞান বিভাগৰ কৌতুহলতা।
আৰু তাৰ পিছত লাহেকৈ প্ৰৱেশ কৰোঁ
শিলগুটিৰ দুনিয়াত।
দিনটো যেন তোমাৰ সৈতে ওমলোঁ,
তোমাৰ গহীন কাননত নিজকে সঁপি,
হৈ পৰিলো তোমাৰ নীৰৱ প্ৰেমিক।
প্ৰেক্ষাগৃহটোৰ ফালে কেতিয়াবা চাওঁ
ঢুলীয়া নাচনীৰ চেওত যেন,
বৃন্দাবনৰ সুকোমল কোলাত শুই থকা
চৰাইকেইটাইও আনন্দ কৰে।
কেণ্টিনত আকৌ চাহৰ গিলাচত জী উঠা
অভিমানী প্ৰেমবোৰ।
নাজানো তুমি ক'লৈ বাট দেখুৱাই লৈ যোৱা।
এটাই মাত্ৰ জানো,
কলেজীয়া জীৱনৰ মাদকতা তুমি।
আমাৰ আবেগ, আমাৰ অনুভূতি তুমি।
পথভ্ৰষ্ট পথিক হ'লেও জীৱন দিগন্তত
আমাৰ গড়গাঁও।
জীৱন যুদ্ধৰ আহিবলগীয়া দিনবোৰত
সদায়েই চিঞৰি উঠিম।
গড়গাঁও মহাবিদ্যালয়...
ভালপাওঁ তোমাক।

❑❑

# বন্যাৰ্তৰ বেদনা

❍ আশা দেৱী
প্ৰথম যান্মাসিক, ইংৰাজী বিভাগ

কলিজাৰ কেঁচা তেজবোৰ
শুহি শুহি শুকুৱাই পেলাইছ,
উটুৱাই নিছ কেঁচা কলিজাৰ
জীয়া সপোনবোৰ।
পথাৰখনে বিনাইছে অ'
নোৱাৰে সহ্য কৰিব।
মোহাৰি নিছ কৃষকৰ
সেউজীয়া ঘামৰ টোপালবোৰ,
পথাৰৰ বুকুত গজা
কৃষকৰ সেউজীয়া সপোনবোৰ।
তই জানো বুজ
অনাহাৰ, অনিদ্ৰাৰ অসহ্য চট্‌ফটনিবোৰ?
তই জানো দেখিছ
সন্তানহীনা মাকৰ বুকুৰ দপ্‌দপনিবোৰ?
নাই...
নিৰ্দয়তাৰ পাশা খেলি
কাঢ়ি আছ মাথোন
এবাৰ যদি কাৰোবাৰ বুকুৰ জীয়া ধন,
আনবাৰ কাৰোবাৰ পেটৰ খুদকণ।
তই নুবুজ কলিজাৰ তেজে ধোৱা
জীৱনৰ আধা লিখা গান,
তই নুবুজ দেহৰ ঘামে লিখা সপোনৰ
জীয়া অভিমান।
তই জান মাথোঁ
নিৰ্দয়তা আৰু নিৰ্দয়তা।
তই মাথোঁ এটা জীয়া অভিশাপ।

❑❑

# মৰহা ফুল

## (অশান্ত কামনাৰ বলি হোৱা কিশোৰীৰ আৱেগেৰে)

❍ সম্প্ৰীতি লাহন
তৃতীয় যান্মাসিক, প্ৰাণীবিজ্ঞান বিভাগ

মা, বুকুখন বৰকৈ বিষাইছে অ'
এবাৰ মৰমেৰে হাত বুলাই দেচোন মূৰত...,
মা তই গোৱা নিচুকনি গীতবোৰ
আকৌ এবাৰ গাচোন...
কুচিমুচি সোমাওঁ পুনৰবাৰ তোৰ কোলাত...।
তোৰ সপোনৰ পখিলাজনী,
দেউতাৰ ৰাজকুমাৰীজনী হ'ব
নোৱাৰিলো অ' মা...।
মা, মই যে সিদিনা ফেঁকুৰি ফেঁকুৰি
কান্দোতে তইও মোক সাবটি ধৰি
কান্দিছিলি আৰু মোক বুজাইছিলি
জীৱনটো বৰ কঠিন অ' আই...।
সঁচাকৈয়ে মা...।
চৌদিশ আন্ধাৰ এতিয়া...।
নৰপিশাচবোৰে আজুৰি খালে মোৰ
কলিজাৰ কেঁচা তেজ।
বাস্তৱে শুহি শুহি খাইছে সপোনবোৰ
মা, জীৱনটো সঁচাই কঠিন অ' মা।
নিলাম হয় হেনো দেহ
যন্ত্ৰণা আৰু আৰ্তনাদৰ বিনিময়ত
উশাহবোৰ চুটি হৈ আহিছে...
মা, মোক শুবলে দেচোন তোৰ কোলাত
ভাগৰুৱা আহত তোৰ সপোনপাহক
সাবটি ল তোৰ বুকুত...
ল'ব বিচাৰো তোৰ কোলাত
প্ৰশান্তিৰ শেষ নিশ্বাস...।



❑❑

# সেউজ প্ৰেমিক মোৰ...

❍ কংকণা বৰুৱা
পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

অনিন্দ্য ৰূপৱান মোৰ চঞ্চল প্ৰেমিক
কি নাম দি মাতিম তোমাক?
সুঠাম বুকুত সেউজীয়া চেলেং লৈ
ফুটন্ত যৌৱনৰ কি যে আমোলমোল বিলাস তোমাৰ।
নাজানো যেন দূৰ অতীতৰ
প্ৰভাতী পুৱাৰ মৃদু সমীৰণে
আলফুলে জগালে তোমাক
আন্ধাৰবুলীয়া কেঁকুৰা চুলিৰে
'চম্পাৱতীক বিয়া কৰাই ঘৰলৈ যাম'
তুমিয়েই নেকি তাহানিৰ সাধুকথাৰ ৰূপৰ সোপান।
চিৰযৌৱন, অপূৰ্ব সুন্দৰ ৰূপৰ মাধুৰীত
জ্বলা জুইত ক'ত চগা জাহ গ'ল...
আছে জানো হিচাপ তোমাৰ
তুমি যেন ইতিহাসৰ ও এখিলা সোণালী পাত।

কষচিত শিলৰ ৰেখাৰ দৰে উজলিছে
স্বমহিমাৰে প্ৰোজ্জ্বল তোমাৰ
চাও চিং কুঁৱৰী আৰু চুক্লেংমুঙৰ
সুউচ্চ শিৰ...
অন্নদাতা তুমি...
প্ৰাচুৰ্য্যৰ সম্ভাৰেৰে পূৰ্ণ বিশাল বক্ষ তোমাৰ...
কৃষ্ণাভ হ'লা তুমি, হ'লা বিশ্ববিজয়ী...
পূজ্য পিতৃৰূপী চিৰসেউজ প্ৰেমিক মোৰ,
তোমাক ভালপাওঁ বাবেই ইমান শুৱনি নেকি
ইমান মনোৰম তোমাৰ মুখ...
ক'ত দিন মাহ বছৰ ঋতু বাগৰি গ'ল
তথাপিও তোমাৰ বন্দনা মুখৰ...
ভাগৰুৱা পক্ষীৰ প্ৰাণ
তুমি বৈ থাকা ব্ৰহ্মপুত্ৰৰ দৰে নিৰৱধি—
কাহানিও নাযাওঁ পাহৰি তোমাক
আকৌ আহিছো লৰি তোমাৰ কাষলৈ
সেউজ প্ৰেমিক মোৰ সঞ্জীৱন সুধা
ঢালি জনাওঁ প্ৰণতি
হে' গড়গাঁও, তুমি চিৰঞ্জীৱি হোৱা...।

❑❑

# অনুভৱৰ লেখা

❍ চিমি গগৈ
তৃতীয় ষান্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ

আত্মবেগী মনটোৱেও যেন
সকলো মানি ল'ব খোজে,
ক্ষন্তেকতে হেজাৰ প্ৰশ্নৰ জোৱাৰৰ
সৃষ্টি কৰি অনুভৱ কৰাই
মনৰ ভাৱবোৰৰ।
ক্ষন্তেকতে হৃদয়ত আলোড়িত কৰাই,
জীৱনৰ মিঠা আৰু ৰঙীন ক্ষণবোৰ,
যাক আমি হয়তু কেতিয়াবা শব্দত,
নতুবা গান আৰু কেতিয়াবা
অভিনয় হিচাপে প্ৰকাশ কৰোঁ।
উপলব্ধি কৰাই প্ৰতিটো পল-অনুপলৰ।
দি যায় সকলোতে আনন্দৰ মাদকতা।
জীৱন অভিধানৰ প্ৰত্যেকটো দস্তাবেজৰ
হাঁহি আৰু কান্দোনৰ, সত্য আৰু অসত্যৰ
বিষাদ, যন্ত্ৰণা মিশ্ৰিত,
আৱেগিত সকলোবোৰ।
অনুভৱ, তোমাৰ আৰু মোৰ মাজৰ
যাক মই উপলব্ধি কৰোঁ
সময়ৰ খোজত।

❑❑

# সৰাপাত

❍ দীপজ্যোতি গোৱালা
তৃতীয় ষান্মাসিক, ভূগোল বিভাগ



কেতিয়াবা আনক ছাঁ দিয়া মই
সময়ৰ হাতত আজি পৰাস্ত।
সিৰা-উপসিৰাৰ সেউজীয়াবোৰ
আজি কিয় লঠঙা?
প্ৰকৃতিৰ নিয়মেইবা তাতেই এনে দশা।
এখন মৰুভূমিচোন।
ঠিকেই হাড় ভেদি মঙহহীন ঠাৰিটো কিন্তু
ছাল কেশৰৰ আৰু তাৰ অস্তিত্ব।
আৰু ; আৰু কালচক্ৰত হেৰাই নিজেই নিজৰ বৈৰী।
আৰু ;
ছাল-বাকলি নথকা সেই হাড়বোৰ এতিয়াও সতেজ।
সৰি পৰি কেতিয়াবাই জাহ গ'লহেঁতেন।
যদিহে কিতাপৰ পৃষ্ঠাৰ মাজত আবদ্ধ নকৰিলেহেঁতেন।
পলবোৰ অনুপল হ'ল আৰু
বছৰবোৰ শতিকা।
আজিও পৃষ্ঠাবোৰৰ ধূসৰিত চিয়াঁহীবোৰ আকৌ পোৱাৰ আশাত।
অমান্য নিয়তিৰ ইংগিতবোৰ।
সংসাৰৰ পৰা সাৰি ডায়েৰীৰ বুকুত।
জনসমুদ্ৰৰ ঢৌৰ পৰা সাৰি আজি অশ্ৰুত।
এখিলা সৰা জীৱন্ত পাত যেন।
কলি হৈ মেলিলো,
পাত হৈ জিলিকিলো।
আৰু সময়ে বিচ্ছেদ কৰি পেলালে।
সেই সেউজীয়াবোৰ এই মৃত সিৰাবোৰেনো ক'ত আভাস পাব?

❑❑

# শান্তিৰ সংবাদ

❍ প্ৰীতিস্মৃতা গগৈ
প্ৰথম ষান্মাসিক, অৰ্থনীতি বিভাগ

নৈখন বৈ গৈছে নীৰৱে।
জাকে জাকে অহা ৰাজহংসজাকে
শগুনৰ ৰূপ লৈ
নদীখন ঘোলা কৰিছে
বাৰে বাৰে।
দিবাকৰৰ উত্তাপত
নৈপৰীয়া বালিখিনি
অগ্নিদগ্ধ সদৃশ হৈ পৰিছে।
সোণালী সৰিয়হৰ খেতিপথাৰত
চৰি থকা সোণালী হৰিণাটো
প্ৰতিপল মৃত্যুৰ আশংকাত ভীতিগ্ৰস্ত।
নীলাভ সাগৰখনে যেন
টোপোলা বান্ধি কঢ়িয়াই আনিছে
সমস্ত জীৱনৰ অভিমান।
আই মাতৃৰ বুকুখনত
শূলে বিন্ধিছে,
উদং কৰিছে
আইৰ পূৰ্ণ কোলা।
দেশে-বিদেশে চলিছে
উত্তপ্ত তেজৰ অসংখ্য সুঁতি।
সেই সুঁতি আহি মিলিছে
নীৰৱ নদীখনৰ সৈতে।
তথাপিও যেন ক'ৰবাত
মানৱীয়তাৰ স্বৰূপ বিৰাজমান।
জীয়াই আছে মানুহ।
শান্ত হৈছে আই মাতৃৰ ক্ৰোধাগ্নি।
কৈলাশৰ ওপৰত ভগৱান শিৱৰ
তাণ্ডৱ নৃত্য আজি শান্ত।
সাগৰখনো বুজন হৈ উঠিল।
জোনাকৰ জ্যোৎস্না ম্লান পোহৰত
নদীখনে প্ৰাণ পাই উঠিছে।
তাম বৰণীয়া হৰিণী দুচকুৰে
তাই মানৱতাৰ গৰাকী।
তাইৰ পৰশত জীপ লৈ উঠিছে
এক সুস্থ মানৱতাবাদ,
লগতে লৈ আহিছে
বিশ্ব শান্তিৰ সংবাদ...।

❑❑



# আহিবা এদিন নদীৰ পাৰলৈ

❍ প্ৰিয়ম হাজৰিকা
তৃতীয় ষান্মাসিক, ভূ-তত্ত্ব বিভাগ

আমি নদীপৰীয়া মানুহ
পানী খেতি কৰোঁ
বানপানীৰ সতে আমাৰ সহবাস।
সময়বোৰ এতিয়া দুঃসময়
হত্যা, ধৰ্ষণ, মৃত্যু,
সলিল সমাধি, বৃদ্ধাশ্ৰম
কিম্বা ডিভোৰ্চ শব্দৰ কোলাহলত
আমি এতিয়া দিশহাৰা।
পাৰা যদি নদীৰ পাৰলৈকে আহিবা
ঘোলাপানীৰ পকনীয়ালৈ
বৰ ভয় লাগে অ' সখী।
লোকে কয়, পানীয়েই প্ৰাণীৰ প্ৰাণ।
ইমান পানী...?
কানিমুণি পৰত
চিনাকি বাটে অচিনাকি ৰূপ লোৱা সময়ত
চকামকাকৈ দেখা পোৱা
সেউজীয়া দুটি পাৰত
তুমি থকা হ'লে বুজিলাহেঁতেন
কেনেকৈ কাঢ়ি নিয়ে সপোন?
দিখৌ যেন আজি বদনামি হ'ল।
শেষ আলিংগন
মৰমৰ শেষ চুমা আঁকি
আসন্ন মৃত্যুৰ ক্ষণ গণি
ধাৱমান দিগন্তলৈ...
পাৰা যদি নদীৰ পাৰলৈকে আহিবা
শব্দৰ জখলাইদি
নমাই আনিম এজাক বৰষুণ।
সাক্ষীৰ অভাৱত চিৰদিন ৰৈ যোৱা
লিখি ৰ'ম প্ৰেমৰ এপিটাফ।

❑❑

# সপোনৰ ভাষা হেনো মানৱতা

❍ ৰনোজ দত্ত
প্ৰথম যান্মাসিক, ভূ-তত্ত্ব বিভাগ

সপোন
অতীত আৰু বাস্তৱৰ দোমোজাত
পৰি ৰয় এচুকত
কাৰণ নাই...
অক্ষমতা,
অকৰ্মণ্য মানৱতা
আৰু কল্পনাৰ অবিশ্বাস্যতা
অন্ততঃ মাৰ্টিন লুথাৰ কিং
সপোন
কেতিয়াবা অজানিতে বা অগোচৰে
সেয়ে সপোন দেখোঁ
দেখে সহস্ৰই
হয়েই কেতিয়াবা সপোনেৰে
সৃষ্ট, কৃষ্ট মানৱতা
অন্ততঃ অগোচৰে
সন্তগোমেৰী বাছ বয়কট
বা বৰ্ণ বিষণ্ণতা

আৰু বৰ্ণ বৈষম্য
আদৰ্শত উদ্বিগ্ন
নিষ্ঠুৰ আদৰ্শ
প্ৰশ্ন হয়
ক'ত মানৱতা
য'ত সপোনৰ ৰেঙনি
জীৱনৰ বাবে কলৰোল
আৰু আদৰ্শ
গান্ধীবাদী বা
লুথাৰ কিং।
সাক্ষ্য হ'ব
অমানৱীয় অবিশ্বাস্যতা
ৰেঙনি টানে আশাই
গোজে গোজালি মেলে কল্পনাই
প্ৰতিচ্ছবি তোলে

প্ৰতিধ্বনিত হয় স্বৰৰ মানৱীয়তা
আশা যেন নিস্তব্ধ
তথাপিও মাৰ্টিন লুথাৰ কিং
নিৰ্লোভ মানৱতা
স্বকীয় ভাস্কৰ্য
ধাৰণা লাগে
বিশ্বাস লাগে
মাৰ্টিন লুথাৰ কিং নহ'লেও
এটা সপোন লাগে
যাৰ ভাষা মানৱতা
আঁৰত থাকে হৃদয়ৰ মমতা
খামুচি ধৰি হাতৰ মুঠি
অগোচৰে চিঞৰিব পৰা
স্বাধীনতা
মোৰো এটা সপোন আছে।

❑❑



# মা

❍ উদয়াদিত্য বৰগোহাঁই
প্ৰথম যান্মাসিক, ভূগোল বিভাগ

স্কেচ্ছ্ - ১
— মা, আমি ৰাস্তাৰ কাষত কিয় থাকোঁ?
— মা, আমি আনে পেলাই দিয়া বস্তু কিয় খাব লাগে?
— মা, আমাৰ ৰংচঙীয়া ধুনীয়া কাপোৰ কিয় নাই?
— মা, আমাক দেখিলে মানুহবোৰে মুখ কিয় কোঁচাই?

স্কেচ্ছ্ - ২
— মা, এদিন আমাৰো ঘৰ হ'ব,
সৌ ওখ ঘৰটো যে, তাৰ দৰে।
— এদিন আমি হোটেলৰ ভিতৰত খাম মা,
বাহিৰত আনে পেলাই দিয়াৰ পৰা নহয়।
— আমিও এদিন ধুনীয়া ধুনীয়া কাপোৰ পিন্ধিম,
দামী দামী গাড়ীত ঘূৰিম মা।

স্কেচ্ছ্ - ৩
— মা আজি মই কাক ঘৰলৈ আনিলো চোৱা।
— মা, আমাৰতো এতিয়া সকলো আছে,
কিন্তু ইয়াৰ যে একো নাই
সেই ডাষ্টবিন আৰু ফুটপাথৰ বাহিৰে।।

❑❑

# নদী আৰু আকাশৰ বাবে এটি পদ্য

❍ ভাৰ্গৱ লিগিৰা
পঞ্চম যান্মাসিক, সমাজতত্ত্ব বিভাগ


খুলি দিয়া খিৰিকীখন,
ফাঁকেৰে সোমাই আহক
এচমকা ধূলিয়ৰি আশা

মোৰ যে বগা কামিজটো ঃ
তাত দেখোন ক'লা সময়ৰ চেঁকুৰা

উন্মাদ ৰাতিবোৰো জয়াল হয় কেতিয়াবা
কাণপাতি শুনিছানে?
ৰাস্তাৰে গিৰিপ্ গিৰিপ্‌কৈ পাৰ হয়
সপোনৰ তেজাল ৰঙা ঘোঁৰা
আইয়ে কয় পিতাইৰো মন আছিল সেই বাটেৰে
বাট বোলাৰ
অথচ,
উপজিবৰে পৰা আকাশ আৰু নদী মোৰ প্ৰিয়
আইৰ উকা সেওঁতাত যেতিয়া দেখোঁ
পিতাই বুকুৰ বুলেটৰ ৰঙা দাগ
দুচকু মুদি অনুভৱ কৰোঁ ঃ
আঃ! কি সুন্দৰ এই নীলা নদী
আৰু সুবিশাল আকাশ।।

❑❑

# মানৱতাৰ নিলৰ্জ্জ ছবি



❍ পূৰবী বুঢ়াগোহাঁই
পঞ্চম ষান্মাসিক, ইংৰাজী বিভাগ

দেশে দেশে শুনো কত
জীৱৰ ৰিণিকি...
আধুনিক সমাজৰ উত্তৰ-প্ৰজন্ম মানৱ তুমি...
তুমিয়েই নেকি ভদ্ৰতাৰ মুখা পিন্ধা মানৱ...?
নাই অন্তৰত অলপো মৰম-সহানুভূতি...
নাই অন্তৰত মানৱীয়তা...
আধুনিকতাৰ স্পৰ্শত আজি সকলো হৈ পৰিছে যান্ত্রিক মানৱ...
মানৱৰ ৰূপত আজি সকলো হৈ পৰিছে দানৱ।
তোমালোকৰ বহুৱালি, প্ৰলাপ গাঁথাৰে
লজ্জিত হৈছে নিজেই মানৱ...।
লজ্জাবোধ কৰিছে দগ্ধ সকলোকে...
হৈ পৰিছে সকলোৰে শিৰ নত...।
এফালে দেৱী পূজা,
আনফালে শোষণ-অত্যাচাৰ,
গাভৰু দেহা আজুৰি ফালি
কাম-লিপ্সা পূৰণ কৰা;
লোভ-লালসাই কাঢ়ি নিছে
জীৱনৰ অস্তিত্ব।
আনৰ পৱিত্ৰতা, সতীত্ব হৰণ কৰি
সমাজত পৰিচয় দিয়া মুখাপিন্ধা ভদ্ৰলোক হৈ
দয়াশীলতাৰ ধ্বনি দিয়া,
কিন্তু,
কোনে দেখিব...
তোমাৰ আঁৰৰ দানৱক...।

দয়া-মমতা দলিয়াই,
ক্ষমতাৰ ৰাগিত মতলীয়া হৈ
প্ৰেমৰ নামত কৰা প্ৰতাৰণা।
প্ৰতাৰণাৰ বলি হৈ
নিজ গৰ্ভজাতকক ডাষ্টবিনত কিম্বা
অনাথালয়ত কৰা নিক্ষেপ।
বিবেক-সংস্কাৰ বন্ধকত থৈ...
জন্মদাতাক দিয়া বৃদ্ধাশ্ৰমৰ সুখ...।
এয়াই নেকি মানৱতা...?
আজিৰ মানৱৰ
নিৰীহৰ তেজেৰে ফাকু খেলা
এয়াই নেকি মানৱতা?
আধুনিকতাৰ মাজত সকলো গৈছে হেৰাই..
হায় মানৱ...
ধিক্ এই মানৱতা।
পংকিল সময়ৰ বুকুত তোমাৰ ঠিকনা আজি যেন হেৰাই গৈছে...
ব'লা উভতি যাওঁ অতীতলৈ
উপভোগ কৰিম মানৱীয় সেই প্ৰশান্তি...।


❑❑

# Back to Nature

❍ **Plabita Phukon**
5th Semester, English Department

I was there,
Amidst the raindrops,
Listening to the
Soft music of
The rain drops touching the grass.
It has been a long time
Since I am out there,
And I was on the verge of
Forgetting the amazement of rain,
of the simple pleasures of nature.
And that day,
The rain fell on me,
And washed all of me
Including my soul
And I was the lover
Of rain again.
I saw the rainbow on the horizon,
Glittering with all her seven colours,
Remaining there as a path to heaven,
But what the very heaven is here
That the rain creates.
I watched the raindrops,
Hanging on the leaves,
Sparking like the pearls,
with every ray of the sun.

❑❑



# Evergreen Reminiscence

❍ **Angkrita Chetia**
3rd Semester, English Department

Days passed by in a wink of an eye
With the time passing by
Stopping not once: Always they went...
Bringing back to me the memories
Of glumness and gladness
Of my Sarathi Junior College life.
Dearest days of my life.
Someday I wish
I could go back in life.
Not to change anything,
But to feel a few things twice.
But... time is cruel
Departing from dear ones is really a pain.
Now I am going
On my own way
Wherever my destiny leads me,
With silent tears in my eyes;
I still pray to the supreme being.
May this segregation
Not separate souls
But keep them together
In their hearts
Forever and forever.

❑❑

# The Moonlight I Desire

❍ **Rainy Borgohain**
5th Semester, Chemistry Department



If I lose the sun,
I will rise by moonlight.
The moonlight I desire!
The safest light that helps me
Navigate around the weather,
The moonlight I desire!
Two souls of the lovers,
Murmuring the melody of love.
Moonlight tells me story of
How the sun loves the moon.
He died every night to let her breathe
The moonlight I desire!
Showing the seeds of light.

❑❑

# Love Supreme

❍ **Mustafiza Nasreen**
3rd Semester, Geology Department

From one heart, the other can never be so far,
Deep in me, my love, you are...
Like morning dew drops,
Like evening sun rays.
My love you are...
Like night full of fragrance of flowers,
Like a life, full of colours...
The warmth, the love, the soul within,
'Can you feel my breath on your skin?'
I shall keep loving and loving you.
Until this breath because of a love supreme,
Until we unite in one soul.

❑❑



# Winter

❍ **Nilakshi Boruah**
5th Semester, English Department

Moonlight comes through my open window,
The air is ice cold.
I see your face wade all stars up in the sky.
I used to lie on the carpet made of grass.
And stare at the empty space.
Now I see dust all around
I see in the trees the shape of your face.
It's a beautiful morning of winter
Your voice hits the air like thunder.
Trees are trembling with muffled crack
All the silences are about to break
In the infinite shape of nature's face.
I walk among the trees
I awake in the voice of bees
It is the starting of a new phase
Which the season makes.

❑❑

# সম্পাদকীয় প্রতিবেদন



# সভাপতিৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল ব্যক্তিলৈ সশ্ৰদ্ধ প্ৰণাম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো যিসকল ব্যক্তিৰ চেষ্টা আৰু কষ্টৰ ফলত গড়গাঁও মহাবিদ্যালয়ৰ পাতত এই ঐতিহ্যমণ্ডিত শিক্ষাৰ অনুষ্ঠানখন গঢ় লৈ উঠিছিল। এনে এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি পদত অধিষ্ঠিত হ'বলৈ পাই নিজকে ধন্য মানিছিলো। কাৰ্যকাল আৰম্ভ হোৱাৰ পাছতে আমি ছাত্ৰ একতা সভা লগ হৈ মহাবিদ্যালয়খনিত ক্ৰীড়া-সাহিত্য আৰু সাংস্কৃতিক সমাৰোহটি সুন্দৰভাৱে পালন কৰোঁ। ইয়াৰ পাছতে আমি ডিব্ৰুগড় বিশ্ববিদ্যালয়, আন্তঃমহাবিদ্যালয় মহোৎসৱটিত অংশগ্ৰহণ কৰিবলৈ এটি দল গঠন কৰি উলিওৱা হয়। লগতে এই দলটিয়ে মহাবিদ্যালয়খনিলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়।

মূল কাৰ্যসূচী হিচাপে আমি ছাত্ৰ একতা সভাই মহাবিদ্যালয় নৱাগত আদৰণী সভাৰ লগতে সৰস্বতী পূজা আদি কাৰ্যসূচীসমূহ মহাবিদ্যালয়ৰ সকলোৰে সহযোগত সুন্দৰভাৱে অনুষ্ঠিত কৰোঁ। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ বিভিন্ন সমস্যা আৰু বহুতো উন্নয়নশীল দিশৰ গুৰুত্ব প্ৰদান কৰিছিলো। ইয়াৰ পৰা কি ফল পালো নাজানো কিন্তু আমি সাধ্য অনুসাৰে চেষ্টা কৰিছিলো। যাতে মহাবিদ্যালয়খনিৰ প্ৰতিটো দিশতে সুস্থ-সবল হৈ উঠে। মোৰ ভাগত নিৰ্দিষ্ট কোনোধৰণৰ কাম নাছিল যদিও মই ছাত্ৰ একতা সভাখনিৰ অন্য বিষয়ববীয়াৰ কামসমূহ সুচাৰুৰূপে পালন কৰাত গুৰুত্ব দিয়াৰ লগতে পাৰ্যমানে সহায়ৰ হাত আগবঢ়াইছিলো। মহাবিদ্যালয়ৰ বিভিন্ন দিশৰ কাম কৰাৰ ইচ্ছা আছিল যদিও বিভিন্ন সমস্যাৰ ফলত হয়তো কৰা নহ'ল।

সদৌ শেষত ছাত্ৰ একতা সভাৰ কাৰ্যসূচীসমূহত বিভিন্ন ধৰণেৰে আমাক সহায় কৰা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু কৰ্তৃপক্ষক বহুতো কৃতজ্ঞতা জ্ঞাপন কৰিছো। শেষত আমাৰ গৌৰৱৰ গড়গাঁও মহাবিদ্যালয়খন যাতে বহু দূৰ আগবাঢ়ি যাব পাৰে, মহাবিদ্যালয়খন যাতে উন্নয়নৰ দিশত কোনো দিশ থমকি ৰ'ব লগা নহয় আৰু ঐতিহ্য বজাই ৰাখিব পাৰে তাৰে কামনা কৰিছো। যাতে আমি সকলোৰে ক'ব পাৰো, গড়গাঁও মহাবিদ্যালয় আমাৰ গৌৰৱ, আমাৰ স্বাভিমান।

জয়তু গড়গাঁও মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা

ইতি

ভাস্কৰজ্যোতি সন্দিকৈ
সভাপতি

# উপ-সভাপতিৰ প্ৰতিবেদন



উপ-সভাপতিৰ প্ৰতিবেদন আৰম্ভ কৰাৰ আগতে যিসকল মহান মনীষীৰ অশেষ কষ্ট আৰু ত্যাগৰ ফলত ১৯৫৯ চনৰ ৭ ছেপ্টেম্বৰত আমাৰ ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰিছিল তেওঁলোকলৈ মোৰ সহস্ৰ প্ৰণাম জ্ঞাপন কৰিলো, লগতে মহাবিদ্যালয়খন প্ৰতিষ্ঠা হোৱাৰ পৰা বৰ্তমান সময়লৈকে মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতিত যিসকল মহান ব্যক্তিয়ে অৱদান আগবঢ়ালে আৰু আগবঢ়াই আছে, তেওঁলোককো শ্ৰদ্ধা আৰু প্ৰণাম জনাইছো।

মই ২০১৮-১৯ বৰ্ষৰ মহাবিদ্যালয়ৰ উপ-সভাপতি পদৰ বাবে প্ৰাৰ্থীত্ব আগবঢ়াইছিলো যদিও কোনো ধৰণৰ প্ৰতিদ্বন্দ্বিতা নোহোৱাকৈ এককভাৱে জয়ী হৈছিলো। ছাত্ৰ একতা সভাৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস, বাৰ্ষিক ক্ৰীড়া সপ্তাহত ছাত্ৰ একতা সভাৰ সমূহ সদস্য-সদস্যাক সহায় কৰিছিলো। মহাবিদ্যালয়ৰ চাফাই অভিযানতো সমূহ ছাত্ৰ একতা সভাই একেলগে ৰূপায়ণ কৰিছিলো। কিছু কিছু ক্ষেত্ৰত যাতায়াতৰ অসুবিধাৰ বাবে ছাত্ৰ একতা সভাক সহায় কৰিব নোৱাৰাৰ বাবে ক্ষমা প্ৰাৰ্থী। সকলো দিশতে উৎসাহ, সাহস আৰু দিহা-পৰামৰ্শ দি সহায় কৰাৰ বাবে ৰাজনীতি বিজ্ঞান বিভাগৰ মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলক আৰু সমূহ ৰাজনীতি বিজ্ঞান পৰিয়াললৈ মোৰ ধন্যবাদ থাকিল। লগতে ভাইটি প্ৰাঞ্জল গগৈ, দাদা প্ৰকাশ বড়া, অংশুমান চুতীয়া আৰু ২০১৮-১৯ বৰ্ষৰ সমূহ সদস্য-সদস্যালৈ ধন্যবাদ জ্ঞাপন কৰিলো।

মোৰ এবছৰীয়া কাৰ্যকালত অজানিতে ৰৈ যোৱা দোষ-ত্ৰুটীসমূহৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থী হৈ ৰ'লো। সদৌ শেষত গড়গাঁও মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

জয়তু গড়গাঁও মহাবিদ্যালয়
জয়তু গড়গাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয়তু গড়গঞা

ধন্যবাদেৰে—

স্নেহা চাৰু
উপ-সভাপতি

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



নমস্কাৰ গ্ৰহণ কৰিব। ইতিহাসে গৰকা এখনি ঠাই গড়গাঁও আৰু এই অঞ্চলৰ লগতে ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ বহু মহান ব্যক্তিৰ ত্যাগ আৰু চেষ্টাৰ ফলত ১৯৫৯ চনৰ ৭ ছেপ্টেম্বৰত প্ৰাণ পাই উঠিছিল এক জ্ঞানৰ মন্দিৰ— ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়। প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল পুণ্যাত্মাক শ্ৰদ্ধাৰে স্মৰণ আৰু ভক্তিভৰা প্ৰণিপাত নিবেদিলোঁ।

সৰুৰে পৰা আনৰ বাবে কিবা অলপ কৰি যোৱাৰ কথা মনত পোহি ৰাখিছিলোঁ। সেয়েহে প্ৰাথমিক বিদ্যালয়ৰ স্তৰৰ পৰাই এনে কিছুমান দায়িত্ব লৈ আত্মসন্তুষ্টি লাভ কৰিছিলোঁ। প্ৰাথমিক বিদ্যালয় আৰু মাধ্যমিক বিদ্যালয়ত সম্পাদক হিচাপে কাম কৰি অহাৰ পাছত মহাবিদ্যালয় স্তৰতো কাম কৰি যোৱাৰ ইচ্ছা আছিল, সেয়েহে ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ৰ ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাধাৰণ সম্পাদকৰ পদটিৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলোঁ। মোৰ পৰম সৌভাগ্য অসমৰ এনে এখন আগশাৰীৰ শিক্ষানুষ্ঠানৰ ছাত্ৰ প্ৰতিনিধি হিচাপে দুই সহস্ৰাধিক গড়গঞাৰ মাজত অধিকাংশ গড়গঞাই এই মজিয়াখনৰ বাবে উপযুক্ত বুলি ভাৰি মোক জয়যুক্ত কৰাত সহায় আগবঢ়ালে। এই আপাহতে সেই শুভাকাংক্ষীসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ গুৰুদায়িত্ব পালন কৰি অহা অবিনাশ শইকীয়া দাৰ পৰা ২৭ আগষ্ট ২০১৮ তাৰিখে সাধাৰণ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰাৰ পৰাই মহাবিদ্যালয়ৰ বৃহত্তৰ স্বাৰ্থৰ হকে কাম কৰাৰ আৰু ছাত্ৰ সমাজৰ মাজত এক জাগৰণৰ সৃষ্টি কৰাৰ লগতে বহুতো পৰিকল্পনা আগত লৈ এবছৰীয়া কাৰ্যকাললৈ আগবাঢ়িছিলোঁ। কিন্তু সময়ৰ অভাৱ আৰু বহুতো অসুবিধাৰ বাবে বহুতো পৰিকল্পনা, পৰিকল্পনা হৈয়েই ৰ'ল। কিন্তু তাৰ ভিতৰতেই বহুতো কাম এই এবছৰীয়া কাৰ্যকালত সম্পন্ন কৰিলোঁ। সেইসমূহৰ চমু বিৱৰণ দাঙি ধৰিলোঁ।

(১) দায়িত্ব গ্ৰহণ কৰাৰ পাছতেই ছাত্ৰ একতা সভাৰ কাৰ্যালয়ত ৰং কৰোৱা হ'ল, প্ৰত্যেকজন সদস্যৰ বাবে সৰ্বমুঠ ১৫ খন নতুন চকী অনা হ'ল আৰু বহু সমস্যাৰ সমাধান কৰা হ'ল।

(২) ৭ ছেপ্টেম্বৰ ২০১৮ তাৰিখে মহাবিদ্যালয়ৰ ৬০ সংখ্যক প্ৰতিষ্ঠা দিৱসত ছাত্ৰ একতা সভাই পূৰ্ণ সহযোগিতা আগবঢ়ায়।

(৩) ২ অক্টোবৰ তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰ অনুজ চেতিয়া দাৰ অকাল মৃত্যুত ছাত্ৰ একতা সভাৰ লগতে গড়গাঁও পৰিয়ালে শোক প্ৰকাশ কৰি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। লগতে তেখেতৰ শ্ৰাদ্ধত কিছু সাহায্য আগবঢ়োৱা হয় আৰু মহাবিদ্যালয় পৰিয়াল আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সংস্থাৰ সহযোগত 'অনুজ' নামৰ শীৰ্ষক স্মৰণিকা উন্মোচন কৰা হয়।

(৪) ইয়াৰ পাছতেই সদৌ অসমত এক সুকীয়া মৰ্যাদা লাভ কৰা ২৭ সংখ্যক তনু কোঁৱৰ সোঁৱৰণী তৰ্ক প্ৰতিযোগিতাখনি সুকলমে অনুষ্ঠিত কৰা হয়।

(৫) ৩০ অক্টোবৰ তাৰিখে 'কলা দিৱস' পালন কৰা হয়।

(৬) মহাবিদ্যালয়ৰ শ্ৰেণীকোঠাসমূহ, চিলিং ফেনসমূহ, প্ৰস্ৰাৱগাৰ, শৌচাগাৰ আদিৰ মেৰামতি তথা নতুনকৈ বনাবলৈ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ ওচৰত স্মাৰক পত্ৰ দাখিল কৰা হয়।

(৭) ২০১৯ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ বাবে ২০১৮ বৰ্ষৰ ১ আৰু ৩ ডিচেম্বৰ তাৰিখে এখনি প্ৰাক নিৰ্বাচনী প্ৰক্ৰিয়া অনুষ্ঠিত কৰি এটা ২৫ জনীয়া দল নিৰ্বাচন কৰা হয়।

(৮) আন্তঃমহাবিদ্যালয় টাইকোৱানডো প্ৰতিযোগিতাৰ বাবে বিবেক গগৈ, WUSHU প্ৰতিযোগিতাৰ বাবে দীপান্বীতা বৰুৱা, সোনমণি খনিকৰ, পমী ভূঞা আৰু গীতাঞ্জলি ভূঞাক আৰু চটপুট প্ৰতিযোগিতাৰ বাবে চিণ্টু ফুকনক পঠিওৱা হয়। তেওঁলোকে ক্ৰমে সোণৰ পদক, দুটা ৰূপৰ আৰু দুটা ব্ৰঞ্জৰ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই

আনে। এই আপাহতে তেওঁলোক আটাইলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

(৯) মহাবিদ্যালয়ৰ এক গুৰুত্বপূৰ্ণ কাৰ্যসূচী বাৰ্ষিক ক্ৰীড়া, সাহিত্য আৰু সাংস্কৃতিক সমাৰোহখনি সপ্তাহজোৰা কাৰ্যসূচীৰে ৫ জানুৱাৰীৰ পৰা ১২ জানুৱাৰীলৈ বিভাগীয় সম্পাদকসকলৰ তৎপৰতাত সফলভাৱে ৰূপায়ণ হয়।

(১০) ২১ জানুৱাৰীৰ পৰা ২৪ জানুৱাৰীলৈ সৰুপথাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱলৈ নিৰ্বাচিত হোৱা ২৫ জনীয়া দলটি প্ৰেৰণ কৰা হয় আৰু দলটিয়ে ক্ৰমে তিনিটাকৈ সোণৰ পদক, এটা ৰূপৰ আৰু এটা ব্ৰঞ্জৰ, সৰ্বমুঠ ৫ টা সন্মানীয় পদক লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে। লগতে শেষৰ দিনা পুৱা ৪ বজাত সৰুপথাৰবাসীক উপহাৰ দিয়াৰ উদ্দেশ্যে মহাবিদ্যালয়ৰ চৌপাশত চাফাই অভিযান হাতত লওঁ আৰু এই কাৰ্যসূচী সাফল্যমণ্ডিত হৈ উঠে।

(১১) নাগৰিকত্ব সংশোধনী বিধেয়ক ২০১৬ বাতিলৰ বাবে গড়গঞাৰ সহযোগত ৬ ঘণ্টীয়া অনশন কাৰ্যসূচী হাতত লওঁ।

(১২) ১ ফেব্ৰুৱাৰী তাৰিখে মহাবিদ্যালয়ৰ প্ৰাক্তন সন্মানীয় অধ্যক্ষ ড° পুণ্যধৰ গগৈদেৱ, প্ৰাক্তন সন্মানীয় অতিৰিক্ত উপাধ্যক্ষ ড° যোগেশ বড়াদেৱ, ভূতত্ত্ব বিভাগৰ প্ৰাক্তন সন্মানীয় মুৰব্বী অধ্যাপক তথা জ্যেষ্ঠ অধ্যাপক শ্ৰীযুত পৰাগ বৰাদেৱক বিদায় দিয়াৰ উদ্দেশ্যে আৰু নৱনিযুক্ত সন্মানীয় অধ্যক্ষ ড° সব্যসাচী মহন্তদেৱক আদৰাৰ উদ্দেশ্যে এক অন্তৰংগ অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

(১৩) ২০১৯ বৰ্ষৰ শ্ৰীশ্ৰী সৰস্বতী পূজাভাগি উলহ-মালহেৰে পালন কৰা হয়।

(১৪) ২ ফেব্ৰুৱাৰী তাৰিখৰ পৰা মহাবিদ্যালয়ৰ চৌহদত এক চাফাই অভিযান হাতত লোৱা হয় আৰু এই কাৰ্যসূচী প্ৰত্যেক শনিবাৰে হাতত লোৱাৰ সিদ্ধান্ত লোৱা হয়।

(১৫) শিৱসাগৰৰ চাহিল আলি নামৰ ৪ বছৰীয়া এটি কণমানি শিশুৰ ব্ৰেইন টিউমাৰৰ অস্ত্ৰোপচাৰৰ বাবে গড়গঞাৰ সহযোগত আৰ্থিক সাহায্যৰ হাত আগবঢ়োৱা হয়।

(১৬) পুলৱামাত সংঘটিত হোৱা বোমা বিস্ফোৰণত নিহত হোৱা বীৰ জোৱানসকলৰ আত্মাৰ চিৰশান্তিৰ বাবে এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

(১৭) ২৫ ফেব্ৰুৱাৰী তাৰিখে এখনি সাধাৰণ সভা অনুষ্ঠিত কৰা হয়। লগতে উক্ত সভাখনিত আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতাত স্থান পাবলৈ সক্ষম হোৱা সদৌটিকে সম্বৰ্ধনা জনোৱা হয়।

(১৮) মহাবিদ্যালয়লৈ NAAC PEER TEAM য়ে সমীক্ষণ কৰিবলৈ অহাত ছাত্ৰ একতা সভাই তাৰ আৰম্ভণিৰ প্ৰাক্-মুহূৰ্তৰ পৰা শেষৰ আগমুহূৰ্তলৈকে পূৰ্ণ সহযোগিতা আগবঢ়ায়।

(১৯) CBCS (Choice Based Credit System) আৰু Online নামভৰ্তি হোৱাৰ বাবে বহুতো শিক্ষাৰ্থীক Online নামভৰ্তি কৰিবৰ বাবে ছাত্ৰ একতা সভাই নামভৰ্তি পৰামৰ্শ কেন্দ্ৰ (Admission Help Desk) আগবঢ়াও আৰু সম্পূৰ্ণভাৱে সহায়-সহযোগিতা আগবঢ়োৱা হয়।

(২০) ৫ জুন, বিশ্ব পৰিৱেশ দিৱসৰ উপলক্ষে মহাবিদ্যালয়ৰ চৌহদত ৩ টাকৈ নাহৰৰ পুলি, ৩ টাকৈ কৃষ্ণচূড়াৰ পুলি আৰু ৩ টা অন্যান্য পুলি ৰোপন কৰা হয়।

(২১) ২০১৯ বৰ্ষৰ 'নৱাগত আদৰণী সভা'খনি ২৯ জুন তাৰিখে উলহ-মালহেৰে অনুষ্ঠিত কৰা হয়। য'ত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে যোৰহাট লোকসভা সমষ্টিৰ সন্মানীয় সাংসদ শ্ৰীযুত তপন কুমাৰ গগৈ ডাঙৰীয়া আৰু মাহমৰা বিধানসভাৰ সন্মানীয় বিধায়ক তথা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ শ্ৰীযুত যোগেন মহন ডাঙৰীয়া আৰু সাংস্কৃতিক অনুষ্ঠানৰ মুখ্য আকৰ্ষণ হিচাপে উপস্থিত থাকে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী বাস্তৱ নাথ দা।

(২২) গড়গাঁও মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনি (NSS)ৰ সহযোগত শিৱসাগৰৰ সৰাগুৰি চাপৰিৰ বানাক্ৰান্ত লোকসকলক বান সাহায্য প্ৰদান কৰা হয়।

(২৩) 'গড়গঞা' ২০১৯ সংখ্যাটিৰ সাক্ষাৎ গ্ৰহণৰ অনুমতি প্ৰদান কৰা সাহিত্য জগতৰ এক উজ্জ্বল নক্ষত্ৰ শ্ৰীযুতা অনুৰাধা শৰ্মা পূজাৰী বাইদেউক ছাত্ৰ একতা সভাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়।

(২৪) মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰী ত্ৰিনয়ন দোলাকাষৰীয়াৰ পথ দুৰ্ঘটনা সংঘটিত হোৱাত তেওঁৰ অস্ত্ৰোপচাৰৰ বাবে

মহাবিদ্যালয়ৰ ছাত্ৰ সমাজ আৰু কৰ্মচাৰী গোটৰ সহযোগত আৰ্থিক সাহায্য আগবঢ়োৱা হয়। উক্ত কাৰ্যসূচীত সহযোগিতা আগবঢ়োৱা সদৌটিলৈকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

(২৫) মহাবিদ্যালয়ৰ ৬১ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু হীৰক জয়ন্তী বৰ্ষৰ শুভাৰম্ভ অনুষ্ঠানত ছাত্ৰ একতা সভাই পূৰ্ণ সহযোগিতা আগবঢ়োৱা হয়।

এনেদৰেই এবছৰীয়া কাৰ্যকালত এনে কামসমূহ মহাবিদ্যালয়ৰ হকে কৰি যোৱাৰ যৎপৰোনাস্তি চেষ্টা চলাইছিলোঁ। উক্ত কামসমূহৰ সফল ৰূপায়ণত সহায়-সহযোগ তথা দিহা-পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ প্ৰাক্তন সন্মানীয় অধ্যক্ষ মহোদয় ড° পুণ্যধৰ গগৈদেৱ, সন্মানীয় অধ্যক্ষ ড° সব্যসাচী মহন্তদেৱ, প্ৰাক্তন সন্মানীয় উপাধ্যক্ষ মহোদয়া আৰু প্ৰাক্তন সন্মানীয় অতিৰিক্ত উপাধ্যক্ষ মহোদয় ক্ৰমে ড° টুটুল বৰতামুলী বাইদেউ, ড° যোগেশ বৰা ছাৰলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তেওঁলোকৰ সহায়-সহযোগ তথা দিহা-পৰামৰ্শৰ অবিহনে হয়তো সফল হ'ব নোৱাৰিলোহেঁতেন। ধন্যবাদ জ্ঞাপন কৰিব লাগিব ছাত্ৰ একতা সভাৰ সন্মানীয় উপদেষ্টা ড° পৱন কুমাৰ গগৈ ছাৰকে আদি কৰি একতা সভাৰ সকলো উপদেষ্টামণ্ডলীলৈ। লগতে মোৰ প্ৰায়বোৰ কামত দিহা-পৰামৰ্শ আগবঢ়াই অহা NSS ৰ সমন্বয়ক শ্ৰদ্ধাৰ ড° ৰিমঝিম বৰা বাইদেউ, ড° বিদ্যানন্দ বৰকাকতি ছাৰ, ড° জিতু শইকীয়া ছাৰ, ড° অঞ্জন কোঁৱৰ ছাৰ, বিতুপল বৰগোহাঁই ছাৰ, ড° পংকজ কুমাৰ নাথ ছাৰ, দেৱযানী বকলীয়াল বাইদেউৰ লগতে সমূহ শিক্ষাগুৰুলৈ এই প্ৰতিবেদনৰ যোগেদি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এবছৰীয়া কাৰ্যকালত সহায়-সহযোগ আগবঢ়াই অহা মহাবিদ্যালয়ৰ চতুৰ্থ বৰ্গৰ প্ৰত্যেকজন খুৰালৈ মোৰ আন্তৰিক হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। বিশেষকৈ নাম ল'ব লাগিব সকলোৰে প্ৰিয় অনিল দাইলৈ। এওঁলোকৰ সহায়ৰ অবিহনেও হয়তো মই সফল হ'ব নোৱাৰিলোহেঁতেন। নিৰ্বাচনৰ আগমুহূৰ্তৰ পৰা কাৰ্যকালৰ শেষৰ আগমুহূৰ্তলৈকে সহায়-সহযোগ আগবঢ়াই অহা মানস সন্দিকৈ দা, প্ৰকাশ দা, মণিমুগ্ধ দা, প্ৰাক্তন সাধাৰণ সম্পাদক অবিনাশ শইকীয়া দা, শ্যামল দা, অঞ্জন দাকে প্ৰমুখ্য কৰি সমূহ অগ্ৰজলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। ধন্যবাদ জ্ঞাপন কৰিব লাগিব ছাত্ৰ একতা সভাৰ সভাপতি, উপ-সভাপতিকে প্ৰমুখ্য কৰি প্ৰত্যেকজন বিষয়ববীয়াক। এওঁলোকৰ অবিহনেও ছাত্ৰ একতা সভা সফল হোৱাতো কামনাৰ বাহিৰত আছিল। প্ৰাক্তন আলোচনী সম্পাদক ভাৰ্গৱ লিগিৰা দাই দিয়া সাহস, সহায় তথা দিহা-পৰামৰ্শ কেনেদৰে পাহৰিম? ধন্যবাদ তোমালৈও ভাৰ্গৱ দা। মৃন্ময় দা, কৌশিক দা, ডেনিচ দা, নৱ দা, বৰষা বা, পঞ্চমী বা, ক্ষমালিকা বা, লাকী বা, নয়নমণি বা, ৰুচিকা বা, অনন্যা বা, ৰাজশ্ৰী বা, জিমি বাৰ লগতে সমূহ অগ্ৰজ, বন্ধু দিগন্ত, বিকাশ, ৰূপম, সুৰুজ, মেঘনীল, প্ৰিয়াংশু, প্ৰাঞ্জল, বিভূতি, জিতু, নিতু, ৰাজনীশ, পৰীক্ষিত, গৌৰাঙ্গ, অয়ন, ৰিংকু, দীপশিখা, পূবালী, অৰুণিমা, বৈশালী, স্তুতি, সুষমাকে আদি কৰি সমূহ বন্ধু-বান্ধৱীৰ লগতে চাও চিং কুঁৱৰী ছাত্ৰী নিবাসৰ ছাত্ৰীসকলৰ সহায়-সহযোগিতাক কেনেদৰে পাহৰিম? ধন্যবাদ সকলোলৈ। ধন্যবাদ গড়গঞা। শেষত অনিচ্ছাকৃতভাৱে যিসকলৰ নাম উল্লেখ কৰিব নোৱাৰিলোঁ, তেওঁলোকলৈও অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সদৌশেষত মোৰ এবছৰীয়া কাৰ্যকালত ৰৈ যোৱা ভুল-ত্ৰুটীসমূহৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰি মহাবিদ্যালয়ৰ লগতে গড়গঞাৰ সৰ্বাংগীণ উন্নতি কামনা কৰি এই প্ৰতিবেদন সামৰণি মাৰিলোঁ। শেষত ড° লীলা গগৈদেৱৰ কথাৰেই কওঁ—

"নিবিড় তিমিৰ ভেদি
পোহৰৰ সীমা খেদি
আমি আগুৱাই যাওঁ।"

জয়তু গড়গাঁও মহাবিদ্যালয়
জয়তু গড়গাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভা

হিমাংশু গগৈ
সাধাৰণ সম্পাদক

# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



যিসকল মহান ব্যক্তিৰ অহোপুৰুষাৰ্থ কষ্ট, নিঃস্বাৰ্থ ত্যাগৰ বিনিময়ত এসময়ত আমাৰ এই ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয় প্ৰতিষ্ঠা হ'ল সেইসকল মহান ব্যক্তিলৈ পোনপ্ৰথমে মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো আৰু বৰ্তমান সময়তো যিসকল ব্যক্তিয়ে আমাৰ মহাবিদ্যালয়খন উন্নতিৰ পথত আগুৱাই নিয়াৰ চেষ্টা অব্যাহত ৰাখিছে সেইসকল সন্মানীয় ব্যক্তিলৈও মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ আৰু সন্মানীয় শিক্ষাগুৰুসকলৰ লগতে মহাবিদ্যালয়ৰ সমূহ কৰ্মীবৃন্দলৈ সশ্ৰদ্ধা প্ৰণিপাত জনালো।

গড়গাঁও মহাবিদ্যালয়ৰ যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদকৰ বাবে উপযুক্ত বুলি ভাবি বিবেকযুক্ত ভোটটিৰে মোক জয়যুক্ত কৰিলে তেওঁলোকলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। বিগত কাৰ্যকালত মই কিমান দূৰ সফল হ'ব পাৰিলো সেইয়া গড়গঞাই বিচাৰ কৰিব। এই সময়ছোৱাত সহকাৰী সাধাৰণ সম্পাদকৰূপে গড়গাঁও মহাবিদ্যালয়ৰ হে কাম কৰি যোৱাত চেষ্টাৰ ত্ৰুটী কৰা নাছিলো। উক্ত সময়ছোৱাত মই সাধাৰণ সম্পাদকৰ প্ৰত্যেকটো খোজতে খোজ মিলাই সহযোগী হ'বলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিলো। উল্লেখযোগ্য যে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পৰা মহাবিদ্যালয়ৰ হৈ সামূহিক দায়িত্ব পালন কৰাৰ উপৰিও মোৰ ওপৰত বিশেষভাৱে দায়িত্ব আহি পৰিছিল ছাত্ৰ-ছাত্ৰীসকলৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু 'সৰস্বতী পূজা' অনুষ্ঠিত কৰা। সীমিত অৰ্থৰ উপৰিও যথেষ্ট অসুবিধাৰ মাজেৰে মই দায়িত্ব নিৰ্বাহন কৰিবলগা হৈছিল। ইয়াৰ সমান্তৰালকৈ এই দিনটোত গড়গাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহত উদ্বোধনী অনুষ্ঠানটি অনুষ্ঠিত হৈছিল। উক্ত দিনটোৰ গধুৰ দায়িত্ব নিৰ্বাহন কৰিবলৈ যাওঁতে তথা মোৰ সমগ্ৰ কাৰ্যকালৰ সময়ছোৱাত ৰৈ যোৱা ভুলৰ বাবে মই এই আপাহতে আপোনাসৰৰ ওচৰত ক্ষমা-প্ৰাৰ্থনা জনালো।

শেষত মোৰ কাৰ্যকালত প্ৰত্যেকটো ক্ষেত্ৰতে সহায়-সহযোগিতা আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু, বন্ধুবৰ্গ তথা সমূহ অগ্ৰজ-অনুজ আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো।

জয়তু গড়গাঁও মহাবিদ্যালয়
জয়তু গড়গাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভা

প্ৰান্তত
হিমাংশু বৰা
সহকাৰী সাধাৰণ সম্পাদক

# উৎসৱ আৰু সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



মই মোৰ সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল মহান ব্যক্তিলৈ সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ যিসকলৰ প্ৰচেষ্টাত আমাৰ গড়গাঁও মহাবিদ্যালয় অসমৰ ভিতৰতে আগশাৰী শিক্ষানুষ্ঠান হিচাপে জিলিকি উঠিছে। তাৰোপৰি যিসকল শুভাকাংক্ষীৰ সহায়ত আৰু সহযোগিতাৰ ফলত মই ২০১৮-১৯ বৰ্ষৰ গড়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উৎসৱ আৰু সাংস্কৃতিক সম্পাদক হিচাপে জয়ী হ'লোঁ। এই ছেগতে তেওঁলোককো মোৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

২০১৮ চনৰ ২৭ আগষ্ট তাৰিখে ছাত্ৰ একতা সভাৰ উৎসৱ আৰু সাংস্কৃতিক সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পৰাই মোৰ এটাই মাথোঁ কৰ্তব্য হৈ পৰিছিল গড়গাঁও মহাবিদ্যালয়ৰ সংস্কৃতিৰ এনাজৰীডাল অক্ষুণ্ণ ৰখাৰ লগতে যিমান দূৰ সম্ভৱ ইয়াক প্ৰসাৰ কৰা। গড়গাঁও মহাবিদ্যালয়ত মই প্ৰথম খোজ দিয়াৰে পৰাই গড়গাঁও মহাবিদ্যালয়ৰ হিতৰ হকে কাম কৰি যোৱাৰ হেঁপাহ পুহি ৰাখিছিলোঁ, সময়ে যি সোণালী সুযোগ দিলে মই মোৰ সপোনবোৰ পূৰ কৰিবলৈ আগবাঢ়িলোঁ। কাৰ্যভাৰ হাতত লৈয়ে পোনপ্ৰথমে মহাবিদ্যালয়ত সদৌ অসম ভিত্তিত অনুষ্ঠিত কৰা 'তনু কোঁৱৰ সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা'খনিত সকলোৱে সমভাৱে সহায়-সহযোগিতা আগবঢ়াইছিলোঁ। ইয়াৰ পিছৰ কাৰ্যসূচী হিচাপে ৭ ছেপ্টেম্বৰ তাৰিখে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীসমূহ চলাই নিয়াত সকলোৰে সৈতে সহায় আগবঢ়াইছিলোঁ। ইয়াৰ পিছতে আহি পৰিছিল মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া, সাহিত্য আৰু সাংস্কৃতিক সমাৰোহ। এই বাৰ্ষিক ক্ৰীড়া, সাহিত্য আৰু সাংস্কৃতিক সমাৰোহৰ প্ৰথম শুভাৰম্ভণি এটা সুন্দৰ বাৰেৰহণীয় সাংস্কৃতিক শোভাযাত্ৰাৰে সম্পন্ন কৰিছিলোঁ। ইয়াৰ লগতে এই সমাৰোহত অভিনয়, নৃত্য আদিকে ধৰি ৯ টা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। উৎসৱ আৰু সাংস্কৃতিক সম্পাদক হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱলৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক যোগদান কৰিবলৈ নিয়াটোৱে মোৰ বাবে কষ্টকৰ কাম আছিল। তথাপিও সকলোকে একত্ৰিতভাৱে সাজু কৰি ২৫ জনীয়া দলটি যুৱ মহোৎসৱত যোগদান কৰিবলৈ লৈ গৈছিলোঁ। ঠিক সেইদৰে সকলোৰে কষ্টৰ ফলত আমি ৫ টাকৈ পুৰস্কাৰ পাবলৈ সক্ষম হৈছিলো। তাৰোপৰি মহাবিদ্যালয়ৰ চৌহদটো চাফ-চিকুণ কৰি ৰাখিবৰ বাবে ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়া লগ হৈ প্ৰত্যেক শনিবাৰে চাফাই কাৰ্যসূচী গ্ৰহণ কৰিছিলোঁ। ঠিক সেইদৰে মহাবিদ্যালয়ৰ এজন জ্যেষ্ঠ দাদা ঁঅনুজ চেতিয়াৰ অকাল মৃত্যু হোৱাত ছাত্ৰ একতা সভাৰ সকলো সদস্য লগ হৈ তেওঁলোকৰ পৰিয়ালবৰ্গলৈ আৰ্থিক অনুদান আগবঢ়াইছিলোঁ। আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° পূণ্যধৰ গগৈ ছাৰৰ বিদায় সভাৰ লগত নৱনিযুক্ত অধ্যক্ষ ড° সব্যসাচী মহন্ত ছাৰৰ যি আদৰণী অনুষ্ঠান পতা হৈছিল তাতো সকলো ছাত্ৰ একতা সভাৰ বিষয়ববীয়াই সমভাৱে সহায়ৰ হাত আগবঢ়াইছিলোঁ। ইয়াৰ পৰৱৰ্তী সময়ত যিহেতু মহাবিদ্যালয়ৰ নতুনকৈ নামভৰ্তি প্ৰক্ৰিয়া অনলাইনৰ যোগেদি আৰম্ভ কৰা হৈছিল, সেয়ে সকলো ছাত্ৰ একতা সভাৰ পৰামৰ্শ নামভৰ্তিৰ কেন্দ্ৰৰ দ্বাৰা নামভৰ্তিত সহায় কৰা হৈছিল। প্ৰত্যেক বছৰৰ দৰে এইবছৰো মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভা আয়োজন কৰা হৈছিল। সেই সভাখনত সাংস্কৃতিক কাৰ্যসূচীৰ আগভাগ লৈ সাংস্কৃতিক কাৰ্যসূচীসমূহ সুকলমে পৰিৱেশন কৰাইছিল।

ইয়াৰ উপৰিও কাজিৰঙা বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ৰাজীৱ গান্ধী পেট্ৰ'লিয়াম বিশ্ববিদ্যালয়ৰ সাংস্কৃতিক অনুষ্ঠানতো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক অংশগ্ৰহণ কৰিবলৈ লৈ গৈছিলোঁ। সুখৰ খবৰ সকলোতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেষ্ঠত্বৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হৈছিল। উৎসৱ আৰু সাংস্কৃতিক সম্পাদক হিচাপে মোৰ যিমানবোৰ পৰিকল্পনা আছিল মই সেইবোৰ সকলো পূৰণ কৰিব নোৱাৰিলো। তথাপিও যিমানখিনি পাৰিলো সিমানখিনি দিবলৈ চেষ্টা কৰিছিলোঁ। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পূণ্যধৰ গগৈ ছাৰ, ড° টুটুল বৰতামুলী বাইদেউ, ড° মিণ্টু গগৈ ছাৰ, শ্ৰীযুত প্ৰণৱ গগৈ ছাৰ, শ্ৰীযুত হৰেকৃষ্ণ মিলি ছাৰে মোৰ সাংস্কৃতিক কাৰ্যসমূহ ৰূপায়ণ কৰাত যি সহায়-সহযোগিতা আগবঢ়ালে তাৰ বাবে তেওঁলোকলৈ মোৰ ফালৰ পৰা অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। শেষত গড়গাঁও মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনাৰে—

জয়তু গড়গাঁও মহাবিদ্যালয়  
জয়তু ছাত্ৰ একতা সভা

প্ৰান্তত  
বিদুৰ গগৈ  
উৎসৱ আৰু সাংস্কৃতিক সম্পাদক

# সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাক্‌মুহূৰ্তত সেইসকল মহান মনীষীলৈ অন্তৰৰ পৰা শ্ৰদ্ধা নিবেদিছোঁ, যিসকলৰ ত্যাগ, কষ্ট আৰু অহোপুৰুষাৰ্থ চেষ্টাৰ ফলত আজি গড়গাঁও মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা হৈছিল। সেই ত্যাগৰ ফলত জন্ম হোৱা গড়গাঁও এতিয়া সগৌৰৱেৰে থিয় দি আছে সুউচ্চ চাৰিগড়ৰ মাজত, উজনি অসমৰ এখন আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠান হৈ গঢ়িছে হাজাৰ হাজাৰজন মানৱ সম্পদ।

প্ৰতিজন গড়গঞাৰ আৱেগ আৰু স্বাভিমান হৈছে গড়গাঁও মহাবিদ্যালয়। এনে এখন আগশাৰীৰ মহাবিদ্যালয়ৰ ২০১৮-২০১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকা হিচাপে গড়গঞাই মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে আপোনাসবৰ ওচৰত সদায় চিৰকৃতজ্ঞ হৈ ৰ'ম। মোৰ বাবে ই পৰম সৌভাগ্য। ২৭ আগষ্ট ২০১৮ চনত কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মোৰ প্ৰথম কাৰ্যসূচী হিচাপে মহাবিদ্যালয়ৰ ৬০ তম প্ৰতিষ্ঠা দিৱস আহি পৰিছিল। আমি সকলোৱে মিলি এই কাৰ্যসূচী সুন্দৰকৈ চলাই নিলো, সহায় কৰিছিল শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলে বিভিন্ন ধৰণেৰে দিহা-পৰামৰ্শ আগবঢ়াই।

তাৰপাছত আহিল বাৰ্ষিক ক্ৰীড়া সপ্তাহ। এই ক্ৰীড়া সপ্তাহত সকলো বিষয়ববীয়াই নিজ নিজ বিভাগৰ প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে চলাই যোৱাৰ লগতে মইও বিভাগীয় প্ৰতিযোগিতাসমূহৰ জৰিয়তে মহাবিদ্যালয়ৰ সুপ্ত প্ৰতিভাসমূহক বিকশিত কৰাৰ মানসেৰে মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপিকা শ্ৰীযুতা শ্যামলীমা শইকীয়া বাইদেউ আৰু বহুকেইগৰাকী অধ্যাপক-অধ্যাপিকাৰ সহযোগত অনুষ্ঠিত কৰাৰ দায়িত্ব ল'লো ১৯ টা বিভাগত।

ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ বাহিৰত অনুষ্ঠিত বিভিন্ন সাহিত্য প্ৰতিযোগিতাসমূহলৈ প্ৰতিযোগী প্ৰেৰণ কৰা হৈছিল। মোৰ দায়িত্বৰ কালছোৱাত মহাবিদ্যালয়ৰ 'অসমীয়া বিভাগ'ৰ ছাত্ৰ শ্ৰী শোভনজ্যোতি দুৱৰাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত কবিতা আবৃত্তিত প্ৰথম স্থান পাই মহাবিদ্যালয়খনলৈ সুনাম কঢ়িয়াই আনিছিল।
নিজ কাৰ্যসূচীসমূহ সুচাৰুৰূপে চলাই নিয়াৰ লগতে মহাবিদ্যালয়ৰ বিভিন্নধৰণৰ কাৰ্যসূচীত সহায়ৰ হাত আগবঢ়াইছিলোঁ।

গড়গঞাৰ আৱেগৰ আন এক প্ৰতিফলন মুখপত্ৰ 'গড়গঞা'। যিসকল ব্যক্তিৰ প্ৰচেষ্টাত 'গড়গঞা' আলোচনীখন প্ৰকাশ কৰি উলিয়াবলৈ সক্ষম হ'লো তেওঁলোক প্ৰত্যেকজনলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ। এইক্ষেত্ৰত মোক প্ৰতিখোজতে দিহা-পৰামৰ্শ দিবলৈ সহায়ৰ হাত আগবঢ়োৱা মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড° সব্যসাচী মহন্ত ছাৰ, অসমীয়া বিভাগৰ অধ্যাপিকা শ্ৰীমতী দেৱযানী বকলিয়াল বাইদেউ আৰু ভূগোল বিভাগৰ অধ্যাপিকা শ্ৰীযুক্তা মনোৰমা ফুকন বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ছাত্ৰ একতা সভাৰ আন বিষয়ববীয়াসকল আৰু প্ৰতিজন গড়গঞাৰ পৰা পোৱা সহায়ৰ হাত সদায় শ্ৰদ্ধাৰে সোঁৱৰিম।

পুনৰবাৰ প্ৰত্যেকজন শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ আৰু গড়গঞাক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ এই উৎসাহ আৰু সাহস দিয়াৰ বাবে মোক। এইক্ষেত্ৰত কিমানদূৰ সফল হ'লোঁ সেয়া আপোনালোকৰ বিচাৰ্য বিষয়।

শেষত মোৰ কাৰ্যকালত অজানিতে আপোনাসবৰ ওচৰত হোৱা ভুল-ত্ৰুটীসমূহৰ বাবে সকলোকে ক্ষমা-প্ৰাৰ্থনা জনাইছোঁ। লগতে হৃদয়ৰ পৰা মহাবিদ্যালয়খনিৰ সফলতা কামনা কৰিলোঁ প্ৰতিটো দিশত, প্ৰতিটো খোজত।

গড়গঞা সুখী থাকক।

জয়তু গড়গাঁও মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা

সাগৰিকা দিহিঙীয়া
সাহিত্য আৰু আলোচনী সম্পাদক



# তৰ্ক আৰু আনুষংগিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক্‌ক্ষণত মই সেইসকল মহান ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছো আৰু প্ৰণিপাত জনাইছোঁ যিসকলৰ অশেষ কষ্ট আৰু ত্যাগৰ ফলত ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ে প্ৰাণ পাই উঠিল। মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ শিক্ষাগুৰুবৃন্দৰ লগতে কৰ্মচাৰীবৃন্দ তথা মহাবিদ্যালয়খনক সকলো দিশত উজলাই তোলা ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ।

গড়গাঁও মহাবিদ্যালয়ত পঢ়াৰ মোৰ এক হেঁপাহ আছিল। সেই উদ্দেশ্যে মই এই মহাবিদ্যালয়ত নামভৰ্তি কৰিছিলো। গড়গাঁও মহাবিদ্যালয়ৰ বিশেষত্ব হৈছে গড়গাঁৰ ইতিহাস আৰু প্ৰাকৃতিক সৌন্দৰ্য। মহাবিদ্যালয়ত ভৰি দিয়াৰ দিনাৰ পৰাই মহাবিদ্যালয়খনৰ হকে কিবা এটা কৰাৰ আশা মনত বান্ধিছিলোঁ। সেই উদ্দেশ্যেই ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত তৰ্ক আৰু আনুষংগিক বিভাগৰ সম্পাদক পদত প্ৰাৰ্থীত্ব আগবঢ়াইছিলো আৰু জয়লাভ কৰিছিলোঁ। উক্ত নিৰ্বাচনত মোক সহায়-সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ অগ্ৰজ, অনুজ আৰু সতীৰ্থসকললৈ মোৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ছাত্ৰ একতা সভাৰ সম্পাদক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছতেই প্ৰথম মহাবিদ্যালয়ৰ ৫৯ সংখ্যক প্ৰতিষ্ঠা দিৱসটিত পাৰ্যমানে সহায়-সহযোগিতা আগবঢ়াবলৈ পাৰ্যমানে চেষ্টা কৰিলো। তাৰ পাছতে মহাবিদ্যালয়ত অনুষ্ঠিত হৈছিল সদৌ অসম ভিত্তিত তনু কোঁৱৰ সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা। উক্ত প্ৰতিযোগিতাতো যিমান পাৰো সহায়-সহযোগিতা আগবঢ়ালো।

ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ এক গুৰুদায়িত্ব হ'ল মহাবিদ্যালয় সপ্তাহ আয়োজন কৰা। তাৰ উদ্দেশ্যে ৫ জানুৱাৰী তাৰিখৰ পৰা ১২ জানুৱাৰী তাৰিখলৈকে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰিছিলো। মোৰ দায়িত্বত থকা প্ৰতিযোগিতাসমূহ হ'ল— তৰ্ক, কুইজ, আকস্মিক বক্তৃতা আৰু নিৰ্দিষ্ট বিষয়ৰ বক্তৃতা। মই আটাইকেইটা প্ৰতিযোগিতা সুকলমে অনুষ্ঠিত কৰিবলৈ চেষ্টা কৰিলো। কিন্তু মহাবিদ্যালয় সপ্তাহত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই নগণ্য। আমি সকলোৱে জানো যে, গড়গাঁও মহাবিদ্যালয়ত প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীৰ অভাৱ নাই। গতিকে মহাবিদ্যালয় সপ্তাহত নিজৰ প্ৰতিভাসমূহ প্ৰকাশ কৰি মহাবিদ্যালয়ৰ লগতে সমাজৰো গৌৰৱ বৃদ্ধি কৰে।

আমাৰ বাবে এক সৌভাগ্যৰ কথা যে, আমাৰ কাৰ্যকালতে NAAC Peer Team মহাবিদ্যালয় পৰিদৰ্শন কৰিবলৈ আহিছিল। সেই সময়তো আমি মহাবিদ্যালয়ৰ সকলো ক্ষেত্ৰত শ্ৰেষ্ঠ হিচাপে প্ৰকাশ কৰি দেখুৱাবলৈ চেষ্টা কৰিছিলো।

তাৰ পাছতে আমাৰ আন এক গুৰুত্বপূৰ্ণ দায়িত্ব হ'ল নৱাগত আদৰণী সভা। প্ৰতিবছৰৰ দৰে এইবাৰো আমি নৱাগতসকলক আদৰণি জনোৱাৰ উদ্দেশ্যে ৩০/০৬/২০১৯ তাৰিখে নৱাগত আদৰণী সভা অনুষ্ঠিত কৰিছিলো আৰু আমি অশেষ কষ্ট কৰিছিলোঁ। উক্ত নৱাগত আদৰণী সভাখনিত কিছুমান ভুল-ত্ৰুটী ৰৈ গৈছিল। তাৰবাবে এই প্ৰতিবেদনৰ যোগেদি সকলোকে ক্ষমা বিচাৰিছোঁ।

মোৰ এই এবছৰীয়া কাৰ্যকালত যিসকলে মোক উৎসাহ, পৰামৰ্শ আৰু সহায়-সহযোগিতা আগবঢ়ালে, সকলোকে মই শ্ৰদ্ধা আৰু সেৱা জ্ঞাপন কৰিছো। সৰ্বপ্ৰথমে মই কৃতজ্ঞতা জনাইছো মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° পূণ্যধৰ গগৈ ছাৰ আৰু বৰ্তমানৰ অধ্যক্ষ ড° সব্যসাচী মহন্ত ছাৰ আৰু লগতে মোৰ বিভাগীয় উপদেষ্টা শ্ৰীযুত বিতুপল বৰগোহাঁই ছাৰক। তাৰ পাছতে মই IQAC ৰ Co-ordinator পৱন গগৈ ছাৰৰ লগতে মহাবিদ্যালয়ৰ অন্যান্য শিক্ষাগুৰু, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোৰ কাৰ্যকালত জ্ঞাতে-অজ্ঞাতে ৰৈ যোৱা ভুল-ত্ৰুটীসমূহৰ বাবে সকলোৰে ওচৰত মই ক্ষমা-প্ৰাৰ্থনা বিচাৰিছোঁ। গড়গাঁও মহাবিদ্যালয় আমাৰ আৱেগ আৰু গৌৰৱ। এই গৌৰৱ চিৰকাললৈ অক্ষুণ্ণ থাকক আৰু দোপত-দোপে আগবাঢ়ি যাওক। এজন গড়গঞা হিচাপে মহাবিদ্যালয়ৰ প্ৰতি মোৰ যি দায়িত্ব আৰু কৰ্তব্য আছে সেয়া ভৱিষ্যত দিনবোৰলৈও নিষ্ঠাৰে পালন কৰি যাবলৈ চেষ্টা কৰিম। শেষত মহাবিদ্যালয়ৰ দীৰ্ঘায়ু কামনাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিছো।

জয়তু গড়গাঁও মহাবিদ্যালয়

জয়তু গড়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

প্ৰান্তত

বিদ্যুৎ বিকাশ বড়া
তৰ্ক আৰু আনুষংগিক বিভাগৰ সম্পাদক

# সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ আঁৰৰ সেই মহান মনীষীসকলৰ ত্যাগ আৰু আপ্ৰাণ চেষ্টাক সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰ নিৰ্মালী অৰ্পণ কৰিছোঁ। মহাবিদ্যালয়ৰ গৌৰৱ আৰু অক্ষুণ্ণ ৰখাৰ ক্ষেত্ৰত যিসকল গণ্য-মান্য ব্যক্তিৰ অৱদান, তেওঁলোকলৈ পোনপ্ৰথমে প্ৰণিপাত জনাইছোঁ। তেখেতসকলৰ এই মহানুভৱতাই গড়গাঁও মহাবিদ্যালয়ক উন্নতিৰ শীৰ্ষত আগুৱাই নিছে।

গড়গাঁও মহাবিদ্যালয়ৰ ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সংগীত বিভাগৰ সম্পাদক হিচাপে যিসকল শুভাকাংক্ষীৰ সহায় আৰু সহযোগিতাৰ ফলস্বৰূপে নিৰ্বাচিত হ'লো, তেখেতসকলক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। উক্ত পদটিৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰে পৰা সকলোখিনি দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ চেষ্টা কৰিছিলোঁ। মহাবিদ্যালয়ৰ গুৰুত্বপূৰ্ণ কাৰ্যসূচীবিলাকত সংগীত পৰিৱেশনৰ প্ৰতি লক্ষ্য ৰাখিছিলোঁ। সম্পাদকীয় বাব পোৱাৰ পাছতেই মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সমাৰোহত সাহিত্য-সংস্কৃতিৰ অন্তৰ্গত মোৰ বিভাগীয় প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে পালন কৰাৰ লগতে যুৱ মহোৎসৱলৈও প্ৰতিযোগী প্ৰেৰণ কৰিছিলোঁ।

উক্ত পদক্ষেপসমূহ গ্ৰহণ কৰাৰ আৰু পৰিচালনা কৰাৰ ক্ষেত্ৰত দিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতা আগবঢ়োৱা বিভাগীয় উপদেষ্টা শ্ৰীযুক্তা পলি কোঁৱৰ বাইদেউৰ মই চিৰকৃতজ্ঞ। মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ মহোদয় শ্ৰদ্ধাৰ ড° পুণ্যধৰ গগৈ ছাৰ, অধ্যক্ষ মহোদয় শ্ৰদ্ধাৰ ড° সব্যসাচী মহন্ত ছাৰ আৰু ছাত্ৰ একতা সভাৰ প্ৰতিজন সদস্য-সদস্যালৈ মোৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ। শেষত গড়গাঁও মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতিৰ কামনাৰে—

জয়তু গড়গাঁও মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা

প্ৰান্তত

গায়ত্ৰী হাতীমূৰীয়া
সংগীত বিভাগৰ সম্পাদক

# ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ প্ৰচেষ্টাত ১৯৫৯ চনৰ ৭ ছেপ্তেম্বৰ তাৰিখে ইতিহাসত জিলিকি পৰা আমাৰ জ্ঞানৰ পবিত্ৰ মন্দিৰ গড়গাঁও মহাবিদ্যালয়খন প্ৰাণ পাই উঠিছিল, সেই মহান তথা বৰেণ্য ব্যক্তিসকললৈ মোৰ তৰফৰ পৰা আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ-উপাধ্যক্ষ মহোদয়, পূজনীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ, মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু ভাইটি-ভণ্টীলৈ মই মোৰ আন্তৰিক ওলগ জনাইছোঁ।

এই পবিত্ৰ জ্ঞানৰ গড়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ আৰু ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে সেৱা আগবঢ়াবলৈ পাই বহুত সুখী। সম্পাদক পদ পোৱাৰ পাছত মোৰ কাৰ্যসূচীসমূহ সুকলমে চলাই নিবলৈ চেষ্টা কৰিছিলোঁ। এইক্ষেত্ৰত কিমান সফল হ'ব পাৰিলোঁ নাজানো, সেয়া আপোনালোকৰ বিচাৰ্য। ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰি মই বাৰ্ষিক ক্ৰীড়া, সাহিত্য আৰু সাংস্কৃতিক সমাৰোহৰ বাবে প্ৰস্তুতি চলাবলগা হৈছিল। সমাৰোহৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ ক্ৰীড়া অনুষ্ঠানসমূহ অনুষ্ঠিত কৰা হৈছিল। তদুপৰি আন্তঃমহাবিদ্যালয় এথলেটিক্চ প্ৰতিযোগিতালৈও খেলুৱৈ ধেমাজি মৰিধল মহাবিদ্যালয়লৈ লৈ গৈছিলোঁ। তাত এজন খেলুৱৈয়ে হামাৰ থ্ৰ' প্ৰতিযোগিতাত তৃতীয় স্থান লাভ কৰিছিল।

মোৰ সম্পাদকৰ কাৰ্যকালত দিয়া পৰামৰ্শ আগবঢ়োৱা বিভাগীয় উপদেষ্টা ড° জিতু শইকীয়া ছাৰলৈ মোৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মোৰ অগ্ৰজ তথা বন্ধু-বান্ধৱী আৰু সমূহ শুভাকাংক্ষীলৈ প্ৰতিবেদনৰ জৰিয়তে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে বৈ যোৱা ভুল-ত্ৰুটীৰ বাবে ক্ষমা-প্ৰাৰ্থনা বিচাৰিছো লগতে মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনা কৰি মোৰ বিভাগীয় প্ৰতিবেদন সামৰিছোঁ।

ধন্যবাদেৰে—

জয়তু গড়গাঁও মহাবিদ্যালয়
জয়তু গড়গাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভা

যুৱৰাজ দেউৰী
ক্ৰীড়া বিভাগৰ সম্পাদক

# গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ প্ৰচেষ্টাত ১৯৫৯ চনৰ ৭ ছেপ্তেম্বৰ তাৰিখে ইতিহাসত জিলিকি পৰা আমাৰ জ্ঞানৰ পৱিত্ৰ মন্দিৰ গড়গাঁও মহাবিদ্যালয়খন প্ৰাণ পাই উঠিছিল, সেই মহান তথা বৰেণ্য ব্যক্তিসকললৈ মোৰ তৰফৰ পৰা আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ-উপাধ্যক্ষ মহোদয়, পূজনীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ, মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু ভাইটি-ভণ্টীলৈ মই মোৰ আন্তৰিক ওলগ জনাইছোঁ।

এই পৱিত্ৰ জ্ঞানৰ মন্দিৰ গড়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ আৰু ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ গুৰু খেল বিভাগৰ সম্পাদক হিচাপে সেৱা আগবঢ়াবলৈ পাই বহুত সুখী। সম্পাদক পদ পোৱাৰ পাছত মোৰ কাৰ্যসূচীসমূহ সুকলমে চলাই নিবলৈ চেষ্টা কৰিছিলোঁ। এইক্ষেত্ৰত কিমান সফল হ'ব পাৰিলোঁ নাজানো, সেয়া আপোনালোকৰ বিচাৰ্য। গুৰু খেল বিভাগৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰি মই আন্তঃমহাবিদ্যালয়ৰ প্ৰতিযোগিতা সমূহৰ বাবে প্ৰস্তুতি চলাবলগা হৈছিল। মোৰ ভাগত পৰিছিল মহাবিদ্যালয়ৰ ক্ৰিকেট আৰু ফুটবল দলকেইটা প্ৰস্তুত কৰা। এইক্ষেত্ৰত মোৰ বিভাগীয় উপদেষ্টা ড° ৰক্তিম পাটৰ আৰু ড° আৰণ্ডাও নাৰ্জাৰী ছাৰে সহায়ৰ হাত আগবঢ়াইছিল।

ইয়াৰ উপৰিও বাৰ্ষিক ক্ৰীড়া, সাহিত্য আৰু সাংস্কৃতিক সমাৰোহত মোৰ বিভাগীয় খেলসমূহ অনুষ্ঠিত কৰিছিলোঁ। খেলসমূহ সুচাৰুৰূপে অনুষ্ঠিত কৰাত মোৰ কেইজনমান অগ্ৰজ আৰু সহপাঠীয়ে সহায় কৰিছিল।

সদৌ শেষত ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়া আৰু মোৰ কাৰ্যকালত সহায় কৰা সকলো অগ্ৰজ আৰু সহপাঠীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এবছৰীয়া এই কাৰ্যকালত যদি কাৰোবাৰ ওচৰত অজানিতে দোষ কৰিছিলোঁ তাৰবাবে ক্ষমা-প্ৰাৰ্থনা বিচাৰি মহাবিদ্যালয়ৰ যথোচিত উন্নতি কামনাৰে মোৰ বিভাগীয় প্ৰতিবেদন সামৰিলোঁ।

জয়তু গড়গাঁও মহাবিদ্যালয়
জয়তু গড়গাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভা

অৰ্ণৱ বৰুৱা
গুৰু খেল বিভাগৰ সম্পাদক

# লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে মই সেই মহীষীসকলক মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। যিসকলৰ পৃষ্ঠপোষকতাত ঐতিহ্যমণ্ডিত এই গড়গাঁও মহাবিদ্যালয়খন স্থাপিত হ'ল।

জ্ঞানৰ মন্দিৰ এই গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকাসকল আৰু সমূহ কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ঐতিহ্যমণ্ডিত এই জ্ঞান মন্দিৰটিত নামভৰ্তি  কৰাৰ পূৰ্বৰে পৰা মহাবিদ্যালয়ৰ হকে এক সেৰা আগবঢ়োৱাৰ সপোন আছিল। সেই সপোন বাস্তৱত ৰূপায়িত কৰিবৰ বাবে মই ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনৰ লঘু ক্ৰীড়া বিভাগৰ পদটিৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলোঁ। এই পদত মোক উপযুক্ত হিচাপে বিবেচনা কৰি জয়যুক্ত কৰাৰ বাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম।

এই কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মই বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ সন্মুখীন হৈছিলোঁ। মোৰ বিভাগৰ অন্তৰ্গত কাবাডী, বেডমিণ্টনকে ধৰি আৰু কেইবাটাও খেলৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ আৰম্ভণিতে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিলোঁ যদিও মহাবিদ্যালয়ৰ অধ্যাপক তথা মোৰ বিভাগীয় উপদেষ্টা দিগন্ত কোঁৱৰ ছাৰ আৰু মোৰ কেইজনমান অগ্ৰজ আৰু সহপাঠীৰ পৃষ্ঠপোষকতাত খেলসমূহ সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ সক্ষম হ'লোঁ। ইয়াৰোপৰি আন্তঃমহাবিদ্যালয় কাবাডী আৰু হেণ্ডবল প্ৰতিযোগিতাৰ বাবে প্ৰতিযোগী পঠাইছিলোঁ।

সদৌ শেষত ছাত্ৰ একতা সভাৰ সকলো বিষয়ববীয়া আৰু মোৰ কাৰ্যকালত সহায় কৰা সকলো অগ্ৰজ আৰু সহপাঠীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এবছৰীয়া এই কাৰ্যকালত যদি কাৰোবাৰ ওচৰত অজানিতে দোষ কৰিছিলোঁ তাৰ বাবে ক্ষমা-প্ৰাৰ্থনা বিচাৰি মহাবিদ্যালয়ৰ যথোচিত উন্নতি কামনাৰে মোৰ বিভাগীয় প্ৰতিবেদন সামৰিলোঁ।

জয়তু গড়গাঁও মহাবিদ্যালয়
জয়তু গড়গাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভা

প্ৰাচুৰ্য্য প্লাৱন গগৈ
লঘু খেল বিভাগৰ সম্পাদক

# শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জ্ঞানৰ মুকুতা সন্ধানী মিলনৰ ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ৰ ইতিহাসৰ বুকুত এক উজ্জ্বল মাণিকস্বৰূপ। সম্পাদকীয় প্ৰতিবেদনৰ পাতনি আৰম্ভ কৰাৰ আগেয়ে মই সেইসকল মনীষীক সোঁৱৰিছো যিসকলৰ অশেষ সাধনা আৰু ত্যাগৰ ফলত বুৰঞ্জী প্ৰসিদ্ধ গড়গাঁৱত ১৯৫৯ চনৰ ৭ ছেপ্টেম্বৰত প্ৰতিষ্ঠিত গড়গাঁও মহাবিদ্যালয়খন উন্নতি শিখৰত আগবাঢ়ি গৈছে। সেইসকল শিক্ষাগুৰুলৈ মোৰ আন্তৰিক শ্ৰদ্ধা যাচিলো। লগতে মহাবিদ্যালয়খনৰ কৰ্তব্যত থকা কৰ্মচাৰীবৃন্দ আৰু জ্ঞান ল'বলৈ অহা মোৰ মৰমৰ অগ্ৰজ-অনুজ, বন্ধু-বান্ধৱক আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

ইতিহাস প্ৰসিদ্ধ গড়গাঁও মহাবিদ্যালয়ৰ দৰে এখন মহাবিদ্যালয়ৰ ২০১৮-১৯ বৰ্ষৰ শৰীৰ চৰ্চা বিভাগৰ সম্পাদক হিচাপে মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়াবলৈ পোৱাটো মোৰ বাবে পৰম সৌভাগ্যৰ কথা। মই শৰাৰ চৰ্চা বিভাগৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতেই জানুৱাৰী মাহৰ ৫ তাৰিখৰ পৰা বাৰ্ষিক সাহিত্য, সাংস্কৃতিক আৰু ক্ৰীড়া সপ্তাহ আৰম্ভ হয়। এই সপ্তাহত মোৰ বিভাগৰ দায়িত্বত থকা খেলসমূহ ১০ জানুৱাৰীত অনুষ্ঠিত কৰা হয়। এই বাৰ্ষিক ক্ৰীড়া সপ্তাহত মোক প্ৰতিটো ক্ষেত্ৰত সহায়-সহযোগ কৰা মোৰ বিভাগীয় উপদেষ্টা শ্ৰীযুত গুণকান্ত সোণোৱাল ছাৰক মোৰ ফালৰ পৰা আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালো।

ইয়াৰ পাছত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃমহাবিদ্যালয়ৰ শৰীৰ চৰ্চা বিভাগৰ খেলসমূহৰ ভিতৰত টাইকোনাণ্ড' প্ৰতিযোগিতাত বিবেক গগৈয়ে স্বৰ্ণ পদক লাভ কৰিবলৈ সক্ষম হয়।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে বৈ যোৱা ভুল-ত্ৰুটীসমূহৰ বাবে আপোনালোকৰ সকলোৰে ওচৰত ক্ষমা-প্ৰাৰ্থনা বিচাৰিলো।

জয়তু গড়গাঁও মহাবিদ্যালয়
জয়তু গড়গাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভা

ৰূপম গগৈ
শৰীৰ চৰ্চা বিভাগৰ সম্পাদক

# সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



নমস্কাৰ গ্ৰহণ কৰিব। সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল মহান ব্যক্তিক সুঁৱৰিছো, যিসকলৰ মূল্যৱান তথা অবিৰত প্ৰচেষ্টাৰ ফলত আহোম ৰাজধানী গড়গাঁৰৰ বুকুত প্ৰাণ পাই উঠে গড়গাঁও মহাবিদ্যালয়। ১৯৫৯ চনৰ ৭ ছেপ্টেম্বৰ তাৰিখৰ পৰা বৰ্তমানলৈকে প্ৰতিজন গড়গঞাৰে গৌৰৱৰ প্ৰতীক গড়গাঁও মহাবিদ্যালয়। লগতে সেইসকল ব্যক্তিলৈ শ্ৰদ্ধা নিবেদিছো যিসকলৰ যৎপৰোনাস্তি চেষ্টা আৰু ত্যাগৰ ফলত বৰ্তমান গড়গাঁও মহাবিদ্যালয় হৈ পৰিছে গৌৰৱৰ কেন্দ্ৰস্থল তথা মানৱ সম্পদ গঢ় দিয়াৰ অন্যতম স্থল।

মই ধন্যবাদ জনাইছোঁ সেইসকল শুভাকাংক্ষীক যিসকলৰ সহায়-সহযোগিতা তথা উৎসাহ আৰু সমৰ্থনৰ ফলস্বৰূপে ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমাজ সম্পাদক বিভাগত প্ৰতিদ্বন্দ্বিতা কৰি মহাবিদ্যালয়ৰ স্বাৰ্থত সেৱা আগবঢ়োৱাৰ সুবিধা লাভ কৰিলোঁ। উক্ত পদটিৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা দায়িত্বসমূহ সুচাৰুৰূপে পালন কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিলোঁ। তদুপৰি মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহকে আদি কৰি প্ৰতিটো অনুষ্ঠানতে মহাবিদ্যালয়ৰ পৰিৱেশ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰিছিলোঁ।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য হিচাপে সকলো কাৰ্য সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে সু দিহা-পৰামৰ্শ আগবঢ়োৱা ড° সুৰজিৎ শইকীয়া ছাৰৰ ওচৰত মই চিৰকৃতজ্ঞ। তদুপৰি অধ্যাপক পৱন গগৈ ছাৰ, ড° ক্ষীৰোদ চন্দ্ৰ গগৈ ছাৰ, মহানন্দ তামুলী ছাৰ, প্ৰসাদজ্যোতি বড়ো ছাৰ আৰু মিনা ৰবি দাস আৰু ড° ৰিমঝিম বড়া বাইদেউলৈ মোৰ তৰফৰ পৰা ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো তথা এই সুযোগতে মোৰ সহপাঠী, বন্ধু-বান্ধৱ, অনুজসকল সকলোকে আদি কৰি মোৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ছাত্ৰ একতা সভাৰ সদস্য হিচাপে মহাবিদ্যালয়ৰ স্বাৰ্থত কাৰ্য কৰি যোৱা এই সময়খিনি মোৰ বাবে এক মধুৰ স্মৃতি হৈ ৰ'ব। সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে বৈ যোৱা ভুল-ত্ৰুটীৰ বাবে ক্ষমা-প্ৰাৰ্থনা বিচাৰিছোঁ। লগতে গড়গাঁও মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনা কৰি মোৰ বিভাগীয় প্ৰতিবেদন সামৰিছোঁ।

জয়তু গড়গাঁও মহাবিদ্যালয়।
জয়তু গড়গাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভা।

প্ৰান্তত

দীপশিখা বেজবৰুৱা
সমাজসেৱা বিভাগৰ সম্পাদক

# ছাত্ৰ জিৰণি চ'ৰা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল মনীষীক সুঁৱৰিছো, যিসকল মহান ত্যাগ, অপ্ৰাণ চেষ্টাৰ ফলত ১৯৫৯ চনৰ ৭ ছেপ্টেম্বৰত ঐতিহ্যমণ্ডিত আহোমৰ একালৰ ৰাজধানী গড়গাঁৱত গড়গাঁও মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰিছিল। বৰ্তমানে যিসকল গণ্য-মান্য মনীষীৰ তত্ত্বাৱধানত মহাবিদ্যালয়খনি উন্নতিৰ পথত দোপত-দোপে আগুৱাই যাব ধৰিছে সেইসকললৈয়ো মোৰ আন্তৰিক শ্ৰদ্ধা আৰু প্ৰণিপাত জ্ঞাপন কৰিলোঁ।

ইতিহাসৰ পাতত সোণালী আখৰেৰে খোদিত হোৱা আহোমৰ ৰাজধানী গড়গাঁৱত প্ৰতিষ্ঠিত এই গড়গাঁও মহাবিদ্যালয়ত যেতিয়া নামভৰ্তি কৰিছিলোঁ তেতিয়াৰ পৰাই মোৰ মনত এই মহাবিদ্যালয়ৰ হকে সেৱা আগবঢ়োৱাৰ অলেখ হেঁপাহ আছিল। এই আশা বাস্তৱত ৰূপায়িত হয় ২০১৮-১৯ বৰ্ষত। গত বৰ্ষৰ ছাত্ৰ একতা সভাত মই ছাত্ৰ জিৰণি চ'ৰাৰ সম্পাদক হিচাপে মনোনীত হৈছিলোঁ।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতেই মোৰ প্ৰথম কাৰ্যাৱলী আছিল মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ খেলসমূহ সুচাৰুৰূপে অনুষ্ঠিত কৰা। খেলসমূহ অনুষ্ঠিত কৰোঁতে মই পোনপ্ৰথমে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিলোঁ যদিও বিভাগীয় উপদেষ্টা শ্ৰদ্ধাৰ শ্ৰীযুত ডিম্বেশ্বৰ দাস ছাৰৰ সু-পৰামৰ্শ আৰু সতীৰ্থসকলৰ সহযোগত খেলসমূহ নিয়াৰিকৈ সম্পন্ন কৰিবলৈ সক্ষম হৈছিলোঁ। মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগীয় প্ৰতিযোগিতাসমূহত প্ৰতিযোগীৰ সংখ্যা আছিল যথেষ্ট উৎসাহজনক। প্ৰতিযোগীসকলেও উন্নত মানদণ্ডৰ খেল প্ৰদৰ্শন কৰিছিল।

মোৰ কাৰ্যকালৰ দিনকেইটাত বিভিন্ন ধৰণেৰে পৰামৰ্শ দিয়া তথা সহায়-সহযোগিতা আগবঢ়োৱা শ্ৰীযুত ডিম্বেশ্বৰ দাস ছাৰৰ তথা সমূহ শুভাকাংক্ষী, অগ্ৰজ-অনুজলৈ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

শেষত বিগত বৰ্ষৰ গড়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া আৰু মোৰ কাৰ্যকালত সহায়-সহযোগিতা আগবঢ়োৱা বন্ধুসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰি মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

জয়তু গড়গাঁও মহাবিদ্যালয়

জয়তু গড়গাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভা

প্ৰান্তত

বিদ্যুৎ মাউত

ছাত্ৰ জিৰণি চ'ৰা বিভাগৰ সম্পাদক

# ছাত্ৰী জিৰণি চ'ৰা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



ইতিহাস প্ৰসিদ্ধ আহোমসকলৰ ছশবছৰীয়া গৌৰৱোজ্জ্বল অধ্যায়ৰ সোণালী স্মৃতি বহন কৰা স্থান গড়গাঁও। এই গড়গাঁৱতে ১৯৫৯ চনৰ ৭ ছেপ্টেম্বৰ তাৰিখে কেইগৰাকীমান মহান মনীষীৰ ত্যাগ আৰু আপ্ৰাণ প্ৰচেষ্টাৰ বলত প্ৰতিষ্ঠা লাভ কৰিছিল গড়গাঁও মহাবিদ্যালয়। ইতিহাসৰ পাতত সোণালী আখৰেৰে খোদিত হোৱা এই গড়গাঁও মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ আঁৰত থকা প্ৰত্যেকগৰাকী চিৰনমস্য মহান মনীষীক মই শ্ৰদ্ধাৰে সুঁৱৰিছো। লগতে বৰ্তমান যিসকল গণ্য-মান্য মনীষীৰ তত্বাৱধানত এই মহাবিদ্যালয়খনি উন্নতিৰ জখলাত দোপত-দোপে আগবাঢ়ি যাবলৈ সক্ষম হৈছে, সেইসকল মনীষীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু প্ৰণিপাত জ্ঞাপন কৰিলোঁ।

জ্ঞানৰ মন্দিৰ এই গড়গাঁও মহাবিদ্যালয়ত নামভৰ্তি কৰাৰে পৰা মোৰ মনত এই আপোন মহাবিদ্যালয়খনিৰ হকে সেৱা আগবঢ়োৱাৰ সপোন মনত জাগি উঠিছিল। ভাগ্যক্ৰমে মোৰ এই সপোন সহজে বাস্তৱত ৰূপায়িত হৈছিল ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত জয়ী হৈ। ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি চ'ৰা বিভাগৰ সম্পাদিকা হিচাপে জয়যুক্ত কৰি মহাবিদ্যালয়ৰ হকে সেৱা আগবঢ়োৱাৰ বাবে সুবিধাকণ দিয়াত সহায়-সহযোগিতা কৰা প্ৰত্যেকজন গড়গঞাৰ অগ্ৰজ আৰু বন্ধু-বান্ধৱীক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে চিৰদিন তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম।

কাৰ্যভাৰ গ্ৰহণ কৰিয়েই সন্মুখীন হ'বলগা হৈছিল বহু প্ৰত্যাশিত 'বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ'। ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকাৰূপে মাথোঁ ছাত্ৰীসকলৰ বাবে তেওঁলোকৰ দিহা-পৰামৰ্শ অনুযায়ী মুঠ ছয়টা প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ। প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে আগবঢ়াই নিয়াত মই যথেষ্ট চিন্তিত হৈছিলোঁ যদিও মোৰ বিভাগীয় উপদেষ্টা শ্ৰদ্ধাৰ বণিকা বুঢ়াগোহাঁই বাইদেউৰ পৰামৰ্শ আৰু সহযোগিতাত খুউব সুন্দৰভাৱে সকলো প্ৰতিযোগিতা নিয়াৰিকৈ অনুষ্ঠিত হৈ গৈছিল। মই মোৰ দায়িত্ব পালনত সদায়ে সতৰ্ক আছিলোঁ যদিও অজানিতে সৰু সৰু বহুতো ভুল-ত্ৰুটী বৈ গৈছিল তাৰবাবে মই দুখিত আৰু সেয়ে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

শেষত মোৰ কাৰ্যকালত সকলো দিশতে দিহা-পৰামৰ্শ আগবঢ়োৱা বিভাগীয় উপদেষ্টা বণিকা বাইদেউ, আন্না বাইদেউ, ৰক্তিম ছাৰলৈ শ্ৰদ্ধা আৰু মোক যোগ্য বুলি ভাবি জয়যুক্ত কৰাত আৰু কাৰ্যকালৰ সকলো কামতে সহায়-সহযোগিতা আগবঢ়োৱা বিদুৰ দা, ঋতিক দা, সূৰজ দা, সাগৰিকা বা, বিজিত দা, অংকুৰ, গায়ত্ৰী, হিমাংশু দা, হিমাংশ, স্নেহা বা দীপশিখা বা, বিদ্যুৎ দা, বৈশালী বা, পঞ্চমী বা ৰঞ্জিতা বা, হিৰণময়ী বা, গৌৰাংগ দা, আদিত্য দা, ঋতুৰাজ দা, প্ৰাৰ্থনা, চন্দ্ৰমল্লিকা, বৰ্ণালী তথা সমূহ শুভাকাংক্ষীলৈ পুনৰবাৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছোঁ।

সৰ্বশেষত বুৰঞ্জী প্ৰসিদ্ধ গড়গাঁও মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনা কৰি মহাবিদ্যালয়লৈ জ্ঞানৰ সঁফুৰা বিচাৰি অহা সমূহ শিক্ষাৰ্থীলৈ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

জয়তু গড়গাঁও মহাবিদ্যালয়

জয়তু গড়গাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

প্ৰান্তত

মাধুৰীমা খনিকৰ
ছাত্ৰী জিৰণি চ'ৰা বিভাগৰ সম্পাদিকা